জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

https://dainikasam.in

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬২ বছৰ । ১০০ সংখ্যা, ২৮ কাতি দেওবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 100। GUWAHATI, SUNDAY, NOVEMBER 15, 2026 । পৃষ্ঠা ১২+৪ (Pages 12+4) ৯.০০ টকা (Rs. 9.00)

গোলাঘাটৰ চিকিৎসালয়ত অবৰ্ণনীয় পৰিৱেশ ঃ মৃতদেহ নিবলৈ শাৰী শাৰী এম্বুলেন্সৰ ভিৰ



ইখনৰ পাছত সিখনকে জ্বলিল চিতা, নিহতৰ সংখ্যা ২৬লৈ বৃদ্ধি

স্তব্ধ কাজিৰঙা, চৌদিশে কান্দোন



যোৰহাটত চিকিৎসাধীন ১৭ আহত, ভেণ্টিলেটৰত পাঁচ আহত ■ এবছৰ পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল নিহত মৰঙিৰ ৰঞ্জিতাই ■ ককায়েকৰ কইনাৰ আঙঠিৰ জোখ লৈ গৈছিল দীপাঞ্জলি

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোলাঘাট, ১৪ নৱেম্বৰ ঃ স্তব্ধ হৈ পৰিছে কাজিৰঙা, চৌদিশে কান্দোনৰ ৰোল। আহতৰ আৰ্তনাদ, আপোনজনক হেৰুওৱাৰ বেদনাৰে জৰ্জৰিত অসংখ্যজন। হাস্পতালত শাৰী শাৰী এম্বুলেন্সৰ ভিৰ আৰু চাৰিওফালে এক শোক-জৰ্জৰ

৬ পৃষ্ঠাত চাওক

অভিশপ্ত ট্ৰেভেলাৰৰ গৰাকী অঞ্জিৰ আলীক আটক

কঁহৰা, ৰঙাজানত কান্দোনৰ ৰোল

একেলগে জ্বলিল তিনি ভগ্নীৰ চিতা

মোমায়েকৰ ঘৰলৈ বুলি গৈ উভতি নাহিল মাতৃ-পুত্ৰ, বেবী কৰ্মকাৰ



দৈনিক অসমৰ প্ৰতিনিধি

কাজিৰঙা, ১৪ নৱেম্বৰ ঃ কাজিৰঙাৰ কঁহৰা, ৰঙাজানত এতিয়া কেৱল কান্দোনৰ ৰোল। তিনিটাকৈ পৰিয়ালৰ ৬জনকৈ সদস্যৰ মৃত্যুৰে শোকস্তব্ধ কৰি তুলিছে সমগ্ৰ অঞ্চল। উল্লেখ্য যে কালি কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়াৱহ দুৰ্ঘটনাত অভিশপ্ত ট্ৰেভেলাৰখনত থকা ২৬গৰাকী যাত্ৰীয়ে অতি কৰুণভাৱে মৃত্যুক সাবটি লয়। দুৰ্ঘটনাত কাজিৰঙাৰ কঁহৰাৰ সমীপৰ একেটা পৰিয়ালৰে তিনিগৰাকী বায়েক-ভনীয়েক— জ্যোতি মাঝি, দৰ্পণা মাঝি আৰু লক্ষী মাঝিয়ে প্ৰাণ

২ পৃষ্ঠাত চাওক



দুবছৰীয়া শিশুক লৈ বিপাঙত কৰ্তৃপক্ষ

পিতৃ-মাতৃৰ সন্ধানত প্ৰশাসন !

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোলাঘাট, ১৪ নৱেম্বৰ ঃ কাজিৰঙাৰ ৰঙাজানৰ ভয়ংকৰ দুৰ্ঘটনাত দুঃসহ স্মৃতি কঢ়িয়াই দিশহাৰা হৈ পৰিছে এটি দুবছৰীয়া শিশু । দুৰ্ঘটনাটোত

৬ পৃষ্ঠাত চাওক



ঘটনাস্থলীলৈ ৰাষ্ট্ৰীয় পথ বিষয়া

বোকাখাতত পৰ্যাপ্ত চিকিৎসাৰ সুবিধা নথকাৰ কথা স্বীকাৰ মন্ত্ৰী অতুল বৰাৰ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোলাঘাট, ১৪ নৱেম্বৰ ঃ আজি পুৱাৰে পৰা গোলাঘাটৰ শ্ব্হীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মৰ্গত অভাৱনীয় ভিৰ। মৃতকৰ আত্মীয়ৰ লগতে কেইবাশ লোকে মৰণোত্তৰ

২ পৃষ্ঠাত চাওক

ৰঙাজান, বিহৰা, সাপজুৰিত শোকৰ বন্যা

বোকাখাতৰ ৭ দুৰ্ভগীয়াৰ শেষকৃত্যত মৰ্মন্তুদ পৰিস্থিতি

দৈনিক অসমৰ প্ৰতিনিধি

বোকাখাত, ১৪ নৱেম্বৰ ঃ কাজিৰঙাৰ অভিশপ্ত ৰঙাজানৰ দেশ কঁপাই যোৱা ভয়ংকৰ পথ দুৰ্ঘটনাৰ পাছত আজিও ম্ৰিয়মাণ হৈ আছে সমগ্ৰ ৰাজ্য। পুৱাৰে পৰা স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰিছে বোকাখাত নগৰ। আজি পুৱাৰ পৰাই দিনৰ ১১ বজালৈকে বন্ধ হৈ থাকে বোকাখাত নগৰৰ সমূহ দোকান-পোহাৰ। দুৰ্ঘটনাত নিহত ২৬গৰাকী দুৰ্ভগীয়া লোকৰ

২ পৃষ্ঠাত চাওক

একমাত্ৰ কন্যা জয়ন্তীক হেৰুৱাই দিশহাৰা বামুণবাৰীৰ কিশোৰ ৰবিদাস

■ অসুস্থ পিতৃৰ বাবে দৰব আনিবলৈ গৈ চিৰদিনলৈ হেৰাই গ'ল কাজিৰঙাৰ দীপক

দুৰ্ঘটনাৰ সময়ত চালকজনৰ শাৰীৰিক অৱস্থাক লৈ সন্দেহ প্ৰকাশ মুখ্যমন্ত্ৰীৰ

ৰঙাজানৰ দুৰ্ঘটনাস্থলী পৰিদৰ্শন, নিহতৰ পৰিয়াললৈ ৭ লাখকৈ এককালীন সাহায্য

যান-বাহন আইন কঠোৰভাৱে বলৱৎ কৰাৰ পোষকতা ডঃ শৰ্মাৰ



গোলাঘাট/কাজিৰঙাৰ দৈনিক অসমৰ বিশেষ প্ৰতিনিধি/প্ৰতিনিধি, ১৪ নৱেম্বৰ ঃ কাজিৰঙাৰ ৰঙাজানত ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত শুকুৰবাৰে সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাস্থলী আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। তেওঁ দুৰ্ঘটনাটোৰ কাৰণ আৰু ঘটনাৰ পৰৱৰ্তী পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে শোকাৱহ দুৰ্ঘটনাটোত ২৬গৰাকীকৈ লোকৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। দুৰ্ঘটনাত নিহত

৬ পৃষ্ঠাত চাওক

অভিশপ্ত ট্ৰেভেলাৰখনৰ চালক মজিদৰ পুত্ৰৰ আৱেগিক ভাষ্য

ঘটনাটো দুৰ্ভাগ্যজনক, মোৰ দেউতাই ৪৫ বছৰ ধৰি গাড়ী চলাইছে



ৰঙাজানত ভয়ংকৰ দুৰ্ঘটনাৰ পাছতে সৰৱ কাজিৰঙাবাসী

হোটেল নহয়, পঞ্চতাৰকা চিকিৎসালয়হে বিচাৰিলে ৰাইজে

আজিৰ পৰিপূৰিকা





দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোলাঘাট, ১৪ নৱেম্বৰ ঃ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাৰ পাছত গোলাঘাটৰ শ্ব্হীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মৰ্গত আজি বিৰাজ কৰিছে এক শোকাকুল পৰিৱেশ। মৰ্গৰ বাহিৰত শাৰী শাৰী এম্বুলেঞ্চ। ইখনৰ

৬ পৃষ্ঠাত চাওক

শোকস্তব্ধ নগাঁৱত ট্ৰেভেলাৰ চলাচল বন্ধ

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনালে শোকাকুল ৰাইজে

গুৱাহাটীত আছুৰ শ্ৰদ্ধাঞ্জলি ■ আহতৰ স্বাস্থ্যৰ বুজ ল'লে সমীৰণ ফুকন, পলাশ চাংমায়ে

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

নগাঁও, ১৪ নৱেম্বৰ ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনাবলৈ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিল অসংখ্য লোক। সকলোৰে অন্তৰত এটাই কামনা— কাজিৰঙাৰ ভয়াৱহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা দুৰ্ভগীয়া লোকসকলৰ আত্মাই

৬ পৃষ্ঠাত চাওক





দৈনিক অসমৰ প্ৰতিনিধি

বোকাখাত, ১৪ নৱেম্বৰ ঃ ১৩ নৱেম্বৰৰ ভয়াৱহ পথ দুৰ্ঘটনাত ২৬জনকৈ লোকৰ মৃত্যুৰ পাছত বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা আৰু বোকাখাত সমজিলাৰ স্বাস্থ্য সেৱাৰ পুতৌ লগা অৱস্থাক লৈ সৰৱ হৈছে স্থানীয় ৰাইজ। বোকাখাতৰ শ্ব্হীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত ন্যূনতম চিকিৎসা ব্যৱস্থা নথকাৰ অভিযোগ উত্থাপন কৰি এনে পুতৌ লগা অৱস্থাৰ বাবে ৰঙাজানৰ পথ দুৰ্ঘটনাত আহত বহু লোকৰ মৃত্যু হোৱা বুলি সকলোৱে অভিযোগ কৰিছে। বিশ্ব ঐতিহ্যক্ষেত্ৰত এখন উন্নত মানৰ চিকিৎসালয় নথকাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক বুলি বিভিন্ন দল-সংগঠনে মন্তব্য কৰিছে। ৰঙাজানৰ অভিশপ্ত পথ দুৰ্ঘটনাৰ পাছত

২ পৃষ্ঠাত চাওক

মাতৃক ছুৰিকাঘাত, কিশোৰৰ আত্মহত্যাক লৈ আৰক্ষীৰ তদন্তত পোহৰলৈ ন ন তথ্য

চন্দ্ৰাণী-ইন্দ্ৰাণীৰ মাজত আছিল সম্পত্তিকেন্দ্ৰিক সংঘাত

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ মাতৃক ছুৰিকাঘাত কৰি কিশোৰ পুত্ৰই অট্টালিকাৰ পৰা জঁপিয়াই আত্মহনন কৰা শিহৰণকাৰী ঘটনাটোৱে মহানগৰবাসীক স্তম্ভিত কৰি তুলিছে। মহানগৰীৰ চানমাৰি থানা এলেকাৰ বামুণীমৈদামৰ জ্যোতিনগৰত

২ পৃষ্ঠাত চাওক



কাজিৰঙাৰ দুৰ্ঘটনাই উদঙালে পৰিবহন বিভাগৰ ব্যৰ্থতা

নামতহে আছে ইণ্টাৰচেপ্টৰ, স্পীড লিমিট কেমেৰা



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাই ৰাজ্যৰ পথ সুৰক্ষা ব্যৱস্থাক লৈ পুনৰ বৃহৎ প্ৰশ্নবোধকৰ সৃষ্টি কৰিছে। দুৰ্ঘটনাটোৰ পাছৰ দৃশ্যই ট্ৰেভেলাৰখনৰ গতিবেগৰ ভয়ংকৰ ৰূপ উদঙাই দিছে। এখন

৬ পৃষ্ঠাত চাওক

১২খনকৈ চালানৰ পাছতো নিৰিঘ্নে চলি আছিল অভিশপ্ত ট্ৰেভেলাৰ বাহনখন

কাঁহুদী



— মিছা কথা, হ'বই নোৱাৰে। আমাৰ চৰকাৰৰ দিনতকৈ কংগ্ৰেছৰ শাসনত ৰাষ্ট্ৰীয় পথৰ দুৰ্ঘটনা বেছি হৈছিল।

১০ অভিযন্তাক তৎকালীনভাৱে নিলম্বন

বৰাক, হাফলঙত লোকনিৰ্মাণ বিভাগত চূড়ান্ত গাফিলতি



দৈনিক অসমৰ প্ৰতিনিধি

শিলচৰ, ১৪ নৱেম্বৰ ঃ বৰাক উপত্যকা আৰু ডিমা হাছাও লোকনিৰ্মাণ বিভাগত ধুমুহাৰ সৃষ্টি হৈছে। ১০ বিয়াগোম বিষয়াক তৎকালীনভাৱে নিলম্বন কৰা হৈছে। বৰাক উপত্যকাৰ তিনিওখন জিলা কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাৰ ৰাস্তা আৰু

২ পৃষ্ঠাত চাওক

কাজিৰঙাৰ ৰঙাজানৰ শোকাৱহ পথ দুর্ঘটনা ঃ ক্ষোভ প্রকাশ আছুৰ সভাপতি উৎপল শর্মাৰ

দৈনিক অসমৰ প্রতিনিধি

শদিয়া, ১৪ নৱেম্বৰ ঃ 'কাজিৰঙাৰ ৰঙাজানৰ শোকাৱহ পথ দুর্ঘটনাই একে সময়তে অসমৰ পথ পৰিবহন, শিক্ষাখণ্ড, স্বাস্থ্যখণ্ডৰ ফোঁপোলা স্বৰূপটো অতি নির্লজ্জ, নাঙঠভাৱে উদঙাই দিলে।'— আজি শদিয়াত উপস্থিত হৈ এই মন্তব্য কৰে সদৌ অসম ছাত্র সন্থাৰ সভাপতি উৎপল শর্মাই। কালি কাজিৰঙাৰ ৰঙাজানত সংঘটিত হৃদয়বিদাৰক পথ দুর্ঘটনাত আঘাতপ্রাপ্তসকলৰ আশু-আৰোগ্য আৰু নিহতসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি আছুৰ সভাপতিগৰাকীয়ে কয় যে কাজিৰঙা চৰকাৰী আদর্শ মহাবিদ্যালয়ৰ পৰা কলিয়াবৰ মহাবিদ্যালয়লৈকে সুদীর্ঘ প্রায় ৬০ কিলোমিটাৰ পথছোৱাত স্নাতক পর্যায়ত ছাত্র-ছাত্রীসকলে পঢ়া-শুনা কৰিবলৈ কোনো ধৰণৰ শিক্ষানুষ্ঠান নাই। যাৰ বাবে সেই বৃহৎ অঞ্চলটোৰ ছাত্র-ছাত্রীসকল দূৰৈত পঢ়িবলৈ যাবলৈ বাধ্য। কিন্তু, সেই দূৰণিবটীয়া ছাত্র-ছাত্রীসকলৰ বাবে যাতায়াতৰ কোনো ধৰণৰ ব্যৱস্থা নাই। গুৱাহাটী মহানগৰীৰ দৰে এনে ধৰণৰ অঞ্চলবোৰতো কিয় গ্রীনবাছৰ ব্যৱস্থা গ্রহণ কৰিব নোৱাৰে বুলি প্রশ্ন উত্থাপন কৰে। ২০১৭-১৮ চনতে অনুমোদন হোৱা শালনা-খুমটাইৰ ৰে'ললাইনৰ কাম আজিও আৰম্ভ নোহোৱাৰ কাৰণ কি বুলি চৰকাৰলৈ প্রশ্ন উত্থাপন কৰে উৎপল শর্মাই। অসমৰ স্বাস্থ্যখণ্ডৰ ফোঁপোলা স্বৰূপটো সন্দর্ভত প্রতিক্রিয়া প্রকাশ কৰি আছুৰ সভাপতি উৎপল শর্মাই কয় যে দেশে স্বাধীনতা লাভ কৰাৰ ৮০ বছৰৰ পাছতো তথাকথিত উন্নত চিকিৎসাৰ বাবে ৰোগী বা দুর্ঘটনাগ্রস্ত লোকক যদি আজিও ৯০/১০০ কিলোমিটাৰ দূৰৰ চিকিৎসালয়লৈ নিবলগীয়া হয়, তাতকৈ দুর্ভাগ্যজনক একোৰেই হ'ব নোৱাৰে বুলি মন্তব্য কৰে। আছুৰ সভাপতিগৰাকীয়ে উক্ত শোকাৱহ পথ দুর্ঘটনাত নিহত প্রতিগৰাকী লোকৰ পৰিয়ালক পর্যাপ্ত ক্ষতিপূৰণ, আর্থিক সকাহ দিয়াৰ লগতে আহতসকলৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিব লাগিব বুলি দাবী উত্থাপন কৰে। তদুপৰি পথ সম্প্রসাৰণৰ কাম শীঘ্রে সম্পন্ন কৰা, ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উন্নতি কৰা, শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি, ছাত্র-ছাত্রীৰ বাবে বিশেষ যাতায়াতৰ ব্যৱস্থা কৰাৰ দাবী উত্থাপন কৰে উৎপল শর্মাই।

ছিগনোভা হেল্থকেয়াৰত জাপানৰ প্রতিনিধি দল



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ ভাৰত আৰু জাপানৰ মাজত ঔষধ উদ্যোগৰ ক্ষেত্রত প্রযুক্তিগত সহযোগিতা, উদ্ভাৱন আৰু গৱেষণাৰ নতুন সম্ভাৱনা সৃষ্টি কৰাৰ লক্ষ্যৰে ছিগনোভা হেল্থকেয়াৰ প্রাইভেট লিমিটেডৰ ঔষধ উৎপাদন কেন্দ্র পৰিদর্শন কৰে জাপানৰ এটা উচ্চস্তৰীয় প্রতিনিধি দলে। প্রতিনিধি দলটোৰ সৈতে ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান, (আই আই টি) গুৱাহাটীৰ এটা দলো উপস্থিত থাকে। ১১ নৱেম্বৰত অনুষ্ঠিত এই পৰিদর্শন কার্যসূচীয়ে ভাৰত আৰু জাপানৰ মাজত ঔষধ উদ্যোগৰ ক্ষেত্রত জ্ঞানৰ আদান-প্রদান, পাৰস্পৰিক সহযোগিতা আৰু ভৱিষ্যতৰ সম্ভাৱনাসমূহ অন্বেষণ কৰাৰ এক গুৰুত্বপূর্ণ মঞ্চ প্রদান কৰে। তদু পলক্ষে ছিগনোভা হেল্থকেয়াৰে প্রতিনিধি দলটোৰ সন্মুখত নিজৰ ঔষধ উৎপাদন কেন্দ্রৰ আন্তঃগাঁথনি, উৎপাদন ক্ষমতা, কাৰিকৰী সুবিধা আৰু উৎপাদন প্রক্রিয়াৰ বিভিন্ন দিশ দাঙি ধৰে। জাপানৰ প্রতিনিধি দল আৰু আই আই টি, গুৱাহাটীৰ সদস্যসকলে উৎপাদন কেন্দ্রটো পৰিদর্শন কৰি কোম্পানীটোৰ উৎপাদন কার্যকলাপৰ বিষয়ে বিস্তৃত ধাৰণা লাভ কৰাৰ লগতে ঔষধ উৎপাদন আৰু বিকাশৰ বিভিন্ন দিশ সন্দর্ভত কোম্পানীটোৰ প্রতিনিধিসকলৰ সৈতে মত-বিনিময় কৰে। কার্যসূচীৰ আৰম্ভণিতে ছিগনোভা হেল্থকেয়াৰ প্রাইভেট লিমিটেডৰ সঞ্চালক বিজয় কুমাৰে প্রতিনিধি দলটোক উষ্ম আদৰণি জনায়।

আজিৰ ৰাশিফল

২৮ কাতি, দেওবাৰ, ১৫ নৱেম্বৰ

মেষ ঃ ব্যক্তিৰ দ্বাৰা লাভ। পদোন্নতি আদিৰ ক্ষেত্রত বাধাৰ কাৰক হৈছে। অসৎ বন্ধুৰ প্ররোচনাত ছাত্র-ছাত্রীসকল বিপথগামী হোৱাৰ আশংকা। উচ্চ শিক্ষার্থী, প্রতিযোগিতামূলক পৰীক্ষার্থীৰ ক্ষেত্রত অনুকূল পৰিৱেশ লাভ কৰিব। কর্ম প্রতিষ্ঠানত অশুভ প্রভাৱ পৰিব পাৰে।

বৃষ ঃ ক্রয়-বিক্রয়ত শুভ। সন্মান হানি। নতুন যোগাযোগ। ভ্রমণত সিদ্ধি লাভ। শিল্পীৰ শুভ। পাবলগীয়া ধন হাতলৈ ঘুৰি আহিব। সম্পদ বৃদ্ধিৰ যোগ। মানসিক শান্তি আৰু আত্মীয়ৰ দ্বাৰা প্রীতি আৰু সন্মান লাভ হ'ব। উদৰ ৰোগ। পতন কিম্বা আঘাতত কষ্ট আৰু স্নায়ৱিক দুর্বলতা।

মিথুন ঃ শিল্প-কর্মত লাভ। ব্যয়-বাহুল্য। বন্ধু বিচ্ছেদ। নাচ-গান, খেলা-ধূলা, কবিতা-গল্প লিখা আদিৰ জৰিয়তে সন্মান কঢ়িয়াবলৈ সক্ষম হ'ব। প্রেম-প্রণয়ত বাধা, ভুল বুজাবুজি, অর্থ ব্যয়, মানসিক অশান্তি আৰু সন্মান হানি আদিৰ সম্ভাৱনা দেখা যায়। ধন ক্ষতি। গৃহস্থ জীৱনৰ ক্ষেত্রত শুভ ফল প্রাপ্ত হ'ব।

কর্কট ঃ কার্যত ক্ষতি। ৰক্ত দূষিত কষ্ট, পিত্ত ৰোগ, কফ, অস্ত্রাগ্নি-যানাদিৰ ভয়, শৌচ কিম্বা দন্ত পীড়া, ৰক্তহীনতা আদিৰ প্রভাৱ পৰিব। ৱৈবাহিক জীৱনৰ ক্ষেত্রত সহায়ক হ'ব। গৃহস্থ জীৱনৰ ক্ষেত্রত শুভ ফল প্রাপ্ত হ'ব। শিল্পীৰ শুভ। পাবলগীয়া ধন হাতলৈ ঘুৰি আহিব। কার্য সিদ্ধি।

সিংহ ঃ অর্থাগমনৰ যোগ। নতুন যোগাযোগ। ভ্রমণত সিদ্ধি লাভ। শিল্পীৰ শুভ। পাবলগীয়া ধন হাতলৈ ঘুৰি আহিব। সম্পদ বৃদ্ধিৰ যোগ। মানসিক শান্তি আৰু আত্মীয়ৰ দ্বাৰা প্রীতি আৰু সন্মান লাভ হ'ব। উদৰ ৰোগ, পতন, কিম্বা আঘাতত কষ্ট আৰু স্নায়ৱিক দুর্বলতাকে আদি কৰি উদ্বিগ্নতা আদি বৃদ্ধিৰ শংকা থাকিব।

কন্যা ঃ পাৰিবাৰিক শুভ। সামাজিক প্রতিষ্ঠা লাভ, আর্থিক উন্নতি, মনোবল বৃদ্ধি। মাতৃ পীড়া, বন্ধুদ্বেষ, আত্মীয় হানি। আশাৰ সঞ্চাৰ। দালালজাতীয় লোকৰ পৰা সাৱধান নহ'লে প্রৱঞ্চিত হোৱাৰ আশংকা। বিস্ফোৱক পদার্থ, অগ্নি অস্ত্রাদিৰ ভয়। পাৰিবাৰিক শুভ।

তুলা ঃ আঘাত প্রাপ্তি। আকস্মিক দুর্ঘটনা। শত্রুৰ দ্বাৰা ক্ষতি। দুর্ভাগ্যজনক পৰিস্থিতিলৈ লৈ যাব পাৰে। বিস্ফোৱক সামগ্রী, অস্ত্রাগ্নি, প্রাকৃতিক দুর্যোগ আদিত ভয়ৰ কাৰণ। স্বাস্থ্যৰ সমস্যা অলপ কমিব। ব্যৱসায়-বাণিজ্যত লোকচানৰ সন্মুখীনৰ কাৰক। পুৰণি ৰোগ দূৰ হ'ব।

বৃশ্চিক ঃ অপবাদৰ ভয়। পদোন্নতি আদিৰ ক্ষেত্রত বাধাৰ কাৰক হৈছে। অসৎ বন্ধুৰ প্ররোচনাত ছাত্র-ছাত্রীসকল বিপথগামী হোৱাৰ আশংকা। উচ্চ শিক্ষার্থী, প্রতিযোগিতামূলক পৰীক্ষার্থীৰ ক্ষেত্রত অনুকূল পৰিৱেশ লাভ কৰিব। কর্ম প্রতিষ্ঠানত অশুভ প্রভাৱ পৰিব পাৰে। গৃহ অশান্তি। মাতৃ পীড়া।

ধনু ঃ সুখ-সমৃদ্ধি। ভোগ-বিলাস। কর্ম বিস্তাৰ। শুভ সংবাদ প্রাপ্তি। বিবাহৰ দিশ অতিশয় শুভ ভাবাপন্ন হৈছে। চঞ্চলতা। বিবাহাদি শুভ কার্যৰ পৰা আঁতৰত থকাই মংগলজনক। কর্মত ব্যাঘাত। শাৰীৰিক দিশত অশুভ ফল প্রদান কৰিছে। হানিকাৰক কর্মৰ লগত জড়িত হৈ থাকিব পাৰে।

মকৰ ঃ বুদ্ধি নাশ। পিত্তৰোগত কষ্ট। ৰক্ত দূষিত কষ্ট, পিত্ত ৰোগ, কফ, অস্ত্রাগ্নি-যানাদিৰ ভয়, শৌচ কিম্বা দন্ত পীড়া, ৰক্তহীনতা আদিৰ প্রভাৱ পৰিব। ৱৈবাহিক জীৱনৰ ক্ষেত্রত সহায়ক হ'ব। গৃহস্থ জীৱনৰ ক্ষেত্রত শুভ ফল প্রাপ্ত হ'ব। শিল্পীৰ শুভ। পাবলগীয়া ধন হাতলৈ ঘুৰি আহিব।

কুম্ভ ঃ নানা অশুভ। দুর্ঘটনা আৰু অথন্তৰৰ পৰা সদা সতর্ক থকা ভাল। পাৰিবাৰিক দিশত ক্ষতি সাধন কৰিব। শাৰীৰিক অসুস্থতা অথবা চাৰিত্রিক স্খলনে আপোনাক মনোকষ্ট দিব পাৰে। যৌথ ব্যৱসায়ত উন্নতিৰ যোগ। পাৰিবাৰিক দিশত নানান অথন্তৰ ঘটাৰ আশংকা যোগ প্রবল।

মীন ঃ পুৰণি ৰোগৰ উপশম। সুস্বাস্থ্য লাভ। পদমর্যাদা লাভ। হঠাৎ ধন লাভ, ব্যৱসায়ত উন্নতি, সম্পত্তি, যান-বাহন লাভৰ কাৰক। বিবাহ ভংগ, প্রেমাস্পদৰ মাজত অহেতুক মনোমালিন্য, তৃতীয় পক্ষৰ শত্রুতাৰ কাৰক। বিভিন্ন দিশত সমস্যাই ভাৰাক্রান্ত কৰিব পাৰে।

বিজ্ঞাপন সেৱা

'দৈনিক অসম'ত শ্রেণীবদ্ধ বিজ্ঞাপন
(**Classified Advertisement**)
প্রকাশৰ বাবে কার্যালয়ৰ নিম্নোক্ত ব্যক্তিসকলৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—

97060 21101 (অনুপমা দত্ত, মার্কেটিং হেড)
98642 63627 (লক্ষী দাস, সহকাৰী মেনেজাৰ)
91015 17218 (মানস প্রতিম বৰা)

ADVERTISEMENT

In response to the Director of Higher Education, Assam vide E. Comp. No.842323/2026/1 Dated: 13.11.2026 and as per OM of Govt. of Assam no. AHE.45/2019/2 dated 25/02/2019 application in prescribed format of DHE, Assam with all the self-attested testimonials from HSLC onwards is invited from eligible candidates through proper channel for the post of Principal, Pub Kamrup College, Baihata Chariali, Kamrup, Assam-781381. Application must reach the undersigned within 15 days from the date of publication of this advertisement along with a non-refundable demand draft of Rs.5,000/- (Rupees five thousand only) drawn in favour of Principal, Pub Kamrup College payable at Punjab National Bank, Baihata Chariali Branch.

A. Eligibility Criteria:

i. Master's Degree with at least 55 percent marks or an equivalent grade in a point scale wherever grading system is followed by a recognized university.
ii. Ph.D degree in concerned/ allied/ relevant discipline(s).
iii. Professor/Associate Professor with at least 15 years of teaching/ research experience in University/ College and other Institution of Higher Education.
iv. A minimum of 10 research publications in peer reviewed or UGC listed journals.
v. A minimum of 110 research score as per Appendix-II of Table 2 of UGC Regulation 2018.
vi. Relaxation of 5% marks may be provided at Master's Degree level for SC/ST/PWD candidates. The eligibility marks of 55% (or an equivalent grade in a point scale where grading system is followed) and the relaxation of 5% to the categories mentioned above are permissible only based on the qualifying marks without including any grace marks.
vii. The upper age limit of the candidate is 55 years.

B. Working Principal's must apply through proper channel.
C. The tenure of the post of Principal shall be 5 years.
D. Incomplete and incorrect application shall be rejected.
E. No TA/DA is permissible.

Sd/
(Dr. Alaka Das)
President, Governing Body
Pub Kamrup College
Baihata Chariali-781381
website:
www.pubkamrupcollege.co.in

PUBLIC NOTICE

মই, বদিয়াৰ জামাল, গোৱালপাৰা জিলা ন্যায়পালিকাৰ ন'টাৰী জাহান উদ্দিনৰ স্বাক্ষৰিত শপতনামাত ১৪-১১-২৬ তাৰিখে মোৰ দেউতা আৰু আতাৰ নাম শুধৰণিৰ বাবে ন'টাৰী কৰোঁ। মোৰ দেউতাৰ শুদ্ধ নাম কবেজুদ্দিন সেখ, পিতা ঃ নয়া আলী সেখ, সাং ঃ চান্দামাৰী সাতবইনী, থানা-গোৱালপাৰা, জিলা-গোৱালপাৰা। কিন্তু, বালিজানা ৰাজহ চক্রৰ অন্তর্গত চান্দামাৰী সাতবইনী, গাঁৱৰ পট্টা নং 41 আৰু দাগ নং 354ৰ এক বিঘা ভূমিত মোৰ দেউতা কবেজুদ্দিন সেখৰ পৰিৱর্তে মোঃ কবেজ আলী আৰু মোৰ আতা নয়া আলী সেখৰ পৰিৱর্তে নবা আলী ৰেকর্ডভুক্ত হৈ আছে। কবেজ উদ্দিন সেখ আৰু মোঃ কবেজ আলী একেজন ব্যক্তি আৰু নয়া আলী সেখ আৰু নবা আলী একেজন ব্যক্তি বুলি ন্যায়ালয়ৰ শপতনামাত চহী কৰিলোঁ।

বদিয়াৰ জামাল।

DA/PN/1594/1

I, Sri Mrinal Kumar Pegu, S/o Sri Deobor Pegu, resident of Piya Exotica, B-1-9B Bhagaduttapur, Kahilipara, Kamrup (Metro) Assam hereby declare that the name of my son Nityan Pegu has been changed to Naggvit Pegu vide Notarised at Kamrup (Metro) bearing Sl. No.11905 dated 29.05.2026.

DA/PN/1591/1

TO-LET

3 BHK, Uzanbazar, 2 Balconies, Modular Kitchen #8369157240

DA/TL/1592/1

New Commercial unit, 1300sqft, Glass Frontage facing G.S. Road, Ganeshguri. Showroom, Office, Institute, #9874548486

DA/PN/1593/1

১ পৃষ্ঠাৰ পৰা

এ পি এছ চিৰ সংযুক্ত প্রতিযোগিতামূলক পৰীক্ষাৰ প্রথম অসমীয়া পূর্ণাংগ গাইড প্রকাশ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ অসম লোকসেৱা আয়োগৰ সংযুক্ত প্রতিযোগিতামূলক পৰীক্ষাৰ (CCE) পৰীক্ষার্থীৰ সহায়ক হোৱাকৈ অসমীয়া ভাষাত প্রকাশ পাইছে এখন বিশেষ গাইড বুক। জ্যেষ্ঠ সাংবাদিক তথা লেখক শান্তনু কৌশিক বৰুৱাই যুগুতাই উলিওৱা এই গাইড বুক প্রকাশ কৰিছে জ্যোতি প্রকাশনে। উল্লেখ্য যে অসম লোকসেৱা আয়োগৰ সংযুক্ত প্রতিযোগিতামূলক পৰীক্ষাৰ (প্রাৰম্ভিক) সাধাৰণ অধ্যয়নৰ প্রথম প্রশ্নকাকতৰ (GS-I) পাঠ্যক্রম সম্পূর্ণৰূপে অনুসৰণ কৰি প্রণালীবদ্ধভাৱে প্রস্তুত কৰা এইখনেই প্রথম অসমীয়া পূর্ণাংগ গাইড বুক। এই গাইডত পাঠ্যক্রম অনুসৰি বিতংভাৱে সন্নিৱিষ্ট হৈছে সাম্প্রতিক ঘটনাৱলী, ভাৰতৰ বুৰঞ্জী আৰু ভাৰতৰ জাতীয় আন্দোলন, অসমৰ বুৰঞ্জী, ভূগোল, ভাৰতীয় ৰাজনীতি আৰু শাসন ব্যৱস্থা, অর্থনৈতিক আৰু সামাজিক উন্নয়ন, বিভিন্ন চৰকাৰী আঁচনি, পৰিৱেশ আৰু জীৱবৈচিত্র্য, সাধাৰণ বিজ্ঞান, সাধাৰণ জ্ঞান (অসম-ভাৰত-বিশ্ব) প্রতিটো বিষয়তে আছে অসম সম্পর্কীয় সুকীয়া অধ্যায়। বিষয়ভিত্তিক আলোচনাৰ উপৰি ইয়াত অন্তর্ভুক্ত হৈছে ৩০০০ ৰো অধিক বহুবিকল্পী প্রশ্নোত্তৰ (যথাস্থানত ব্যাখ্যাসহ), বিগত পাঁচ বছৰৰ পৰীক্ষাৰ প্রশ্নকাকতৰ সমাধান আৰু 'পৰীক্ষার্থীৰ বাবে কিছু দিহা' শিৰোনামেৰে উল্লিখিত প্রতিযোগিতামূলক পৰীক্ষাৰ প্রথম প্রশ্নকাকতৰ সম্পূর্ণ তথা বিস্তৃত প্রস্তুতিৰ ৰণনীতি। প্রকাশকে জনোৱা মতে, প্রণালীবদ্ধভাৱে সজ্জিত এই গাইড বুক অসমীয়া মাধ্যমৰ পৰীক্ষার্থীসকলৰ প্রস্তুতিৰ প্রতি বিশেষভাৱে লক্ষ্য ৰাখি প্রকাশ কৰা হৈছে। অসম লোকসেৱা আয়োগৰ সংযুক্ত প্রতিযোগিতামূলক পৰীক্ষাৰ অসমীয়া মাধ্যমৰ পৰীক্ষার্থীৰ বাবে গ্রন্থখন নিশ্চিতভাৱে উপযোগী আৰু সহায়ক হ'ব। গাইড বুকখনৰ সংকলন-সহযোগীৰূপে আছে ডঃ দেৱজিৎ বৰুৱা, ডঃ সমাদৃতা গোস্বামী, ডঃ মামণি কলিতা, ডঃ ডলিতা কলিতা, ডঃ নিজৰা কোচ, অভিজিত শর্মা বৰুৱা, নীতিশা বৰদলৈ, পল্লৱী দাস আৰু প্রীতিমা কৌশিক বৰুৱা। সহকাৰী সম্পাদক নীলিম অনুৰাগ।

১ পৃষ্ঠাৰ পৰা

১০ অভিযন্তাক

দলং নির্মাণত চূড়ান্ত গাফিলতিৰ অভিযোগত বিভাগৰ ৯গৰাকী অভিযন্তাক তৎকালীনভাৱে নিলম্বন কৰা হৈছে। তদুপৰি হাফলঙৰ এজন অভিযন্তাক নিলম্বনৰ সন্মুখীন হ'বলগীয়া হৈছে। দলং নির্মাণৰ কামত অনিয়মৰ অভিযোগত ৰাজ্য চৰকাৰে লোকনির্মাণ বিভাগৰ অভিযন্তাসকলৰ একাংশৰ বিৰুদ্ধে বৃহৎ অনুশাসনমূলক ব্যৱস্থা গ্রহণ কৰিছে। এক অভূতপূর্ব পদক্ষেপত একেদিনাই মুঠ ১০জন বিভিন্ন ৰেংকৰ অভিযন্তাক নিলম্বন কৰা হৈছে। নিলম্বিত অভিযন্তাসকলৰ ভিতৰত ৯জনেই ৰৰাক উপত্যকাৰ বিভিন্ন সংমণ্ডলত কর্মৰত আছিল। আন এজনে ডিমা হাছাও জিলাৰ হাফলঙত কাম কৰি আছিল। তাৰ ভিতৰত অধীক্ষক অভিযন্তাৰ পৰা কনিষ্ঠ অভিযন্তালৈকে আছে। কোৱা হৈছে যে কর্তব্যত গাফিলতি, কামত অনিয়ম আৰু বিভিন্ন নির্মাণ কামত তত্ত্বাৱধানৰ অভাৱৰ অভিযোগত এই ব্যৱস্থা গ্রহণ কৰা হৈছে। বিভিন্ন সময়ত ভাগি পৰা দলং নির্মাণত গাফিলতি তথা আৰু ৰক্ষণাবেক্ষণৰ দায়িত্বত থকা অভিযন্তাসকলে শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। নিলম্বিত বিষয়াসকলৰ ভিতৰত আছে লোকনির্মাণ (পথ) বিভাগৰ কাটিগড়া-বৰখলা আঞ্চলিক গোটৰ কার্যবাহী অভিযন্তা কল্লোল নাথ আৰু কনিষ্ঠ অভিযন্তা জয়দীপ নাথ। ধলাই-সোণাই গোটৰ সহকাৰী অভিযন্তা স্থপতি পীযূষ চৌধুৰী আৰু ৰাতুল দাস, পাথাৰকান্দি-ৰামকৃষ্ণনগৰ গোটৰ ভাৰপ্রাপ্ত অভিযন্তা শৈবাল বিশ্বাস আৰু সহকাৰী অভিযন্তা সুব্রত দাস। তদুপৰি হাইলাকান্দিৰ ভাৰপ্রাপ্ত অভিযন্তা শুভেন্দু দাস, বাবু ৰৰভূঞা আৰু কনিষ্ঠ অভিযন্তা আমিৰ হোছেইনৰ বিৰুদ্ধেও অনুৰূপ ব্যৱস্থা গ্রহণ কৰা হৈছে। এই তালিকাত ডিমা হাছাও জিলাৰ হাফলঙত কর্মৰত লোকনির্মাণ বিভাগৰ অধীক্ষক অভিযন্তা ছাকিল আহমেদৰ নামো সন্নিৱিষ্ট কৰা হৈছে। মন কৰিবলগীয়া যে ইয়াৰ পূর্বে ছাকিল আহমেদে ধলাই-সোণাই সংমণ্ডল কার্যবাহী অভিযন্তা হিচাপে কার্যনির্বাহ কৰিছিল। জানিব পৰা মতে, সেই সময়ত কামত গাফিলতি আৰু অনিয়মৰ অভিযোগত তেওঁক নিলম্বন কৰা হৈছিল। সূত্র অনুসৰি হাৱং দলং ভাগি পৰা ঘটনাৰ বাবে কল্লোল নাথ আৰু জয়দীপ নাথৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্রহণ কৰা হৈছে। আনৰ ক্ষেত্রতো বিভিন্ন সময়ত দলং ভাগি পৰাৰ লগতে অন্যান্য চৰকাৰী নির্মাণকার্যত অনিয়মৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে কিছুমান দলং ভাগি যোৱাৰ ঘটনা কেইবাবছৰ আগৰ কথা যদিও এইবাৰ সংশ্লিষ্ট দায়িত্বশীল বিষয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণ কৰা হৈছে।

হোটেল নহয়, পঞ্চতাৰকা

সেই স্থানত পঞ্চ তাৰকা হোটেল নহয় কাজিৰঙাৰ বাবে পঞ্চতাৰকা চিকিৎসালয় স্থাপন হ'ব লাগে বুলি ৰাইজে দাবী তুলিছে। ইফালে, কলিয়াবৰৰ পৰা নুমলীগড়লৈকে কাজিৰঙাইদি এলিভেটেড কৰিড'ৰ আৰু চাৰিলেনযুক্ত ৰাষ্ট্রীয় পথ নির্মাণ হোৱাৰ কথা চৰকাৰে ঘোষণা কৰিলেও ধান পকে মানে টুনীৰ মৰণ হোৱাৰ দৰে এই অঞ্চলৰ জনসাধাৰণে এতিয়া পথ দুর্ঘটনাত প্রাণ হেৰুৱাবলগীয়া হৈছে বুলিও বহুজনে মন্তব্য কৰিছে। কিয়নো এই পথছোৱাৰ বর্তমানৰ অৱস্থা তেনেই পুতৌজনক। চাৰিলেনযুক্ত পথ নির্মাণ হোৱালৈকে এই অঞ্চলত আৰু কিমানজনে প্রাণ দিব লাগিব বুলিও স্থানীয় লোকে ক্ষোভ প্রকাশ কৰিছে। অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্রীয় সমিতিৰ সভাপতি বোকাখাতৰ জ্যেষ্ঠ সাংবাদিক জিতু শর্মা ৰাজখোৱাৰ মতে কাজিৰঙা আৰু বোকাখাত অঞ্চলৰ জনসাধাৰণৰ জীৱনৰ সুৰক্ষাৰ স্বার্থত অঞ্চলটোত এখন এইমছ পর্যায়ৰ উন্নত চিকিৎসালয় আৰু অত্যাধুনিক ট্রমা চেণ্টাৰ স্থাপনৰ বাবে শীঘ্রে ব্যৱস্থা গ্রহণ কৰক। আজি নিহতসকলৰ প্রতি প্রকৃত শ্রদ্ধাঞ্জলি হ'ব তেতিয়াহে, যেতিয়া ভৱিষ্যতে এনে দুর্ঘটনাত আহত কোনো ব্যক্তিয়ে উন্নত চিকিৎসাৰ অভাৱত প্রাণ হেৰুৱাবলগীয়া নহয় বুলিও তেওঁ মন্তব্য কৰে। সাংবাদিকগৰাকীয়ে এই প্রসংগত অসম চৰকাৰলৈ একাধিক দাবী উত্থাপন কৰিছে। ইফালে আজি কাজিৰঙাৰ দুর্ঘটনাস্থলী পৰিদর্শন কৰিবলৈ অহা মুখ্যমন্ত্রীৰ হাতত পূর্বৰ ৩৭ নং ৰাষ্ট্রীয় ঘাইপথ আৰু বর্তমানৰ ৭১৫ নং ৰাষ্ট্রীয় ঘাইপথৰ দুৰাৱস্থা আৰু সঘনাই হৈ থকা দুর্ঘটনাৰ, বোকাখাত সমজিলাৰ চিকিৎসাখণ্ডৰ দুৰাৱস্থাসমূহৰ শীঘ্রেই সমাধানৰ দাবীৰে এখন স্মাৰকপত্রও প্রদান কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্র পৰিষদৰ বোকাখাত জিলা সমিতিয়ে । লগতে ২০২০ চনতেই ডঃ হিমন্ত বিশ্ব শর্মাই বোকাখাতত এটা অতি উন্নতমানৰ ট্রমা চেণ্টাৰ নির্মাণৰ বাবে দিয়া প্রতিশ্রুতি ৰূপায়ণ কৰিবৰ বাবেও সংগঠনটোৰ প্রতিনিধিয়ে। ইফালে কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ এনিমেল কৰিড'ৰত বন্যপ্রাণীৰ সুৰক্ষাৰ বাবে সংস্থাপন কৰা কোটিটকীয়া স্বয়ংক্রিয় কেমেৰা আৰু উচ্চ প্রযুক্তিৰ ছেনচৰ থকাৰ পাছতো এনিমেল কৰিড'ৰৈদি উচ্চ গতিৰে যান-বাহন যোৱাক লৈও প্রশ্ন উত্থাপন কৰিছে বিভিন্ন দল-সংগঠনে। গতি নিয়ন্ত্রণ নহয় অকল চালান কাটি ৰাজহ সংগ্রহৰ বাবেহে উচ্চ প্রযুক্তি এনেবোৰ কেমেৰা আৰু ছেনচৰ লগোৱা বুলি সমালোচনা কৰিছে জনসাধাৰণে। ৰাইজৰ ধনেৰে এনিমেল কৰিড'ৰবোৰত সংস্থাপিত কৰা এই উচ্চ প্রযুক্তি সঠিকভাৱে ৰূপায়ণ আৰু পৰিচালনা কৰা হ'লে ৰঙাজানৰ দৰে দেশ কঁপোৱা পথ দুর্ঘটনা প্রতিৰোধ কৰি অতবোৰ নিৰীহ মানুহৰো জীৱন বচাব পৰা গ'লহেঁতেন বুলিও বিভিন্নজনে মন্তব্য কৰিছে।

বোকাখাতৰ ৭ দুর্ভগীয়াৰ শেষকৃত্যত

মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালক গতাই দিয়া হয়। আজি বোকাখাত সমজিলাত জ্বলি উঠে ৭খনকৈ চিতা। এক অবর্ণনীয় শোকাকুল পৰিৱেশৰ সৃষ্টি হয় মৃতকৰ বাসগৃহত। সমজিলাখনৰ ৰঙাজানত ৫টা পৰিয়ালে আৰু বিহৰা চাহ বাগিচা আৰু সাপজুৰিত এটাকৈ পৰিয়ালে হেৰুৱালে আত্মীয়ক । ৰঙাজানত ৰবী কর্মকাৰ, দর্পনা মাঝি, জ্যোতি মাঝি, পূর্ণিমা গোৱালা আৰু অনুৰাগ গোৱালাৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্রিয়া সম্পন্ন কৰা হয়। একেদৰে বোকাখাতৰ বিহৰা চাহ বাগিচাৰ ১২ নম্বৰ লাইনত সুজাতা তাঁতীৰ আৰু সাপজুৰিৰ বঙালী গাঁৱত আৰক্ষী কনিষ্টবল সুশীল ভূমিজৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্রিয়া সম্পন্ন কৰা হয়। বাকাখাত নগৰৰ লগতে কঁহৰা নগৰাঞ্চলতো সমূহ দোকান-পোহাৰ বন্ধ হৈ পৰে। ইফালে সুজাতা তাঁতীৰ ভগ্নী ৰবিতা তাঁতীয়ে সম্প্রতি চিকিৎসালয়ত মৃত্যুৰ সৈতে যুঁজি আছে। বিহৰা চাহ বাগিচাৰ হ'বলগীয়া ননদৰ বাসগৃহলৈ আহি অভিশপ্ত ট্রেভেলাৰেৰে ভ্রমণ কৰি অকালতে মৃত্যুক আঁকোৱালি লোৱা ডিব্রুগড় বামুণবাৰী চাহ বাগিচাৰ শ্রমিক কিশোৰ ৰবিদাসৰ একমাত্র কন্যা সন্তান জয়ন্তী ৰবিদাসৰ মৃত্যুত এতিয়া বামুণবাৰী চাহ বাগিচাত এক শোকাকুল পৰিৱেশৰ বিৰাজ কৰিছে। দুর্ঘটনাত মৃত্যুবৰণ কৰা কার্বি আংলং জিলাৰ ৰংৰংৰেৰ দীপাঞ্জলি ৰংফা�ৰপীৰ নশ্বৰদেহ মৰণোত্তৰ পৰীক্ষাৰ শেষত গোলাঘাটৰ পৰা নিজ বাসগৃহলৈ নিয়াৰ সময়ত বোকাখাতৰ চন্দনাথ বেজবৰুৱা মহাবিদ্যালয়লৈ নিয়া হয়। মৃত দীপাঞ্জলি ৰংফাৰপী এই মহাবিদ্যালয়ৰে স্নাতক মহলাত অধ্যয়নৰত আছিল। মহাবিদ্যালয়ৰ পৰা ঘৰলৈ বুলি ওভতনি যাত্রাত অভিশপ্ত ট্রেভেলাৰখনৰ যাত্রী হৈছিল দীপাঞ্জলি ৰংফাৰপী। ছাত্রীগৰাকীৰ নশ্বৰদেহ চি এন বি মহাবিদ্যালয়লৈ অনাৰ সময়ত মহাবিদ্যালয়খনত শোকাকুল পৰিৱ

দৈনিক অসম

৬২ বছৰ। ১০০ সংখ্যা, গুৱাহাটী, ২৮ কাতি, দেওবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 100। GUWAHATI, SUNDAY, NOVEMBER 15, 2026

অসম কোষ

'বুঢ়ী আইতাৰ পু�ৰাণ'-জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ অন্তিমখন উপন্যাস। ১৯৮৯ চনত সাপ্তাহিক নীলাচল কাকতত খণ্ড খণ্ডকৈ এই উপন্যাসখন প্ৰকাশ পাইছিল।

দিনটোৰ তাপমান
ডিগ্ৰী চেলছিয়াছ

	সৰ্বাধিক	সৰ্বনিম্ন
গুৱাহাটী	২৮.৮	১৭.৬
ডিব্ৰুগড়	২৮.৫	১৪.৪
যোৰহাট	২৮.১	১৩.৬
শ্বিলং	২০.২	১০.৬

আজি যোৰহাটলৈ ডঃ ৰুবুল মাউত

একাধিক অনুষ্ঠানত কৰিব অংশগ্ৰহণ

দৈনিক অসমৰ প্ৰতিনিধি

পুলিবৰ (যোৰহাট), ১৪ নৱেম্বৰ ঃ একাধিক কাৰ্যসূচী হাতত লৈ কাইলৈ যোৰহাটলৈ আহিব বিশিষ্ট বিজ্ঞানী ডঃ ৰুবুল মাউত। বিয়লি প্ৰায় ৩ বজাত জিলাখনত উপস্থিত হ'বহি তেওঁ। বিয়লি ৫.৩০ বজাত তেওঁ ১১ পৃষ্ঠাত চাওক

টেট উত্তীৰ্ণ শিক্ষক সমাজৰে আলোচনা শিক্ষা মন্ত্ৰী ডাঃ পেগুৰ

নিযুক্তি চুক্তি বহিৰ্ভূত বিষয়ত বিধিসন্মত ব্যৱস্থা

'২০ৰ চুক্তিৰ ভিত্তিতে দাবী নিষ্পত্তিৰ পৰামৰ্শ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ বিভিন্ন দাবীৰ সমৰ্থনত প্ৰতিবাদ সাব্যস্ত কৰা সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ প্ৰতিনিধিৰ সৈতে আজি আলোচনাত মিলি হয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। এই বৈঠকত ঠিকাভিত্তিক শিক্ষকসকলৰ বাবে উত্থাপন কৰা টাইমস্কেল, দৰমহাৰ ১১ পৃষ্ঠাত চাওক



হোজাইত মন্ত্ৰী কৌশিক ৰায়ৰ পৰ্যালোচনা বৈঠক

পুনৰীক্ষণ কৰা হ'ব ৰেচন কার্ডৰ হিতাধিকাৰীৰ তালিকা

দৈনিক অসমৰ প্ৰতিনিধি

হোজাই, ১৪ নৱেম্বৰ ঃ হোজাইত সমবায়, নগৰ উন্নয়ন আৰু খাদ্য তথা অসামৰিক যোগান বিভাগৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত মিলিত হয় মন্ত্ৰী কৌশিক ৰায়। কালি নিশা ৮ বজালৈকে ১১ পৃষ্ঠাত চাওক

পৌৰসভাৰ নিৰ্বাচনৰ পূৰ্বে উন্নয়নমূলক কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য



ভু�ৰা প্ৰমাণপত্ৰৰে একাদশ শ্ৰেণীত নামভৰ্তিৰ অভিযোগ

অবিভক্ত ৰৰপেটা জিলাৰ ১৭১গৰাকী শিক্ষার্থীৰ বিৰুদ্ধে তদন্ত

দৈনিক অসমৰ প্ৰতিনিধি

ৰৰপেটা, ১৪ নৱেম্বৰ ঃ দশম শ্ৰেণী উত্তীৰ্ণৰ সন্দেহজনক প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকা ব্যৱহাৰ কৰি ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত সহস্ৰাধিক শিক্ষার্থীয়ে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছে। এই সংক্ৰান্তত অবিভক্ত ৰৰপেটা জিলাতো একাংশ ছাত্ৰ-ছাত্ৰীয়ে সন্দেহজনক প্ৰমাণ-পত্ৰ আৰু নম্বৰ তালিকাৰে নামভৰ্তি কৰাৰ ১১ পৃষ্ঠাত চাওক

আছুৰ উদ্যোগ

ৰাজীৱ শদিয়াৰ আবক্ষ মূৰ্তি উন্মোচন

দৈনিক অসমৰ প্ৰতিনিধি

শদিয়া, ১৪ নৱেম্বৰ ঃ 'জাতীয় চেতনাৰ এক শক্তিশালী কণ্ঠৰ নাম হৈছে- গণশিল্পী ৰাজীৱ শদিয়া। তেওঁৰ কথা, গান, শিল্প-কৰ্ম, ১১ পৃষ্ঠাত চাওক



হামৰেণৰ জঘন্য কাণ্ডই কঁপাইছে পশ্চিম কাৰ্বি আংলং

দৰিদ্ৰতাৰ সুযোগ লৈ নাবালিকা শিক্ষার্থীক দীৰ্ঘদিনে যৌন নিৰ্যাতন

প্ৰভাৱশালীৰ হেঁচাত ঘটনা গাপ দিয়াৰ চেষ্টা ঃ আৰক্ষীৰ ভূমিকাক লৈ প্ৰশ্ন, দুই শিক্ষকক নিলম্বন

দৈনিক অসমৰ প্ৰতিনিধি

বৈঠালাংছু'/হামৰেণ, ১৪ নৱেম্বৰ ঃ পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ সদৰ চহৰ হামৰেণত মানৱতাক লজ্জাৱনত কৰা এক অতি জঘন্য ঘটনা পোহৰলৈ আহিছে। হামৰেণস্থিত ৰেছিডেন্সিয়েল ইংৰাজী প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী নাবালিকা শিক্ষার্থীক বিগত দুবছৰ ধৰি শিক্ষক তথা আন কেইজনমান ১১ পৃষ্ঠাত চাওক

আই বি এছ আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনত অনিয়মৰ অভিযোগ



ৰঙাপানী পঞ্চায়ত কার্যালয় ঘেৰাও কৰি উত্তাল প্ৰতিবাদ

দৈনিক অসমৰ প্ৰতিনিধি

ছমৰীয়া, ১৪ নৱেম্বৰ ঃ ছমৰীয়া উন্নয়ন খণ্ডৰ কার্যালয়ৰ অধীনস্থ ৫নং ৰঙাপানী গাঁও পঞ্চায়তত ব্যক্তিগত হিতাধিকাৰীক (আই বি এছ) আঁচনিৰ হিতাধিকাৰী নিৰ্বাচক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। হিতাধিকাৰী নিৰ্বাচনত ব্যাপক অনিয়ম সংঘটিত হোৱা আৰু নিয়ম অনুসৰি ৰাজহুৱা গাঁওসভা অনুষ্ঠিত নকৰাৰ অভিযোগ উত্থাপন কৰি আজি পঞ্চায়ত কার্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰে একাংশ ক্ষুব্ধ লোকে। বিভিন্ন শ্ল'গানেৰে পঞ্চায়ত চৌহদ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। অভিযোগ অনুসৰি, ৫নং ৰঙাপানী গাঁও পঞ্চায়তৰ সভাপতি ছাদ্দাম হুছেইনৰ নেতৃত্বত ১১ পৃষ্ঠাত চাওক

অসম গ্ৰন্থমেলাত অসমীয়া গীতি-সাহিত্য আৰু ৰুদ্ৰ বৰুৱাৰ গীতৰ মাধুৰ্য শীৰ্ষক আলোচনা

ৰুদ্ৰ বৰুৱাৰ গীতৰ সম্পৰ্ক আছে অসমৰ মাটিৰ সৈতে ঃ বিদ্যাসাগৰ

দৈনিক অসমৰ প্ৰতিনিধি

পুলিবৰ (যোৰহাট), ১৪ নৱেম্বৰ ঃ পটুৰৈ সমাজৰ ইতিবাচক সঁহাৰিৰে অসম প্ৰকাশন পৰিষদ আৰু পাল্লিছার্ছ এণ্ড বুক ছেলার্ছ গীল্ড, নৰ্থ-ইষ্টৰ যৌথ উদ্যোগত ২০২৬-২৭ বৰ্ষৰ প্ৰথমখন 'অসম গ্ৰন্থমেলা' কালিৰে পৰা আৰম্ভ হৈছে যোৰহাটত। ১০ দিনীয়া এলানি বৰ্ণিল কার্যসূচীৰে যোৰহাট জিলা ক্ৰীড়া সম্ভাৰ খেলপথাৰত আয়োজন কৰা অসম গ্ৰন্থমেলা, যোৰহাটত আজি বিয়লি আয়োজন কৰা হয় লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ জন্মশতবাৰ্ষিকী উপলক্ষে 'অসমীয়া গীতি-সাহিত্য আৰু ৰুদ্ৰ বৰুৱাৰ গীতৰ মাধুৰ্য' শীৰ্ষক আলোচনা সত্ৰ। ইয়াত জনপ্ৰিয় শিল্পী, জ্যোতিচিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ ১১ পৃষ্ঠাত চাওক



পু�ৰণিগুদামৰ নাট্যকৰ্মী কানু গোস্বামীৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

পুৰণিগুদাম, ১৪ নৱেম্বৰ ঃ বৃহত্তৰ পুৰণিগুদামৰ নাট্যক্ষেত্ৰৰ অভিভাৱক স্বৰূপ বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, শিল্পী পেন্সনাৰ কানু গোস্বামী (৮৬)ৰ আজি পুৱা ৬.৩৫ বজাত বার্দ্ধক্যজনিত কাৰণত ১১ পৃষ্ঠাত চাওক

AIRT&SC.GUWRHATI.ASSAM

সত্যমেৱ জয়তে
অসম চৰকাৰ

জনজাতীয় গৌৰৱ দিৱস উদ্‌যাপন

অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ
উদ্যোগত
আৰু
জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ সৌজন্যত
১৫ নৱেম্বৰ, ২০২৬ তাৰিখে 'জনজাতীয় গৌৰৱ দিৱস' উদ্‌যাপন





ডাঃ ৰণোজ পেগু
মাননীয় মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ, অসম চৰকাৰ

মুখ্য অতিথি

ডাঃ ৰণোজ পেগু

মাননীয় মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ, অসম চৰকাৰ

অনুষ্ঠানৰ সবিশেষ ঃ
স্থান ঃ শিল্পগ্ৰাম, পাঞ্জাবাৰী, গুৱাহাটী, অসম
তাৰিখ ঃ ১৫ নবেম্বৰ, ২০২৬, সময় ঃ পুৱা ১১ বজা

অনুষ্ঠানলৈ সকলোকে সাদৰেৰে আমন্ত্ৰণ জনালোঁ।

DIPR/D/DA/550/15-Nov-26

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বার্তা ছাবস্ক্রাইব কৰিবলৈ 7636383493-ত Assam লিখি WhatsApp কৰক

দেওবৰীয়া বল্লুকা

গুৱাহাটী, দেওবাৰ, ১৫ নৱেম্বৰ, ২০২৬
Guwahati, Sunday, November 15, 2026



▷▶ ৰণ্টু নেওগ

শিলৰ বুকুত ৬২ হাজাৰ বছৰীয়া ৰহস্য

সময়ৰ নিষ্ঠুৰ সোঁতে মচি পেলাইছিল কাঠৰ শৰীৰ। পচি গৈছিল গছৰ ডাল, বাকলি আৰু মানুহৰ হাতেৰে নিৰ্মিত সামগ্ৰী; কিন্তু প্ৰকৃতিয়ে শিলৰ বুকুত সযতনে সাঁচি ৰাখিছিল সেইবোৰৰ আকৃতি। হাজাৰ হাজাৰ বছৰৰ নীৰৱতাৰ অন্তত সেই শিলৰ বুকুতেই উদ্ধাৰ হৈছে এক বিস্ময়কৰ ইতিহাস। প্ৰায় ৬২ হাজাৰ বছৰ পূৰ্বে আদিম মানৱৰ এটা বিলুপ্ত প্ৰজাতি তথা নিয়েণ্ডাৰথাল মানুহে কেৱল শিলৰ অস্ত্ৰই নহয়, কাঠেৰে নিৰ্মাণ কৰিছিল ট্ৰে, পাত্ৰ, বৰ্শা, গদা আৰু আন বহুতো ব্যৱহাৰিক সামগ্ৰী। স্পেইনৰ এক প্ৰাচীন শিলাময় আশ্ৰয়স্থলীত উদ্ধাৰ হোৱা ৫৯৭টা কাঠৰ অৱশেষে সলনি কৰিছে বিলুপ্ত মানৱপ্ৰজাতিটোৰ কাৰিকৰী দক্ষতা সম্পৰ্কে থকা বহু পুৰণি ধাৰণা।

কল্পনা কৰকচোন— আজিৰ পৰা প্ৰায় ৬০ হাজাৰ বছৰ আগৰ এখন পৃথিৱী। অৰণ্যৰে আৱৰা পাহাৰ, শিলাময় আশ্ৰয়স্থল আৰু জুইৰ পোহৰত পাৰ হোৱা আদিম জীৱন। সেই পৃথিৱীত মানুহে কেৱল প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰাই নহয়, প্ৰকৃতিৰ সম্পদক নিজৰ প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিবলৈও শিকিছিল। গছৰ ডাল, বাকলি আৰু কাঠক ৰূপ দিছিল দৈনন্দিন জীৱনৰ উপযোগী সঁজুলিলৈ। স্পেইনৰ শেহতীয়া প্ৰত্নতাত্ত্বিক আৱিষ্কাৰে যেন সেই হেৰাই যোৱা পৃথিৱীৰ এখন ছবি পুনৰ বিশ্বৰ সন্মুখত দাঙি ধৰিছে। এই আৱিষ্কাৰ হৈছে স্পেইনৰ বাৰ্চিলোনাৰ পৰা প্ৰায় ৩০ মাইল পশ্চিমে অৱস্থিত ‘এব্ৰিক ৰোমানি’ (Abric Romaní) নামৰ শিলাময় আশ্ৰয়স্থলীত। ইয়াৰ পৰা উদ্ধাৰ হৈছে ৫৯৭টা প্ৰাচীন কাঠৰ নমুনা। এইবোৰৰ বয়স প্ৰায় ৪০ হাজাৰৰ পৰা ৬২ হাজাৰ বছৰ। ‘ছায়েন্স এডভান্সেছ’ নামৰ গৱেষণা পত্ৰিকাত প্ৰকাশিত অধ্যয়নটোৱে নিয়েণ্ডাৰথালসকলৰ জীৱনশৈলী আৰু কাঠৰ ব্যৱহাৰ সম্পৰ্কে নতুন তথ্য পোহৰলৈ আনিছে।

১৯০৯ত এইপ্ৰত্নতাত্ত্বিক স্থানটো আৱিষ্কাৰ কৰা হৈছিল। ১৯৮৩ৰ পৰা ইয়াত নিয়মীয়াকৈ খননকাৰ্য চলি আহিছে। গৱেষকসকলে ১৬টা পৃথক প্ৰত্নতাত্ত্বিক স্তৰৰ পৰা কাঠৰ নমুনাসমূহ উদ্ধাৰ কৰিছে। অৱশ্যে ৫৯৭টা নমুনাৰ সকলোবোৰ মানুহে নিৰ্মাণ কৰা সঁজুলি নহয়। ইয়াৰে অধিকাংশই প্ৰাকৃতিকভাৱে সৰি পৰা ডাল, শিপা, সৰু গছৰ টুকুৰা আৰু জুই জ্বলাবলৈ ব্যৱহাৰ কৰা খৰি। কিন্তু ১৩টা সামগ্ৰীত মানুহে ইচ্ছাকৃতভাৱে আকৃতি সলনি কৰি ব্যৱহাৰ কৰাৰ স্পষ্ট প্ৰমাণ পোৱা গৈছে। উল্লেখ্য যে কাঠৰ দৰে জৈৱিক পদাৰ্থ সাধাৰণতে মাটিৰ তলত বেছিদিন সংৰক্ষিত হৈ নাথাকে। সময়ৰ লগে লগে সেইবোৰ পচি মাটিৰ সৈতে মিলি যায়। কিন্তু এব্ৰিক ৰোমানিৰ পৰিৱেশে সৃষ্টি কৰিছিল এক ব্যতিক্ৰমী সংৰক্ষণ প্ৰক্ৰিয়া। পানীৰ সৈতে অহা খনিজ পদাৰ্থই কাঠৰ চাৰিওফালে ‘ট্ৰেভাৰটাইন’ নামৰ বিশেষ চূণশিলৰ আৱৰণ সৃষ্টি কৰিছিল। অক্সিজেনৰ অভাৱ থকা পৰিৱেশত কাঠৰ জৈৱিক অংশ পচি গৈছিল যদিও শিলৰ ভিতৰত বৈ গৈছিল তাৰ আকৃতিৰ ছাপ। অৰ্থাৎ কাঠ নাথাকিলেও শিলৰ বুকুত সংৰক্ষিত হৈ থাকিল কাঠৰ অৱয়ৱ। গৱেষকসকলে সেই ছাপৰ ভিতৰত বিশেষ ৰেজিন (আঠাৰ দৰে ৰাসায়নিক পদাৰ্থ) ঢালি কাঠৰ মূল আকৃতিৰ আৰ্হি প্ৰস্তুত কৰিছে। কিছুমানৰ ত্ৰিমাত্ৰিক আৰ্হিও তৈয়াৰ কৰা হৈছে। ইয়াৰ সহায়ত প্ৰাচীন কাঠৰ সামগ্ৰীসমূহৰ গঠন, আকৃতি আৰু সম্ভাব্য ব্যৱহাৰ বিশ্লেষণ কৰা হৈছে। কিছুমান ক্ষেত্ৰত কাঠৰ অতি সূক্ষ্ম গঠনো চিনাক্ত কৰিব পৰা গৈছে।

উদ্ধাৰ হোৱা ১৩টা মানৱনিৰ্মিত সামগ্ৰীৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হৈছে গছৰ বাকলিৰে তৈয়াৰ কৰা



ব্যৱহাৰৰ সম্ভাৱনা নুই কৰা হোৱা নাই। ইয়াৰ পৰা স্পষ্ট হয় যে নিয়েণ্ডাৰথালসকলে কাঠক কেৱল জুই জ্বলোৱাৰ ইন্ধন হিচাপেই ব্যৱহাৰ কৰা নাছিল। একেদৰে আশ্ৰয়স্থলটোৰ আন এটা স্তৰত পৰস্পৰে ক্ৰছ কৰি থকা কাঠৰ খুঁটাৰ অৱশেষ পোৱা গৈছে। গৱেষকসকলে ইয়াক কোনো নিৰ্মাণ গাঁথনিৰ অংশ বুলি অনুমান কৰিছে। আনহাতে, এটা দীঘল আৰু ডালবিহীন কাঠৰ খুঁটাকো সম্ভাব্য নিৰ্মাণ সামগ্ৰী হিচাপে চিনাক্ত কৰা হৈছে। এই অৱশেষসমূহে নিয়েণ্ডাৰথালসকলে নিজৰ আশ্ৰয়স্থল অধিক উপযোগী কৰি তুলিবলৈ কাঠ ব্যৱহাৰ কৰাৰ ইংগিত প্ৰদান কৰিছে। কেৱল ঘৰুৱা সামগ্ৰীয়েই নহয়, কাঠেৰে নিৰ্মিত চিকাৰ আৰু অন্যান্য কামৰ সঁজুলিৰো প্ৰমাণ পোৱা গৈছে। কিছুমান কাঠৰ টুকুৰাত জোঙা আকৃতি দিয়াৰ চিন আছে। ইয়াৰে এটা সঁজুলি মাটি খান্দিবলৈ ব্যৱহাৰ কৰা লাঠী হ’ব পাৰে বুলি গৱেষকসকলে অনুমান কৰিছে। আন দুটা সামগ্ৰীৰ আকৃতি জোঙৰ সৈতে মিল আছে। জ্বলি যোৱা আন এটা কাঠৰ বস্তু গদা সদৃশ বুলি চিনাক্ত কৰা হৈছে। অৱশ্যে এই সামগ্ৰীসমূহৰ প্ৰকৃত ব্যৱহাৰ সম্পৰ্কে সকলো ক্ষেত্ৰতে নিশ্চিত সিদ্ধান্তত উপনীত হোৱা নাই গৱেষকসকল। তদুপৰি আশ্ৰয়স্থলত জুই জ্বলাবলৈ ব্যৱহাৰ কৰা কাঠবো প্ৰচুৰ অৱশেষ পোৱা গৈছে। গৱেষণাৰ মতে, ‘স্কটছ পাইন’(এবিধ গছ) আছিল ইয়াৰ প্ৰধান ইন্ধন। কিছুমান কাঠৰ টুকুৰা সৰু আছিল যদিও আন কিছুমান আছিল যথেষ্ট দীঘল। উদ্ধাৰ হোৱা আটাইতকৈ দীঘল ডালটোৰ দৈর্ঘ্য প্ৰায় ৭.২ মিটাৰ। এই তথ্যই নিয়েণ্ডাৰথালসকলে জুই জ্বলোৱা, খাদ্য প্ৰস্তুত কৰা আৰু দৈনন্দিন জীৱনৰ বিভিন্ন কামত কাঠৰ ওপৰত নিৰ্ভৰ কৰাৰ কথাও প্ৰকাশ কৰে। এই গৱেষণাই কাঠৰ ব্যৱহাৰৰ ইতিহাস সম্পৰ্কেও নতুন প্ৰশ্নৰ অৱকাশ সৃষ্টি কৰিছে। শিলৰ সঁজুলিত থকা ব্যৱহাৰৰ চিন বিশ্লেষণ কৰি গৱেষকসকলে অনুমান কৰিছে যে প্ৰায় ২০ লাখ বছৰ পূৰ্বেও আদিম মানৱে কাঠ কটা আৰু ঘঁহাৰ কাম কৰিছিল। কেনিয়াৰ কাঞ্জেৰা ছাউথৰ পৰা পোৱা প্ৰমাণেও এই সম্ভাৱনাক সমৰ্থন কৰে। আনহাতে, চিম্পাঞ্জীৰ দৰে মানৱজাতিৰ ঘনিষ্ঠ জীৱিত আত্মীয়ই বাহ সাজিবলৈ, খাদ্য সংগ্ৰহ কৰিবলৈ আৰু বাদাম ভাঙিবলৈ কাঠৰ সঁজুলি ব্যৱহাৰ কৰে। গ্ৰীচৰ মাৱাথোছা-১ আৰু চীনৰ গণ্টাংকিঙৰ দৰে স্থানতো প্ৰাচীন কাঠৰ ব্যৱহাৰৰ প্ৰমাণ পোৱা গৈছে। লণ্ডনৰ নেচাৰেল হিষ্ট্ৰী মিউজিয়ামৰ নৃতত্ত্ববিদ ক্ৰিছ ষ্ট্ৰিংগাৰৰ মতে, এই আৱিষ্কাৰে নিয়েণ্ডাৰথালসকলৰ কাঠৰ কাম-কাজৰ বিস্তৃত দক্ষতা প্ৰমাণ কৰিছে। অৱশ্যে এয়া এটা নিৰ্দিষ্ট স্থান আৰু সময়ছোৱাৰ তথ্যহে। প্ৰাচীন যুগত কাঠৰ ব্যৱহাৰৰ প্ৰকৃত পৰিসৰ ইয়াতকৈ বহু বেছি হ’ব পাৰে। জাপানৰ কিয়’টো বিশ্ববিদ্যালয়ৰ নৃতত্ত্ববিদ নাওকি মৰিমোটোৰ মতে, প্ৰাচীন জৈৱিক সামগ্ৰী ইমান দীঘলীয়া সময় সংৰক্ষিত হৈ থকাটো অতি বিৰল। সেয়েহে এই আৱিষ্কাৰ বিশেষ গুৰুত্বপূৰ্ণ। উল্লেখ্য যে এব্ৰিক ৰোমানিৰ এই আৱিষ্কাৰ কেৱল কেইটামান প্ৰাচীন কাঠৰ সঁজুলিৰ সন্ধান নহয়। ই নিয়েণ্ডাৰথালসকলৰ জীৱন সম্পৰ্কে থকা ধাৰণাক অধিক বিস্তৃত কৰিছে। শিলৰ অস্ত্ৰৰ বাবেই পৰিচিত এই মানৱপ্ৰজাতিটোৱে যে কাঠৰ পৰাও নিজৰ প্ৰয়োজনীয় সামগ্ৰী নিৰ্মাণ কৰিছিল, তাৰ প্ৰমাণ আজি হাজাৰ হাজাৰ বছৰ পুৰণি শিলৰ বুকুৰ পৰা ওলাই আহিছে। সময়ৰ বুকুত কাঠৰ শৰীৰ হেৰাই গ’ল, কিন্তু তাৰ আকৃতিৰ চিন মচি পেলাব নোৱাৰিলে প্ৰকৃতিয়ে। সেই নীৰৱ চিনবোৰেই আজি কৈছে ৬২ হাজাৰ বছৰ পূৰ্বৰ মানুহৰ বুদ্ধি, কৌশল আৰু জীৱন সংগ্ৰামৰ এক বিস্ময়কৰ কাহিনী।



২০১৮ চনৰ ৩১ মাৰ্চত আৰম্ভ হৈছিল আম্বেকাৰৰ বক্সিঙৰ যাত্ৰা। সেই সময়ত তেওঁৰ বয়স দহ বছৰ হোৱাই নাছিল। প্ৰথমতে ফুটবলহে খেলিছিল আম্বেকাৰে...

বিচিত্ৰা



▷▶ দীপাংকৰ কৌশিক

আম্বেকাৰৰ সফলতা



মণিপুৰৰ ইম্ফল ইষ্ট জিলাৰ লামলাই মায়াই লেইকাই গাঁৱত থকা মন্দন মেইটেৰ এখন চাহৰ দোকানৰ ‘পকোৰা’ খুব জনপ্ৰিয়। দাঁতিকাষৰীয়া অঞ্চলৰ পৰাও সেই দোকানলৈ চাহ খাবলৈ বিভিন্নজন আহে। বিগত কেইদিনমান কিন্তু দোকানখন বন্ধ ৰাখিবলগীয়া হৈছে। মন্দনে এইকেইদিন নিজৰ ঘৰতহে চাহৰ ব্যৱস্থা কৰিছে। কাৰণ, দিনে-নিশাই বহু মানুহ আহিছে তেওঁলোকৰ ঘৰলৈ। তাৰো আছে এটা বিশেষ কাৰণ। চাহ বিক্ৰেতা মন্দনৰ পুত্ৰই বৃহস্পতিবাৰে সন্ধিয়া ক্ৰীড়াৰ বিশ্ব মঞ্চত জয় কৰে স্বৰ্ণপদক। ছেনেগালৰ ৰাজধানী ডাকাৰত অনুষ্ঠিত যুৱ অলিম্পিকত পুৰুষৰ বক্সিঙৰ ৫০ কিলোগ্ৰাম শাখাত মন্দনৰ পুত্ৰ আম্বেকাৰ মেইটেই জয় কৰে স্বৰ্ণ। খিতাপৰ যুঁজত আয়াৰলেণ্ডৰ প্ৰতিদ্বন্দ্বী ক্ৰিষ্টিয়ান জুবানিক পৰাস্ত কৰে তেওঁ। এই জয়েৰে তেওঁ সৃষ্টি কৰে নতুন ইতিহাস। যুৱ অলিম্পিকত বক্সিঙত স্বৰ্ণপদক জয় কৰা প্ৰথম ভাৰতীয়ৰূপে পৰিগণিত হয় আম্বেকাৰ। ইয়াৰ পূৰ্বে কোনো ভাৰতীয়ই এই ক্ৰীড়া সমাৰোহত বক্সিঙত স্বৰ্ণপদক লাভ কৰিবলৈ সমৰ্থ হোৱা নাছিল। অৰ্থনৈতিকভাৱে এটা দুৰ্বল পৰিয়ালৰ সন্তান আম্বেকাৰে বন্ধুৰ চাইকেলেৰেহে বক্সিং প্ৰশিক্ষণ শিবিৰলৈ অহা-যোৱা কৰিছিল। নিজাকৈ চাইকেল কিনিবলৈ তেওঁলোকৰ ধন নাছিল। প্ৰত্যাহ্বান নেওচি আগুৱাইছিল তেওঁ। লক্ষ্য এটাই আছিল— খেলৰ মাজেৰে দেশৰ নাম উজলোৱা। ২০১৮ চনৰ ৩১ মাৰ্চত আৰম্ভ হৈছিল আম্বেকাৰৰ বক্সিঙৰ যাত্ৰা। সেই সময়ত তেওঁৰ বয়স দহ বছৰ হোৱাই নাছিল। প্ৰথমতে ফুটবলহে খেলিছিল আম্বেকাৰে। এদিন ফুটবল মেচৰ মাজতে হোৱা এখন কাজিয়াক কেন্দ্ৰ কৰি তেওঁক খুৱাকে বক্সিং প্ৰশিক্ষণ কেন্দ্ৰলৈ লৈ গৈছিল। তাৰ পাছৰখিনি ইতিহাস! আমাৰ দেশৰ সংবিধান প্ৰণেতা বি আৰ আম্বেদকাৰৰ সন্মানত তেওঁৰ নামকৰণ কৰা হৈছিল। কিন্তু, বানানটো ভুল হৈ থাকিল আৰু জন্মৰ প্ৰমাণপত্ৰতো ‘আম্বেদকাৰ’ৰ ঠাইত তেওঁৰ নাম হৈ পৰিল ‘আম্বেকাৰ’। এতিয়া ডাকাৰত লাভ কৰা সফলতাৰে তেওঁ হৈ পৰিল পৰিচিত নাম। সম্প্ৰতি পুণেত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা আম্বেকাৰৰ আদর্শ বক্সাৰ মাইক টাইছন। ২০২৮ চনৰ অলিম্পিকত খেলিব পৰাকৈ বয়স নহ’ব তেওঁৰ। ২০৩০ চনৰ কমনৱেলথ গেমছ আৰু ২০৩২ চনৰ অলিম্পিকৰ বাবে সাজু কৰিব নিজকে। এতিয়া আন এক নতুন ইতিহাস গঢ়াৰ লক্ষ্য আম্বেকাৰৰ।

মোৰো এটা সপোন আছিল...



জীৱন নামৰ চোতালখনৰ হুল-জেং আঁতৰাই দুৰ্বাৰ সাহস আৰু কঠোৰ পৰিশ্ৰমেৰে স্বপ্নক দিঠকলৈ ৰূপান্তৰ কৰি মানৱ সমাজৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰা ব্যক্তিসকলক লগ পোৱাৰ হেঁপাহ কাৰনো নাথাকে।... সুউচ্চ পাহাৰৰ গ্ৰেনাইট শিলৰ দৰে স্থিতপ্ৰজ্ঞ আৰু আত্মবিশ্বাসী এনে ব্যক্তিৰ মনটোৰ যেতিয়া উমান পোৱা যায়, তেতিয়া এই হেঁপাহ দুগুণে চৰে। বিদেশৰ মাটিত অনেক অসম সন্তান বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত হৈ আছে। সকলোৰে প্ৰতি মানুহৰ একে সম্মোহন নাথাকে। বিলাতী ভূতৰ প্ৰকোপত অনেকে নিজৰ ভৰিৰ তলৰ মাটি হেৰুৱাই পেলোৱাও আমাৰ দৃষ্টিগোচৰ হয়। এনে সকলো প্ৰচলিত ধ্যান-ধাৰণা একাষৰীয়া কৰি কোনোৰে যেতিয়া নিজৰ মানুহখিনিৰ সৈতে সাধাৰণভাৱেই ধৰা দিয়ে, আনে সহজতে স্পৰ্শ কৰিব নোৱাৰা এটা পৰিচয় লগত কঢ়িয়াই ফুৰাৰ পাছতো সাধাৰণ মানুহ এজনে মন গ’লেই লগ পাব পৰা তেনে ব্যক্তিৰ সহজাত উপস্থিতিয়ে আমাক অনেক কথা দকৈ ভাবিবলৈ বাধ্য কৰায়। কোন হ’ব পাৰে তেওঁ? নিশ্চিতভাৱে অসমী আইৰ শিৰৰ মুকুট উজলাই ৰখা, নতুন প্ৰজন্মৰ সাহস-অনুপ্ৰেৰণাৰ অনন্ত উৎস ডঃ ৰুবুল মাউত।

এক দীঘলীয়া সময়ৰ অন্তৰালত তেওঁ অসমলৈ আহিছে। জ্ঞান-বিজ্ঞানৰ জগতখনৰ সৈতে নিৰন্তৰ যুঁজি থকা প্ৰসিদ্ধ বিজ্ঞানীগৰাকীৰ সৈতে এক দীঘলীয়া অমলিন সম্পৰ্ক বৰ্তমানলৈ বৰ্তি আছে। জৰুৰী কথাৰ বাহিৰে অহেতুক কোনো প্ৰসংগৰে তেওঁৰ মূল্যৱান সময় অপচয় কৰাৰ অসৎ অভিপ্ৰায় মোৰ নাই। স্বভাৱ সুলভ ধৰণেৰেই ইজনে সিজনৰ খা-খবৰ লোৱা হৈ থাকে। আজিৰ পৰা কেইমাহমান আগেয়ে এদিন সন্ধিয়া তেওঁ মোলৈ ফোন কৰিছিল। আমাৰ সমনীয়া, আত্মীয়ই ফোন কৰি খবৰ লোৱাৰ দৰেই সাধাৰণ বার্তালাপ, অথচ তাত আছিল এক বুজাব নো�ৱাৰা আন্তৰিকতাৰ অম্লান ছাপ। ‘কি খবৰ তোমাৰ? ভালে আছানে? মা-দেউতাৰ ভালনে?’— এনেকৈ গৈ গৈ আমি বিজ্ঞানৰ বিভিন্ন কথা পাতিলোঁ। গ্ৰাম্য অঞ্চলৰ ল’ৰা-ছোৱালীৰ বিজ্ঞানমনস্ক মনটোক গতি দিয়াৰ উদ্দেশ্যৰে গঢ় দিয়া তেওঁৰ সপোনৰ Uplift Library-ৰ কথাও পাতিলোঁ। এগৰাকী জগত প্ৰসিদ্ধ বিজ্ঞানীৰ সৈতে ‘ভাৰ্চুৱেলী’ কটোৱা এই বহুমূলীয়া সময়খিনি স্মৃতিৰ মণিকোঠাত বৈ গ’ল। পৰৱৰ্তী সময়তো কিতাপৰ আলোচনা, নতুন নতুন উদ্ভাৱনৰ নানান কথা চলি থাকিল। অলপতে খবৰ পালোঁ যে তেওঁ অসমলৈ আহিব। মনত বুজাব নোৱাৰা আনন্দৰ ভৰ। অন্তৰেৰে ভাল পোৱা, গভীৰভাৱে অনুকৰণ কৰা ব্যক্তিজনক এবাৰ ওচৰৰ পৰা পোৱাৰ বাসনা তীব্ৰতৰ হৈ পৰিল। সকলোৰে প্ৰতি এই সম্মোহন নাথাকে। ডঃ ৰুবুল মাউত এইখিনিতে ব্যতিক্ৰম। তেওঁৰ সৰলতা, অম্লান হাঁহিটোৰ আগত সকলো সহজ হৈ পৰে। মানৱ সমাজৰ উত্তৰণৰ বাবে নিৰলস প্ৰচেষ্টা চলাই যোৱা ব্যক্তিগৰাকীৰ জীৱনৰ মূল্যৱান সময়ৰ সাক্ষী হৈ ৰোৱাৰ সৌভাগ্য ঘটিল কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত। চতুৰ্থ অবলা গোহাঁই স্মাৰক বক্তৃতানুষ্ঠানৰ মুখ্য বক্তা হিচাপে প্ৰথমবাৰ তেওঁক নিচেই ওচৰৰ পৰা পালোঁ। এই বক্তৃতাৰ বিষয় আছিল— ‘উৎকৃষ্ট বৌদ্ধিক চৰ্চা যুগান্তকাৰী গৱেষণাৰ মূল আধাৰ।’ বিজ্ঞানৰ দৰে জটিল বিষয় এটাক সাধাৰণ শ্ৰোতা-দৰ্শকে সহজে বুজিব পৰাকৈ তিনিটা সৰু সৰু, অথচ বিশেষভাৱে গুৰুত্বপূৰ্ণ কাহিনীৰে পলকতে অনেক নজনা কথাৰ উমান দিয়াৰ সমান্তৰালকৈ এক বহুমূলীয়া অনুষ্ঠান উপহাৰ দি উপস্থিত সকলোকে সমৃদ্ধ কৰিলে। অনেক শিক্ষাৰ্থী, আয়োজকমণ্ডলীৰ বিষয়বৰীয়াসকলে থিয় হৈয়ে তেওঁৰ কথা শুনি গ’ল। প্ৰেক্ষাগৃহৰ মজিয়াত বেজী এটা পৰাৰ শব্দও নাই। বিজ্ঞানৰ আলোচনাৰ প্ৰতি মানুহৰ এনে অকুণ্ঠ সঁহাৰি আৰু বিজ্ঞানীৰ মন্ত্ৰমুগ্ধকৰ আলোচনা সত্ৰ আগেয়ে দেখা নাই। এয়া মোৰ বৌদ্ধিক সীমাবদ্ধতাও হ’ব পাৰে! সি যি কি নহওক, প্ৰেক্ষাগৃহলৈ তেওঁ সোমাই অহাৰ লগে লগে একেটা শাৰীতে বহি থকা বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা শিক্ষাৰ্থীসকলৰ মুখৰ পৰা স্বতঃস্ফূৰ্তভাৱে ওলাই আহিল এটাই শব্দ— very simple personality. তাৰ পাছত জাউৰিয়ে জাউৰিয়ে হাত চাপৰি। এয়াই আমাৰ প্ৰাণৰ আপোন ডঃ ৰুবুল মাউত। আনতকৈ পৃথক, আনতকৈ ব্যতিক্ৰম। অৱধাৰিতভাৱেই অনুষ্ঠানৰ শেষত তেওঁক লগ পোৱাৰ কথা আছিল। অনুষ্ঠানৰ আগদিনাখন মোৰ প্ৰবল আগ্ৰহৰ প্ৰতি সঁহাৰি জনাই তেওঁ প্ৰবোধ দিছিল— ‘নিৰ্মল, লগ পাম দিয়া।’ মঞ্চত মানুহৰ ভিৰ। শিক্ষাৰ্থীসকলে তেওঁলোকৰ প্ৰিয় বিজ্ঞানীজনৰ পৰা অটোগ্ৰাফ লৈ এবাৰ আলিংগন কৰিলোঁ। পৰৱৰ্তী সময়ত লিফটতো একেলগে আহিলোঁ। এজনে কৈছে— ‘ছাৰ, এইখিনি সামগ্ৰী সুমুৱাই লওকচোন।’ তেওঁ হাঁহি হাঁহি ক’লে— ‘ইমান মৰম কৰিছে মানুহে, এতিয়া প্ৰশ্ন সুমুৱাবলৈও বেগত ঠাই নাই।’ মনৰ মাজত পুহি ৰখা সপোনটো পূৰ হোৱা বাবে মোৰ মনটো ভৰি পৰিল। এই সান্নিধ্যৰ স্মৃতি সুঁৱৰি ক্ষণিকৰ বাবে বিশ্ববিদ্যালয় চৌহদৰ মজিয়াতে মজি থাকিলোঁ— অকলে, নীৰৱে। অলপ আগেয়ে মই ক’ত আছিলোঁ? কিয় আছিলোঁ? এনে অনেক প্ৰশ্নই মন-আকাশত দোলা দি গ’ল। অৰ্থনৈতিক অনগ্ৰসৰতা জীৱনৰ বাটত হেঙাৰ হ’ব পাৰে, কিন্তু এই দুৰ্বলতাক অটুট মনোবল আৰু উৎসাহেৰে জয় কৰি জীৱনৰ বাটত কেনেকৈ আগুৱাই যাব পাৰি, তাৰ নিদর্শন তুলি ধৰিছে ডঃ মাউতৰ দৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বিজ্ঞানীয়ে। ভৰ থকা উপস্থিতিৰ মাজেৰেই পৰিস্ফুট হৈ পৰিল জাতীয়তাবাদী মনটো। শিশু, তৰুণ, বৃদ্ধ— সকলোৰে তেওঁক স্পৰ্শ কৰিছে, নয়ন ভৰি এপলক চাইছে, আলিংগন কৰিছে, হাঁহিছে-মাতিছে। সাধাৰণতে ডাঙৰ মানুহৰ ওচৰলৈ যাবলৈ আমাৰ দৰে সৰু সৰু মানুহৰ মন গ’লেও আনুষংগিক কিছুমান নিয়ম থাকে, প্ৰক্ৰিয়া থাকে। এই নিয়মৰ মাজেৰে যাওঁতে অনেকৰ সপোন ভাগি যায়। পিছে এই প্ৰচলিত নিয়ম আৰু সকলোধৰণৰ গতানুগতিকতাৰ বিপৰীত মেৰুত আমাৰ ডঃ ৰুবুল মাউত। যিটো সময়ত আমি পাশ্চাত্যৰ সংস্কৃতিৰ সৈতে নিজক বিলীন কৰি দিছোঁ, কোলাৰটো এৰি বোকাৰটোক আঁকোৱালি লৈছোঁ, অসমীয়া অসমীয়া গোন্ধ থকা কথাবোৰলৈ পিঠি দিবলৈ লৈছোঁ, অসমীয়া ভাষা ৰক্ষাৰ সংগ্ৰামৰ নামত সমদল, শোভাযাত্ৰা, আলোচনা সত্ৰ অনুষ্ঠিত কৰিবলগীয়া পৰিৱেশৰ উদয় হৈছে, সেই সময়তে ডঃ মাউতৰ দৰে ব্যক্তিয়ে পাহৰা নাই মাতৃভাষাৰ মোহ, গাঁৱৰ কেঁকুৰিটো; পাহৰা নাই আঘোণৰ পথাৰৰ গোন্ধ, পাহৰা নাই শৈশৰে উমাল কৰি ৰখা দিনৰ স্মৃতিবোৰ। অনেক অনিয়মকে নিয়ম কৰি আমাৰ অসমীয়া সমাজখন চলি থাকে। আমাৰ চিনাকি কোনো ব্যক্তিয়ে যেতিয়া আমাতকৈ অলপ আগু�ৰাই যায়, সমাজৰ বাঃ বাঃ পায়, তেতিয়া আমাৰ মন পোৱে। প্ৰশংসাতো দুৰৈৰ কথা, শুভেচ্ছা এটা দিবলৈও অনেকে হেঁহো-নেহো কৰে। আনৰ সফলতাত সুখী হোৱা মানুহৰ সংখ্যা টুটি অহাৰ সময়তে বিশ্বৰ নখ-দর্পণত থকা অন্যতম যুৱ বিজ্ঞানীগৰাকীয়ে ডঃ ভূপেন্দ্ৰনাথ গোস্বামীৰ দৰে প্ৰখ্যাত ভাৰতীয় বতৰ আৰু জলবায়ু বিজ্ঞানীৰ প্ৰশংসাত গদ্‌গদ্‌ হৈ পৰিব পাৰে। ইয়ে তেওঁৰ বহল মনৰ পৰিচয়কে বহন কৰে। ডঃ মাউতৰ বাবেই যদি অসমত এনে এটা সুস্থ বাতাৰ�ৰণ গঢ় লৈ উঠে, ক্ষতি কি তাত? জীৱনৰ কণ্টকাকীৰ্ণ বাট পাৰ হৈ গভীৰ অধ্যৱসায়ৰ যোগেদি কৃতিত্ব লাভ কৰা তথা মানুহৰ বাবে প্ৰেৰণাৰ অম্লান নিচান হৈ পৰা ডঃ মাউতৰ পৰা এনে অনেক কথাই আমি শিকিবলগীয়া আছে। তেওঁৰ জীৱনৰ আৰ্হি এক অব্যৰ্থ বীজ। এই আৰ্হিকে প্ৰেৰণা হিচাপে লৈ সংগ্ৰাম-লগ্নত মনটোক সাহসৰ শাণ দি বিজ্ঞানৰ সপোন দেখা, সমাজৰ বাবে কিবা কৰিম বুলি হেঁপেহুৱা মন এটা কঢ়িয়াই ফুৰা অগণন প্ৰজন্ম আগবাঢ়ি যাওক সুন্দৰৰ বাটেৰে।

ফোন ঃ ৮৬৩৮৪১৩৩৮৫

▷▶ নিৰ্মল ডেকা

এক দীঘলীয়া সময়ৰ অন্তৰালত তেওঁ অসমলৈ আহিছে। জ্ঞান-বিজ্ঞানৰ জগতখনৰ সৈতে নিৰন্তৰ যুঁজি থকা প্ৰসিদ্ধ বিজ্ঞানীগৰাকীৰ সৈতে এক দীঘলীয়া অমলিন সম্পৰ্ক বৰ্তমানলৈ বৰ্তি আছে। জৰুৰী কথাৰ বাহিৰে অহেতুক কোনো প্ৰসংগৰে তেওঁৰ মূল্যৱান সময় অপচয় কৰাৰ অসৎ অভিপ্ৰায় মোৰ নাই...



▷▶ ডঃ বিনীতা পাঠক

অনুৰাগ তোমাৰ বাবে



জুবিন অনুৰাগীহে হ’ব পাৰোঁ, কিন্তু জুবিন অনুগামী হোৱাটো আমাৰ বাবে সহজসাধ্য নহয়; কাৰণ জুবিন অনুগামী হ’বলৈ আমি সৰল হোৱাৰ লগতে সাহসীও হ’ব লাগিব। যি দুয়োটা গুণৰ একেলগে উৎকৰ্ষ সাধন কৰা আমাৰ দৰে সুযোগ সন্ধানী মানুহৰ বাবে সম্ভৱ নহয়। আমি ত্যাগ কৰিব নিবিচাৰোঁ, কিন্তু চিৰদিন প্ৰশংসিত হ’ব বিচাৰোঁ ভাল মানুহ হোৱাৰ প্ৰশংসাৰে। আমি উপভোগ কৰিব বিচাৰোঁ জীৱন অনায়াস প্ৰাপ্তিৰে; য’ত সাধনা বুলিবলৈ একোৱেই নাই; বৈ থকা সুযোগৰ টোত হাতখন জুবুৰিয়াই মোৰ কেৱল মোৰ বুলি প্ৰতিষ্ঠা, যশস্যা নামৰ হীৰা-মুকুতাবোৰ বুটলাত আমি ব্যস্ত হওঁ। জুবিন কিন্তু অনন্য আছিল। জীৱনৰ সাধনা কৰি গৈছিল সৃষ্টিশীলতাৰে আৰু তাৰ ফলত যি লাভ হয় তাক গ্ৰহণ কৰি আনখন হাতেৰে তাক আৰ্তজনক বিলাই দিয়াত কোনো কৃপণালি কৰা নাছিল তেওঁ। গোটেই জীৱন জুবিনে হয়তো আনৰ পৰা পোৱা অৱমাননা, মাতৃ-ভগ্নীক হেঁচুওৱাৰ যন্ত্ৰণা বা অপ্ৰাপ্তিৰ বেদনাত কান্দি-কাটি পাৰ কৰিব পাৰিলেহেঁতেন, কিন্তু সাময়িক স্তব্ধতাৰ বাদে সেইবোৰে তেওঁৰ জীৱনৰ সাধনাত কোনো বাধা দিব নো�ৱাৰিলে; সেইবাবেই হয়তো গাইছিল—

দিনে দিনে গলি আছোঁ/জ্বলি থকা মমৰ দৰে/
জীৱনৰ হেঁপাহত

জুবিনৰ যি বিলাই দিয়া

দৈনিক অসম

৫

গুৱাহাটী, দেওবাৰ, ১৫ নৱেম্বৰ, ২০২৬ | Guwahati, Sunday, November 15, 2026

■ পাঠশালা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কৰ্কট ৰোগ সজাগতা সভাত ডাঃ ধীৰু তালুকদাৰ ■

ভাৰতত স্তনৰ কৰ্কট ৰোগীৰ সংখ্যা সৰ্বাধিক

উত্তৰ-পূৰ্বাঞ্চলত কৰ্কটৰ হাৰ আটাইতকৈ বেছি
ভাৰতত প্ৰতি বছৰে স্তন কৰ্কটত আক্ৰান্তৰ সংখ্যা ২ লাখ

দৈনিক অসমৰ প্ৰতিনিধি

বজালী, ১৪ নৱেম্বৰ ঃ সম্প্ৰতি আটাইতকৈ 'কমন কেন্সাৰ' হৈছে মহিলাসকলৰ স্তন কৰ্কট। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ তথ্য অনুসৰি, ভাৰতত প্ৰতি বছৰে স্তন কৰ্কটত ২ লাখ আৰু জৰায়ুমুখৰ কৰ্কটত ৭৫,০০০ লোক আক্ৰান্ত হয়।— এই মন্তব্য কৰ্কট ৰোগ বিশেষজ্ঞ তথা বৰপেটা কৰ্কট ৰোগ চিকিৎসালয়ৰ বিকিৰণ কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ ধীৰু তালুকদাৰৰ। আজি পাঠশালাৰ সাহিত্য সভা ভৱনত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বজালী শাখাৰ উদ্যোগত আৰু বজালী জিলা নাগৰিক সন্মিলনৰ সহযোগত 'অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচন'ৰ বৰপেটা কেন্দ্ৰই আগবঢ়োৱা কৰ্কট ৰোগ সজাগতা সভাত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি ডাঃ তালুকদাৰে কৰ্কট ৰোগৰ কাৰণ, প্ৰতিৰোধ আৰু চিকিৎসা সন্দৰ্ভত ভিডিঅ' চিত্ৰৰ সহায়েৰে বিতংভাৱে আলোচনা কৰে। তেওঁ কয়— বিকিৰণ চিকিৎসা, ৰসায়ন চিকিৎসা আৰু নতুনকৈ অহা ৰোগ প্ৰতিৰোধ চিকিৎসাৰ জৰিয়তে এতিয়া কৰ্কট ৰোগৰ চিকিৎসা কৰা হয়। বিশ্ব কৰ্কট ৰোগৰ তথ্য তথ্য অনুসৰি, উত্তৰ-পূৰ্বাঞ্চলত কৰ্কটৰ হাৰ আটাইতকৈ বেছি। মুঠ ৰোগী ৫০,৩১৭ গৰাকী। ২০২১ৰ পৰা ২০২৫লৈ উত্তৰ-পূৰ্বাঞ্চলত কৰ্কট ১৩.৫ শতাংশ বৃদ্ধি পাইছে। ডাঃ তালুকদাৰে



কয় যে চিগাৰেট সেৱন কৰিলে, ধঁপাত নোখোৱা লোকতকৈ ১৫ৰ পৰা ৩০ গুণ বেছি বিপদ থাকে। অত্যধিক ওজন, শাৰীৰিক নিষ্ক্ৰিয়তা, বয়স, বংশগত কাৰণ, মানৰ পেপিল'মা ভাই�ৰাছ, যকৃতৰ 'বি' আৰু 'চি' ভাইৰাছ, বিকিৰণ, বায়ু প্ৰদূষণ আদিও কৰ্কটৰ প্ৰধান কাৰণ। লগতে তেওঁ কয় যে ভৱিষ্যতে কৰ্কট প্ৰতিৰোধৰ বাবে প্ৰতিষেধক উপলব্ধ। ৯ বছৰৰ পৰা ২৬ বছৰলৈকে ২টা পালি দিয়া হয়। বিশেষকৈ ১৬ নম্বৰ আৰু ১৮ নম্বৰ প্ৰকাৰৰ বিৰুদ্ধে এই প্ৰতিষেধকে সুৰক্ষা দিয়ে। ভাৰত চৰকাৰেও প্ৰতিষেধক দিয়াৰ বাবে পদক্ষেপ লৈছে। ৪০ বছৰৰ ঊৰ্দ্ধৰ মহিলাসকলে নিয়মীয়াকৈ নিজে নিজে স্তন পৰীক্ষা আৰু বছৰত এবাৰ স্তনৰ ৰঞ্জন পৰীক্ষা কৰিব লাগে বুলি তেওঁ পৰামৰ্শ দিয়ে। তেওঁৰ বৰপেটা কেন্দ্ৰত বিনামূলীয়াকৈ স্তনৰ ৰঞ্জন পৰীক্ষা, তেজৰ ভঁৰাল, ডিজিটেল ৰঞ্জন পৰীক্ষা, সৰু অস্ত্ৰোপচাৰ কক্ষ আৰু অত্যাধুনিক পেট-চিটি স্কেনৰ সুবিধা আছে বুলিও জনায়। তেওঁ কয়— কৰ্কট ৰোগ ব্ৰেক বিকল হোৱা চলন্ত গাড়ীৰ দৰে। এবাৰ মানুহৰ দেহত কৰ্কট ৰোগৰ প্ৰাদুর্ভাৱ হ'লে, এই ৰোগেই গোটেই জীৱন আমনি কৰি থাকে। সেইবাবেই কৰ্কট ৰোগৰ বাবে সজাগতাৰ প্ৰয়োজন অতিকৈ প্ৰয়োজন। আনহাতে, খাদ্যাভ্যাস, শাৰীৰিক পৰিশ্ৰম আদিৰ দ্বাৰা কৰ্কট ৰোগ প্ৰতিৰোধত উল্লেখযোগ্য অৰিহণা যোগাব পাৰে। সজাগতা সভাত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ ডাঃ আনিচুৰ ৰহমান, কাৰিকৰী বিভাগৰ তিস্তা লাখনাৰী, ৰুবি বেগম, মনীষা বড়ো উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। বজালী শাখা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি অতুল চন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ সজাগতা সভা মুকলি কৰি পাঠশালাৰ জ্যেষ্ঠ চিকিৎসক ডাঃ হিতেশ তালুকদাৰে কয়— কৰ্কট ৰোগ প্ৰতিৰোধৰ বাবে সজাগতাই হৈছে আটাইতকৈ ডাঙৰ অস্ত্ৰ। সময়মতে ধৰা পেলালে, কৰ্কট ৰোগ সম্পূৰ্ণৰূপে নিৰাময় কৰিব পাৰি। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক পংকজ কুমাৰ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাত শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহকাৰী প্ৰধান সম্পাদক দিলীপ কুমাৰ শৰ্মাই। সভাত বজালী জিলাৰ নন্দেশ্বৰ তালুকদাৰ, নন্দেশ্বৰ দাস, বিপুল দেৰ চৌধুৰী, সতীশ মোহন ঠাকুৰীয়া, ডঃ চাৰুলতা চৌধুৰী, গোলক চন্দ্ৰ দাস, দীপিকা দাস, সতীশ মজুমদাৰৰ লগতে পাঠশালা সাহিত্য সভাৰ সভাপতি অনিল ডেকা, সম্পাদক ধীৰাজ তালুকদাৰ আদিকে ধৰি বহু জ্যেষ্ঠ নাগৰিক, সচেতন নাগৰিক আৰু মহিলাসকলে অংশগ্ৰহণ কৰে।

ৰামপুৰ উঃ মাঃ বিদ্যালয়ত শিশু দিৱস উদ্‌যাপন



দৈনিক অসমৰ প্ৰতিনিধি

ৰামপুৰ, ১৪ নৱেম্বৰ ঃ দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ ওপজা দিনটো (১৪ নৱেম্বৰ) 'শিশু দিবস' হিচাপে আজি পলাশবাৰী সমষ্টিৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পালন কৰা হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আদিত্য কলিতাই জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে শিশু দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদিকা পুৰৱী মালীয়ে আঁতধৰা কাৰ্যসূচীত ধৃতিস্মিতা কলিতা, অন্তৰীপা কলিতা, বৰ্ষিতা গোস্বামীকে ধৰি কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে দলীয় নৃত্য-গীতকে ধৰি ভিন ভিন কাৰ্যসূচী পৰিৱেশন কৰে। অনুষ্ঠানটোত বিদ্যালয়খনত কৰ্মৰত নলিনী কলিতা, দীপালী দাস ঠাকুৰীয়া, হীৰা মেধি, দীপাংকৰ বৈশ্য, প্ৰাঞ্জল হাজৰিকাকে ধৰি কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী, কাৰ্যালয় সহায়ক লক্ষ্যধৰ বৰুৱা, চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ লগতে অধ্যয়নৰত তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল।

'পুতলা ঘৰ'ৰ মুকুল আৰু নাই ঃ মঙলদৈত শোক



দৈনিক অসমৰ প্ৰতিনিধি

মঙলদৈ, ১৪ নৱেম্বৰ ঃ মঙলদৈৰ 'মুকুল' হিচাপে সকলোৰে মাজত পৰিচিত, অসমীয়া ক'লা-বগা বোলছবি 'পুতলা ঘৰ'ৰ সুদৰ্শন নায়ক আমিনুল হক (৬৯)ৰ শুকুৰবাৰে বিয়লি ২.৪০ বজাত পৰলোকপ্ৰাপ্তি ঘটে। গুৱাহাটীৰ আজাৰাৰ সমীপৰ দীপৰ নগৰৰ নিজা বাসগৃহত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ দীৰ্ঘদিন ধৰি জটিল ৰোগত ভুগি আছিল। ১৯৭৬ চনৰ ২৪ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে 'ৰজত কমল বঁটা' লাভ কৰা 'পুতলা ঘৰ' ছবিখনৰ পৰিচালক আছিল সমৰেন্দ্ৰ নাৰায়ণ দেৱ, প্ৰযোজনা কৰিছিল মঙলদৈৰ ইউনাইটেড প্ৰডাকচনে আৰু সংগীত পৰিচালক আছিল বিশিষ্ট সংগীতজ্ঞ তফাজ্জুল আলী। উত্তৰ-পূব ৰে'লৱেৰ মালিগাঁও কাৰ্যালয়ত চাকৰি কৰি অৱসৰ লোৱাৰ পাছত তেওঁ দীপৰ নগৰত স্থায়ীভাৱে বসবাস কৰিছিল। তেওঁ দৰঙৰ এসময়ৰ সৰবৰহী চিকিৎসক লতিফুদ্দিন আহমেদৰ চতুৰ্থ পুত্ৰ আছিল। শনিবাৰে আবেলি গুৱাহাটীৰ আঠগাঁৱৰ কবৰস্থানত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁ পত্নী, এটি কন্যা আৰু এটি পুত্ৰক ইহসংসাৰত এৰি গৈছে।

উত্তৰ পূৰ উন্নয়ন वित्तীয় নিগম লিমিটেড
নেডফি গৃহ, জি এছ ৰোড, দিছপুৰ, গুৱাহাটী-৭৮১০০৬
দুৰভাষঃ +৯১ ৩৬১ ২২২ ২২ ০০, ফেক্সঃ +৯১ ৩৬১ ২২৩ ৭৭ ৩৩ / ২২৩ ৭৭ ৩৪

বিক্ৰী জাননী
অস্থাৰৰ সম্পত্তি বিক্ৰীৰ বাবে

ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অব্ ফাইনেঞ্চিয়েল এচেটছ এণ্ড এনফৰ্চমেণ্ট অব্ ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট, ২০০২ ৰ সৈতে পঠিত ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২ ৰ ৰুল ৬(২) ৰ চর্ত অনুসৰি অস্থাৰৰ সম্পত্তি বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক আৰু বিশেষকৈ ঋণ লওঁতা/বন্ধকীদাতা/জামিনদাৰক জনোৱা হৈছে যে তলত বৰ্ণনা কৰা অস্থাৰৰ সম্পত্তিসমূহ, যিবোৰ ০৩.০২.২০২৬ তাৰিখৰ "খালী কৰাৰ জাননী" সত্ত্বেও আঁতৰোৱা হোৱা নাছিল আৰু ইংৰাজী দৈনিক বাতৰিকাকত "দি আছাম ট্ৰিবিউন" তথা অসমীয়া দৈনিক বাতৰিকাকত "অসমীয়া প্ৰতিদিন"ত **৩০.০৯.২০২৬** তাৰিখে জাননী প্ৰকাশ পোৱা সত্ত্বেও আঁতৰোৱা হোৱা নাছিল, সেইসমূহ অসমৰ তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ শ্ৰী অভিজাত বৰা, এচিএছৰ উপস্থিতিত উত্তৰ পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড (নেডফি)ৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াজনে ভৌতিক দখললৈ আনিছে।

পূৰ্বোক্ত অস্থাৰৰ সম্পত্তিসমূহ **"যেনে অৱস্থাত আছে য'তেই আছে", "যি অৱস্থাত আছে" আৰু "যি আছে"** চর্তত **২১.১২.২০২৬** তাৰিখে বাজহুৱা নিলামৰ জৰিয়তে বিক্ৰী কৰা হ'ব। সুৰক্ষিত ঋণদাতাক প্ৰদান কৰিবলগীয়া বাকী থকা প্ৰাপ্য ধন আদায় আৰু উদ্ধাৰৰ উদ্দেশ্যে এই বিক্ৰী কৰা হ'ব, যাৰ পৰিমাণ ২০.০৬.২০২৫ তাৰিখলৈকে ৫১,৮০,৮২৭/- টকা (একাৱন্ন লাখ আশী হাজাৰ আঠশ সাতাইশ টকা), লগতে পৰৱর্তী সুত, আনুষংগিক খৰচ, চার্জ আৰু আইন অনুসৰি প্ৰদেয় হ'বলগীয়া সকলো জমা ধন সহিতে তলত উল্লিখিতসকলৰ পৰা প্ৰাপ্য: **মেচার্ছ ৰক্ষিত এগ্ৰ' ফুড**, স্বত্বাধিকাৰী: শ্ৰীমতী মিস্তু ৰক্ষিত, স্বামী শ্ৰী শংকৰ ৰক্ষিত, কাৰখানাৰ স্থান: লিম্বুগুৰি ৰোড, গুইজান, তিনিচুকীয়া, জিলা: তিনিচুকীয়া, অসম – ৭৮৬১৪৭, **বিকল্প ঠিকনা:** অমৰ বেচিডেঞ্চী, দ্বিতীয় মহলা, টাইপ-ই, বেবীজ নাৰ্ছাৰী স্কুলৰ সমীপত, এছ, দহোটীয়া ৰোড, ৰৱপথাৰ, তিনিচুকীয়া, জিলা: তিনিচুকীয়া, অসম – ৭৮৬১২৫, বিকল্প ঠিকনা: মাৰফৎ শ্ৰী নাৰায়ণ দাস, লংকা ৰোড তিনিআলি, ডাক: লামডিং, পিন কোড: ৭৮২৪৪৭, জিলা- হোজাই; **শ্ৰী শংকৰ ৰক্ষিত**, পিতৃ বিনয় ভূষণ ৰক্ষিত, অমৰ বেচিডেঞ্চী, দ্বিতীয় মহলা, টাইপ-ই, বেবীজ নাৰ্ছাৰী স্কুলৰ সমীপত, এছ, দহোটীয়া ৰোড, ৰৱপথাৰ, তিনিচুকীয়া, জিলা: তিনিচুকীয়া, অসম – ৭৮৬১২৫, **বিকল্প ঠিকনা:** মাৰফৎ শ্ৰী নাৰায়ণ দাস, লংকা ৰোড তিনিআলি, ডাক: লামডিং, পিন কোড: ৭৮২৪৪৭, জিলা- হোজাই।

স্থানৰ পৰা সম্পত্তিসমূহ আঁতৰাই নিবলৈ প্ৰয়োজনীয় সামগ্ৰী খোলা, পেকিং, লোডিং, স্থানীয় পৰিবহণ, প্ৰযোজ্য জিএছটি, কৰ আৰু হেণ্ডলিং মাচুলৰ সৈতে জড়িত সকলো খৰচ ক্ৰেতাই বহন কৰিব লাগিব। বিক্ৰী প্ৰমাণপত্ৰ জাৰি কৰাৰ ৭ দিনৰ ভিতৰত চৌহদৰ পৰা সকলো সম্পত্তি সম্পূৰ্ণৰূপে আঁতৰাই নিব লাগিব।

পূৰ্বে কোনো কাৰণ বা ব্যাখ্যা উল্লেখ নকৰাকৈ নিলাম পিছুৰাই দিয়া, বাতিল কৰা অথবা নিলামৰ চর্তসমূহ সংশোধন কৰাৰ সম্পূৰ্ণ অধিকাৰ কর্তৃত্বপ্ৰাপ্ত বিষয়াৰ সংৰক্ষিত থাকিব।

ই-নিলামৰ বিৱৰণ:

ই-নিলামৰ তাৰিখ / সময়: ২১.১২.২০২৬ (দুপৰীয়া ১:০০ বজাৰ পৰা ২:০০ বজাৰ ভিতৰত, প্ৰতিবাৰতে অনিৰ্দিষ্টকালৰ বাবে ৫ মিনিটকৈ সময় বৃদ্ধিৰ সুবিধা সহ)

সংৰক্ষিত মূল্য: ₹৪,৪১,৪৫০/- (চাৰি লাখ একচল্লিশ হাজাৰ চাৰিশ পঞ্চাশ টকা), **ইএমডি:** ₹৪৪,১৪৫/- (চৌবাল্লিশ হাজাৰ এশ পঞ্চল্লিশ টকা), **নিবিদা বৃদ্ধিৰ পৰিমাণ:** ₹৫,০০০/- **ইএমডি আৰু নথিপত্ৰ জমা দিয়াৰ অন্তিম তাৰিখ:** ১৭.১২.২০২৬ বিয়লি ৪:০০ বজালৈ, **সম্পত্তি পৰিদৰ্শনৰ তাৰিখ:** ২০.১১.২০২৬, ২৭.১১.২০২৬, ১৬.১২.২০২৬ (দুপৰীয়া ১:০০ বজাৰ পৰা বিয়লি ৩:৩০ বজালৈ)

(১) ই-নিলাম "যেনে অৱস্থাত আছে য'তেই আছে, যি আছে আৰু কোনো দায় অবিহনে" ভিত্তিত অনুষ্ঠিত কৰা হৈছে আৰু ই অনলাইন মাধ্যমেৰে পৰিচালিত হ'ব। নিগমৰ অনুমোদিত সেৱা প্ৰদানকাৰী মেচার্ছ ই-প্ৰকিউৰমেণ্ট টেকন'লজিছ লিমিটেডৰ ৰেব পৰ্টেল (https://sarfaesi.auctiontiger.net) তথা অকচনটাইগাৰ মোবাইল এপৰ জৰিয়তে এই নিলাম পৰিচালনা কৰা হ'ব। অনলাইন ই-নিলামৰ নিবিদা প্ৰপত্ৰ, ঘোষণা পত্ৰ, অনলাইন নিলাম বিক্ৰীৰ সাধাৰণ নিয়ম আৰু চর্তসমূহ সন্নিৱিষ্ট ই-নিলাম নিবিদা নথিসমূহ https://sarfaesi.auctiontiger.net ত উপলব্ধ। সম্ভাব্য অৰ্হতা সম্পন্ন নিবিদাকাৰীসকলে ই-নিলামৰ তাৰিখৰ পূৰ্বে মেচার্ছ ই-প্ৰকিউৰমেণ্ট টেকন'লজিছ লিমিটেডৰ পৰা ই-নিলাম সম্পৰ্কীয় অনলাইন প্ৰশিক্ষণ ল'ব পাৰিব। ইণ্টাৰনেট নেটৱৰ্কজনিত কোনো সমস্যাৰ বাবে কর্তৃত্বপ্ৰাপ্ত বিষয়া / নিগম বা মেচার্ছ ই-প্ৰকিউৰমেণ্ট টেকনলজিছ লিমিটেড দায়বদ্ধ নহ'ব আৰু আগ্ৰহী নিবিদাকাৰীসকলে ই-নিলামত অংশগ্ৰহণৰ বাবে কাৰিকৰীভাৱে সু-সজ্জিত হোৱাটো নিশ্চিত কৰিব লাগিব।

(২) অনলাইন নিবিদা দাখিল কৰাৰ পূৰ্বে ইএমডিৰ ধন আৰটিজিএছ/এনইএফটি/ফাণ্ড ট্ৰেঞ্চফাৰৰ জৰিয়তে ভাৰতীয় ষ্টেট বেংক, জিএমচি শাখা, ভঙাগড়, আইএফএছচি কোড SBIN0007700 ৰ একাউণ্ট নং ১০০৫৫৬১০৫৫৪ ত জমা কৰিব লাগিব। গুৱাহাটীত পৰিশোধযোগ্য হোৱাকৈ গুৱাহাটীৰ যিকোনো ৰাষ্ট্ৰায়কৃত বা অনুসূচীত বেংকৰ পৰা "উত্তৰ পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড (নেডফি)"ৰ নামত পে' অৰ্ডাৰ/ডীমাণ্ড ড্ৰাফ্ট যোগেও ইএমডি পৰিশোধ কৰিব পাৰিব। ইয়াৰ সৈতে নিবিদাত অংশগ্ৰহণৰ আবেদন পত্ৰ আৰু i) এনইএফটি/আৰটিজিএছ চালানৰ প্ৰতিলিপি; ii) পেন কাৰ্ডৰ প্ৰতিলিপি; iii) পৰিচয় প্ৰমাণপত্ৰ আদি দাখিল কৰিব লাগিব। ঠিকনাৰ প্ৰমাণপত্ৰ আদি নিবিদা দাখিলৰ অন্তিম তাৰিখে বা তাৰ পূৰ্বে বিয়লি ৪:০০ বজাৰ ভিতৰত জমা দিব লাগিব আৰু মেচার্ছ ই-প্ৰকিউৰমেণ্ট টেকন'লজিছ লিমিটেডত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। যোগাযোগৰ ব্যক্তি: **ৰাম শৰ্মা, মোবাইল: ৮০০০০২৩২৯৭ । ফোন: ৯২৬৫৫৬২৮১৮/ ৯২৬৫৫৬২৮২১/০৭৯-৬৮১৩৬৮৪২/ ৬৮৬৯, ই-মেইল: ramprasad@auctiontiger.net আৰু support@auctiontiger.net** । উক্ত যোগাযোগৰ ব্যক্তিৰ সৈতে যোগাযোগ কৰি মেচার্ছ ই-প্ৰকিউৰমেণ্ট টেকন'লজিছ প্ৰাইভেট লিমিটেড-অকচন টাইগাৰ (বি-৭০৫, ৰাল ষ্ট্ৰীট - II, অৰিয়েণ্ট ক্লাবৰ সমুখত, গুজৰাট কলেজৰ কাষত, এলিচ ব্ৰিজ, আহমেদাবাদ - ৩৮০০০৬, গুজৰাট, ভাৰত)-ৰ পৰা বিনামূলীয়াকৈ ইউজাৰ আইডি আৰু পাছৱৰ্ড লাভ কৰিব পাৰিব তথা ই-নিলাম সম্পৰ্কীয় প্ৰশিক্ষণ ল'ব পাৰিব। ইএমডিৰ বাবে কোনো চেক গ্ৰহণ কৰা নহ'ব।

(৩) সফল নিবিদাকাৰীৰ আনেষ্টি মানী ডিপোজিট অংশ বিক্ৰী মূল্য হিচাপে ৰাখি থোৱা হ'ব আৰু অসফল নিবিদাকাৰীসকলৰ আনেষ্টি মানী ডিপোজিট ঘূৰাই দিয়া হ'ব। আনেষ্টি মানী ডিপোজিটৰ বিপৰীতে কোনো সুত নাথাকিব। সফল নিবিদাকাৰীয়ে ই-নিলাম বিক্ৰী প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ লগে লগে বিক্ৰী মূল্যৰ ২৫ শতাংশ জমা কৰিব লাগিব আৰু বিক্ৰী মূল্যৰ বাকী ৭৫ শতাংশ বিক্ৰীৰ ১৫ দিনৰ ভিতৰত বা কর্তৃত্বপ্ৰাপ্ত বিষয়াৰ একক বিবেচনা অনুসৰি লিখিতভাৱে সন্মত হোৱা বৰ্ধিত সময়সীমাৰ ভিতৰত জমা কৰিব লাগিব। সফল নিবিদাকাৰীয়ে ধন পৰিশোধ নকৰিলে ইতিমধ্যে জমা কৰা ধন বাজেয়াপ্ত কৰা হ'ব আৰু সম্পত্তি পুনৰ নিলামত দিয়া হ'ব তথা উক্ত সম্পত্তি বা ধনৰ ওপৰত বিফল ঋণ লওঁতাৰ কোনো দাবী বা অধিকাৰ নাথাকিব। ৫০ লাখ বা ততোধিক বিক্ৰী মূল্যৰ ক্ষেত্ৰত, সফল নিবিদাকাৰীয়ে বিক্ৰী মূল্যৰ ১ শতাংশ হাৰত টিডিএছ পৰিশোধ কৰিব লাগিব আৰু টিডিএছ প্ৰমাণপত্ৰৰ মূল ৰচিদ নিগমক জমা দিব লাগিব। হস্তান্তৰকৰণ, ষ্টাম্প ডিউটি বা জিএছটি পঞ্জীয়ন, চার্জ আদি সকলো প্ৰযোজ্য খৰচ কেৱল সফল নিবিদাকাৰীয়ে বহন কৰিব লাগিব।

(৪) নিবিদা দাখিল কৰাৰ পূৰ্বে সম্পত্তি আৰু ইয়াৰ বিৱৰণ পৰিদৰ্শন কৰি নিশ্চিত হোৱাটো নিবিদাকাৰীসকলৰ দায়িত্ব হ'ব। কর্তৃত্বপ্ৰাপ্ত বিষয়াৰ অনুমতি সাপেক্ষে ওপৰত উল্লিখিত তাৰিখসমূহত আগ্ৰহী নিবিদাকাৰীসকলক নিলামত দিয়া সম্পত্তি পৰিদৰ্শনৰ অনুমতি দিয়া হ'ব। পৰিদৰ্শনৰ বাবে আগ্ৰহী নিবিদাকাৰীসকলক **শাখা প্ৰবন্ধক, উত্তৰ পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড, তিনিচুকীয়া শাখা (মোবাইল নং ৯৮৫৪০২৮২২২)**ৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

(৫) কর্তৃত্বপ্ৰাপ্ত বিষয়াজনে সর্বোচ্চ নিবিদা গ্ৰহণ কৰিবলৈ বাধ্য নহয় আৰু কোনো কাৰণ নেদেখুওৱাকৈ যিকোনো বা সকলো নিবিদা গ্ৰহণ বা নাকচ কৰাৰ অথবা ই-নিলাম স্থগিত বা পিছুৰাই দিয়া বা বাতিল কৰাৰ সম্পূর্ণ অধিকাৰ কর্তৃত্বপ্ৰাপ্ত বিষয়াৰ থাকিব। অধিক তথ্যৰ বাবে যিকোনো কর্মদিনৰ কার্যালয়ৰ সময়ছোৱাত **শ্ৰী সত্যজিৎ নাথ, কর্তৃত্বপ্ৰাপ্ত বিষয়া, উত্তৰ পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড, নেডফি হাউচ, জি.এছ. ৰোড, দিছপুৰ, গুৱাহাটী-৭৮১০০৬ (ফোন নং ৯৮৫৪০-২৮২০৫), ইমেইল আইডী: satyajit@nedfi.com ৰ** সৈতে যোগাযোগ কৰক।

ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) কলছ, ২০০২ ৰ কল ৯ (১) ৰ অধীনত বিধিগত ৩০ দিনীয়া বিক্ৰী জাননী

উক্ত ঋণৰ ঋণ লওঁতা/জামিনদাৰ/বন্ধকীদাতাক ইয়াৰ দ্বাৰাও জাননী দিয়া হৈছে যে যদিহে তেওঁলোকৰ বাকী থকা প্ৰাপ্য ধনৰ লগতে শেহতীয়া সুত আৰু আনুষংগিক খৰচ আদি ৩০ দিনৰ ভিতৰত সম্পূর্ণৰূপে পৰিশোধ কৰা নহয়, তেন্তে ওপৰত উল্লেখ কৰা তাৰিখত এই বিক্ৰী সম্পন্ন কৰা হ'ব।

অস্থাৰৰ সম্পত্তিৰ চমু বিৱৰণ

আচবাব আৰু সংৰক্ষণ সামগ্ৰী: বিছনা (ষ্টীলৰ মাষ্টাৰ বেড, কাঠৰ চোফা-কাম-বেড), ডাইনিং আৰু চোফা ছেট, ষ্টীলৰ আলমাৰী, আৰু এটা আইনাযুক্ত আলমাৰী আদি। ইলেকট্ৰনিকছ আৰু ঘৰুৱা সঁজুলি: ছেমচাং টিভি, গডৰেজ ফ্ৰিজ, ৰাছিং মেচিন, পাৰাৱ ইনভাৰ্টাৰ, এচি, আৰু চিলিং ফেন আদি। ঘৰুৱা সামগ্ৰী: পাকঘৰৰ ক্ৰকাৰী সামগ্ৰী আদি।

বিক্ৰী প্ৰক্ৰিয়া নিয়ন্ত্ৰণকাৰী বিশদ নিয়ম আৰু চর্তসমূহৰ লগতে বিক্ৰীৰ বাবে আগবঢ়োৱা সামগ্ৰীৰ তালিকাৰ বাবে সুৰক্ষিত ঋণদাতা হিচাপে নিগমৰ আনুষ্ঠানিক ৰেবছাইট উত্তৰ পূব উন্নয়ন বিত্তীয় নিগম লিমিটেডৰ www.nedfi.com ত উপলব্ধ প্ৰাসংগিক লিংক চাব পাৰিব।

তাৰিখ: ১৫.১১.২০২৬, স্থান: গুৱাহাটী **স্বাক্ষৰ/- কর্তৃত্বপ্ৰাপ্ত বিষয়া**

প্ৰেৰণা শিশুগৃহত শিশু দিৱস উদ্‌যাপন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

দৈনিক অসমৰ প্ৰতিনিধি

ডিব্ৰুগড়, ১৪ নৱেম্বৰ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰ (চি এছ জে এম চি)ৰ ছাত্ৰ-ছাত্ৰীসকলে ডিব্ৰুগড়ৰ 'প্ৰেৰণা প্ৰতিবন্ধী' বেচৰকাৰী সংস্থাৰ সহযোগত আজি ডিব্ৰুগড়ৰ চৌকিডিঙীৰ মিলন নগৰৰ প্ৰেৰণা শিশুগৃহত শিশু দিৱস উদ্‌যাপন কৰে। শিশুসকলৰ সৈতে অর্থপূর্ণ সময় কটোৱা, আনন্দৰ মুহূর্ত ভাগ-বতৰা কৰা আৰু তেওঁলোকৰ বাবে অনুষ্ঠানটো স্মৰণীয় কৰি তোলাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছিল। পূর্ব-নির্দ্ধাৰিত কার্যসূচীৰ অংশ হিচাপে কালি 'বিকশিত ভাৰত' শীর্ষক বিষয়বস্তু সন্দর্ভত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি যোগাসন সত্ৰৰে কার্যসূচী আৰম্ভ হয়। পুৱা ১১ বজাত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু বন্তি প্ৰজ্বলন কৰা হয়। উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড়ৰ শিশু কল্যাণ বিষয়া প্ৰমিতা কৌৰ উপস্থিত থাকে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিচালিত কুইজ আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পাছতে বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ শিশু কল্যাণ বিষয়া চেতনা দাসে সত্ৰৰ উদ্বোধক হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ দ্বাৰা জৱাহৰলাল নেহৰুৰ জীৱন আৰু অৱদান সম্পর্কে এটি উপস্থাপন আৰু তাৰ পাছতে শিশুসকলৰ দ্বাৰা নৃত্য তথা গীতকে ধৰি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে কার্যসূচীৰ সামৰণি পৰে।

বাইহাটাৰ ৰামানুজন একাডেমীৰ শিক্ষার্থীৰ মাজত গছপুলি বিতৰণ বৃক্ষবন্ধু দিগন্ত ডেকাৰ

দৈনিক অসমৰ প্ৰতিনিধি

বাইহাটা চাৰিআলি, ১৪ নৱেম্বৰ ঃ শিশু দিৱস উপলক্ষে আজি বইহাটা চাৰিআলিৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰামানুজন একাডেমী ছিনিয়ৰ



ছেকেণ্ডাৰী স্কুলৰ ২৫০গৰাকী ছাত্ৰ-ছাত্ৰীক গছপুলি বিতৰণ কৰ

ঘটনাটো দুর্ভাগ্যজনক

পাছত সিখন এম্বুলেঞ্চেৰে নিয়া হৈছে ইজনৰ পাছত সিজনৰ নশ্বৰ দেহ। আপোনজনক শেষবাৰৰ বাবে চাবলৈ আহি কান্দোনত ভাগি পৰিছে পৰিয়াল, আত্মীয়-স্বজন। আজি গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মৰ্গত চৌদিশে কেৱল কান্দোনৰ ৰোল, চকুলো আৰু আপোনজনক হেৰুওৱাৰ বেদনা। এজনৰ পাছত আনজনৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱা নশ্বৰ দেহ চমজি ল'বলৈ অপেক্ষা কৰিছে শোকসন্তপ্ত পৰিয়ালৰ লোকে। এই হৃদয়বিদাৰক দৃশ্যই উপস্থিত প্রতিগৰাকী লোকৰ চকু সেমেকাই তুলিছে। আজি পুৱা ৬ বজাৰ পৰাই গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত আৰম্ভ হয় ২৩গৰাকী দুর্ভগীয়া যাত্রীৰ মৰণোত্তৰ পৰীক্ষা। গোলাঘাট, যোৰহাট আৰু গুৱাহাটীৰ পৰা অহা মুঠ ১১গৰাকী চিকিৎসকৰ তিনিটা পৃথক দলেৰে এই প্রক্রিয়াত নিয়োজিত হয়। চিকিৎসক আৰু ফৰেনছিক বিশেষজ্ঞৰ দলৰ উপস্থিতিত সম্পন্ন কৰা হয় মৰণোত্তৰ পৰীক্ষা। ইতিমধ্যে মৃতকৰ পৰিয়ালৰ লোকসকলে পৰীক্ষা সম্পন্ন হোৱাৰ পাছতে চিকিৎসালয়ত উপস্থিত হৈ চমজি লৈছে মৃতদেহ। ইফালে গোলাঘাট জিলা প্রশাসন আৰু আৰক্ষী প্রশাসনৰ বিষয়া-কর্মচাৰীসকল মৰ্গৰ বাহিৰত উপস্থিত থাকি সমগ্র প্রক্রিয়াটো নিৰীক্ষণ কৰি আছে। শোকসন্তপ্ত পৰিয়ালৰ লোকসকলক প্রয়োজনীয় সহযোগিতা আগবঢ়োৱাৰ লগতে মৃতদেহসমূহ নিজ নিজ গৃহলৈ নিয়াৰ বাবে প্রশাসনৰ তৰফৰ পৰা এম্বুলেঞ্চৰ সম্পূর্ণ ব্যৱস্থা কৰা হৈছে। এই দুর্ঘটনাত প্রাণ হেৰুওৱা লোকসকলৰ ভিতৰত আছিল দেৰগাঁৱৰ ১১নং অসম আৰক্ষী বাহিনীৰ কনিষ্টবল সুশীল ভূমিজ। মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছতে আৰক্ষীৰ সহকর্মীসকলে সুশীল ভূমিজৰ নশ্বৰদেহত শেষ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে। কর্মৰত অৱস্থাত সহকর্মীক হেৰুৱাই শোকত ভাগি পৰে আৰক্ষীৰ লোকসকলো। এগৰাকী আৰক্ষী জোৱানৰ এনে অনাকাংক্ষিত মৃত্যুৱে দেৰগাঁও আৰক্ষী মহলতো গভীৰ শোকৰ ছাঁ পেলায়। আনহাতে মৃত চালক আব্দুল মজিদৰ পুত্রই পিতৃৰ বিষয়ে উল্লেখ কৰি সাংবাদিকৰ আগত কয়— বিগত ৪৫ বছৰ ধৰি তেওঁ গাড়ী চলাই আহিছিল। প্রায় ৩০ বছৰ পূর্বে এবাৰ দুর্ঘটনাৰ সন্মুখীন হৈছিল যদিও সেই ঘটনাত কোনো লোক হতাহত হোৱা নাছিল। কিন্তু কালিৰ দুর্ঘটনাটো অত্যন্ত দুর্ভাগ্যজনক বুলি মন্তব্য কৰে পুত্রই। দীর্ঘদিনীয়া অভিজ্ঞতাসম্পন্ন এগৰাকী চালকৰ জীৱনৰ এনে কৰুণ পৰিণতিয়ে সকলোকে মর্মাহত কৰি তুলিছে। ইফালে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মৰ্গত উপস্থিত হৈ মন্ত্রী অতুল বৰা আৰু সাংসদ কামাখ্যা প্রসাদ তাছাই সকলো দিশ তদাৰক কৰে। দুর্ঘটনাত নিহতসকলৰ পৰিয়ালৰ লোকৰ সৈতে মত বিনিময় কৰাৰ লগতে সমগ্র পৰিস্থিতিৰ বুজ লয় দুয়োগৰাকী জনপ্রতিনিধিয়ে। মন্ত্রী অতুল বৰাই পথ সুৰক্ষাৰ ক্ষেত্রত কেইবাটাও গুৰুত্বপূর্ণ বিষয় উত্থাপন কৰে। বিশেষকৈ পথত গতি নিয়ন্ত্রণৰ বাবে উপযুক্ত ব্যৱস্থা, গতি নিৰীক্ষণ মিটাৰ স্থাপন, ৰাষ্ট্রীয় ঘাইপথ প্রাধিকৰণৰ অধিক দায়িত্বশীল ভূমিকা আৰু অঞ্চলটোত এখন উন্নতমানৰ চিকিৎসালয়ৰ প্রয়োজনীয়তাৰ বিষয়ে মন্তব্য আগবঢ়ায়। এনে ভয়ংকৰ দুর্ঘটনাৰ পিছত জৰুৰীকালীন চিকিৎসা সেৱা আৰু পথ সুৰক্ষাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ প্রয়োজনীয়তা পুনৰ চর্চালৈ আহিছে। আজি মৰণোত্তৰ পৰীক্ষাস্থলীত উপস্থিত থাকি ৰাষ্ট্রীয় স্বাস্থ্য সেৱা মিছনৰ সঞ্চালক ডঃ লক্ষ্মণন এছে সমগ্র পৰিস্থিতিৰ বুজ লয়। তদুপৰি গোলাঘাট জিলাৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত জিণ্টু বৰা, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ৰাজীৱ ৰঞ্জন গগৈ, শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ দিলীপ ডেকা আদিয়ে মৰণোত্তৰ পৰীক্ষাৰ সকলো যাৱতীয় ব্যৱস্থাৰ তত্ত্বাবধান কৰে আৰু দিনৰ প্রায় ২ বজাত ২৩গৰাকী লোকৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ সম্পন্ন কৰা হয়। ইফালে অচিনাক্ত অৱস্থাত গোলাঘাটৰ মর্গত ৰখা এটা মৃতদেহ চিনাক্ত কৰে নগাঁও পৰুৱা গাঁৱৰ পৰিয়ালে। অসীম ফুকন (৫৩) নামৰ লোকজনৰ মৃতদেহ কালিৰ পৰা চিনাক্ত হোৱা নাছিল। মৃতদেহ চিনাক্তৰ পাছতে প্রয়াত অসীম ফুকনৰ পৰিয়ালে সৃষ্টি কৰে এক অভাৱনীয় শোকাকুল পৰিবেশৰ।

নামতহে আছে

শক্তিশালী কণ্টেইনাৰৰ সৈতে মুখামুখি সংঘর্ষৰ পাছত ট্রেভেলাৰখন পথৰ পৰা আঁতৰি বহু দূৰলৈ চিটিকি গৈছিল। এই দৃশ্যই দুর্ঘটনাৰ সময়ত বাহনখনৰ গতিবেগ কিমান ভয়ংকৰ পর্যায়ত আছিল তাৰ ইংগিত দিয়ে। কিন্তু এই দুর্ঘটনাৰ পাছত অধিক গুৰুত্বপূর্ণ হৈ পৰিছে আন এক তথ্য। দুর্ঘটনাত পতিত ট্রেভেলাৰখনে ২০২৫ চনৰ পৰা ১২ বাৰ যান-বাহন আইন উলংঘা কৰাৰ বাবে জৰিমনা ভৰিছিল। ইয়াৰে ৯ বাৰেই দ্রুতগতিত বাহন চলোৱাৰ বাবে জৰিমনা বিহা হৈছিল। বাকী তিনিবাৰ জৰিমনা আন যান-বাহন আইন উলংঘাৰ বাবে কৰা হৈছিল। প্রশ্ন হৈছে বাৰে বাৰে যান-বাহন আইন উলংঘা কৰা এখন বাহনৰ বিৰুদ্ধে কেৱল জৰিমনা বিহিয়েই পৰিবহন বিভাগে দায়িত্ব সামৰিছিল নেকি? উল্লেখ্য যে কাজিৰঙাৰ দৰে গুৰুত্বপূর্ণ পথত যান-বাহনৰ গতি নিয়ন্ত্রণৰ বাবে স্পীড লিমিট কেমেৰা, গতিৰোধক আৰু ইণ্টাৰচেপ্টৰ বাহন মোতায়েন কৰা হৈছে। ইয়াৰ পাছতো কেনেকৈ এখন বাহনে বিপজ্জনক গতিত চলাচল কৰিবলৈ সক্ষম হ'ল, সেয়া এতিয়া ডাঙৰ প্রশ্ন। অভিযোগ অনুসৰি কাজিৰঙাত ইণ্টাৰচেপ্টৰ বাহনখন প্রায় সদায় একেটা নির্দিষ্ট স্থানতে ৰখা হয়। একেদৰে স্পীড কেমেৰাও নির্দিষ্ট স্থানত স্থাপন কৰা হৈছে। ফলত নিয়মীয়াকৈ অহা-যোৱা কৰা চালকসকলে এই স্থানসমূহৰ বিষয়ে ভালদৰেই জানে। কেমেৰা বা ইণ্টাৰচেপ্টৰৰ স্থান পোৱাৰ আগতেই তেওঁলোকে বাহনৰ গতি কমাই দিয়ে। সেই স্থান পাৰ হোৱাৰ পাছত পুনৰ গতিবেগ বৃদ্ধি কৰে। ইয়াৰ ফলত পথৰ নিৰাপত্তা নিশ্চিত কৰাৰ পৰিৱর্তে নির্দিষ্ট স্থানত বাহনৰ গতি পৰীক্ষা কৰাটোৱেই যেন বিভাগটোৰ মূল কাম হৈ পৰিছে। অভিযোগ অনুসৰি ইণ্টাৰচেপ্টৰ বাহনসমূহে পথৰ নির্দিষ্ট স্থানত থাকি গতি পৰীক্ষা কৰে। কিন্তু দ্রুতবেগী বাহনৰ বিৰুদ্ধে সমগ্র পথছোৱাতে নিৰন্তৰ নিৰীক্ষণ ব্যৱস্থা গঢ়ি উঠা নাই। সোণাপুৰতো একেধৰণৰ পৰিস্থিতি দেখা যায়। তাতো ইণ্টাৰচেপ্টৰ বাহনখন বহুদিন ধৰি একেটা স্থানতে ৰখা হয় বুলি অভিযোগ উঠিছে। অথচ ৫০ কিলোমিটাৰ গতিবেগ নির্ধাৰিত পথত ৫৩ বা ৫৫ কিলোমিটাৰ বেগত বাহন চলোৱাৰ বাবেও সাধাৰণ চালকে জৰিমনা ভৰিবলগীয়া হয়। কিন্তু প্রশ্ন হৈছে খানাপাৰাৰ পৰা কলিয়াবৰলৈ যাত্রা কৰা দ্রুতবেগী বাহনসমূহৰ বিৰুদ্ধে কিমান ফলপ্রসূ ব্যৱস্থা গ্রহণ কৰা হৈছে? আনহাতে কিছুমান প্রভাৱশালী ব্যক্তিৰ বাহনৰ বিৰুদ্ধে জৰিমনা বিহাৰ ক্ষেত্রতো পক্ষপাতিত্বৰ অভিযোগ উত্থাপন হৈ আহিছে। অভিযোগ অনুসৰি কিছুমান বাহনৰ নম্বৰ পৰিবহন বিভাগৰ কার্যালয়ত বিশেষভাৱে চিহ্নিত হৈ থাকে। এনে বাহনসমূহৰ বিৰুদ্ধে ই-চালান জাৰি নহয় বুলিও অভিযোগ আছে। অৱশ্যে এই অভিযোগৰ সত্যতা বিভাগীয় তদন্তৰ জৰিয়তে স্পষ্ট কৰাটো প্রয়োজন। কাজিৰঙাৰ দুর্ঘটনাই স্পষ্ট কৰি দিছে যে কেৱল ইণ্টাৰচেপ্টৰ বাহন ৰখা, স্পীড কেমেৰা স্থাপন কৰা অথবা জৰিমনা বিহাটোৱেই পথ সুৰক্ষাৰ নিশ্চয়তা নহয়। নিয়ম উলংঘা কৰা বাহনসমূহৰ বিৰুদ্ধে সময়মতে কঠোৰ ব্যৱস্থা গ্রহণ কৰাটোও সমানেই জৰুৰী। বিশেষকৈ যাত্রীবাহী বাণিজ্যিক বাহনৰ গতিবেগ, চালকৰ দায়িত্বশীলতা আৰু বাহনৰ পূর্বৰ আইন উলংঘাৰ তথ্য নিয়মীয়াকৈ পৰীক্ষা কৰা উচিত। দুর্ঘটনা সংঘটিত হোৱাৰ পাছত কেইদিনমানৰ বাবে পৰিবহন বিভাগ আৰু প্রশাসন সজাগ হৈ পৰে। পথত তালাচী বৃদ্ধি পায়। বাহনৰ গতিবেগ পৰীক্ষা কৰা হয়। কিন্তু এই তৎপৰতা স্থায়ী নহ'লে পুনৰ একেধৰণৰ দুর্ঘটনাৰ আশংকা থাকিবই। পথ সুৰক্ষাৰ ব্যৱস্থা দুর্ঘটনাৰ পাছত নহয় দুর্ঘটনা সংঘটিত হোৱাৰ আগতেই কার্যকৰী হ'ব লাগিব। ৰঙাজানৰ দুর্ঘটনাত প্রাণ হেৰুওৱা লোকসকলৰ পৰিয়ালৰ বাবে এই ক্ষতি কোনোদিনে পূৰণ নহয়। এই মর্মান্তিক ঘটনাই পৰিবহন বিভাগক আত্মসমালোচনা কৰিবলৈ বাধ্য কৰিব লাগে। ইণ্টাৰচেপ্টৰ আৰু স্পীড কেমেৰা ৰাজপথত কেৱল উপস্থিত থকাৰ বাবে নহয় প্রকৃততে দ্রুতবেগী আৰু বিপজ্জনক বাহন নিয়ন্ত্রণ কৰিবলৈহে ব্যৱহাৰ হ'ব লাগে। অন্যথা একেটা স্থানত ইণ্টাৰচেপ্টৰ ৰখাৰ আনুষ্ঠানিকতাই পথ দুর্ঘটনা ৰোধ কৰিব নোৱাৰিব। ইণ্টাৰচেপ্টৰ বাহন কেৱল একে ঠাইতে ৰখাৰ বাবে নহয়, ইয়াৰ প্রকৃত উদ্দেশ্য হৈছে ঘাইপথত চলাচল কৰা বাহনৰ গতিবেগ নিৰীক্ষণ কৰা আৰু নিয়ম উলংঘাকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণ কৰা। ইয়াক চলন্ত অৱস্থাতো ব্যৱহাৰ কৰিব পাৰি। প্রশ্ন উত্থাপন হৈছে যে কাজিৰঙাত নিয়োজিত ইণ্টাৰচেপ্টৰ বাহনসমূহ কিয় একেটা স্থানতে ৰখা হয়? ঘাইপথৰ সমগ্র অংশত চলন্ত অৱস্থাত গতিবেগ নিৰীক্ষণৰ ব্যৱস্থা কিয় কৰা নহয়। ১২ বাৰ যান-বাহন আইন উলংঘা কৰা ট্রেভেলাৰখনৰ বিৰুদ্ধে পূর্বে কিয় ব্যৱস্থা গ্রহণ কৰা হোৱা নাছিল? লক্ষণীয় যে ৰাষ্ট্রীয় ঘাইপথত প্রয়োজনতকৈ অতিৰিক্ত বোজা কঢ়িওৱা গাড়ী নির্ভয়ে চলি থাকে। অধিক বোজা কঢ়িওৱা গাড়ীয়ে প্রায়ে দুর্ঘটনা সংঘটিত কৰি আহিছে। গুৱাহাটীৰ পৰা বিভিন্ন অঞ্চললৈ চলা মেজিক আদি গাড়ীত অধিক যাত্রী কঢ়িওৱা হয়। একাংশ গাড়ীত চকী দিও যাত্রী নিয়া নহয়। পৰিবহন বিভাগে এনেবোৰ দিশত গুৰুত্ব দিয়াৰ পৰিলক্ষিত নহয়। কেৱল জৰিমনা বিহি বিভাগটোৱে দায়িত্ব সামৰে। যাৰ ফলত পৰিবহন আইন নামতহে থকাৰ দৰে হৈছে। একাংশ আৱশ্যকীয় পথৰ নিয়মতকৈ ধন সংগ্রহৰ অভিযানতহে ব্যস্ত থাকে। এনেধৰণৰ অভিযোগৰ প্রতি প্রশাসনে কেৰেপ নকৰাৰ ফল যাত্রীয়ে ভুগিবলগীয়া হৈছে।

ৰাজ্যৰ বিভিন্ন প্রান্তত বন্তি প্রজ্জ্বলনেৰে শ্রদ্ধাঞ্জলি

লাভ কৰক চিৰশান্তি। আৰু পুনৰাবৃত্তি নহওক এনে ঘটনাৰ। সমগ্র ৰাজ্যজুৰি আলোড়ন সৃষ্টি কৰা কাজিৰঙাৰ শোকাৱহ পথ দুর্ঘটনাই আজিও সমগ্র ৰাজ্যকে ভা�ৰাক্রান্ত কৰি ৰাখিছে। ইখনৰ পাছত সিখন ঠাইত হতাহতৰ সংখ্যা গণনাৰ দৰে দুর্ভাগ্যজনক পৰিস্থিতিৰ সন্মুখীন হৈছে স্থানীয় লোকসকল। প্রাপ্ত তথ্য অনুসৰি, ভয়ংকৰ এই দুর্ঘটনাত নিহত ২৬জন লোকৰ ভিতৰত ১২জন লোক নগাঁও জিলাৰ। নগাঁও জিলাৰ নিহত দুর্ভগীয়া লোককেইজন ক্রমে জখলাবন্ধাৰ দামিনী ঘাটোৱাল (১৮), কুঠৰীৰ গংগা গোৱালা (৫০), চামগুৰিৰ ফয়জুল ইছলাম (৪০), কুঠৰী হাৰমতিৰ আব্দুল ৰহিদ আলী (৭০), দুর্ঘটনা সংঘটিত কৰা এ এছ-০২ এ চি-৬৬৯০ নম্বৰৰ ট্রেভেলাৰখনৰ কলিয়াবৰ আঞ্জুকপানীৰ আব্দুল মজিদ (৫৫), পৰিচালক নগাঁও চহৰৰ কেঁচাআলিৰ সুভাষ দাস (৪৫), চামগুৰি কাৰৈমাৰীৰ ফাৰুক আহমেদ (২৮), কলিয়াবৰ চুলুঙৰ মিনা মিজাৰ (৪৫), চামগুৰিৰ গোলাপী বেগম (৫০), চৰকাৰী আদর্শ মহাবিদ্যালয় কাজিৰঙাৰ ছাত্রী ফাৰজনা ইয়াচমিন (২১), ধিঙৰ ধোপগুৰিৰ মহম্মদ আলী (৩৭) আৰু নগাঁৱৰ পুৰুৱা গাঁৱৰ অসীম ফুকন (৫৩)। চালক আব্দুল মজিদৰ ঘৰ আঞ্জুকপানীত যদিও তেওঁ নগাঁও চহৰৰ ডিমৰুগুৰিৰ ভাৰাতীয়া হিচাপে আছিল। ভয়ংকৰ দুর্ঘটনাটোত নিহতসকলৰ পৰিয়ালত এতিয়া হাহাকাৰ অৱস্থা। নিজৰ নিজৰ অঞ্চলত এতিয়া শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। ইপিনে নগাঁও চহৰৰ ডিমৰুগুৰিৰ ট্রেভেলাৰ স্থানত আজি নিমাওমাও পৰিৱেশ। এই শোকাৱহ পথ দুর্ঘটনাত নগাঁৱৰ এখন ট্রেভেলাৰৰ চালক, পৰিচালকসহ বিভিন্ন স্থানৰ ২৬জনকৈ লোক নিহত হোৱাত নগাঁৱৰ ট্রেভেলাৰৰ চালক, পৰিচালক আদি শোকত মর্মাহত হৈ পৰিছে। কাজিৰঙাত শোকাৱহ পথ দুর্ঘটনাত নিহতসকলৰ প্রতি শ্রদ্ধা জনাই নগাঁও ট্রেভেলাৰ ইউনিয়নে জনোৱা আহ্বানৰ প্রতি সঁহাৰি জনাই আজিৰ দিনটোৰ বাবে ট্রেভেলাৰৰ চালকসকলে ট্রেভেলাৰৰ চলাচল বন্ধ ৰাখে। ইপিনে, ট্রেভেলাৰখনৰ পৰিচালক সুভাষ দাসৰ মৃতদেহ কেঁচাআলিৰ নিজৰ ঘৰ আহি পোৱাৰ পাছত অঞ্চলটোত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় কেইবাশ লোক উপস্থিত হৈ শোকত ভাগি পৰাৰ লগতে তেওঁৰ প্রতি শেষ শ্রদ্ধা জনায়। মৃত দাসৰ ঘৰত হাহাকাৰ সদৃশ পৰিস্থিতিৰ সৃষ্টি হয়। একেদৰে চালক আব্দুল মজিদৰ মৃতদেহ আঞ্জুকপানীৰ ঘৰলৈ অনাৰ পাছত অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়।

গুৱাহাটীত আছুৰ শ্রদ্ধাঞ্জলি

গুৱাহাটীৰ দৈনিক অসমৰ বাতৰি ঃ কাজিৰঙাৰ ৰঙাজানত কালি ট্রেভেলাৰ আৰু ট্রাকৰ মাজত হোৱা মুখামুখি সংঘর্ষত প্রাণ হেৰুওৱা ২৬গৰাকী ব্যক্তিলৈ শ্রদ্ধাঞ্জলি জনাই আজি সদৌ গুৱাহাটী ছাত্র সস্থাই গুৱাহাটী মহানগৰীৰ চানমাৰিস্থিত প্রতিমা পাণ্ডে বৰুৱা উদ্যানত বন্তি প্রজ্বলন কার্যসূচী ৰূপায়ণ কৰে। দুই শতাধিক ছাত্র সস্থাৰ কর্মীয়ে অংশগ্রহণ কৰা এই শ্রদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম ছাত্র সস্থাৰ কেন্দ্রীয় সমিতিৰ কার্যনির্বাহক সদস্য জিতেন দাস, ৰূপম কুমাৰ দাস, অলকেশ নাথ, সদৌ কামৰূপ মহানগৰ জিলা ছাত্র সস্থাৰ সাধাৰণ সম্পাদক সমীৰণ কলিতা। বন্তি প্রজ্বলন কার্যসূচীত অংশগ্রহণ কৰি এক প্রেছ বিবৃতিৰ জৰিয়তে সদৌ গুৱাহাটী ছাত্র সস্থাৰ সভাপতি কমল মহন্ত আৰু সাধাৰণ সম্পাদক প্রাঞ্জল ডেকাই কয় যে এনেধৰণৰ দুর্ঘটনাৰ উচ্চ পর্যায়ৰ তদন্ত হ'ব লাগে। এই দুর্ঘটনাত নিহতসকলৰ পৰিয়ালৰ সমস্ত দায়িত্ব আৰু আহতসকলক যাৱতীয় সকলো উন্নত চিকিৎসাৰ ব্যৱস্থা কৰাৰ বাবেও চৰকাৰক আহ্বান জনায়। ইফালে কাজিৰঙাত সংঘটিত হোৱা শোকাৱহ দুর্ঘটনাত নিহতসকললৈ আজি শ্রদ্ধাঞ্জলি আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰি চন্দ্রপুৰ অঞ্চলিক ছাত্র সস্থাই শ্বহীদ বেদী প্রাংগণত বন্তি প্রজ্বলন কৰে। বন্তি প্রজ্বলন কার্যসূচীত সদৌ কামৰূপ মহানগৰ জিলা ছাত্র সস্থাৰ সভাপতি বিপজ্যোতি মালাকৰ, উপ-সভাপতি ৰমেন ঠাকুৰীয়া, সহকাৰী সাধাৰণ সম্পাদক মৃদুল কুমাৰ দাস, ক্রীড়া সম্পাদক নিতুল কলিতা, সাহিত্য সম্পাদক সৌৰভ দাস, চন্দ্রপুৰ আঞ্চলিক ছাত্র সস্থাৰ সভাপতি চানবলী মাহাতো, সাধাৰণ সম্পাদক দীপজ্যোতি লহকৰ, অসম সেনাৰ ৰাজ্যিক কার্যনির্বাহক ৰমেশ দাস, চন্দ্রপুৰ জ্যেষ্ঠ নাগৰিক সমিতিৰ সভাপতি নৰেশ্বৰ বসুমতাৰী, চন্দ্রপুৰ জেষ্ঠ নাগৰিক সস্থাৰ সভাপতি বিষ্ণুৰাম বড়ো, চন্দ্রপুৰ স্বর্ণ শাখা সাহিত্য সভাৰ সভাপতি কিৰণ দাস, অসম উন্নতি সভাৰ কামৰূপ জিলা সমিতিৰ বিত্ত সম্পাদক মাধৱ দাস, ছাত্র সস্থাৰ আন আন বিষয়ববীয়াসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

দুর্ঘটনাত নিহতলৈ ৰৰপথাৰত আছু, আটছাৰ শ্রদ্ধাঞ্জলি

ধনশিৰিৰ দৈনিক অসমৰ প্রতিনিধি ঃ কালি কাজিৰঙাত সংঘটিত হোৱা হৃদয়বিদাৰক পথ দুর্ঘটনাত নিহতসকলৰ প্রতি শ্রদ্ধাঞ্জলি আৰু আহতসকলৰ আশু আৰোগ্য কামনাৰে আজি ৰৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত থকা শ্বহীদ বেদীত ৰৰপথাৰ আঞ্চলিক ছাত্র সস্থা আৰু অসম চাহ জনজাতি ছাত্র সস্থাৰ ৰৰপথাৰ শাখা গোটে বন্তি প্রজ্বলন কৰে। সন্ধিয়া প্রায় ৬.৩০ বজাত অনুষ্ঠিত কৰা উক্ত শ্রদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত বিভিন্ন বিশিষ্ট ব্যক্তি তথা ছাত্র নেতাসকলে কালিৰ দুর্ভাগ্যজনক ঘটনাটোত গভীৰ উদ্বেগ প্রকাশ কৰাৰ লগতে নিহত লোকসকলৰ আত্মাৰ সদ্গতিৰ বাবে প্রার্থনা জনায়। আনহাতে ৰাজ্যখনৰ বিভিন্ন প্রান্তত শেহতীয়াকৈ সংঘটিত পথ দুর্ঘটনা ৰোধৰ বাবে সংশ্লিষ্ট বিভাগসমূহে কঠোৰ পদক্ষেপ গ্রহণ কৰিবৰ বাবে দাবী উত্থাপন কৰিছে।

যাত্রীৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ এছ ইউ চি আইৰ দাবী

কাজিৰঙাত দ্রুতবেগী ট্রেভেলাৰ এখনে ট্রাকৰ সৈতে মুখামুখি সংঘর্ষ সংঘটিত কৰাৰ ফলত ২৬গৰাকী যাত্রীৰ কৰুণ মৃত্যুৰ ঘটনাত এছ ইউ চি আই (কমিউনিষ্ট) দলৰ অসম ৰাজ্যিক কমিটীৰ সম্পাদক চন্দ্রলেখা দাসে গভীৰ শোক প্রকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবর্গৰ প্রতি আন্তৰিক সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। এই সন্দর্ভত দলৰ অসম ৰাজ্যিক কমিটীয়ে এই মর্মান্তিক আৰু হৃদয়বিদাৰক ঘটনা কেৱল আকস্মিক দুর্ঘটনাই নহয়, দীর্ঘদিন ধৰি ৰাজ্যখনত চলি থকা অনিয়ন্ত্রিত আৰু বেপৰোৱা গাড়ীচালনা, বিশেষকৈ অত্যধিক বেগত যান-বাহন চলোৱাৰ প্রৱণতাৰ প্রতি চৰকাৰৰ চূড়ান্ত উদাসীনতাকে জগৰীয়া কৰে। আমি প্রতিজন নিহত ব্যক্তিৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্রদান কৰা আৰু দুর্ঘটনাত আহত প্রতিগৰাকী ব্যক্তিৰ চিকিৎসাৰ সম্পূর্ণ দায়িত্ব ৰাজ্য চৰকাৰে গ্রহণ কৰাৰ লগতে উপযুক্ত ক্ষতিপূৰণ প্রদান কৰাৰ বাবে দাবী জনায়।

নিহতসকলৰ স্মৃতিত নকছাৰিত বন্তি প্রজ্বলন

নকছাৰিৰ দৈনিক অসমৰ প্রতিনিধি ঃ কাজিৰঙাত সংঘটিত শোকাৱহ দুর্ঘটনাত প্রাণ হেৰুওৱা লোকসকলৰ প্রতি গভীৰ শ্রদ্ধাঞ্জলি জ্ঞাপন আৰু আহতসকলৰ আশু আৰোগ্য কামনাৰে সদৌ অসম ছাত্র সস্থাৰ আহ্বানমর্মে নকছাৰি আঞ্চলিক ছাত্র সস্থাৰ উদ্যোগত সন্ধিয়া লাচিত উদ্যানত বন্তি প্রজ্বলন কার্যসূচী ৰূপায়ণ কৰা হয়। নকছাৰি আঞ্চলিক ছাত্র সস্থাৰ সভাপতি মাধুর্য গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত উপস্থিত সকলোৱে বন্তি প্রজ্বলন কৰি দুর্ঘটনাত নিহতসকলৰ বিদেহ আত্মাৰ চিৰশান্তি আৰু সদ্গতি কামনা কৰে।

মৰিয়নিৰ দৈনিক অসমৰ প্রতিনিধি ঃ কাজিৰঙাৰ ভয়ংকৰ পথ দুর্ঘটনাত আহত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা লোকসকলৰ স্বাস্থ্যৰ বুজ ল'বলৈ আজি চিকিৎসালয়খনত উপস্থিত হয় সদৌ অসম ছাত্র সস্থাৰ সম্পাদক সমীৰণ ফুকন আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্র পৰিষদৰ সভাপতি পলাশ চাংমাই। দুয়োগৰাকী নেতাই আহতসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে চিকিৎসা ব্যৱস্থাৰো পর্যালোচনা কৰে। এই সন্দর্ভত আছুৰ সম্পাদক সমীৰণ ফুকনে কয়— কাজিৰঙাৰ ভয়ংকৰ দুর্ঘটনাটোৰে সমগ্র ৰাজ্যতে গভীৰ শোকৰ সৃষ্টি কৰিছে। ইতিমধ্যে দুর্ঘটনাটোত কেইবাগৰাকীও লোকে প্রাণ হেৰুৱাইছে। আই চি ইউত চিকিৎসাধীন তিনিগৰাকী ৰোগীৰ অৱস্থা সংকটজনক বুলি জানিবলৈ দি তেওঁ আহতসকলৰ আশু আৰোগ্য কামনা কৰে। দুর্ঘটনাত প্রাণ হেৰুওৱা লোকসকলৰ প্রতিও গভীৰ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে ফুকনে। ভৰিষ্যতে যাতে এনে ভয়ংকৰ দুর্ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগসমূহে ফলপ্রসূ ব্যৱস্থা গ্রহণ কৰিব লাগিব বুলি দাবী জনায়। এখন যাত্রীবাহী ট্রেভেলাৰত নিয়ম অনুসৰি যাত্রীৰ সংখ্যা কিমান আছিল আৰু নির্দ্ধাৰিত নিয়ম উলংঘা কৰা হৈছিল নেকি, সেই বিষয়েও তদন্ত কৰাৰ প্রয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে তেওঁ। পৰিবহন বিভাগে বাহনৰ ফিটনেছ পৰীক্ষাৰ পৰা আৰম্ভ কৰি নিজৰ আন আন দায়িত্বসমূহ সঠিকভাৱে পালন কৰিছে নে নাই, সেই বিষয়টোও পর্যালোচনা কৰিব লাগে বুলি ফুকনে মন্তব্য কৰে। একেদৰে ৰাজ্যৰ শোচনীয় পথসমূহ মেৰামতি কৰি উন্নত আৰু সুৰক্ষিত যাতায়াত ব্যৱস্থা নিশ্চিত কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়।

পুঠিখাইতীৰ দুই যুৱকৰ বাসগৃহত জিলা আয়ুক্ত আৰণ্যক শইকীয়া

ৰূপহীহাটৰ দৈনিক অসমৰ প্রতিনিধি ঃ কাজিৰঙাত সংঘটিত শোকাৱহ পথ দুর্ঘটনাত চামগুৰি সমষ্টিৰ অন্তর্গত পুঠিখাইতী গাঁৱৰ দুই যুৱক ফাৰুক আহমেদ আৰু ফাইজুল ইছলামে অকালতে প্রাণ হেৰুওৱাৰ ঘটনাই সমগ্র অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে। এই শোকাৱহ ঘটনাৰ পৰিপ্রেক্ষিতত আজি নগাঁও জিলাৰ আয়ুক্ত আৰণ্যক শইকীয়াই যুৱক দুজনৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবর্গক সাক্ষাৎ কৰে। আয়ুক্তগৰাকীয়ে পৰিয়ালৰ সদস্যসকলক গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে চৰকাৰৰ তৰফৰ পৰা সম্ভৱপৰ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্রদান কৰে।

দুর্ঘটনাত নিহতৰ স্মৃতিত গোলাঘাটৰ ব্যৱসায়ীৰ বন্তি প্রজ্বলন

গোলাঘাটৰ দৈনিক অসমৰ বিশেষ প্রতিনিধি ঃ কাজিৰঙাত কালি সংঘটিত ভয়াৱহ বাহু দুর্ঘটনাত মৃত্যু হোৱা ২৬গৰাকী লোকৰ কৰুণ মৃত্যুত গোলাঘাটত গভীৰ শোকৰ ছাঁ পৰে। এই মর্মান্তিক দুর্ঘটনাত প্রাণ হেৰুওৱা লোকসকলৰ প্রতি শ্রদ্ধাঞ্জলি জ্ঞাপন আৰু শোকসন্তপ্ত পৰিয়ালবর্গলৈ সমবেদনা প্রকাশৰ উদ্দেশ্যে আজি সন্ধিয়া গোলাঘাট নগৰৰ ব্যৱসায়ীসকলে নি

ৰৱষুণৰ অভাৱত হ্রাস পাইছে লৰুৱা, জামিৰা আৰু মানকটা খনিকৰ মৌজাৰ খেতি

ৰবিশস্যৰ বীজ, সাৰ-কৃষি সামগ্রী যোগানৰ দাবী

দৈনিক অসমৰ প্ৰতিনিধি

মৰাণ, ১৪ নৱেম্বৰ ঃ কৃষিপ্রধান অঞ্চল হিচাপে পৰিচিত ডিব্রুগড় জিলাৰ পশ্চিম ৰাজহ চক্রৰ অন্তর্গত লৰুৱা, জামিৰা আৰু মানকটা খনিকৰ মৌজাৰ কৃষকসকলে ৰবিশস্যৰ খেতিৰ বাবে চৰকাৰীভাৱে উন্নতমানৰ বীজ, সাৰ, কীটনাশককে ধৰি প্রয়োজনীয় কৃষি সামগ্রী যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰৰ কৃষিমন্ত্রীৰ ওচৰত দাবী জনাইছে। এই তিনিওটা মৌজাৰ কৃষিপ্রধান অঞ্চলসমূহৰ কৃষকসকলে কেৱল কৃষি সামগ্রীৰ যোগানেই নহয়, চৰকাৰী উদ্যোগত কৃষি প্রশিক্ষণৰ ব্যৱস্থা গ্রহণৰ বাবেও কৃষি বিভাগৰ দৃষ্টি আকর্ষণ কৰিছে। সংবাদ মাধ্যমৰ জৰিয়তে কৃষকসকলে কৃষি উৎপাদন বৃদ্ধিৰ স্বার্থত কৃষকসকলক প্রয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ চৰকাৰৰ প্রতি আহ্বান জনায়। আনহাতে, খৰাং বতৰ আৰু পর্যাপ্ত ৰৱষুণৰ অভাৱত অঞ্চলটোৰ কৃষি উৎপাদন হ্রাস পোৱাক লৈও কৃষকসকলে উদ্বেগ প্রকাশ কৰিছে। এনে পৰিস্থিতিত কৃষি সম্প্রসাৰণ সহায়ক আৰু গাঁওপ্রধানসকলৰ জৰিয়তে প্রকৃত ক্ষতিগ্রস্ত কৃষকৰ সমীক্ষা চলাই উৎপাদন হ্রাস পোৱা কৃষকসকলৰ বাবে বিকল্প কৃষিকার্যৰ আঁচনি গ্রহণ কৰিবলৈ চৰকাৰক অনুৰোধ জনাইছে। ইয়াৰ উপৰি অঞ্চলটোৰ কৃষি ব্যৱস্থাৰ সামগ্রিক উন্নয়নৰ স্বার্থত জলসিঞ্চন আঁচনি ৰূপায়ণ, কৃষিভূমিৰ উন্নয়ন, উৎপাদিত কৃষিজাত সামগ্রী আৰু শস্য বিক্রীৰ বাবে উপযুক্ত বজাৰ গঢ়ি তোলা তথা কৃষকৰ উৎপাদিত সামগ্রী সংৰক্ষণৰ বাবে শীতলীকৰণ ভাণ্ডাৰ স্থাপনৰ ক্ষেত্রতো চৰকাৰৰ জৰুৰী পদক্ষেপ কামনা কৰিছে। লৰুৱা, জামিৰা আৰু মানকটা খনিকৰ মৌজাৰ কৃষকসকলৰ মতে, কৃষকৰ সমস্যা সমাধানৰ লগতে কৃষি আন্তঃগাঁথনিৰ উন্নয়নত চৰকাৰে বিশেষ গুৰুত্ব প্রদান কৰিলে অঞ্চলটোৰ কৃষি অর্থনীতি অধিক শক্তিশালী হোৱাৰ লগতে কৃষকসকল যথেষ্ট উপকৃত হ'ব। সেয়েহে কৃষকসকলৰ এই দাবীসমূহৰ প্রতি গুৰুত্ব আৰোপ কৰি কৃষিমন্ত্রী তথা কৃষি বিভাগক শীঘ্রে কার্যকৰী ব্যৱস্থা গ্রহণ কৰিবলৈ পুনৰ আহ্বান জনাইছে।



ডিব্রুগড়ত লেখক সদানন্দ গগৈৰ দুখন গ্রন্থ উন্মোচন

দৈনিক অসমৰ প্ৰতিনিধি

ডিব্রুগড়, ১৪ নৱেম্বৰ ঃ বিশিষ্ট লেখক, ডিব্রুগড় জিলাৰ অৱসৰী পৰিবহন বিষয়া তথা শিল্পী সদানন্দ গগৈৰ দুখন গ্রন্থ ১২ নৱেম্বৰত ডিব্রুগড়ত উন্মোচন কৰা হয়। গ্রন্থ দুখন হৈছে 'একাঁজলি গীতৰ শৰাই' আৰু 'দুকুৰিমান লেছেৰি বোটলা'। এই উপলক্ষে মহানগৰখনৰ জ্যোতিনগৰস্থিত বাগড়োদিয়া নিৱাসত আয়োজিত এক অনুষ্ঠুপীয়া আৰু গাম্ভীর্যপূর্ণ উন্মোচনী অনুষ্ঠানত 'একাঁজলি গীতৰ শৰাই' নামৰ গ্রন্থখন উন্মোচন কৰে ডিব্রুগড়ৰ বিশিষ্ট অনাঁতাৰ শিল্পী তথা লেখিকা ডঃ অদিতি বৰুৱাই 'দুকুৰিমান লেছেৰি বোটলা' নামৰ গ্রন্থখন উন্মোচন কৰে বিশিষ্ট অনুবাদ সাহিত্যিক, লেখক সাহিত্যিক পেন্সনাৰ দেৱীপ্রসাদ বাগড়োদিয়াই। অর্দ্ধশতাধিক লোক উপস্থিত থকা আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই আঁত ধৰা উক্ত অনুষ্ঠানত নিজৰ অনুভৱ ব্যক্ত কৰি লেখক সদানন্দ গগৈয়ে কয় যে নিজৰ কর্মব্যস্ততাৰ পাছতো সাহিত্য আৰু সংগীতৰ মাজত আপোন হ'ৰৱ বাবে চেষ্টা কৰি আহিছোঁ। লেছেৰি বোটলা গ্রন্থখনত নিজৰ জীৱনৰ ৪২টা সৰু অথচ সাঁচা কাহিনী সন্নিৱিষ্ট হৈছে য'ত সাহিত্যহে আছে, অতিৰঞ্জিত বর্ণনা নাই। অনুষ্ঠানত ডিব্রুগড় জিলা পৰিবহন বিষয়া উৎপল বৰুৱা, লাহোৱালৰ অৱসৰপ্রাপ্ত প্রধান শিক্ষক মহদানন্দ গগৈ, বিশিষ্ট কবি, লেখিকা সুৰজিতা সন্দিকৈ গগৈ, অসমী সংঘৰ সভাপতি পদ্মেশ্বৰ মহন, সাধাৰণ সম্পাদক ত্রিদিব গগৈ, বিশিষ্ট ব্যৱসায়ী, সাহিত্যকর্মী সুনীল গগৈ, কুশল কোঁৰৰ উপস্থিত থাকে।

তিনিচুকীয়া মহাবিদ্যালয়ত দক্ষতা বিকাশ কার্যসূচী

দৈনিক অসমৰ প্ৰতিনিধি

তিনিচুকীয়া, ১৪ নৱেম্বৰ ঃ ছাত্র-ছাত্রীসকলৰ অন্তর্নিহিত প্রতিভাৰ বিকাশ আৰু কর্মমুখী মানসিকতা গঢ়ি তোলাৰ মহান উদ্দেশ্যে ১২ নৱেম্বৰত তিনিচুকীয়া মহাবিদ্যালয়ৰ লাইব্রেৰী কনফাৰেঞ্চ হলত এক গৰিমাণ্ডিত 'দক্ষতা বিকাশ কার্যসূচী' সফলতাৰে সম্পন্ন হয়। অইল ইণ্ডিয়া অ'বিচি আৰু এমঅ'বিচি কর্মচাৰী সংস্থাৰ উদ্যোগত আৰু তিনিচুকীয়া মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং, ট্রেইনিং এণ্ড প্লেচমেণ্ট চেল তথা আই কিউ এ চিৰ সহযোগত এই বিশেষ অনুষ্ঠানটি আয়োজন কৰা হয়। তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যাপিকা ৰশ্মিতা ৰৱকটকীয়ে সুন্দৰকে আঁত ধৰা অনুষ্ঠানটোৰ শুভাৰম্ভণিতে অইল ইণ্ডিয়া অ'বিচি আৰু এমঅ'বিচি কর্মচাৰী সংস্থাৰ তৰফৰ পৰা অতিথিসকলক আদৰণি আৰু সম্বর্দ্ধনা জ্ঞাপন কৰা হয়। সংস্থাৰ সাধাৰণ সম্পাদক সুৰেন্দ্র গগৈয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভৈৰৱ ৰৱগোহাঁইক এখন ফুলাম গামোচাৰে আদৰণি জনোৱাৰ লগতে কার্যবাহী সদস্য সুনীত হাজৰিকাই সংস্থাৰ উপ-সভাপতি নিতু হাজৰিকাক ফুলাম গামোচাৰে সম্ভাষণ জনায়। ইয়াৰ পাছতে তিনিচুকীয়া মহাবিদ্যালয় পৰিষালৰ তৰফৰ পৰা মুখ্য অতিথি তথা সমল ব্যক্তি পদ্মশ্রী ডঃ উদ্ধৰ ভৰালীক ফুলাম গামোচা, চেলেং চাদৰ আৰু জাপিৰে উষ্ম আদৰণি জনোৱা হয়। আনহাতে, নিতু হাজৰিকাই এখন পাটৰ গামোচা, সাধাৰণ সম্পাদক সুৰেন্দ্র গগৈয়ে এটি বিশেষ স্মাৰক আৰু কার্যবাহী সদস্য সুনীত হাজৰিকাই এখন চেলেং চাদৰেৰে পদ্মশ্রী ডঃ উদ্ধৰ ভৰালীক বিপুল সম্বর্দ্ধনা জ্ঞাপন কৰে। তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভৈৰৱ ৰৱগোহাঁয়ে আদৰণী ভাষণ দিয়া এই গাম্ভীর্যপূর্ণ অনুষ্ঠানটোত অইল ইণ্ডিয়াৰ দিল্লীস্থিত মুখ্য কার্যালয়ৰ মানৰ সম্পদ বিভাগৰ মুখ্য মহাপ্রবন্ধক তথা সংস্থাৰ সভাপতি ডঃ শ্যামল বৰুৱাৰ হৈ সংস্থাৰ উপ-সভাপতি তথা উপ-মহাপ্রবন্ধক নিতু হাজৰিকাই এই দক্ষতা বিকাশ কার্যসূচীৰ মূল উদ্দেশ্য আৰু তাৎপর্য বিশদভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানত সংস্থাৰ সাধাৰণ সম্পাদক সুৰেন্দ্র গগৈয়ে অনুষ্ঠানৰ মুখ্য বক্তা তথা সমল ব্যক্তি পদ্মশ্রী ডঃ উদ্ধৰ ভৰালীৰ জীৱন আৰু কর্মৰাজিৰ এক মনোগ্রাহী পৰিচয় দাঙি ধৰে। গ্রাম্য অর্থনীতি টনকিয়াল কৰাৰ লগতে সাধাৰণ মানুহ আৰু শাৰীৰিকভাৱে অক্ষম লোকসকলৰ জীৱন সহজ কৰিবলৈ তেওঁ উদ্ভাৱন কৰা ১৪০ তকৈও অধিক সুলভ যন্ত্রপাতি, নাছাৰ স্বীকৃতি তথা 'পদ্মশ্রী' সম্মানেৰে বিশ্বৰ বুকুত অসমৰ নাম উজলোৱা ডঃ ভৰালী নৱপ্রজন্মৰ বাবে কর্মসংস্কৃতি আৰু মানৱতাৰ এক জীৱন্ত প্রতীক বুলি গগৈয়ে অভিহিত কৰে। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি পদ্মশ্রী ডঃ উদ্ধৰ ভৰালীয়ে ছাত্র-ছাত্রীসকলৰ মাজত স্বাৱলম্বন, মৌলিক চিন্তা, আত্মবিশ্বাস আৰু কঠোৰ পৰিশ্রমৰ জৰিয়তে নিজকে গঢ়ি তোলাৰ ওপৰত এক অতি প্রেৰণাদায়ক ভাষণ আগবঢ়ায়।

ধেমাজিত কৃষিমন্ত্রীৰ সমন্বিত কৃষি, শণ খেতি আৰু অইল পাম প্রকল্প পৰিদর্শন



১৫ জানুৱাৰীৰ ভিতৰত কৃষকৰ পঞ্জীয়ন সম্পূর্ণ কৰাৰ নির্দেশ

দৈনিক অসমৰ প্ৰতিনিধি

ধেমাজি, ১৪ নৱেম্বৰ ঃ অসমৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী পীযূষ হাজৰিকাই বৃহস্পতিবাৰে ধেমাজি জিলাত এক বিস্তৃত ভ্রমণ কার্যসূচীৰে জিলাখনৰ বিভিন্ন উদ্ভাৱনীমূলক কৃষি পদ্ধতি আৰু কৃষি প্রকল্পসমূহ পৰিদর্শন কৰে। পৰিদর্শনৰ অন্তত ধেমাজি জিলা আয়ুক্ত কার্যালয়ৰ সভাকক্ষত কৃষি আৰু জনসিঞ্চন বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে পর্যালোচনা বৈঠকত মিলিত হয়। ক্ষেত্র পৰিদর্শনৰ সময়ত মন্ত্রীগৰাকীয়ে আৱনাই চাপৰিত প্রগতিশীল কৃষক ভুবন পেগুৰে ২২ বিঘা ভূমিত তামোল, বিলাহী, অমিতা, আনাৰসৰ খেতিৰ লগতে পলিটেংকত মীনপালনৰ জৰিয়তে গঢ়ি তোলা সমন্বিত কৃষি পামখন পৰিদর্শন কৰে। ইয়াৰ পাছতে তেওঁ ডিমৌ অঞ্চলত শণ খেতি পৰিদর্শন কৰে। মাটিৰ উর্ৱৰতা বৃদ্ধি আৰু সেউজ সাৰ উৎপাদনৰ ক্ষেত্রত এই খেতিৰ গুৰুত্বৰ বিষয়ে তেওঁ বুজ হয়। লগতে ডিপা অঞ্চলত বামুন ইছলাৰী আৰু দিলীপ বড়োৱে গঢ়ি তোলা অইল পাম আৰু বহুমুখী উদ্যান শস্যৰ খেতি পৰিদর্শন কৰি স্থানীয় কৃষকসকলৰ সৈতে মত বিনিময় কৰে। ধ্রুৱজ্যোতি ৰৱগোহাঁয়ে গছপুলি ৰোপণ কার্যসূচী ৰূপায়ণ কৰাৰ পাছত সুশীল ৰৱগোহাঁয়ে সাংস্কৃতিক শোভাযাত্রা উদ্বোধন কৰে। আনহাতে মানৱ বুঢ়াগোহাঁয়ে বিভিন্ন প্রতিযোগিতাৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত ৰজনী বুঢ়াগোহাঁয়ে সভাপতিত্ব কৰে। সভাত বিদ্যুৎ ফুকনে বিশিষ্ট অতিথি হিচাপে অংশগ্রহণ কৰে। অনুষ্ঠানত হাফলুটিং মণ্ডল সমল কেন্দ্রৰ সমন্বয়ক উদয় শংকৰ খনিকৰ, ১১২ নং নামদাং গোহাঁই প্রাথমিক বিদ্যালয়ৰ প্রধান শিক্ষক বেদব্রত দুৱৰা, বিশিষ্ট সমাজকর্মী অনিল গগৈ আৰু শিক্ষক বিজু বুঢ়াগোহাঁই উপস্থিত থাকে।

আঠখেলীয়াৰ পথ দুর্ঘটনাত মহিলাসহ দুজন আহত



দৈনিক অসমৰ প্ৰতিনিধি

আঠখেলীয়া, ১৪ নৱেম্বৰ ঃ কালি পুৱা প্রায় ৮.৪৫ বজাত বেৰেজীয়াৰ উৰণ পখী ভৱন বিদ্যালয়ৰ সমীপত এখন স্কুটী আৰু এখন ই-ৰিক্সাৰ মাজত সংঘটিত হয় এক ভয়ংকৰ পথ দুর্ঘটনা। দুর্ঘটনাৰ ফলত মনিমা বৰা নামৰ এগৰাকী মহিলা আৰু ই-ৰিক্সাখনৰ চালকজন আহত হয়। পৰৱর্তী সময়ত ১০৮ এম্বুলেঞ্চৰ জৰিয়তে গুৰুতৰভাৱে আহত স্কুটি আৰোহী মনিমা বৰাক চিকিৎসালয়লৈ লৈ যোৱা হয়। দুর্ঘটনাটোৰ ফলত স্কুটীখন আৰু ই-ৰিক্সাখনৰ যথেষ্ট ক্ষতিসাধন হয়। স্থানীয় লোকৰ অভিযোগ অনুসৰি, উক্ত পথছোৱাত কোনো স্পীড ব্রেকাৰৰ ব্যৱস্থা নথকাৰ ফলত সঘনাই দুর্ঘটনাৰ আশংকা বৃদ্ধি পাইছে। স্থানীয় ৰাইজে উক্ত স্থানত শীঘ্রে স্পীড ব্রেকাৰ স্থাপন কৰাৰ লগতে পথ সুৰক্ষাৰ উপযুক্ত ব্যৱস্থা গ্রহণ কৰিবলৈ সংশ্লিষ্ট কর্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

খোৱাং মহাবিদ্যালয়ৰ দুলেশ্বৰ দিহিঙীয়াক বিদায় সম্বর্দ্ধনা

দৈনিক অসমৰ প্ৰতিনিধি

মৰাণ, ১৪ নৱেম্বৰ ঃ খোৱাং মহাবিদ্যালয়ৰ এগৰাকী নিষ্ঠাৱান আৰু জ্যেষ্ঠ কর্মচাৰী দুলেশ্বৰ দিহিঙীয়াৰ ৩৪ বছৰীয়া কর্মজীৱনৰ সামৰণি উপলক্ষে ১১ নৱেম্বৰত মহাবিদ্যালয়ৰ সভাকক্ষত এক গাম্ভীর্যপূর্ণ বিদায় সম্বর্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয় কর্তৃপক্ষ, শিক্ষক গোট আৰু কর্মচাৰীবৃন্দৰ উদ্যোগত আয়োজিত অনুষ্ঠানত অৱসৰপ্রাপ্ত উচ্চবর্গৰ সহায়ক তথা গাণনিক দিহিঙীয়াক উষ্ম সম্বর্দ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ত্রৈলোক্য দিহিঙীয়াৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত পৰিচালনা সমিতিৰ সভাপতি বিপিন চন্দ্র শর্মা, উপাধ্যক্ষ প্রতিম শর্মা, অৱসৰপ্রাপ্ত অধ্যাপিকা অঙ্গৰা গগৈ ফুকন, অৱসৰপ্রাপ্ত উচ্চবর্গৰ সহায়ক আনন্দ বৰুৱা আৰু অৱসৰপ্রাপ্ত গাণনিক ভূপেন শইকীয়াই বক্তব্য দি দুলেশ্বৰ দিহিঙীয়াৰ কর্মনিষ্ঠা, সততা আৰু কর্তব্যপৰায়ণতাৰ কথা স্মৰণ কৰে। উল্লেখ্য যে ১৯৯২ চনৰ পৰা ২০২৬ চনলৈ সুদীর্ঘ ৩৪ বছৰ ধৰি খোৱাং মহাবিদ্যালয়ত কর্মৰত হৈ দিহিঙীয়াই নিজৰ নিষ্ঠা, সততা আৰু দায়বদ্ধতাৰে প্রতিষ্ঠানটোৰ সেৱাত গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছিল। তেওঁৰ এই দীর্ঘদিনীয়া সেৱা আৰু মহাবিদ্যালয়ৰ প্রতি থকা আন্তৰিকতাক উপস্থিত সকলোৱে শ্রদ্ধাৰে সোঁৱৰে। অনুষ্ঠানত কর্মৰত শিক্ষকসকলৰ হৈ যতীন কোঁৰৰ, প্রদীপ চুতীয়া, ডঃ পদ্মা দত্ত, ডঃ পল্লৱী হাজৰিকা, ৰ'জৰাণী মহন্ত আৰু বিজয় লাংষ্টাঙে বক্তব্য আগবঢ়ায়। একেদৰে কর্মচাৰীসকলৰ হৈ জোনটি বড়া আৰু প্রাণজিৎ শইকীয়া তথা ছাত্র একতা সভাৰ সভাপতি ৰৰষা দাসেও বিদায়ী কর্মচাৰীগৰাকীৰ কর্মজীৱনৰ বিভিন্ন দিশ স্মৰণ কৰে। অনুষ্ঠানত মহাবিদ্যালয় কর্তৃপক্ষ, শিক্ষক-কর্মচাৰী গোট, বিভিন্ন বিভাগ, অৱসৰপ্রাপ্ত কর্মচাৰী আৰু ছাত্র একতা সভাৰ তৰফৰ পৰা দুলেশ্বৰ দিহিঙীয়াক সম্বর্দ্ধনা জনোৱা হয়।



নামদাং গোহাঁই গাঁৱত ৰাইজৰ উৎসৱ উদ্‌যাপন

দৈনিক অসমৰ প্ৰতিনিধি

জাঁজী, ১৪ নৱেম্বৰ ঃ শিৱসাগৰ জিলাৰ আমগুৰি শিক্ষা খণ্ডৰ অন্তর্গত হাফলুটিং মণ্ডল সমল কেন্দ্রৰ উদ্যোগত আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ সহযোগত কালি নামদাং গোহাঁই গাঁৱত উলহ-মালহেৰে 'ৰাইজৰ উৎসৱ-২০২৬' উদ্‌যাপন কৰা হয়। নামদাং গোহাঁই মধ্য ইংৰাজী বিদ্যালয় আৰু ১১২ নং নামদাং গোহাঁই প্রাথমিক বিদ্যালয়ৰ সহযোগত তথা গাঁওখনৰ ৰাইজৰ সক্রিয় প্রচেষ্টাত অনুষ্ঠিত এই উৎসৱে অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। পুৱা নামদাং গোহাঁই মধ্য ইংৰাজী বিদ্যালয়ৰ প্রধান শিক্ষক মুকলেশ ৰহমানে পতাকা উত্তোলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। প্রাণৰ শিল্পী জুবিন গার্গ, বিগত প্রলয়ংকৰী বানত প্রাণ হেৰুওৱা ব্যক্তি আৰু অন্যান্যসকলৰ স্মৃতিত অনুষ্ঠিত শ্রদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে শিক্ষক দীপক দাসে। মণ্ডলটোৰ সমূহ বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ মাজত অনুষ্ঠিত হয় চিত্রাংকন আৰু স্মৃতি পৰীক্ষা প্রতিযোগিতা। দুপৰীয়া অনুষ্ঠিত হয় 'সামূহিক উৎসৱ'ৰ সৈতে সংগতি ৰাখি আয়োজন কৰা মুকলি সভা আৰু পুৰস্কাৰ বিতৰণী সভা। মাধৱ চন্দ্র বিদ্যাপীঠ প্রাথমিক বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে পৰিৱেশন কৰা এটি গুৰু বন্দনাৰে আৰম্ভ কৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম ৰাজ্যিক প্রাথমিক শিক্ষক সম্মিলনীৰ প্রধান সম্পাদক শৈলেন্দ্র কলিতাই সমগ্র শিক্ষা, অসমৰ এই মহান পদক্ষেপ তথা নাজিৰা শিক্ষাখণ্ডৰ অন্যতম বৰুৱাআলি মণ্ডল সমল কেন্দ্রৰ উদ্যোগৰ শলাগ লোৱাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল বৰুৱাআলি এলেকাৰ শৈক্ষিক দিশৰ উত্তৰণ, বিদ্যালয়সমূহৰ যথোচিত উন্নয়ন, উপস্থিত ৰাইজৰ শৈক্ষিক-সামাজিক দায়বদ্ধতা আৰু ছাত্র-ছাত্রীসকলৰ কৰণীয় আদি দিশৰ আলোকপাতেৰে সাৰগর্ভ বক্তব্য আগবঢ়ায়। সভাখনত অতিথি হিচাপে উপস্থিত থাকি নাজিৰা শিক্ষাখণ্ডৰ খণ্ড প্রাথমিক শিক্ষা বিষয়া প্রণৱ গগৈ, নাজিৰা জিলা মজলীয়া বিদ্যালয় শিক্ষক সস্থাৰ সম্পাদক ভুবন গগৈ, লোণপুৰীয়া মণ্ডলৰ মণ্ডল সমল কেন্দ্র সমন্বয়ক ঋতুৰাজ বৰুৱা, নাজিৰা গ্রাম্য মণ্ডলৰ মণ্ডল সমল কেন্দ্র সমন্বয়ক সংগীতা গগৈ, কৰুণাসাগৰ গগৈ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দুর্গেশ্বৰ গগৈ, শিক্ষক তথা যুৱ লেখক কনক নেওগ আৰু কৃতী শিক্ষয়িত্রী ৰুমী মেচে সাৰগর্ভ বক্তব্য আগবঢ়ায়। মুকলি সভাতে সামূহিক উৎসৱ উপলক্ষে আয়োজিত চিত্রাংকন আৰু স্মৃতি পৰীক্ষা প্রতিযোগিতাৰ স্থানপ্রাপ্তসকলক পুৰস্কাৰসমূহ প্রদান কৰাৰ লগতে নাজিৰা মহকুমা তথা শিৱসাগৰ জিলাক প্রতিনিধিত্ব কৰি অসম ৰাজ্যিক প্রাথমিক শিক্ষক সম্মিলনীৰ প্রধান সম্পাদকৰ দায়িত্ব লাভ কৰা শিক্ষক শৈলেন্দ্র কলিতাক বৰুৱাআলি মণ্ডলৰ শিক্ষক সমাজৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰা হয়। বৰুৱাআলি মণ্ডল সমল কেন্দ্রৰ লগতে কাষৰীয়া বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্রী, মণ্ডলটোৰ সমূহ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া, স্থানীয় বিভিন্ন অনুষ্ঠান তথা দল-সংগঠনৰ প্রতিনিধি, ছাত্র-ছাত্রী সমন্বিতে চাৰি শতাধিক লোকে অংশগ্রহণ কৰে।

হাঁহচৰা মজলীয়া বিদ্যালয়ৰ শতবর্ষ অনুষ্ঠান আৰম্ভ

দৈনিক অসমৰ প্ৰতিনিধি

হাঁহচৰা, ১৪ নৱেম্বৰ ঃ দুদিনীয়া কার্যসূচীৰে ১৩ নৱেম্বৰৰ পৰা আৰম্ভ হৈছে শিৱসাগৰ জিলাৰ হাঁহচৰাৰ একমাত্র মজলীয়া শিক্ষানুষ্ঠান হাঁহচৰা মজলীয়া বিদ্যালয়ৰ শতবর্ষ অনুষ্ঠানৰ। ১৯২৬ চনত প্রতিষ্ঠা লাভ কৰা বিদ্যালয়খনে সগৌৰৱেৰে এটা শতিকাৰ পৰিক্রমা অতিক্রম কৰাৰ উপলক্ষত উদ্‌যাপন কৰা গৌৰৱোজ্জ্বল শতবর্ষ অনুষ্ঠানৰ প্রথম দিনাৰ কার্যসূচী অনুসৰি প্রথমে বিদ্যালয়ৰ পতাকা উত্তোলন কৰে পৰিচালনা সমিতিৰ সভাপতি ভৰত ৰৰপাত্রগোহাঁয়ে। ইয়াৰ পাছত শতবর্ষৰ মূল তোৰণ উদ্বোধন কৰে প্রাক্তন ছাত্র, বিশিষ্ট সমাজসেৱক নবীন চেতিয়াই, বিদ্যালয়ৰ তোৰণ উন্মোচন কৰে সমাজকর্মী থানেশ্বৰ গগৈয়ে। স্মৃতি তর্পণ কৰে বিদ্যালয়ৰ প্রধান শিক্ষক তথা উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক ৰবীন চন্দ্র বৰুৱাই। প্রহ্লাদ শইকীয়াৰ স্মৃতিত বিষ্ণু শইকীয়া আৰু পৰিয়ালবর্গই দান কৰা বিদ্যালয়ৰ স্থায়ী তোৰণৰ আধাৰশিলা স্থাপন কৰে শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ সাধন ৰৰাই। হাঁহচৰাৰ সমাজ জীৱনৰ লগত জড়িত ১০জন বিশিষ্ট ব্যক্তিৰ দ্বাৰা অনুষ্ঠানৰ গছপুলি ৰোপণ কার্যসূচী সম্পন্ন কৰা হয়। শতবর্ষ উদ্‌যাপনৰ লগত সংগতি ৰাখি ছাত্র-ছাত্রীৰ মাজত অনুষ্ঠিত চিত্রাংকন, কবিতা আবৃত্তি আৰু বিজ্ঞান প্রকল্প প্রদর্শন প্রতিযোগিতা উদ্বোধন কৰে গড়গাঁও মহাবিদ্যালয়ৰ প্রাক্তন উপাধ্যক্ষা ডঃ ৰীণা সন্দিকৈয়ে।

সোণোৱাল কছাৰী-মিচিং স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন

তিনিচুকীয়াত পর্যৱেক্ষকক সাক্ষাতৰ সময় নির্দ্ধাৰণ

দৈনিক অসমৰ প্ৰতিনিধি

তিনিচুকীয়া, ১৪ নৱেম্বৰ ঃ আগন্তুক সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ নির্বাচন, ২০২৬ আৰু মিচিং স্বায়ত্তশাসিত পৰিষদ নির্বাচন, ২০২৬ মুক্ত, নিকা আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে অসম ৰাজ্যিক নির্বাচন আয়োগে নিযুক্তি দিয়া নির্বাচনী পর্যবেক্ষকসকল তিনিচুকীয়াত উপস্থিত হোৱাৰ লগতে জিলা নির্বাচনী বিষয়াৰ কার্যালয়ৰ পৰা জাৰি কৰা এক ৰাজহুৱা জাননী অনুসৰি সাধাৰণ ৰাইজ, প্রতিদ্বন্দ্বী প্রার্থী আৰু ৰাজনৈতিক দলসমূহে কার্যালয়ৰ কর্মদিনত পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ সংশ্লিষ্ট পর্যৱেক্ষকসকলক সাক্ষাৎ কৰিব পাৰিব। সেই অনুসৰি আৰ্তত ভৱন, তিনিচুকীয়া (গেলাপুখুৰী)ত অৱস্থান কৰা পর্যবেক্ষকসকলৰ ভিতৰত অসম চৰকাৰৰ এক্ট ইষ্ট পলিচী এফেয়ার্ছ, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্রতিষ্ঠান বিভাগৰ অতিৰিক্ত সচিব তথা উদ্ভাৱন, ইনকিউবেচন আৰু ষ্টার্ট-আপ বিভাগৰ অতিৰিক্ত সচিব ছাজ্জাদ আলম, (ফোন ঃ ৯৪৩৫১০৮২৫১)ক ১-শদিয়া, ২-ছৈখোৱা আৰু ৩-ডাঙৰী সমষ্টিৰ দায়িত্ব; নির্বাচন বিভাগৰ উপ-সচিব তথা যুটীয়া মুখ্য নির্বাচনী বিষয়া, অসম ৰাহুল ফুকন, (ফোন ঃ ৭০৮৬২৫৪২৪২)ক ৪-ডিৰাক চুমনি, ৫-তিনিচুকীয়া আৰু ৬-বুটী দিহিং সমষ্টিৰ দায়িত্ব আৰু সমবায় বিভাগৰ যুটীয়া সচিব অশ্বিনী কুমাৰ দলে (ফোন ঃ ৮৬৩৮২২৯৯২৪) ক ৩৬-শদিয়া (মিচিং স্বায়ত্তশাসিত পৰিষদ) সমষ্টিৰ দায়িত্ব অর্পণ কৰা হৈছে। সেয়েহে নির্বাচন সম্পর্কীয় যিকোনো অভিযোগ, পৰামর্শ বা তথ্যৰ বাবে সংশ্লিষ্ট পর্যবেক্ষকসকলৰ সৈতে যোগাযোগ কৰিবলৈ জিলা প্রশাসনৰ তৰফৰ পৰা সকলোকে আহ্বান জনোৱা হৈছে।

যোৰহাটত মনোনয়নপত্রৰ পৰীক্ষণ সম্পন্ন

দৈনিক অসমৰ প্ৰতিনিধি

পুলিবৰ (যোৰহাট), ১৪ নৱেম্বৰ ঃ আগন্তুক মিচিং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ নির্বাচন ২০২৬ আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ নির্বাচন ২০২৬ ৰ পৰিপ্রেক্ষিতত ১২ নৱেম্বৰত যোৰহাট জিলা আয়ুক্তৰ কার্যালয়ৰ সভাগৃহত জিলা আয়ুক্ত জয় শিৰানীৰ সভাপতিত্বত মনোনয়নপত্রসমূহৰ পৰীক্ষণ কার্য সফলতাৰে সম্পন্ন হয়। উক্ত পৰীক্ষণ কার্যত মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধীনস্থ ৩৩ নং যোৰহাট আৰু ৩৮ নং জাঁজী সমষ্টিৰ লগতে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ অধীনস্থ ২১ নং ৰৰহোলা আৰু ২২ নং বজালকটা সমষ্টিৰ মনোনয়নপত্রসমূহ পৰীক্ষণ কৰা হয়। এই কার্যত মিচিং স্বায়ত্তশাসিত পৰিষদৰ পর্যবেক্ষক হিচাপে অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ যুটীয়া সচিব অনুজা ভূঞা (এ চি এছ) আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ পর্যবেক্ষক হিচাপে অসম চৰকাৰৰ কৃষি বিভাগৰ





নিউ আর্ট প্লেয়ার্ছৰ শিশু দিৱস

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ নিউ আর্ট প্লেয়ার্ছৰ সদস্যসকলে আজি ভগদত্তপুৰস্থিত 'ডেষ্টিনেচন' নামৰ সংগঠনৰ আৱাসী শিশুসকলৰ সৈতে বিশেষ কার্যসূচীৰে শিশু দিৱস উদ্‌যাপন কৰে। বিশেষভাৱে সক্ষম ব্যক্তি আৰু শিশুসকলৰ আপোন ঘৰ 'ডেষ্টিনেচন'ত যোৱা একৈশটা বছৰে আৱাসীসকলক এক সুস্থ পৰিৱেশত বিভিন্নভাৱে পৰিচর্যা কৰি আহিছে। সংঘৰ সদস্যসকলে শিশুসকলৰ সৈতে আন্তৰিকভাৱে বিভিন্ন কার্যসূচীৰ মাজেৰে শিশু দিৱস উদ্‌যাপন কৰাৰ লগতে আৱাসীসকলৰ সৈতে চাহ-জলপান উপভোগ কৰে। ইয়াৰ উপৰি সংঘৰ তৰফৰ পৰা আজি শিশু দিৱস উপলক্ষে আৱাসীসকলৰ বাবে দিনৰ আহাৰৰো ব্যৱস্থা কৰা হয়।

■ পানীয়ে বুৰালে ব্যস্ত পথ ঃ বিধায়কে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ ■

ৰাজগড় পথৰ কদর্য অৱস্থা, দুর্ভোগ ৰাইজৰ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ ৰাজধানী মহানগৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দায়িত্ববাহী গুৱাহাটী পৌৰ নিগম (জি এম চি)ৰ অকর্মণ্যতাৰ বাবে আজিও বহু পথ-উপপথ বোকা-পানীৰে উপচি আছে। খৰালি কালত মহানগৰৰ কেতবোৰ অঞ্চলৰ বাসিন্দাই বোকা-পানীৰে ভৰি থকা পথেৰে অহা-যোৱা কৰিব লগা হৈছে। এনে বোকা-পানীৰে ভৰি থকা এটা পথ হৈছে ৰাজগড় বিহুতলীৰ সমীপেৰে দক্ষিণ শৰণীয়া, লাচিত নগৰ, উলুবাৰীলৈ যোৱা পথছোৱা। এই পথছোৱা দীর্ঘদিন ধৰি নলাৰ কদর্য বোকা-পানীৰে উপচি পৰাত ৰাইজে যাতায়াতত সমস্যাৰ সম্মুখীন হৈছে। কিন্তু ইমানৰ পাছতো মহানগৰীৰ এই গুৰুত্বপূর্ণ পথছোৱাৰ বোকা-পানী আঁতৰ কৰাৰ ক্ষেত্ৰত পৌৰ নিগমে কোনো পদক্ষেপ গ্ৰহণ নকৰাটো ৰহস্যজনক হৈ পৰিছে। স্থানীয় ৰাইজৰ অভিযোগ মতে, পৌৰ নিগমৰ ৩৬ নং ৱার্ডৰ অন্তর্গত এই পথছোৱাৰে নিতৌ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়লৈ শ শ শিক্ষার্থীৰ লগতে বিহুতলীৰ লগত সংলগ্ন মন্দিৰলৈ অহা-যোৱা কৰা যাত্রীসকলে দুর্ভোগ ভুগিবলগীয়া হৈছে। বহু শিক্ষার্থী পথছোৱাৰ পানীৰ মাজত পিছলি আহত হোৱা বুলি জানিব পৰা গৈছে। তদুপৰি বহু সময়ত দুচকীয়া বাহন এই পথছোৱাত দুর্ঘটনাত পতিত হোৱাৰ বিষয়ে জানিব পৰা গৈছে। স্থানীয় একাংশ নাগৰিকে ক্ষোভৰে কয় যে খৰালিৰ সময় ছোৱাত মহানগৰীৰ মাজমজিয়াত নলাৰ পানীয়ে বুৰাই পেলোৱা পথছোৱাৰ পানী নিষ্কাসন কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখিবলৈ পোৱা নাই। স্থানীয় পাৰিষদগৰাকীয়ে এইক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় নাগৰিকে। অতিশীঘ্রেই স্থানীয় বিধায়কগৰাকীক নলাসমূহ পৰিষ্কাৰ কৰি পথৰ পানী নিষ্কাসন কৰিবলৈ দাবী জনাইছে।





সুদক্ষ খেলুৰৈ বঙ্কিম চন্দ্র দাসৰ মৃত্যু

দৈনিক অসমৰ প্রতিনিধি

উত্তৰ গুৱাহাটী, ১৪ নৱেম্বৰ ঃ উত্তৰ গুৱাহাটীৰ অভয়পুৰ নিৱাসী, সুদক্ষ ফুটবল খেলুৰৈ তথা সমাজকর্মী বঙ্কিম চন্দ্র দাসৰ যোৱানিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্রাপ্তি ঘটে। মধুমেহ ৰোগত আক্রান্ত দাসৰ মৃত্যুত উত্তৰ গুৱাহাটীত গভীৰ শোকৰ ছাঁ পৰে। বিভিন্ন সামাজিক কামত জড়িত দাসৰ নশ্বৰ দেহ নিজা বাসভৱনলৈ অনাৰ লগে লগে অলেখ গুণমুগ্ধ উপস্থিত হৈ শেষ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে। প্রয়াত দাসে আন্তঃবিদ্যালয় আৰু আন্তঃমহাবিদ্যালয়ৰ অন্তর্গত বিভিন্ন খেল-ধেমালি প্রতিযোগিতাত অংশগ্রহণ কৰি শিক্ষানুষ্ঠানলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ৫৮ বছৰ গৰকা অতি অমায়িক দাসে মৃত্যুৰ সময়ত পত্নী, দুগৰাকী জীয়াৰীৰ লগতে ভালেসংখ্যক গুণমুগ্ধক এই সংসাৰত এৰি থৈ যায়।

ৰাসোৎসৰ উপলক্ষে বিভিন্ন প্রতিযোগিতা

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ ওদালবাক্রা ৰাভা জনজাতীয় যুৱ কল্যাণ পৰিষদৰ উদ্যোগত আৰু স্থানীয় অনুষ্ঠান-প্রতিষ্ঠানৰ সহযোগত ২৪ নৱেম্বৰৰ পৰা ৯দিনীয়া কার্যসূচীৰে অনুষ্ঠিত হ'ব শ্রীকৃষ্ণৰ ৰাস মহোৎসৱ। এই উপলক্ষে বিষ্ণু ৰাভা উদ্যান, খেলপথাৰ আৰু ওদালবাক্রা ৰাভা জনজাতি সাংস্কৃতিক সমন্বয় ক্ষেত্রত বিভিন্ন প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। ২৫ নৱেম্বৰৰ বিয়লি তিনি বজাৰ পৰা দুটা শাখাত কবিতা আবৃত্তি প্রতিযোগিতা অনুষ্ঠিত হ'ব। ২৭ নৱেম্বৰৰ বিয়লি ৩ বজাৰ পৰা স্নাতক মহলালৈকে দুটা শাখাত আকস্মিক বক্তৃতা প্রতিযোগিতা অনুষ্ঠিত হ'ব। ২৮ নৱেম্বৰৰ বিয়লি ৩ বজাৰ পৰা মুকলি ভেশছন প্রতিযোগিতা, ৪ বজাৰ পৰা ৰবীগীত প্রতিযোগিতা অনুষ্ঠিত হ'ব। একেদৰে ২৯ নৱেম্বৰৰ পুৱা ১০.৩০ বজাৰ পৰা মহিলাৰ দিহানাম প্রতিযোগিতা আৰু পুৱা ৯ বজাৰ পৰা দ্বাদশ শ্রেণীলৈ দুটা শাখাত চিত্রাংকন প্রতিযোগিতা অনুষ্ঠিত হ'ব। ইপিনে ৩০ নৱেম্বৰৰ বিয়লি ৩ বজাৰ পৰা সত্রীয়া নৃত্য প্রতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ'ব। ইচ্ছুক প্রতিযোগীসকলে অধিক তথ্যৰ বাবে ৮৬৩৮৩-৪৪৫০১, ৯৮৬৪৫-০৪৯১৪, ৮৪০৩৮-১৬২২০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

লোককথাৰ আঁৰত ইতিহাস লুকাই থাকে ঃ জয়েন্দ্রসিং যাদৰ

কলাক্ষেত্র সমাজৰ ৰাষ্ট্রীয় আলোচনা চক্রৰ সামৰণি

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ 'প্রাচীন কালৰ পৰা প্রচলিত হৈ অহা লোককথাসমূহৰ নেপথ্যত ইতিহাস সুপ্ত হৈ থাকে। সংস্কৃতিৰ মাধ্যমেৰে লোকজীৱনৰ হৃদয়ত জীৱন্ত ইতিহাসে বাহ পাতি থাকে। সেই সূত্রে গুজৰাটী লোকহৃদয়তো মহাকাব্যিক কালৰ পৰা প্রাগজ্যোতিষ নন্দিনী ৰুক্মিণীয়ে সুকীয়া আসন অধিকাৰ কৰি আহিছে। আই ৰুক্মিণী যে ভাৰতৰ পূব প্রান্তৰ প্রাগজ্যোতিষপুৰৰ কন্যা আছিল সেই লৈ গুজৰাটৰ জনমানসত কোনো সন্দেহ নাই।' —শ্রীমন্ত শংকৰদেৱৰ কলাক্ষেত্রে সমাজৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত ৰাষ্ট্রীয় আলোচনা-চক্রৰ আজি অন্তিমদিনাৰ পেনেল আলোচনাত আগবঢ়োৱা মনোজ্ঞ ভাষণত এইদৰে কয় গুজৰাট সাহিত্য অকাডেমিৰ সচিব অধ্যাপক জয়েন্দ্রসিং যাদৱে। 'স্মৃতি আৰু পৰম্পৰাত আই ৰুক্মিণী ঃ প্রাগজ্যোতিষ-দ্বাৰকা সম্পর্কৰ অন্বেষণ' বিষয়ক ৰাষ্ট্রীয় আলোচনা-চক্রৰ অংশ হিচাপে আয়োজিত পেনেল আলোচনাত ভাগ লৈ তেওঁ লগতে কয় যে কৃষ্ণ-ৰুক্মিণীৰ পৰিত্র মিলনৰ আখ্যানৰ আঁত ধৰি প্রাগজ্যোতিষ আৰু দ্বাৰকাৰ মাজৰ মহাকাব্যিক সংযোগৰ দিশটো অধিক স্পষ্ট হৈ পৰে। ইপিনে নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচার্য সমুদ্রগুপ্ত কাশ্যপৰ অধ্যক্ষতাত সম্পন্ন হোৱা পেনেল আলোচনাত ভাগ লোৱা আন আলোচকসকল হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য অধ্যাপক ননীগোপাল মহন্ত, ৰবীন্দ্রনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্রাক্তন উপাচার্য অধ্যাপক অমলেন্দু চক্রৱর্তী আৰু বিশিষ্ট লেখক, সমাজকর্মী তীর্থংকৰ দাস কলিতা। নৃত্যাচার্য যতীন গোস্বামী আৰু কলাক্ষেত্র সমাজৰ উপ-সভাপতি প্রাঞ্জল শইকীয়ায়ো চমু বক্তব্য দাঙি ধৰে। শলাগৰ শৰাই আগবঢ়ায় আলোচনা-চক্রৰ আহ্বায়ক অধ্যাপক সুনীল কুমাৰ দত্তই।



মৈত্রেয়ী দেৱীৰ 'স্বপ্নিল যাত্রা' শীর্ষক গ্রন্থ উন্মোচন

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ নুনমাটি লাষ্টগেটৰ পদাংক দ্য বুকনেষ্ট (গ্রন্থ গৱেষণা আৰু অধ্যয়ন প্রতিষ্ঠান)ত জাগৰণ সাহিত্য প্রকাশনৰ দ্বাৰা প্রকাশিত মৈত্রেয়ী দেৱীৰ 'স্বপ্নিল যাত্রা' শীর্ষক এখন গ্রন্থ আজি উন্মোচন কৰা হয়। গ্রন্থখন উন্মোচন কৰে তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা জ্যোৎস্না দেৱী ভাগৱতী আৰু 'আমাৰ অসম' কাকতৰ মুখ্য উপ-সম্পাদক মনোৰঞ্জন কলিতাই। গ্রন্থখনৰ এক তথ্যসমৃদ্ধ আলোচনা আগবঢ়ায় বিশিষ্ট অতিথি, অৱসৰপ্রাপ্ত প্রশাসনিক বিষয়া শান্তনু ঠাকুৰে। আনহাতে সভাৰ আৰম্ভণিতে মাংগলিক শ্লোক পাঠ কৰে ডঃ স্বর্ণলক্ষ্মী বৈশ্য তালুকদাৰে আৰু অনুষ্ঠানটোৰ আঁত ধৰে প্রপালিকা শর্মাই। অনুষ্ঠানটোত জাগৰণ সাহিত্য প্রকাশনৰ স্বত্বাধিকাৰী ৰূপজ্যোতি দেৱনাথ, ডিম্পী ভট্টাচার্য আদিকে ধৰি আন কেইবাজনেও চমু বক্তব্য ৰাখে।

মঠঘৰীয়াত শ্রীমদ্ভাগৱত কথা সপ্তাহ জ্ঞান-মহাযজ্ঞ আৰম্ভ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ শ্রীশ্রী ৰাধা-কৃষ্ণ নেপালী মন্দিৰ (শালবাৰী) আৰু গোর্খা সভাঘৰ পৰিচালনা সমিতি (কৈলাস নগৰ, নুনমাটি)ৰ যৌথ উদ্যোগত মঠঘৰীয়া ৰাজহুৱা খেলপথাৰত সাতদিনীয়াকৈ অনুষ্ঠিত 'শ্রীমদ্ভাগৱত কথা সপ্তাহ জ্ঞান-মহাযজ্ঞ'ৰ আজি সমূহীয়াকৈ কলহ যাত্রা কৰি পানী তোলা কার্যসূচী সম্পন্ন হয়। শ্রীমদ্ভাগৱত কথা সপ্তাহ জ্ঞান-মহাযজ্ঞ পৰিচালনা সমিতিৰ সভাপতি গোকুল শর্মা আচার্য, যুটীয়া সম্পাদক পীতাম্বৰ যোশী, গোকুল শর্মা আৰু কোষাধ্যক্ষ শ্যাম শর্মাই জনোৱা মতে ২১ নৱেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া এই পৰিত্র মহোৎসৱত উত্তৰ প্রদেশৰ বৃন্দাবন ধামৰ সুপ্রসিদ্ধ কথা পাঠিকা অনুৰাধা পাণ্ডেই শ্রীমদ্ভাগৱত কথা পাঠ আৰু ব্যাখ্যা কৰিব। আজি পুৱা পতাকা উত্তোলন কৰাৰ পাছতে মঠঘৰীয়া ৰাজহুৱা খেলপথাৰৰ পৰা পাথৰকোৱেৰীস্থিত গণেশ মন্দিৰলৈ এক সাংস্কৃতিক শোভাযাত্রা কৰি পানী তুলিবলৈ যোৱা হয়। কাইলৈৰ পৰা মূল জ্ঞান-মহাযজ্ঞ আৰম্ভ হ'ব।



অগণন গুণমুগ্ধৰ উপস্থিতিত নৱগ্রহত গায়ত্রী বৰুৱাৰ শেষকৃত্য

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ অগণন গুণমুগ্ধৰ উপস্থিতিত গুৱাহাটীৰ নৱগ্রহ শ্মশানত আজি বিয়লি গায়ত্রী বৰুৱাৰ শেষকৃত্য সম্পন্ন কৰা হয়। গুৱাহাটীৰ চানমাৰিৰ নৱগিৰি পথত থকা বাসভৱনৰ পৰা আজি বিয়লি প্রায় ২.৩০ বজাত পুষ্পসজ্জিত বাহনেৰে নৱগ্রহলৈ অনা হয় গায়ত্রী বৰুৱাৰ নশ্বৰদেহ। পাছত আনুষ্ঠানিকতাৰ মাজেৰে একমাত্র পুত্র অজু বৰুৱাই মাতৃ গায়ত্রী বৰুৱাৰ মুখাগ্নি কৰে। শেষকৃত্য অনুষ্ঠানত নগাঁও লোকসভা সমষ্টিৰ সাংসদ দেৱাশিস শর্মা, নগাঁও বিশ্ববিদ্যালয়ৰ উপাচার্য ডঃ হিতেশ ডেকাৰ লগতে অসমীয়া চলচ্চিত্র জগতৰ বিশিষ্ট অভিনেত্রী মলয়া গোস্বামী, মৃদুলা বৰুৱা, পূর্ণিমা শইকীয়া, ইনু বৰুৱা, জেৰিফা ৰাহিদ, অমৃতা গগৈ, মঞ্জু বৰা, বিশিষ্ট অভিনেতা প্রাঞ্জল শইকীয়া, অৰুণ হাজৰিকা, কপিল বৰা আৰু মিণ্টু বৰুৱাকে ধৰি বহুতো গুণমুগ্ধ উপস্থিত থাকে। উল্লেখ্য যে 'হালধীয়া চৰায়ে বাওধান খায়' শীর্ষক ছবিখনৰ প্রদর্শনীৰ বাবে স্বামী যশস্বী ছবি পৰিচালক, প্রযোজক জাহ্নু বৰুৱাৰ সৈতে মহাৰাষ্ট্রৰ পুণেলৈ গৈছিল গায়ত্রী বৰুৱা। তাতে ১২ নৱেম্বৰত বিয়লি এখন ৰেষ্টুৰেণ্টত স্বামী জাহ্নু বৰুৱাৰ সৈতে আহাৰ গ্রহণ কৰাৰ পাছতে হঠাৎ অসুস্থ হৈ ঢলি পৰে বৰুৱা। লগে লগে তেওঁক ওচৰৰে চিকিৎসালয়ত ভর্তি কৰোৱায় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। ১৯৮৯ চনত জাহ্নু বৰুৱাৰ সৈতে বিবাহপাশত আবদ্ধ হোৱাৰ পাছৰে পৰা গায়ত্রী বৰুৱা আছিল জাহ্নু বৰুৱাৰ চলচ্চিত্র যাত্রাৰ এগৰাকী ঘনিষ্ঠ আৰু বিশ্বস্ত সহযোগী। দেশে-বিদেশে খ্যাতি লাভ কৰা চলচ্চিত্র 'সাগৰলৈ বহু দূৰৰ' লগতে পৰৱর্তী সময়ৰ জাহ্নু বৰুৱাৰ সকলো চলচ্চিত্রতে গায়ত্রী বৰুৱাই প্রযোজনা নিয়ন্ত্রকৰ দায়িত্ব পালন কৰিছিল। তেওঁ নিজাববীয়াকৈও কেইবাখনো তথ্যচিত্র পৰিচালনা কৰিছিল।

'অনাতাঁৰ অসমীয়া বাতৰি-অবিৰত যাত্রা' উন্মোচন



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ আকাশবাণী গুৱাহাটী কেন্দ্রৰ অৱসৰপ্রাপ্ত বিষয়া তথা জ্যেষ্ঠ সাংবাদিক ৰাজীৰ লোচন বৰঠাকুৰৰ 'অনাতাঁৰ অসমীয়া বাতৰি - অবিৰত যাত্রা' শীর্ষক গ্রন্থখন আজি গুৱাহাটী প্রেছ ক্লাবত উন্মোচন কৰা হয়। অসম বুক হাইভে প্রকাশ কৰি উলিওৱা গ্রন্থখন বিশিষ্ট গীতিকাৰ কীর্তিকমল ভূঞা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ডঃ অংকুৰণ দত্ত আৰু জ্যেষ্ঠ সাংবাদিক সুশান্ত তালুকদাৰে উন্মোচন কৰে। উন্মোচনী ভাষণ প্রদান কৰি গীতিকাৰ কীর্তিকমল ভূঞাই আকাশবাণীৰ সন্দর্ভত এনে এখন গ্রন্থ লিখাৰ বাবে লেখক ৰাজীৰ লোচন বৰঠাকুৰক অভিনন্দন জ্ঞাপন কৰে। গ্রন্থখন নিতান্তই পঠনীয় হোৱা বুলি উল্লেখ কৰি ভূঞাই কয় যে 'অনাতাঁৰ অসমীয়া বাতৰি - অবিৰত যাত্রা' শীর্ষক গ্রন্থখন আধুনিক অসমৰ ইতিহাসৰ এক অধ্যায় হিচাপে থাকি যাব। আন এগৰাকী উন্মোচক অংকুৰণ দত্তই গ্রন্থখন অত্যন্ত সুখপাঠ্য হোৱা বুলি ব্যক্ত কৰি এই গ্রন্থখন ইংৰাজীলৈ অনুবাদ কৰিবলৈ লেখক বৰঠাকুৰক আহ্বান জনায়। জ্যেষ্ঠ সাংবাদিক সুশান্ত তালুকদাৰেও ভাষণ প্রদান কৰি পৰম্পৰাগত সংবাদ মাধ্যম আৰু বর্তমানৰ ডিজিটেল মাধ্যমৰ বিষয়ে গুৰুত্বপূর্ণ তথ্য উল্লেখ কৰে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ প্রাক্তন সঞ্চালক অশ্বিনী বৰুৱাই খুব কম সময়ৰ ভিতৰতে এনে এখন গ্রন্থ প্রকাশ কৰাৰ বাবে লেখক ৰাজীৰ লোচন বৰঠাকুৰক ধন্যবাদ জনায়। আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান কার্যবাহী ইন্দ্রজিৎ দাসে আঁত ধৰা এই গ্রন্থ উন্মোচনী অনুষ্ঠানত বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ক্ষীৰোদা চৌধুৰী সোঁৱৰণী ছাত্রীৰ কুইজ প্রতিযোগিতা

ধ্যান্যতা তামুলী, দোকমোকালি গোস্বামী বিজয়ী

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ 'নাৰী সাৰস্বত মঞ্চ'ৰ উদ্যোগত ক্ষীৰোদা চৌধুৰী সোঁৱৰণী অষ্টম বার্ষিক সদৌ অসম ছাত্রীৰ কুইজ প্রতিযোগিতাখন আজি অসম সাহিত্য সভাৰ লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত হৈ যায়। প্রতিযোগিতাৰ আৰম্ভণিতে ক্ষীৰোদা চৌধুৰীৰ প্রতিকৃতিৰ সমুখত বস্তি প্রজ্বলন কৰি শ্রদ্ধাঞ্জলি জনায় পৰিয়ালৰ সদস্যসকলে। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম-শতবর্ষ উপলক্ষে অনুষ্ঠিত 'ভূপেন হাজৰিকা ঃ তেওঁৰ জীৱন, কর্ম আৰু সৃষ্টি' বিষয়ক বিশেষ কুইজ প্রতিযোগিতাখন পৰিচালনা কৰে শৈলেন বৈশ্যই। কুইজ প্রতিযোগিতাখনত প্রথম স্থান লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ ধ্যান্যতা তামুলী আৰু দোকমোকালি গোস্বামীৰ দলে, দ্বিতীয় স্থান লাভ কৰে ৰামানুজন পাব্লিক স্কুলৰ ভাস্বতী শাণ্ডিল্য আৰু সমন্বয় ছেকেণ্ডাৰী স্কুলৰ চন্দ্রমা কলিতাৰ দলে, তৃতীয় স্থান লাভ কৰে এছ বি দেওৰা কলেজৰ আকাংক্ষা দত্ত আৰু ডায়েট, মৰিগাঁৱৰ কৰবী শর্মাৰ দলে, চতুর্থ স্থান লাভ কৰে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ আকাংক্ষা বৰা আৰু যোৰহাট ইনষ্টিটিউট অৱ ছায়েন্স এণ্ড টেকনলজীৰ অনিন্দিতা বৰঠাকুৰৰ দলে, পঞ্চম স্থান লাভ কৰে কটন বিশ্ববিদ্যালয়ৰ নিশিগন্ধা অনুভৰী আৰু মৃদুস্মিতা ভট্টাচার্যৰ দলে, ষষ্ঠ স্থান লাভ কৰে হস্তিনাপুৰ বিদ্যামন্দিৰ হাইস্কুল পাঠশালাৰ পূজা তালুকদাৰ আৰু বৃষ্টি তালুকদাৰৰ দলে। শ্রেষ্ঠ দর্শকৰ পুৰস্কাৰ লাভ কৰা নগাঁও আইন মহাবিদ্যালয়ৰ লিমা সুত আৰু আর্মী নার্ছিং কলেজৰ সুদীপ্তি নায়কক নগদ ধন, ট্রফী আৰু মানপত্র প্রদান কৰা হয়।



তৃতীয় লিংগৰ ২২জনক গ্রেপ্তাৰ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ গুৱাহাটীৰ বিভিন্ন স্থানত ধন দাবী আৰু ভয়-ভাবুকিৰ ঘটনাত জড়িত একাংশ তৃতীয় লিংগৰ লোকৰ বিৰুদ্ধে অৱশেষত অভিযান চলালে মহানগৰ আৰক্ষীয়ে। সাধাৰণ নাগৰিকক ভয়-ভাবুকি প্রদর্শন কৰি ধন সংগ্রহ কৰাৰ অভিযোগত শুকুৰবাৰে মহানগৰীৰ তিনিখন আৰক্ষী জিলাত একে সময়তে চলোৱা অভিযানত মুঠ ২২জন তৃতীয় লিংগৰ লোকক গ্রেপ্তাৰ কৰা হয়। অভিযান সন্দর্ভত মহানগৰ আৰক্ষীৰ যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে কয়— মহানগৰীৰ বিভিন্ন প্রান্তৰ পৰা সাধাৰণ নাগৰিকে দাখিল কৰা অভিযোগসমূহক গুৰুত্ব সহকাৰে লৈ আৰক্ষীয়ে পূর্বৰে পৰা অনুসন্ধান আৰম্ভ কৰিছিল। অভিযোগসমূহৰ প্রাথমিক সত্যতা পৰীক্ষাৰ পাছত তিনিওখন আৰক্ষী জিলাৰ উপ-আৰক্ষী আয়ুক্তক লৈ পৃথক পৃথককৈ বিশেষ দল গঠন কৰা হৈছিল। অভিযানত ২২জন লোকক গ্রেপ্তাৰ কৰে আৰক্ষীয়ে। আৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে গ্রেপ্তাৰ হোৱা লোকসকলৰ ভিতৰত মধ্য গুৱাহাটীৰ পৰা ১২জন, পশ্চিম গুৱাহাটীৰ পৰা ৯জন আৰু পূব গুৱাহাটী আৰক্ষী জিলাৰ পৰা এজন লোক আছে।

শংকৰদেৱ শিশু নিকেতনৰ শিশুমেলাত উখল-মাখল লেঙা

দৈনিক অসমৰ প্রতিনিধি

উত্তৰ গুৱাহাটী, ১৪ নৱেম্বৰ ঃ শংকৰদেৱ শিশু নিকেতন, উত্তৰ গুৱাহাটীৰ উদ্যোগত লেঙা নৰমিলন প্রাথমিক বিদ্যালয়ৰ খেলপথাৰত আজি দিনজোৱা কার্যসূচীৰে শিশুমেলা অনুষ্ঠিত হয়। পুৱা ১০ বজাত বালিকা শিক্ষাৰ প্রচাৰ আৰু প্রসাৰৰ উদ্দেশ্যে 'সৰস্বতী' শীর্ষক এক বর্ণাঢ্য পথ-সঞ্চালনেৰে শিশুমেলাৰ কার্যসূচীৰ শুভাৰম্ভ কৰা হয়। শুভাৰম্ভ কৰে লেঙাৰ বিশিষ্ট সমাজকর্মী ভৰেন কুমাৰ ডেকাই। ইয়াৰ পাছতে বস্তি প্রজ্বলন কৰে লেঙা নৰমিলন প্রাথমিক বিদ্যালয়ৰ প্রধান শিক্ষয়িত্রী পদ্মিনী বড়ো আৰু নিকেতনৰ ছাত্রভাৰতীৰ অধ্যক্ষা পৰিধি বৰাই। অনুষ্ঠানত আদৰণী ভাষণ প্রদান কৰে নিকেতন পৰিচালনা সমিতিৰ সম্পাদক ডঃ ঈশাষ্কুৰ শইকীয়াই। অনুষ্ঠানত নিকেতন পৰিচালনা সমিতিৰ সভাপতি প্রতিমা বৰুৱা আৰু ৰাষ্ট্রীয় স্বয়ংসেৱক সংঘৰ অসম প্রান্তৰ প্রচাৰক নৃপেন বর্মনে ভাষণ প্রদান কৰে। অনুষ্ঠানত তিনিখন হাতেলিখা আলোচনী উন্মোচন কৰে ক্রমে সাহিত্যিক মোহন শইকীয়া, নিকেতনৰ প্রাক্তন ছাত্র-ছাত্রী অৰুণাভ হাজৰিকা, জিষ্ণু নাথ আৰু হৰিপ্রিয়া ৰাজবংশীয়ে। অনুষ্ঠানত ছাত্র-ছাত্রীসকলে বৰগীত, দিহানাম, নৃত্য-গীত, আবৃত্তি, সমৰেত সংগীত, জীৱ-জন্তুৰ প্রদর্শন, বিভিন্ন বিষয়ভিত্তিক সাংস্কৃতিক অনুষ্ঠান আৰু বন্দে মাতৰমকে ধৰি বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰি উপস্থিত সকলোকে অভিভূত কৰি তোলে।



কমাৰকুছি বিদ্যালয়ত শিক্ষণ-শিকন সামগ্রী প্রতিযোগিতা

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ এছ আৰ এফ ফাউণ্ডেচনৰ উদ্যোগত ১২ নৱেম্বৰত কামৰূপ (ম) জিলাৰ ডিমৰীয়া শিক্ষাখণ্ডৰ অন্তর্গত কমাৰকুছি নিম্ন বুনিয়াদী বিদ্যালয়ত ১০খন বিদ্যালয়ৰ অংশগ্রহণেৰে শিকন-শিক্ষণ সামগ্রী (টি এল এম) প্রতিযোগিতা অনুষ্ঠিত হয়। অংশগ্রহণকাৰী ১০খন বিদ্যালয়ক প্রতিনিধিত্ব কৰি মুঠ দহখন বিপণী স্থাপন কৰা হৈছিল। য'ত শিক্ষকসকলে শ্রেণীকোঠাৰ পাঠদানক অধিক পাৰস্পৰিক, আকর্ষণীয় আৰু ফলপ্রসূ কৰি তুলিবলৈ সজাই তোলা উদ্ভাৱনীমূলক শিক্ষণ সামগ্রী প্রদর্শন কৰে। কাঁহিকুছি এল পি স্কুল, তেঁতেলিগুৰি এম ই স্কুল, কপালকাটা এল পি স্কুল, তামোলীকুছি এল পি স্কুল, ভৰাগাঁও এল পি স্কুল, চামতা পথাৰ এল পি স্কুল, ছকুৰিপৰা এল পি স্কুল, সৰুটাৰী এল পি স্কুল, টপুৰাম গাঁওবুঢ়া এল পি স্কুল আৰু কমাৰকুছি নিম্ন বুনিয়াদী স্কুল। অনুষ্ঠানত মুখ্য অতিথি তথা বিচাৰক হিচাপে উপস্থিত থাকে জিলা শিক্ষক প্রশিক্ষণ প্রতিষ্ঠানৰ জ্যেষ্ঠ প্রবক্তা মিতালী মহন্ত। অংশগ্রহণকাৰী বিদ্যালয়সমূহৰ ভিতৰত ১ম স্থান লাভ কৰে চামতা পথাৰ এল পি স্কুলে। ২য় স্থান কমাৰকুছি নিম্ন বুনিয়াদী স্কুল আৰু ৩য় স্থান কপালকাতা এল পি স্কুলে লাভ কৰে।

সাম্প্রতিক সময়ত কাব্যসাধনা কৰি থকাটো এক বৃহৎ সংগ্রাম ঃ অধ্যাপক ডঃ বৰা

সোমনাথ বৰাৰ তৃতীয় গল্প-সংকলন 'শূন্যোদ্যান' উন্মোচন

দৈনিক অসমৰ প্রতিনিধি

জালুকবাৰী, ১৪ নৱেম্বৰ ঃ আধুনিক প্রযুক্তি দ্রুত গতিত অভাৱনীয়ভাৱে ইমান সলনি হৈছে, মানুহে ক'ব নোৱাৰাকৈ এটা প্রযুক্তি পৰিপক্ক নৌহওঁতেই আন এটা প্রযুক্তি আহি পৰিছে, তথাপি মানুহৰ হৃদয়ৰ পৰা কিতাপৰ মোহ আঁতৰি যোৱা নাই। সাম্প্রতিক সময়ত কাব্যসাধনা চলাই থকাটো এটা বৃহৎ সংগ্রাম বুলি ক'লেও নিশ্চয় অত্যুক্তি কৰা নহ'ব। —নগাঁৱৰ পুৰণিগুদামস্থিত বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ সোমনাথ বৰাৰ গল্প সংকলন এখন উন্মোচন কৰি আজি এই মন্তব্য কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য বিভাগৰ অধ

পাঠশালাৰ এ টি এমত জালনোট



দৈনিক অসমৰ প্ৰতিনিধি

বজালী, ১৪ নৱেম্বৰ ঃ বজালী জিলাৰ সদৰ পাঠশালাৰ সন্ধিয়া এ টি এমৰ পৰা কালি জালনোট ওলোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে পাঠশালাৰ ককুৰা বতাহ বাৰীৰ অতুল পাটগিৰি নামৰ ব্যক্তি গৰাকীয়ে পাঠশালাৰ ইউনিয়ন বেংকৰ এ টি এমৰ পৰা টকা উলিয়াবলৈ আহে। তেওঁ টকা উলিওৱাৰ সময়ত এখন ৫০০ টকীয়া জালনোট ওলায়। তেওঁ এই জালনোটখন দেখি আচৰিত হৈ পৰে। লগে লগে ওচৰত থকা কিছু লোকক এই বিষয়ে অৱগত কৰে। ইপিনে তেওঁ এই বিষয়ে পাঠশালা ইউনিয়ন বেংকক অৱগত কৰিব বুলি জানিবলৈ দিয়ে।

ভালুকীত আজিৰে পৰা সাদিনীয়া জগদ্ধাত্ৰী পূজা

দৈনিক অসমৰ প্ৰতিনিধি

পাটাছাৰকুছি, ১৪ নৱেম্বৰ ঃ ভালুকীত কালদিয়া নৈৰ পাৰৰ নান্দনিক পৰিৱেশত উদ্‌যাপন কৰি অহা শক্তিৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজা এইবেলি ১৫ৰ পৰা ২১ নৱেম্বৰলৈ সাতদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন কৰাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে ৰাজেন দাসক সভাপতি, মৃণাল শৰ্মাক মুখ্য সম্পাদক, ৰবীন শৰ্মা, পৰশমণি শৰ্মা, দিলীপ কুমাৰ দাস, লংকেশ্বৰ বৈশ্য, হৰিধন কাকতি আৰু নাৰায়ণ দাসক উপ-সভাপতি আৰু কৌশিক শৰ্মা, মুন দাস, ৰতন বৈশ্য, সুভাষ শৰ্মা, কমল চন্দ্ৰ শৰ্মা, মাধুৰ্য কলিতা, স্বপন দাস আৰু মিণ্টু কলিতাক সম্পাদক মণ্ডলী হিচাপে লৈ গঠন কৰা পূজা পৰিচালনা সমিতিয়ে প্ৰস্তুতি প্ৰায় সম্পন্ন কৰি তুলিছে। নিৰ্দ্ধাৰণ কৰা কাৰ্যসূচী অনুসৰি, ১৫ নৱেম্বৰৰ পুৱা স্বচ্ছ ভাৰত অভিযান, কাৰ্যালয় উদ্বোধন, সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হ'ব। ১৬ নৱেম্বৰত প্ৰধান কাৰ্যসূচীৰ ভিতৰত পুৱা জগদ্ধাত্ৰী পূজাৰ মূল পতাকা উত্তোলন কৰিব পূজা পৰিচালনা সমিতিৰ সভাপতি ৰাজেন দাসে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ, শ্বহীদ তৰ্পণ, জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, প্ৰতিমা স্থাপন কৰাৰ পাছতে নৱনিৰ্মিত জগদ্ধাত্ৰী মন্দিৰৰ দ্বাৰ উদ্‌ঘাটন কৰিব অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। মন্দিৰ চৌহদৰ পকী বেৰ উন্মোচন, বিষ্ণু হোম, ভোগ গ্ৰহণ, মন্দিৰৰ দাতাসকলক সম্বৰ্দ্ধনা জ্ঞাপনৰ পাছতে নাগাৰা নামেৰে দ্বিতীয় দিনৰ কাৰ্যসূচীৰ সমাপন কৰা হ'ব। ১৭ নৱেম্বৰত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ নাম প্ৰতিযোগিতা, গছপুলি ৰোপণ, সন্ধিয়া আতছবাজী প্ৰদৰ্শন আৰু অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৮ নৱেম্বৰৰ সন্ধিয়া আৰতি প্ৰদৰ্শন, ঢুলীয়াৰ নাট প্ৰদৰ্শন আৰু মা মিনি থিয়েটাৰৰ নাট প্ৰদৰ্শন। ২০ নৱেম্বৰৰ পুৱা ভেশচন প্ৰতিযোগিতা, ঢুলীয়াৰ নাট প্ৰদৰ্শন, সন্ধিয়া বঁটা বিতৰণী অনুষ্ঠান আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। ২১ নৱেম্বৰত প্ৰতিমা বিসৰ্জন আৰু পতাকা অৱনমনেৰে ৮৪ সংখ্যক পূজাৰ সামৰণি মৰা হ'ব।

কার্যক্ষম হৈ উঠিল কলবাৰী পানী যোগান আঁচনি

ছমাহৰ বিৰতিত পাইপেৰে ওলাল বিশুদ্ধ খোৱাপানী

দৈনিক অসমৰ প্ৰতিনিধি

সৰুপেটা, ১৪ নৱেম্বৰ ঃ সুদীৰ্ঘ ছমাহৰ মূৰত ভৱানীপুৰৰ কলবাৰী গাঁৱত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বজালী সংমণ্ডলৰ জলজীৱন মিছন আঁচনিৰ অধীনত স্থাপিত কলবাৰী পানী যোগান আঁচনিখনৰ জৰিয়তে গাঁওখনৰ প্ৰায় আঢ়ৈশ পৰিয়ালে বিশুদ্ধ খোৱাপানী লাভ কৰিবলৈ সমৰ্থ হ'ল। উল্লেখ্য যে যোৱা ১০ তাৰিখে 'দৈনিক অসম' কাকততে গাঁওখনৰ ৰাইজে পঞ্চায়ত প্ৰতিনিধি আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ হেমাহিৰ বাবে গাঁওখনৰ আঢ়ৈশ পৰিয়ালে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ থকাৰ বাতৰি সবিস্তাৰে প্ৰকাশ পোৱাৰ পাছতে গঞা ৰাইজে এনেদৰে বিশুদ্ধ পানী লাভ কৰিবলৈ সমৰ্থ হোৱাত 'দৈনিক অসম' কাকততৰ পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰিছে। উল্লেখ্য যে গাঁওখনৰ মুঠ ৫০০ পৰিয়ালৰ আধাসংখ্যক পৰিয়ালেহে এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ জলজীৱন আঁচনিখনৰ সুবিধা লাভ কৰি আহিছিল যদিও এনেধৰণৰ অব্যৱস্থাই আঁচনিখনৰ সফলতাৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰিছে।



মৰিগাঁৱৰ ঔজাৰী ধান ক্ৰয় কেন্দ্ৰ পৰিদৰ্শন মন্ত্ৰী কৌশিক ৰায়ৰ

ন্যূনতম সমৰ্থিত মূল্যত ধান ক্ৰয় প্ৰক্ৰিয়া ক্ষিপ্ৰ আৰু স্বচ্ছ কৰাৰ লক্ষ্য

দৈনিক অসমৰ প্ৰতিনিধি

ভূৱৰন্ধা, ১৪ নৱেম্বৰ ঃ অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে কালি মৰিগাঁও জিলাৰ মানিপুৰস্থিত ঔজাৰী ধান ক্ৰয় কেন্দ্ৰটো পৰিদৰ্শন কৰি চৰকাৰৰ ন্যূনতম সমৰ্থিত মূল্যত ধান ক্ৰয় প্ৰক্ৰিয়াৰ বুজ লয়। ধান ক্ৰয় প্ৰক্ৰিয়াক অধিক গতিশীল, স্বচ্ছ আৰু কৃষক-অনুকূল কৰি তোলাৰ লক্ষ্যৰে মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোত চলি থকা সামগ্ৰিক ব্যৱস্থাপনাৰ পুংখানুপুংখ পৰ্যালোচনা কৰে। এই উপলক্ষে অনুষ্ঠিত এখন সভাত মন্ত্ৰীগৰাকীয়ে ধান ক্ৰয় প্ৰক্ৰিয়াৰ সৈতে জড়িত সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলক নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত সমগ্ৰ প্ৰক্ৰিয়াটো সুচাৰুৰূপে আৰু ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰৰ এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে কৃষকসকলক তেওঁলোকৰ উৎপাদিত ধানৰ উচিত



মূল্য প্ৰদান কৰি আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলা। লগতে কোনো মধ্যভোগী বা দালালৰ প্ৰভাৱত পৰি যাতে প্ৰকৃত কৃষকসকল উচিত মূল্য লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয়, সেই দিশত সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক সতৰ্কতাৰে দায়িত্ব পালন কৰাৰ লগতে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। অনুষ্ঠানৰ অংশ হিচাপে মন্ত্ৰীগৰাকীৰ উপস্থিতিত ঔজাৰী ধান ক্ৰয় কেন্দ্ৰত ধান ক্ৰয়ৰ উপৰি একাংশ কৃষকক ধান বিক্ৰীৰ বাবে প্ৰয়োজনীয় প্ৰমাণপত্ৰও আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। অনুষ্ঠাত অসম খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ পৰিচালন সঞ্চালক পাৰিজাত ভূএগ্ৰ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ সচিব হেমন্ত ভূএগ্ৰ, মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা, মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তি�ৱাৰী, অতিৰিক্ত আয়ুক্ত উদয় শংকৰ দত্ত, জিলা কৃষি বিষয়া দিলীপ কুমাৰ ৰবা, জিলা বিজেপিৰ সভাপতি ৰাম প্ৰসাদ সৰকাৰ, কৃষি মন্ত্ৰীৰ প্ৰতিনিধি অপূৰ্ব ডেকা, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালক ধ্ৰুৱজ্যোতি ডেকা, কৃষি উন্নয়ন বিষয়া অমৰজ্যোতি দেৱনাথ, বীৰেন সিং পেগু, ঔজাৰী ধান ক্ৰয় কেন্দ্ৰৰ প্ৰবন্ধক চম্পক দাসৰ লগতে কৃষি বিভাগ আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

হাউলীত খেল মহাৰণৰ প্ৰতিযোগিতা

দৈনিক অসমৰ প্ৰতিনিধি

হাউলী,১৪ নৱেম্বৰ ঃ ৰাজ্যৰ ক্ৰীড়া প্ৰতিভাসমূহক এখন উমৈহতীয়া মঞ্চ প্ৰদান কৰাৰ লক্ষ্যৰে অসম চৰকাৰে গ্ৰহণ কৰা খেল মহাৰণ ৩.০ৰ কাৰ্যসূচীৰ অংশ হিচাপে হাউলী পৌৰসভাৰ অন্তৰ্গত নগৰ অঞ্চলত অনুষ্ঠিত হয় বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত বিশিষ্ট খেলুৰে যগোদা তালুকদাৰ, পৌৰসভাৰ পৌৰপতি অঞ্জলি দাস চৌধুৰী, উপ-পৌৰপতি সঞ্জয় ঘোষ, ৱাৰ্ড কমিছনাৰ খাইৰুল আলম, বিনয় ঘোষ, লুনা দাস আৰু লুফটা হানুন, কাৰ্যবাহী বিষয়া অনন্যা গগৈৰ লগতে বিজেপি নেতা বিশ্বজিৎ দাস উপস্থিত থাকে। ইয়াৰ উপৰি ভালেসংখ্যক বিশিষ্ট সমাজকৰ্মী, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক মুখৰ কৰি তোলে।

জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ উদ্যোগ

ৰাজুমণি শইকীয়াৰ 'সংলাপ আলাপ বার্তালাপ' উন্মোচন

দৈনিক অসমৰ প্ৰতিনিধি

মৰিগাঁও, ১৪ নৱেম্বৰ ঃ মৰিগাঁও জিলা সাহিত্য সভাৰ অন্তৰ্গত জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ উদ্যোগত জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগনত এক গ্ৰন্থ উন্মোচন আৰু কবিতা পাঠ অনুষ্ঠান অনুষ্ঠিত হয় । মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক বিশিষ্ট কবি, সাহিত্যানুৰাগী ৰাইজৰ উপস্থিতিত এই অনুষ্ঠানত বহু ভাষিক কবি তথা জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰাজুমণি শইকীয়াৰ নৱতম গ্ৰন্থ কবিতাৰ দৰে গল্পৰ দৰে উপন্যাসৰ দৰে সংলাপ আলাপ বার্তালাপ উন্মোচন কৰা হয়। বিশিষ্ট কবি হৰেন্দ্ৰ নাথ বৰাই সঞ্চালনা কৰা অনুষ্ঠানত উক্ত গ্ৰন্থখন উন্মোচন কৰে জাগীৰোড মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডঃ পৱন চন্দ্ৰ গগৈয়ে। গ্ৰন্থকাৰ ৰাজুমণি শইকীয়াই আদৰণী ভাষণ দিয়া অনুষ্ঠানটো উদ্বোধন কৰে জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হীৰেন শৰ্মাই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ অপূৰ্ব ঠাকুৰীয়া উপস্থিত থাকি কবিতা পাঠ কৰাৰ লগতে সাহিত্যসেৱীসকলক উদ্দেশ্যি এক



সাৰুৱা ভাষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে জাগীৰোড মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা গীতিকাৰ পৱন চন্দ্ৰ গগৈ , মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্ত, জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সদানন্দ শৰ্মা, মৰিগাঁও জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি জগদীশ নাথ, জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ সভানেত্ৰী মিনতি দেৱী, মৰিগাঁও জিলা কবি সন্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকা, জিলা সাংবাদিক সন্থাৰ সভাপতি অজিত শৰ্মা, জ্যেষ্ঠ সাংবাদিক নজৰুল ইছলাম। জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ সম্পাদক হিমু বৰাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সাহিত্যানুৰাগীয়ে ৰাজুমণি শইকীয়াৰ কবিতা পাঠ কৰি সাহিত্যানুষ্ঠানটো জীপাল কৰি তোলে । অনুষ্ঠানত ৰাজুমণি শইকীয়াৰ কবিতা, গ্ৰন্থ আৰু সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সাংবাদিক অজিত শৰ্মা, হীৰেন শৰ্মা, ডঃ পৱন চন্দ্ৰ গগৈ, খগেন মহন্ত, জগদীশ নাথ আদিয়ে গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়ায়।

কাইলৈৰ পৰা কাৰৈমাৰীত গোষ্ঠাষ্টমী পৰ্বোৎসৱ

দৈনিক অসমৰ প্ৰতিনিধি

বাঁহজানী, ১৪ নৱেম্বৰ ঃ নলবাৰী জিলাৰ নিজ বাঁহজানীৰ ঐতিহ্যমণ্ডিত কাৰৈমাৰীত গোপালথান গো-উন্নয়ন সমিতিৰ উদ্যোগত ১৬ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে গোষ্ঠাষ্টমী পৰ্বোৎসৱৰ আয়োজন কৰা হৈছে। ইতিমধ্যে গণেশ তালুকদাৰক সভাপতি আৰু ৰমেশ তালুকদাৰক সাধাৰণ সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। সেইমৰ্মে ১৬ নৱেম্বৰৰ পুৱা ৭ বজাত স্বচ্ছ অভিযানেৰে আৰম্ভ হ'ব লগা অনুষ্ঠানটোত স্থানীয় বাপ-সুহৃদয়সকলৰ দ্বাৰা নাম-প্ৰসংগৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শ্ৰদ্ধা তৰ্পণ কৰিব সমাজকৰ্মী অজয় কুমাৰ তালুকদাৰে। সেইদিনাই সন্ধিয়া আতছবাজী প্ৰদৰ্শন, বন্তি প্ৰজ্বলনৰ পাছতে শিল্পী বিনয় ৰাজকুমাৰ আৰু প্ৰণৱ মেধিয়ে নাগাৰা নাম পৰিৱেশন কৰিব। নাগাৰা নাম অনুষ্ঠানটো উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী ৰমণী তালুকদাৰে। ১৭ নৱেম্বৰৰ দিনৰ ১২.৩০ বজাত আমন্ত্ৰিত ব্যক্তিসকলৰ সম্বৰ্দ্ধনা অনুষ্ঠান। সেইদিনাই সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন, আতছবাজী প্ৰদৰ্শনৰ পাছত নাগাৰা নামৰ শিল্পী ভবানী ডেকাই নাগাৰা নাম পৰিৱেশন কৰিব। ১৮ নৱেম্বৰৰ পুৱা আইসকলৰ নাম-প্ৰসংগ, সন্ধিয়া ৪.৩০ বজাত গোষ্ঠাষ্টমী পৰ্বোৎসৱৰ সামৰণি পৰিব।

বাৰপূজীয়াৰ থানেশ্বৰী ৰৰা, পদ্ম ৰৰাৰ মৃত্যু



দৈনিক অসমৰ প্ৰতিনিধি

বাৰপূজীয়া, ১৪ নৱেম্বৰ ঃ প্ৰমিলা গাঁও নিৱাসী তথা সমগ্ৰ অঞ্চলটোৰ এগৰাকী জ্যেষ্ঠ মহিলা থানেশ্বৰী ৰৰাৰ কালি পুৱা দহ মান বজাত নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৯৭ বছৰ হৈছিল। তেওঁ প্ৰাক্তন প্ৰধান শিক্ষক দূতিৰাম ৰৰাৰ সহধৰ্মিনী আছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, এগৰাকী কন্যাসহ বহুতো আত্মীয় ইহ সংসাৰত এৰি যায়। ইফালে, বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক পদ্ম ৰৰাৰ কালি আকস্মিকভাৱে মৃত্যু হয়। তেওঁ কিছুদিন ধৰি শাৰী�ৰিকভাৱে অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৬০ বছৰ হৈছিল। তেওঁ মৃত্যুৰ সময়ত পত্নী, কন্যাসহ বহুতো আত্মীয় ইহ সংসাৰত এৰি যায়।

টিহুৰ চন্দ্ৰপ্ৰভা ডেকাৰ মৃত্যু



দৈনিক অসমৰ প্ৰতিনিধি

পাটাছাৰকুছি, ১৪ নৱেম্বৰ ঃ বজালীৰ টিহু দেখাতা গাঁৱৰ বিশিষ্ট মহিলা, সমাজসেৱিকা তথা ধৰ্মপ্ৰাণ মহিলা চন্দ্ৰপ্ৰভা ডেকাৰ ৯১ বছৰ বয়সত যোৱা ৮ নৱেম্বৰত দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰিছে। পাঠশালাৰ মুণ্ডৰীয়াত জন্মগ্ৰহণ কৰা চন্দ্ৰপ্ৰভা ডেকাৰ বিবাহ হৈছিল টিহু দেখাতাৰ প্ৰয়াত কনক চন্দ্ৰ ডেকাৰ সৈতে। এগৰাকী নিষ্ঠাৱান শিক্ষয়িত্ৰী হিচাপে প্ৰাথমিক বিদ্যালয়ত কিছু বছৰ কাম কৰিছিল। সামাজিক জীৱনৰ সমান্তৰালকৈ তেওঁৰ জীৱনৰ আন এক উল্লেখযোগ্য দিশ আছিল ধৰ্মীয় তথা আধ্যাত্মিক চিন্তা-চৰ্চা। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, চাৰিগৰাকী বোৱাৰী আৰু দুগৰাকী জীয়াৰীৰ সৈতে বহু নাতি-নাতিনী এৰি থৈ যায়।

স্মৃতি-তর্পণ

ঊষাৰাণী বৰদলৈ



যোৱা ১৯ অক্টোবৰ, ২০২৬ তাৰিখে আমাৰ সকলোৰে পৰম শ্ৰদ্ধাৰ শাহুআই ঊষাৰাণী বৰদলৈ বৈকুণ্ঠগামী হয়। যদিওবা ৮৭ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰে আজিও আমাৰ মাজত এক গভীৰ শূন্যতাই মন-মগজু আৱৰি ৰাখিছে। মৃত্যু সকলোৰে বাবে এক চিৰন্তন সত্য, স্বাভাৱিক আৰু প্ৰাকৃতিক, কিন্তু এইগৰাকী মহীয়সী নাৰীৰ মৃত্যুত আমি অতিশয় ম্ৰিয়মাণ হৈছোঁ। তেওঁ এগৰাকী সাদৰী মাতৃয়ে নাছিল, আছিল সকলোকে মৰমেৰে আৱৰি ৰাখিব পৰা সৰলমনা নাৰী। ঘৰখনৰ বাহিৰেও সকলো আত্মীয়-কুটুম্ব, ওচৰ-চুবৰীয়া তথা গাঁওবাসীৰ বাবে আপোন আছিল। তেওঁ সমাজৰ প্ৰতিটো কামতে নিজকে নিয়োজিত কৰি ৰাখিছিল। বহু বছৰ বহা কংগ্ৰেছ মহিলা কমিটীৰ সভানেত্ৰীৰ পদ অলংকৃত কৰি নাৰী সমাজৰ উন্নতিৰ হকে যৎপৰোনাস্তি চেষ্টা কৰিছিল। এইগৰাকী মাতৃ আৰু শাহুআইৰ হাঁহিভৰা মুখখন দেখিলে শ্ৰদ্ধাত মূৰ দো খাই পৰিছিল। এনেহেন সৰলমনা নাৰী সমাজৰ সকলো স্তৰৰ মানুহৰে ৰৰ প্ৰিয়পাত্ৰ। আজি তেওঁৰ অবৰ্তমানত যাচিলোঁ অশ্ৰু-অঞ্জলি, গভীৰ ভালপোৱা আৰু শ্ৰদ্ধাঞ্জলি। তেওঁৰ বিদেহ আত্মাই ভগৱানৰ ওচৰত ঠাই পাওক আৰু চিৰশান্তি লাভ কৰি আমাক দূৰৰ পৰাই আশীৰ্বাদ প্ৰদান কৰি থাকিব বুলি আশা কৰিলোঁ।

■ কুঞ্জলাল ৰয়

শব্দৰ ধেমালি ঃ ৩৯৯

১				২	■	৩	৪		৫
	■	■	■	৬				■	
৭	৮	■	৯		■		■	■	
১০				■	১১		১২	■	
■		■		■	■	■	১৩	১৪	
১৫		১৬	■	■	■	১৭	■		■
	■	১৮	১৯		■	২০			২১
	■	■		■	২২		■	২৩	
	■	২৪				■	■	■	
২৫				■	২৬				

পথালিকৈ

১। মিহলি হোৱা (৫)
৩। সবল গুণ (৪)
৬। হাতীশাল (৪)
৭। ঘৰৰ পৰা আঁতৰত অস্থায়ীভাৱে থকাৰ ব্যৱস্থা (২)
৯। শব্দ, ধ্বনি (২)
১০। এটি পৱিত্ৰ মাহ (৪)
১১। গৰম (৩)
১৩। পকী ঘৰৰ অংশ (৩)
১৫। স্বামীৰ অন্য স্ত্ৰী (৩)
১৮। এটি বিখ্যাত কুকুৰ (৩)
২০। দুৰ্নাম (৪)
২২। জলাশয় (২)
২৩। বুদ্ধি, ইচ্ছা (২)
২৪। তলত পৰা গছ পাত (৪)
২৫। এবিধ লতা (৪)
২৬। অন্ধকাৰাচ্ছন্ন (৫)

থিয়কৈ

১। সাজ-পোছাক (৪)
২। লেপা খাই থকা (৩)
৩। কৃষ্ণ যাৰ বন্ধু (৪)
৪। তৈয়াৰ কৰা (২)
৫। সপ্ত আশ্চৰ্যৰ এটা (৫)
৮। মমেৰে তৈয়াৰ কৰা দীঘল দণ্ড (৪)
৯। সন্মানসহকাৰে আগবঢ়োৱা অৰ্থ, সামগ্ৰী (৩)
১২। এবিধ ধাতু (২)
১৪। ঈশ্বৰৰ গুণ-গান (৪)
১৫। জুড়ো, কাৰাটে আদি যুঁজ (৫)
১৬। নীল বৰণীয়া (২)
১৭। শকুনিৰ পিতৃ (৩)
১৯। ইকৰাৰে পৰিপূৰ্ণ (৪)
২১। মতি নষ্ট হোৱা (৪)
২২। তত নোহোৱা, অচেতন (৩)
২৪। সমান (২)

শব্দৰ ধেমালি ঃ ৩৯৮ৰ উত্তৰ

■	জী	ৰ	ন	ৰ	দী	ঘ	ৰা	গী	■
ক	■	ক্ত	■	■	প	■	ৰ	■	ক
কা	ল	■	■	স	ৰ	গ	■	ক	পি
দে	■	প	ৰ	ম	■	ৰি	■	■	ল
উ	ৰা	ল	■	■	■	মা	প	■	দে
তা	■	ম	গ	■	■	■	ত্ৰি	দি	ৰ
ৰ	■	■	ৰ	■	ক	ণি	কা	■	নি
হা	তী	■	ম	খ	না	■	■	স	খা
ড়	■	তী	■	ৰ	না	■	ভা	■	ঞ্জ
■	শ	ৰ	ৎ	চ	ন্দ্ৰ	সি	ং	হ	■

শিলপোতাবৰী ৰাস মহোৎসৱৰ প্ৰস্তুতি

২৫ নৱেম্বৰত সদৌ অসম ভিত্তিত একক নৃত্য প্ৰতিযোগিতা

দৈনিক অসমৰ প্ৰতিনিধি

পশ্চিম নলবাৰী, ১৪ নৱেম্বৰ ঃ নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত শিলপোতাবৰী গোপাল মন্দিৰ (গুৱাকুছি)ৰাস মহোৎসৱ এইবেলি অহা ২৪ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। ৭১ সংখ্যক ৰাস মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ২৪ নৱেম্বৰৰ পুৱা ৭.৩০ বজাত গোপাল মন্দিৰৰ পতাকা উত্তোলন কৰিব ৰাস উদ্‌যাপন সমিতিৰ সভাপতি ফণীধৰ ডেকাই, স্মৃতি তৰ্পণ কৰিব গোপাল মন্দিৰ সমিতিৰ জ্যেষ্ঠ আজীৱন সদস্য গিৰীশ পাটোৱাৰী, দিলীপ শৰ্মা, দণ্ডিধৰ ডেকাই। জুবিন গাৰ্গৰ স্মৃতিত 'নাহৰ'ৰ পুলি ৰোপণ কৰিব গোপাল মন্দিৰৰ জ্যেষ্ঠ আজীৱন সদস্য নিৰোদ শৰ্মা, গোবিন্দ কলিতা, কেশৰ ডেকা আৰু বংকিম প্ৰসাদ শৰ্মাই। ইয়াৰ পাছত পৰিৱেশ নিকাকৰণ, প্ৰতিমা স্থাপন,আয়তীৰ নাম পৰিৱেশন হ'ব। সন্ধিয়া ৰাস মহোৎসৱৰ মুখ্য দ্বাৰ উন্মোচন কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ অৱনী কুমাৰ ভাগৱতীয়ে। সন্ধিয়া ৬ বজাত অনুষ্ঠিত হ'ব ৰাস উদ্‌যাপন সমিতিৰ উদ্বোধনী সভা আৰু সম্বৰ্দ্ধনা অনুষ্ঠান। সভাত মুখ্য অতিথি হিচাপে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ দিলীপ শইকীয়া, ফণীভূষণ চৌধুৰী, বিধায়ক নাৰায়ণ ডেকা; নিৰ্দিষ্ট বক্তা হিচাপে অধ্যাপক ডঃ সুশান্ত কুমাৰ কাশ্যপ, বিশিষ্ট অতিথি হিচাপে অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া অপূৰ্ব কুমাৰ চক্ৰৱৰ্তীক আমন্ত্ৰণ জনোৱা হৈছে। সভাত জ্যেষ্ঠ আজীৱন সদস্য হৰকান্ত দাস, যতীন্দ্ৰ নাথ পাটোৱাৰী আৰু ফুকন ভট্টাচাৰ্যক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হ'ব। ইয়াৰ পাছতে ৰাধা-কৃষ্ণৰ পূজা আৰম্ভ আৰু নিশা সাংস্কৃতিক অনুষ্ঠান হ'ব। দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণ,আয়তীৰ নাম, বিয়লি ওজাপালি পৰিৱেশন, সন্ধিয়া বন্তি প্ৰজ্বলন, কেদাৰ নাথ শৰ্মা দলৈ, ঈশ্বৰ ডেকাৰ সোঁৱৰণত শিশু ৰাধা-কৃষ্ণৰ ভেশচন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৬ নৱেম্বৰৰ সন্ধিয়া নাগাৰা নাম পৰিৱেশন, ২৭ নৱেম্বৰৰ আবেলি ৪ বজাত লোকগীত, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা, নিশা ৮ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ২৮ নৱেম্বৰত থিয়েটাৰ সূর্যৰ নাট প্ৰদৰ্শন উদ্বোধন কৰিব বৃন্দাবন থিয়েটাৰৰ প্ৰযোজক গণেশ ৰায় মেধিয়ে (বংকিম)। ২৯ নৱেম্বৰত পুৱা চিত্ৰাংকন প্ৰতিযোগিতা ১১ বজাত কুইজ প্ৰতিযোগিতা। শেষৰ দিনা ৩০ নৱেম্বৰ

নিৰ্বাচনী কৰ্মীক ধন প্ৰদানতো খেলিমেলি কৰিছিল দেৱজিত বিশ্বাসে

তিনি কেজিৰো অধিক সোণ উদ্ধাৰ অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মীৰ লকাৰত



দৈনিক অসমৰ প্ৰতিনিধি

হাইলাকান্দি, ১৪ নৱেম্বৰ ঃ ভাৰতীয় ষ্টেট বেংকৰ হাইলাকান্দি শাখাত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী দেৱজিত বিশ্বাসৰ লকাৰৰ পৰা ৩ কেজিৰো অধিক সোণ উদ্ধাৰ হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। যোৱা কেইদিনমান ধৰি বিভিন্ন স্থানত ব্যাপক তদন্ত আৰু অভিযানৰ সময়ত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ এটা দলে এই সোণ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, সোণখিনিৰ বজাৰ মূল্য প্ৰায় পাঁচ কোটি টকা হ'ব। সোণৰ উপৰি দলটোৱে বিশ্বাসৰ বিপুল পৰিমাণৰ সম্পত্তি জব্দ কৰা বুলি জানিব পৰা গৈছে।

শিলচৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ দেৱজিত বিশ্বাস হাইলাকান্দি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ নিৰ্বাচনী শাখাৰ চিৰস্তাদাৰ পদত কৰ্মৰত আছিল আৰু ২০২৪ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। অভিযোগ অনুসৰি, নিৰ্বাচনৰ সময়ত চৰকাৰী যান-বাহন আবণ্টনৰ দায়িত্বত থকাৰ সময়ত গাড়ীৰ মালিকসকলে পাবলগীয়া ধন আত্মসাৎ কৰিছিল দেৱজিত বিশ্বাসে। এই বিষয়ে ভুক্তভোগীসকলে ২০২৩ চনত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত লিখিত অভিযোগ দাখিল কৰিছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশতেই তদন্তত নামে তদাৰকী কোষ। জানিব পৰা মতে, প্ৰায় এমাহমানৰ আগতে তেওঁৰ শিৱবাৰী ৰোডৰ ঘৰত পু�ৰাৰ পৰা নিশালৈ মাৰাথন তালাচী আৰু অনুসন্ধান চলাইছিল ভিজিলেন্সৰ দলে। ইয়াৰ পাছতেই হাইলাকান্দিৰ ষ্টেট বেংক অৱ ইণ্ডিয়াৰ এটা শাখাত থকা তেওঁৰ লকাৰত অভিযান চলাই এই বিপুল পৰিমাণৰ সোণ উদ্ধাৰ হয়। বৰ্তমান উদ্ধাৰ হোৱা সোণৰ উৎস, তেওঁৰ অন্যান্য সম্পত্তিৰ হিচাপ আৰু আৰ্থিক লেনদেন পৰীক্ষা কৰি আছে তদন্তকাৰীসকলে।



মথনগুৰিত সমূহীয়া ভৱন উদ্বোধন পথ-দলঙৰ আধাৰশিলা স্থাপন

দৈনিক অসমৰ প্ৰতিনিধি

সৰুপেটা, ১৪ নৱেম্বৰ ঃ বাক্সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত মথনগুৰি পৰিষদীয় সমষ্টিত কালি সমূহীয়া ভৱন আৰু শৌচাগাৰৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে পথ আৰু দলঙৰ নিৰ্মাণকাৰ্যৰো পৃথকে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য তথা মথনগুৰি পৰিষদীয় সমষ্টিৰ এম চি এল এ বেগম আখতাৰা আহমেদে। উল্লেখ্য যে বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে মথনগুৰি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত গোৰৰ্দ্ধনা উন্নয়ন খণ্ডৰ চামথাইবাৰীত নৱনিৰ্মিত সমূহীয়া ভৱন আৰু শৌচাগাৰৰ নিৰ্মাণ কাৰ্য উদ্বোধন কৰে। পঞ্চদশ বিত্তীয় আয়োগৰ ২০২৫-২৬ বৰ্ষৰ পুঁজিৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ ১৭,৮৫,৮৩ টকা ব্যয়সাপেক্ষে সমূহীয়া ভৱন আৰু শৌচাগাৰৰ নিৰ্মাণকাৰ্য সম্পন্ন কৰা হৈছে বুলি কয় উদ্বোধক বেগম আখতাৰা আহমেদে তেওঁৰ ভাষণত। উদ্বোধনী অনুষ্ঠানত মানস বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰী সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। আনহাতে মথনগুৰি পৰিষদীয় সমষ্টিৰ চামথাইবাৰীত এটি পকী পথৰ আৰু হাকুৰা নদীৰ ওপৰত কাঠৰ দলঙৰো চৰকাৰী আঁচনিৰ ধনেৰে নিৰ্মাণকাৰ্যৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে বিটিচিৰ কাৰ্যবাহী সদস্যগৰাকীয়ে। দুয়োটা আধাৰশিলা স্থাপন কাৰ্যসূচীত বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে।

শিক্ষকৰ ৰূপত আয়ুক্ত দিপন বৰ্মন

অভয়াপুৰী সমজিলাৰ আয়ুক্তই পৰিদৰ্শন কৰিলে স্কুল-চিকিৎসালয়-গাখীৰ জমাকেন্দ্ৰ



দৈনিক অসমৰ প্ৰতিনিধি

মাণিকপুৰ, ১৪ নৱেম্বৰ ঃ অভয়াপুৰী সমজিলাৰ আয়ুক্ত দিপন বৰ্মনক কালি শিক্ষকৰ ৰূপত দেখা গ'ল নাম্বাৰপাৰা উত্তৰ-পূব প্ৰাথমিক বিদ্যালয়ত। পুৰা প্ৰায় ৯ বজাত অভয়াপুৰী সমজিলাৰ আয়ুক্ত দিপন বৰ্মনে নাম্বাৰপাৰা উত্তৰ-পূৰ প্ৰাথমিক বিদ্যালয়ত উপস্থিত হৈ প্ৰাতঃসভাত অংশগ্ৰহণ কৰে। তাৰ পাছতে প্ৰতিটো শ্ৰেণীলৈ গৈ ছাত্ৰ-ছাত্ৰীক পাঠদান দিয়ে। বিদ্যালয়ৰ প্ৰধান শিক্ষক ছাহজাহান আলী আহমেদে আটকধুনীয়াকৈ বিদ্যালয়খন গঢ়ি তোলাত আয়ুক্তগৰাকীয়ে প্ৰশংসা কৰে। তাৰ পাছতে নাম্বাৰপাৰা পি এম শ্ৰী উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীৰ লগত মত-বিনিময় কৰি নানা পৰামৰ্শ দিয়াৰ লগতে গুণগত পাঠদান কৰিবলৈ শিক্ষকসকলক আহ্বান জনায় আয়ুক্ত দিপন বৰ্মনে। তাৰ পাছতে চাকলা চি কে কলেজত অধ্যক্ষ ডঃ শ্বহিদুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত ছাত্ৰ-ছাত্ৰীক প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ আহ্বান জনোৱাৰ লগতে নিচাজাতীয় সামগ্ৰী তথা ড্ৰাগছৰ পৰা যুৱচামক আঁতৰি থকাৰ আহ্বান জনায় আয়ুক্তগৰাকীয়ে। দুপৰীয়া চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয়ত উপস্থিত হৈ নানা সমস্যাৰ বুজ লোৱাৰ লগতে ৩০খন বিচনাযুক্ত চিকিৎসালয় নিৰ্মাণৰ বাবে হোৱা সমস্যাৰ বিষয়ে স্থানীয় ৰাইজে আয়ুক্তগৰাকীক অৱগত কৰে। ইয়াৰ পাছতে কোকিলা মাজপাৰা গাখীৰ জমাকেন্দ্ৰত উপস্থিত হয় আৰু গো-পালকৰ নানা সমস্যাৰ বিষয়ে বুজ লয়। আবেলি কোকিলা গাঁও পঞ্চায়ত কাৰ্যালয়ত উপস্থিত হোৱাত পঞ্চায়ত সভাপতি ছাহজাহান আমিনে পঞ্চায়তৰ নানা সমস্যাৰ বিষয়ে অৱগত কৰে আয়ুক্তগৰাকীক। স্থানীয় ৰাইজৰ লগত মত-বিনিময় কৰাৰ পাছত কোকিলা প্ৰেছক্লাবৰ বাবে মাটি আবণ্টন দিয়াৰ বাবে সাংবাদিকসকলে আয়ুক্তগৰাকীক আহ্বান জনায়।

ধুবুৰীত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ প্ৰস্তুতি

দৈনিক অসমৰ প্ৰতিনিধি

ধুবুৰী, ১৪ নৱেম্বৰ ঃ আন আন বছৰৰ দৰে এইবেলিও অহা ১৬ নৱেম্বৰত ধুবুৰী প্ৰেছ ইউনাইটেডৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। ধুবুৰীৰ গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজন কৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰা হ'ব। তাৰ পাছতেই ধুবুৰী জিলাৰ প্ৰয়াত সাংবাদিকসকলৈ শ্ৰদ্ধাঞ্জলি জনাবলৈ স্মৃতি তৰ্পণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ পাছতেই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব চিলাৰায় মহাবিদ্যালয় চৌহদত। ইপিনে 'বৰ্তমান সময়ত সামাজিক মাধ্যম আৰু ইয়াৰ প্ৰভাৱ' বিষয়বস্তু সন্দৰ্ভত জিলাখনৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব বুলি জনাইছে উদ্যোক্তাসকলে। একেদৰে দুপৰীয়াৰ ভাগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস-২৬ৰ বিষয়বস্তু হিচাপে নিৰ্দ্ধাৰণ কৰি দিয়া 'বৰ্দ্ধিত ভুল তথ্য আৰু অপপ্ৰচাৰৰ মাজত সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা ৰক্ষা কৰা' সৰ্ন্দভত বিশেষ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব চিলাৰায় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত। অনুষ্ঠানত মুখ্য বক্তা হিচাপে কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি দ্বিজেন্দ্ৰ নাথ ভকত আৰু বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকিব গৌৰীপুৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা পাৰভিন চুলতানা। মুকলি সভাত মুখ্য অতিথি হিচাপে মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন। মুকলি সভাত বিশিষ্ট সাংবাদিক, সাহিত্যিক, চিকিৎসক আৰু সমাজকৰ্মীক বিশেষভাবে সম্বৰ্দ্ধনা জনোৱা হ'ব বুলি বুলি ধুবুৰী প্ৰেছ ইউনাইটেডৰ সভাপতি ছাহানুৰ ইছলাম আৰু সাধাৰণ সম্পাদক মহিবুল হক আলমে এক প্ৰেছ বিবৃতিযোগে জনাইছে।

ৰঙাপৰাৰ ফুলবাৰী চাহ বাগিচাত হত্যাকাণ্ড

বন্ধুৰ হাততে প্ৰাণ গ'ল যুৱকৰ

দৈনিক অসমৰ প্ৰতিনিধি

ৰঙাপৰা, ১৪ নৱেম্বৰ ঃ শোণিতপুৰৰ ৰঙাপৰা সমজিলাৰ অন্তৰ্গত ফুলবাৰী চাহ বাগিচাত ১২ নৱেম্বৰত সংঘটিত হত্যাকাণ্ডই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। টকাৰ বিনিময়ত চাউল দিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিবাদৰ পৰিণতিয়ে অৱশেষত ভয়ংকৰ ৰূপ লয় আৰু পিছত বন্ধুৰ হাততে প্ৰাণ হেৰুৱাবলগীয়া হ'ল যুৱকে। ঘটনাৰ বিৱৰণী অনুসৰি সন্ধিয়া প্ৰায় ৬ বজাত ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত ফুলবাৰী চাহ বাগিচাৰ ১৩ নম্বৰ শ্ৰমিক লাইনৰ নিৱাসী অমৰ ৰাউতীয়া ওৰফে কামিল (৩৫)ৰ বাসগৃহত লাডৰুজ ইন্দুৰাৰ (২৬) চাউল লৈ উপস্থিত হয়। অমৰে টকাৰ বিনিময়ত চাউল দিয়াক কেন্দ্ৰ কৰি দুয়োৰে মাজত আৰম্ভ হোৱা তৰ্ক-বিতৰ্কই ক্ৰমাৎ উত্তপ্ত ৰূপ ধাৰণ কৰে। অভিযোগ অনুসৰি পৰৱৰ্তী সময়ত অমৰ ৰাউতীয়াই লাডৰুজ ইন্দুৰাৰক মাৰপিট কৰে। ইয়াৰ পিছতে উত্তেজিত হৈ পৰা লাডৰুজে এখন পিৰাৰে অমৰ ৰাউতীয়াৰ মূৰত আঘাত কৰে। ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অমৰ মাটিত ঢলি পৰে আৰু অৱশেষত তেওঁৰ মৃত্যু হয়। ইফালে, উক্ত ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে ফুলবাৰী চাহ বাগিচাৰ ১৩ নম্বৰ শ্ৰমিক লাইনত ৰাইজে ভিৰ কৰি তোলে। স্থানীয় ৰাইজে ঘটনাৰ সন্দৰ্ভত ৰঙাপৰা আৰক্ষীক খবৰ দিয়াত লগে লগে এটা আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয় আৰু পৰিস্থিতিৰ বুজ লোৱাৰ লগতে অভিযুক্ত লাডৰুজ ইন্দুৰাৰক আটক কৰে। সামান্য কথাক কেন্দ্ৰ কৰি দুই বন্ধুৰ মাজত সৃষ্টি হোৱা বিবাদে এনেদৰে এজন ব্যক্তিয়ে অকাল মৃত্যুক সাৱটি লোৱাৰ ঘটনাই অঞ্চলবাসীৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইপিনে, আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে অভিযুক্ত লাডৰুজ ইন্দুৰাৰক আটক কৰি থানালৈ লৈ আহে। ৰঙাপৰা আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

দুধনৈত পৰিচালনা সমিতিৰ দায়িত্ব গ্ৰহণ

দৈনিক অসমৰ প্ৰতিনিধি

ধূপধৰা, ১৪ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ দুধনৈ শিক্ষা খণ্ডৰ খিলামাৰা বাখাৰাপাৰা প্ৰাথমিক বিদ্যালয়ত কালি নৱনিৰ্বাচিত বিদ্যালয় পৰিচালনা সমিতিয়ে আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰে। এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত পূৰ্বৰ সমিতিৰ সভাপতি সুৰেশ বড়োৱে নতুন সমিতিৰ হাতত দায়িত্ব অৰ্পণ কৰে। নৱগঠিত সমিতিৰ উপ-সভানেত্ৰী হিচাপে ৰুমী ৰাভা বড়ো, সদস্য-সচিব হিচাপে প্ৰধান শিক্ষক ৰুদ্ৰ সিং ৰাভাকে ধৰি অভিভাৱক, শিক্ষক, পঞ্চায়ত আৰু প্ৰাক্তন ছাত্ৰ প্ৰতিনিধিসকলে দায়িত্ব গ্ৰহণ কৰে। অনুষ্ঠানত প্ৰধান শিক্ষকগৰাকীয়ে বিদ্যালয়ৰ সামগ্ৰিক উন্নয়ন আৰু শিশুৰ কল্যাণৰ স্বাৰ্থত সকলোকে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনায়।



ৰঙিয়াৰ মূৰাৰাত শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ আয়োজন

দৈনিক অসমৰ প্ৰতিনিধি

ৰঙিয়া, ১৪ নৱেম্বৰ ঃ পূব ৰঙিয়া জগদ্ধাত্ৰী প্ৰগতি ময়দানত কাইলৈৰ পৰা ছদিনীয়াকৈ ৬৩ সংখ্যক শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ১৫ নৱেম্বৰত ষষ্ঠী বিহিত পূজাৰ লগত সংগতি ৰাখি আবেলি খগেন্দ্ৰ নাথ ভৰালী সোঁৱৰণী তোৰণ উন্মোচন কৰিব জগদ্ধাত্ৰী পূজা মণ্ডপ পৰিচালনা সমিতিৰ সভাপতি মহেশ চন্দ্ৰ কাকতিয়ে, যমুনাবালা ডেকা সোঁৱৰণী ৰভাগৃহ উন্মোচন কৰিব দীনেশ পাঠকে আৰু নীলা কলিতা সোঁৱৰণী ভোগগৃহ উন্মোচন কৰিব সঞ্জীৰ কলিতাই। ইয়াৰ পাছতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব শিল্পী পেন্সনাৰ নৱেন্দ্ৰ শৰ্মাই। নিশা নাগাৰা নাম পৰিৱেশন কৰিব টংকেশ্বৰ কলিতা আৰু প্ৰভাত লহকৰৰ দলে। ১৬ নৱেম্বৰত সপ্তমী পূজাৰ দিনা ধৰ্মীয় পতাকা উত্তোলন কৰিব পূজা উদ্যাপন সমিতিৰ সভাপতি ঘনশ্যাম কাকতিয়ে, শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিব ভূমিদাতা পৰিয়ালৰ সদস্য দীপক ভট্টাচাৰ্যই। তাৰ পাছত আয়তীৰ নাম, ওজাপালি আৰু বন্তি প্ৰজ্বলনেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। ১৭ নৱেম্বৰৰ দিনা যথাবিহিত পূজাৰ উপৰি পূব ৰঙিয়া প্ৰগতি সংঘৰ শিল্পীবৃন্দই নিশা যশস্বী নাট্যকাৰ সেৰাব্ৰত বৰুৱাৰ দ্বাৰা ৰচিত নাট 'মাক আৰু মৰম' মঞ্চস্থ কৰিব। ১৯ নৱেম্বৰত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত সাংস্কৃতিক অনুষ্ঠানত কণ্ঠশিল্পী ছুইটী দাসে সংগীতানুষ্ঠান পৰিৱেশন কৰিব। উল্লেখযোগ্য যে জগদ্ধাত্ৰী পূজাৰ ষষ্ঠী, সপ্তমী আৰু অষ্টমীত মাখিবাহাৰ প্ৰখ্যাত ৰত্ন ওজাই ওজাপালি পৰিৱেশন কৰিব।

সৰ্থেবাৰীৰ গুণেশ্বৰ পাঠকৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

সৰ্থেবাৰী, ১৪ নৱেম্বৰ ঃ সৰ্থেবাৰীৰ সমীপৰ কাৰাকুছি গাঁও নিবাসী শ্ৰীশ্ৰীমাধৱদেৱৰ পদশিলা সত্ৰৰ বায়ন, কাঁহ-পিতল ব্যৱসায়ী তথা অগপ দলৰ কৰ্মী গুণেশ্বৰ পাঠকৰ হৃদৰোগত আক্ৰান্ত হৈ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। দীৰ্ঘদিনৰ পৰা অসুস্থ হৈ ঘৰতে চিকিৎসাধীন হৈ থকা



পাঠক যোৱা ১২ নৱেম্বৰৰ আবেলি গুৰুতভাৱে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে তেওঁক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰায় যদিও আজি চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬২ বছৰ। সত্ৰীয়া সংস্কৃতিৰ সেৰক হিচাপে তেওঁ শ্ৰীশ্ৰী মাধৱদেৱৰ পদশিলা সত্ৰৰ বায়ন হিচাপে সুদীৰ্ঘ বছৰে সত্ৰৰ সেৱা আগবঢ়াইছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এহাল পুত্ৰ-কন্যাক এৰি যায়। তেওঁৰ মৃত্যুত মাধৱদেৱ সত্ৰ পৰিচালনা সমিতি, কাৰাকুছি সমাজ কল্যাণ সমিতি, সদৌ অসম সত্ৰ মহাসভাৰ ৰৱপেটা জিলা সমিতিৰ উপসভাপতি গুণজিৎ চৌধুৰী, অগপ দলৰ কেন্দ্ৰীয় সমিতিৰ উপসভাপতি চিত্তৰঞ্জন বৰ্মন, সাংস্কৃতিক মহাসভাৰ সৰ্থেবাৰী আঞ্চলিক সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

শেনচোৱাত সোণালী জয়ন্তী ৰাস মহোৎসৱ

দৈনিক অসমৰ প্ৰতিনিধি

বেৰেজীয়া, ১৪নৱেম্বৰ ঃ বৃহত্তৰ শেনচোৱাবাসী ৰাইজৰ সহযোগত শেনচোৱা আঞ্চলিক উৎসৱ সমিতিয়ে শেনচোৱা অমৰ ৰৰকাকতি হাইস্কুল খেলপথাৰত অনুষ্ঠিত কৰি অহা শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱে এইবাৰ ৫০ সংখ্যক বৰ্ষ তথা সোণালী জয়ন্তী বৰ্ষত ভৰি দিব। ৰাস উদ্যাপন সমিতিয়ে বছৰজোৰা কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষটো আড়ম্বৰপূৰ্ণভাৱে উদ্যাপন কৰাৰ মানসেৰে ২৩, ২৪, ২৫ আৰু ২৬ নৱেম্বৰত চাৰিদিনীয়াকৈ ৰাস মহোৎসৱ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ২৩ নৱেম্বৰৰ সন্ধিয়াৰ ভাগৰত স্থাপন কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। ২৪ নৱেম্বৰৰ পুৱা প্ৰাতঃ প্ৰসংগ অনুষ্ঠিত হোৱাৰ পাছতে বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে শেনচোৱা আঞ্চলিক ৰাস উৎসৱ সমিতিৰ সভাপতি ৰূপক শৰ্মাই ধৰ্মধ্বজা উত্তোলন কৰিব লগা অনুষ্ঠানত সোণালী জয়ন্তীৰ আৰম্ভণি বৰ্ষ উপলক্ষে অঞ্চলৰ ৫০গৰাকী জ্যেষ্ঠ আৰু বিশিষ্ট ব্যক্তিয়ে ৫০খন পতাকা উত্তোলন কৰিব। অনুষ্ঠানটোৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি সুৰেন শইকীয়াই শ্বহীদ তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে সমগ্ৰ শেনচোৱা অঞ্চলত ভাগৰত ভ্ৰমণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। দুপৰীয়া নাম-প্ৰসংগ কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পাছত নিশালৈ অঞ্চলৰ যুৱতী আৰু মহিলাসকলৰ দ্বাৰা শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস ভাওনা 'কেলি গোপাল' পৰিৱেশন কৰা হ'ব। ২৫ নৱেম্বৰত প্ৰাতঃ প্ৰসংগৰে দিনটোৰ কাৰ্যসূচী শুভাৰম্ভ হোৱাৰ লগতে সন্ধিয়ালৈ ভৱজিৎ কুমাৰ শইকীয়াৰ পৰিচালনাত নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যৰ 'ৰাধা এবাৰ হাঁহি দে' শীৰ্ষক সামাজিক নাটক মঞ্চস্থ কৰা হ'ব।

কিছমত কাঠমীত খেল মহাৰণ

দৈনিক অসমৰ প্ৰতিনিধি

ছমৰীয়া, ১৪ নৱেম্বৰ ঃ কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত কিছমত কাঠমীত কালি খেল মহাৰণ ৩.০ৰ আয়োজন কৰা হয়। ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ৬ নং কিছমত কাঠমী গাঁও পঞ্চায়তৰ উদ্যোগত কালাতলী কাঠমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল খেলপথাৰ প্ৰাংগনত এই খেল মহাৰণ ৩.০ অনুষ্ঠিত কৰে। কালাতলী কাঠমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জহিৰুল ইছলামে খেলৰ উদ্বোধন কৰে। ইয়াৰ পাছতে অভিজ্ঞ খেল পৰিচালক দৌৰ, ভলীবল, ফুটবল আদি খেল অনুষ্ঠিত কৰে। এই খেলত পঞ্চায়তখনৰ ভালেসংখ্যক ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰে।

বিজনী মহাবিদ্যালয়ৰ স্বাস্থ্য কোষৰ উদ্যোগ

প্ৰেৰণামূলক বক্তৃতা-স্বাস্থ্য সজাগতা সভা



দৈনিক অসমৰ প্ৰতিনিধি

চিৰাং, ১৪ নৱেম্বৰ ঃ চিৰাং জিলাৰ বিজনী মহাবিদ্যালয়ৰ আলোচনা কক্ষত কালি 'মনক নিয়ন্ত্ৰণ কৰা' বিষয়ক প্ৰেৰণামূলক ভাষণ আৰু 'মধুমেহ ৰোগ' সন্দৰ্ভত সজাগতা সভা (Motivational Speech on "Mastering Your Mind" & Awareness on "Diabetes") অনুষ্ঠিত হয়। বিজনী মহাবিদ্যালয়ৰ স্বাস্থ্যকোষৰ উদ্যোগত আয়োজিত উক্ত কাৰ্যসূচী মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ বীৰহাসগিৰী বসুমতাৰীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বিজনী মহাবিদ্যালয়ৰ স্বাস্থ্যকোষৰ আহ্বায়ক তথা অসমীয়া বিভাগৰ সহযোগী অধ্যাপক দেৱজ্যোতি শৰ্মাই আঁত ধৰা উক্ত অনুষ্ঠানত প্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। আনহাতে 'মধুমেহ ৰোগ' শীৰ্ষক সজাগতা সভাত বিজনীৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ৰতন কুমাৰ ৰায় সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে। উক্ত প্ৰেৰণামূলক ভাষণ আৰু সজাগতা সভাত বিজনী মহাবিদ্যালয়ৰ উপাধ্যক্ষা সবিতা ৰায়, মিডিয়া কোষৰ আহ্বায়ক মৃগেন বৰ্মনসহ মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ-ছাত্ৰী তথা একাংশ অভিভাৱক উপস্থিত থাকে।

২০ নৱেম্বৰত পশ্চিম নলবাৰীত বিজ্ঞানভিত্তিক প্ৰতিযোগিতা

দৈনিক অসমৰ প্ৰতিনিধি

পশ্চিম নলবাৰী, ১৪ নৱেম্বৰ ঃ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলা আৰু বিজ্ঞান শিক্ষাক অধিক আকৰ্ষণীয় ৰূপি তোলাৰ লক্ষ্যৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ,পশ্চিম নলবাৰী খণ্ডৰ উদ্যোগত ২০ নৱেম্বৰত পশ্চিম নলবাৰী খণ্ড ভিত্তিত মিলন হাইস্কুল (পানীগাঁও)ত এখন বিজ্ঞানভিত্তিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজ্ঞানভিত্তিক পোষ্টাৰ অংকন, বিজ্ঞানৰ আৰ্হি প্ৰস্তুত, আকস্মিক বক্তৃতা আৰু ধাৰণা লিখা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিভিন্ন কাৰ্যসূচীৰ লগতে প্ৰতিযোগিতাসমূহ সিদিনা পুৱা ৯.৩০ বজাৰ পৰা আৰম্ভ হ'ব। প্ৰতিটো শিতানৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তসকলে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে প্ৰয়োজনীয় সামগ্ৰী প্ৰতিযোগীসকলে নিজে লগত লৈ আহিব লাগিব। উল্লেখ্য যে অসমৰ ২১৯টা প্ৰশাসনিক উন্নয়ন খণ্ডত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ স্থাপনৰ জৰিয়তে গ্ৰাম্য অঞ্চলত বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানমনস্কতা গঢ়ি তোলাৰ প্ৰয়াস চলাই অহা হৈছে।

ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন

দৈনিক অসমৰ প্ৰতিনিধি

ৰামপুৰ, ১৪ নৱেম্বৰ ঃ ৰামপুৰ আঞ্চলি

টেঙাখাতৰ অইল-আই টি এফত নিহত-আহত পৰিয়ালৰ কাষত ‘মাছ’

দহ কোটিকে সাহায্য প্রদানৰ দাবী



দৈনিক অসমৰ প্রতিনিধি
টেঙাখাত, ১৪ নৱেম্বৰ ঃ ডিব্রুগড় জিলাৰ টেঙাখাত উইল্টনত অৱস্থিত অইল ইণ্ডিয়া লিমিটেডৰ আই টিএফত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ড সন্দর্ভত টেঙাখাত অগ্রগামী সংঘত ডিব্রুগড় জিলা মানৰ অধিকাৰ সমিতি (মাছ)ৰ উদ্যোগত এক সংবাদমেলৰ আয়োজন কৰা হয়। সংবাদমেলত যোৱা ৬ নৱেম্বৰৰ পুৱা অইল ইণ্ডিয়া লিমিটেডৰ টেঙাখাত উইল্টনত অৱস্থিত ইণ্টাৰমিডিয়েট টেংক ফার্ম (আই টি এফ)ত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক আঁকোৱালি লোৱা প্রয়াত ৰাজু দত্ত কে প্রমুখ্য কৰি চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত ডিব্রুগড়ৰ মিলন নগৰৰ তাপস গগৈ, চাবুৰাৰ ৰূপম গোহাঁই, টেঙাখাত পদুমণি গাঁৱৰ শৈলেন গগৈ, টেঙাখাত দীঘলীয়া গাঁৱৰ কুমুদ গগৈ আৰু টেঙাখাত উইল্টন বৰদলনিৰ গোলাপ দত্তকে ধৰি প্রয়াত আটাইকেইগৰাকী কর্মচাৰীৰ মৃত্যুত মানৰ অধিকাৰ সংগ্রাম সমিতিয়ে গভীৰ উদ্বেগ প্রকাশ কৰাৰ লগতে শোক প্রকাশ কৰে আৰু মৃতককেইগৰাকীলে মানৰ অধিকাৰ সংগ্রাম সমিতিৰ তৰফৰ পৰা শ্রদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত এক মিনিট মৌন প্রার্থনা কৰে। আনহাতে, উক্ত অগ্নিকাণ্ডত গুৰুতৰভাৱে অগ্নিদগ্ধ হৈ চিকিৎসাধীন হৈ থকা দীঘলীয়া গাঁৱৰ ইন্দ্র গগৈৰ আৰোগ্য কামনাৰে ভগৱানৰ ওচৰত প্রার্থনা জনোৱা হয়। ইয়াৰ পাছতে ‘মাছ’ৰ ডিব্রুগড় জিলা সমিতিৰ জৰিয়তে অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজান কর্তৃপক্ষৰ ওচৰত কেইবাটাও দাবী উত্থাপন কৰে। আই টি এফত সংঘটিত অগ্নিকাণ্ডত অগ্নিদগ্ধ প্রতিজন নিহত আৰু আহত কর্মচাৰীৰ পৰিয়ালক ১০ কোটি টকা ক্ষতিপূৰণ প্রদান কৰা, প্রতিটো পৰিয়ালৰ একোজন ব্যক্তিক অইল ইণ্ডিয়া লিমিটেডত স্থায়ী চাকৰি প্রদান কৰা, আই টি এফত সংঘটিত অগ্নিকাণ্ডত নিৰপেক্ষ তদন্ত কৰি দোষী বিষয়া-কর্মচাৰীক বিভাগীয় শাস্তি বিহাৰ দাবী জনোৱা হয়।



■ লখিমপুৰত কৃষি মন্ত্রী পীযূষ হাজৰিকা ■

১৫ জানুৱাৰীৰ ভিতৰত কৃষক পঞ্জীয়ন সম্পূর্ণ কৰিবলৈ নির্দেশ

দৈনিক অসমৰ প্রতিনিধি
লখিমপুৰ, ১৪ নৱেম্বৰ ঃ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী পীযূষ হাজৰিকাই কালি লখিমপুৰ জিলাত কেইবাটাও কৃষি প্রকল্প পৰিদর্শন কৰাৰ লগতে জিলা আয়ুক্তৰ কার্যালয়ৰ সভাকক্ষত বিভাগীয় পর্যালোচনা বৈঠকত অংশগ্রহণ কৰে। ভ্রমণৰ আৰম্ভণিতে মন্ত্রী হাজৰিকাই ২ নং বোকানলাৰ কৃষক পংকজ বৰাৰ তৈল খেজুৰৰ বাগিচা পৰিদর্শন কৰি ফচল চপোৱা কার্যসূচীত অংশগ্রহণ কৰে। ইয়াৰ পাছতে তেওঁ বগীনদী মাজগাঁৱত ‘আৰিগ আজন এগ্র’ফেড প্রডিউচাৰ কোম্পানী লিমিটেড’ৰ আনাৰস প্রক্রিয়াকৰণ গোটটো পৰিদর্শন কৰি স্থানীয় উৎপাদকসকলক উৎসাহিত কৰে। ইয়াৰ পাছত জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত পর্যালোচনা বৈঠকত মন্ত্রী হাজৰিকাই লখিমপুৰ জিলাত নির্দ্ধাৰিত লক্ষ্যৰ ৮১ শতাংশ সম্পূর্ণ হোৱা কৃষক পঞ্জীয়ন প্রক্রিয়া অহা ১৫ জানুৱাৰীৰ ভিতৰত প্রতিদিনে ন্যূনতম ৪০০গৰাকীকৈ পঞ্জীয়ন সম্পন্ন কৰি সম্পূর্ণ কৰিবলৈ নির্দেশ দিয়ে। বৈঠকতে প্রধানমন্ত্রী ফচল বীমা যোজনা, সাৰৰ বিতৰণ ব্যৱস্থা, ধান খেতিয়কসকলক ন্যূনতম সমর্থন মূল্যৰ প্রমাণপত্র প্রদান, মাখানা খেতি আৰু তৈল খেজুৰ (অইল পাম) সম্প্রসাৰণ, তামোল-নাৰিকলৰ পুলি বিতৰণ তথা জলসিঞ্চন আঁচনিসমূহৰ অগ্রগতিৰ বিষয়ে বিশদভাৱে পর্যালোচনা কৰা হয়। লখিমপুৰ জিলা ভ্রমণৰ অন্তিমটো কার্যসূচী হিচাপে মন্ত্রীগৰাকীয়ে বিহুপুৰীয়াৰ পথালিপাহাৰত ‘শ্যামা প্রসাদ মুখার্জী ৰুৰবান মিছন’ৰ অধীনত নির্মিত ‘কৃষি সেৰা আৰু প্রক্রিয়াকৰণ কেন্দ্র’ ‘শীতল ভঁৰাল’ পৰিদর্শন কৰাৰ লগতে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। অব্যৱহৃত হৈ থকা শীতল ভঁৰালটো কৃষি বিভাগে নিজৰ দায়িত্বত লৈ শীঘ্রে কার্যক্ষম কৰি তুলিব বুলি তেওঁ উল্লেখ কৰে। এই ভ্রমণসূচী আৰু বৈঠকসমূহত মন্ত্রীগৰাকীৰ সৈতে বিধায়ক মানৰ ডেকা, নৰ কুমাৰ দলে আৰু ভূপেন বৰা উপস্থিত থাকে।

হাতী-মানুহৰ সংঘাত ৰোধৰ প্রচেষ্টা
২০০ টর্চ লাইট বিতৰণ

দৈনিক অসমৰ প্রতিনিধি
তিতাবৰ, ১৪ নৱেম্বৰ ঃ তিতাবৰৰ বহু অঞ্চলত ক্রমাৎ ভয়াৱহ ৰূপ ধা�ৰণ কৰিছে হাতী-মানুহৰ সংঘাতে। বন্যহস্তীৰ অবাধ বিচৰণ আৰু উপদ্রৱৰ ফলত আতংকিত হৈ নিশা উজাগৰে থাকিবলগীয়া হৈছে। এনে সময়তে হাতী-মানুহৰ সংঘাতৰ সময়ত ৰাইজৰ সুৰক্ষাৰ প্রতি লক্ষ্য ৰাখি এক বিশেষ পদক্ষেপ গ্রহণ কৰিছে জ্যেষ্ঠ কংগ্রেছ নেতা তথা সমাজকর্মী প্রাণ কুমাঁয়ে।। নিজা প্রচেষ্টাৰে হাতীৰ উপদ্রৱ অব্যাহত থকা অঞ্চলসমূহৰ ৰাইজৰ মাজত টর্চ লাইট বিতৰণৰ কার্যসূচী হাতত লৈছে প্রাণ কুমাঁয়ে।। ইয়াৰ অংশ হিচাপে কালি দোলাকাষৰীয়া গাঁও, বঙালগাঁও আৰু বালিজান গাঁৱৰ ৰাইজৰ মাজত ২০০টা টর্চ লাইট বিতৰণ কৰে। পৰৱর্তী সময়ত হাতীৰ উপদ্রৱ চলি থকা বিভিন্ন অঞ্চলৰ ৰাইজৰ মাজত মুঠ ১০০০টা টর্চ লাইট বিতৰণ কৰাৰ লক্ষ্য নির্দ্ধাৰণ কৰিছে তেওঁ। নিশাৰ আন্ধাৰত বন্যহস্তীৰ গতি-বিধি লক্ষ্য কৰা, জৰুৰীকালীন পৰিস্থিতিত সতর্ক হোৱা আৰু নিজৰ লগতে পৰিয়ালৰ সুৰক্ষাৰ ক্ষেত্রত এই টর্চ লাইটসমূহে কিছু সহায়ক ভূমিকা গ্রহণ কৰিব বুলি মত প্রকাশ কৰিছে স্থানীয় ৰাইজে।

সাংবাদিক ৰাতুল বৰাৰ স্মাৰক গ্রন্থ উন্মোচন

দৈনিক অসমৰ প্রতিনিধি
দেৰগাঁও,১৪ নৱেম্বৰ ঃ দেৰগাঁৱৰ এগৰাকী নির্ভীক, নিৰপেক্ষ জ্যেষ্ঠ সাংবাদিক তথা শিক্ষক, লেখক ৰাতুল বৰাৰ দুর্ঘটনাত পতিত হৈ অকাল মৃত্যু হোৱাৰ পাছত তেওঁৰ ছমহীয়া মৃত্যুতিথি উপলক্ষে তেওঁৰ কর্ম আৰু জীৱন দর্শনৰ আলোকপাতেৰে কালি এখন স্মাৰক গ্রন্থ উন্মোচন কৰা হয়। সাংবাদিক কুমুদ বৰাৰ সম্পাদনাৰে প্রকাশিত ‘ৰাতুল আভা’ নামৰ এই স্মাৰক গ্রন্থখন উন্মোচন কৰে গোলাঘাট জিলা সাংবাদিক সংস্থাৰ প্রাক্তন সভাপতি তথা ‘দৈনিক অসম’ৰ সাংবাদিক ৰোহিত গগৈয়ে। এই উপলক্ষে প্রয়াত ৰাতুল বৰাৰ বাসগৃহত অনুষ্ঠিত নামানুষ্ঠানৰ পাছত অনুষ্ঠিত স্মাৰক গ্রন্থ উন্মোচনী সভাখনত সভাপতিত্ব কৰে গ্রন্থ সম্পাদনা সমিতিৰ সভাপতি ৰাজেন পূজাৰীয়ে। অনুষ্ঠানৰ আৰম্ভণিতে প্রয়াত শিক্ষক- সাংবাদিকগৰাকীৰ প্রতিচ্ছবিৰ আগত বন্তি প্রজ্বলন কৰি শ্রদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে শিক্ষাব্রতী হেমধৰ কলিতাই। শিল্পী জীৱন দাসে পৰিৰেশন কৰা এটি বৰগীতেৰে শুভাৰম্ভণি কৰা আৰু সম্পাদক কুমুদ বৰা আৰু সাংবাদিক ৰাতুল বৰাৰ পুত্র চিৰঞ্জীৱ বৰাই আঁত ধৰা অনুষ্ঠানত গ্রন্থখন উন্মোচন কৰি জ্যেষ্ঠ সাংবাদিক ৰোহিত গগৈয়ে কয় যে এই স্মাৰক গ্রন্থখনে প্রয়াত ৰাতুল বৰাৰ শিক্ষকতা,সাংবাদিকতা আৰু সমাজসেৱাৰ লগতে তেওঁৰ কর্মজীৱনৰ ত্যাগ, নিষ্ঠা, সততা, নির্ভীকতা, নিৰপেক্ষতা আৰু জীৱনত সফলতা অর্জনৰ বাবে কৰা তেওঁৰ অধ্যৱসায়ৰ ছবিখন পৰিস্ফুট কৰি তুলিছে। জীৱনকালত কৰি যোৱা সুকর্মৰ বাবেই মৃত্যুৰ পাছতো স্মৰণীয় হৈ ৰোৱা শিক্ষক, সাংবাদিকগৰাকীক শ্রদ্ধাৰে সোঁৱৰণ কৰি তেওঁ ৰাতুল বৰাৰ বিদেহ আত্মাৰ সদগতি কামনা কৰে আৰু তেওঁৰ কর্মজীৱনৰ বিভিন্ন দিশ সামৰি স্মাৰক গ্রন্থখন প্রকাশৰ বাবে পৰিয়াল আৰু



সম্পাদনা সমিতিখনক ধন্যবাদ জ্ঞাপন কৰে। সভাখনত গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক প্রণৱ চক্রৱর্তী, দেৰগাঁও সাহিত্য সভাৰ সভাপতি অজিত চন্দ্র দত্ত ,সম্পাদক বিচিত্র ভূষণ কলিতা,শিক্ষাব্রতী অৰনী বৰঠাকুৰ, জ্যোতি কুমাৰী শর্মা প্রমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ভাগ লৈ ৰাতুল বৰাক সুঁৰৰি বক্তব্য আগবঢ়ায়। মাজুলী উত্তৰ কমলাবাৰী সত্রৰ বৈষ্ণৱ সংগীত নাটক অকাডেমি বঁটাপ্রাপক ভৱেন কাকতি বৰগায়ন, কমল দুৱৰা মহাবিদ্যালয়ৰ অধ্যাপক ডঃ ক্ষীৰেশ্বৰ লয়িং, দেৰগাঁও উন্নয়ন প্রাধিকৰণৰ সভাপতি ৰাজমোহন শর্মা, দেৰগাঁও সাংবাদিক সংস্থাৰ সম্পাদক ইন্দুভূষণ মহন্ত, সাংবাদিক দীপক শইকীয়া, শিক্ষক দেৱজিত পাত্র, সুৰেন্দ্র নাথ বৰা, ইন্দ্রাণী গোস্বামী, প্রমুখ্যে শতাধিক লোক, প্রয়াত ৰাতুল বৰাৰ সহকর্মী তথা গুণমুগ্ধ আৰু পৰিয়ালৰ সদস্যসকল উপস্থিত থকা অনুষ্ঠানৰ সামৰণিত পৰিয়ালৰ হৈ চিৰঞ্জীৱ বৰাই উপস্থিত সকলোৰে প্রতি কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে ১৯৬৮ চনত ওপৰ গৰুমৰা গাঁৱত জন্মগ্রহণ কৰা শিক্ষক-সাংবাদিক লেখক ৰাতুল বৰাই বহুমুখী প্রতিভাৰে সমাজত উজলি উঠিছিল। কর্মস্থলী বৰমুকলিৰ লাখেৰাজ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় অভিমুখে গৈ থকাৰ পথত ছমাহ পূর্বে দেৰগাঁও চাৰিআলিত সংঘটিত এক পথ দুর্ঘটনাত তেওঁ অকাল মৃত্যুক সাবটি লৈছিল। মৃত্যুৰ সময়লৈকে তেওঁ ‘দৈনিক অসম’ত সংবাদ সেৱা কৰি আছিল।

ডিব্রুগড়ত পথ সুৰক্ষা সজাগতা সভা

দৈনিক অসমৰ প্রতিনিধি
ডিব্রুগড়,১৪ নৱেম্বৰ ঃ ডিব্রুগড়ৰ বকুলস্থিত অভিযান্ত্রিক শিক্ষানুষ্ঠান ডিব্রুগড পলিটেকনিকৰ উদ্যোগত কালি এখন পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। প্রতিষ্ঠানৰ অধ্যক্ষ ৰূপক গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত ডিব্রুগড় জিলা পৰিবহন বিষয়া কার্যালয়ৰ যান-বাহন পৰিদর্শক পৰ্ণজ্যোতি গগৈয়ে পথ সুৰক্ষাৰ স'তে জড়িত বিভিন্ন চিহ্নৰ লগতে পথ দুর্ঘটনা ৰোধ কৰাৰ বাবে গ্রহণ কৰিবলগীয়া পদক্ষেপৰ লগতে পঞ্চসূত্র আৰু পথ দুর্ঘটনাত নিহত লোকৰ চৰকাৰী তথ্য সম্পর্কেও প্রজেক্টৰৰ জৰিয়তে বিস্তৃত বক্তব্য আগবঢ়ায়। সভাত ডিব্রুগড় জিলা আৰক্ষীৰ যান-বাহন পৰিদর্শক গৌৰৰজ্যোতি চুতীয়াই ছাত্র-ছাত্রীসকলে পথ সুৰক্ষাৰ ক্ষেত্রত সততে সংঘটিত কৰা ভুলবোৰ নিজৰ অভিজ্ঞতাৰে উদাহৰণসহ ব্যাখ্যা কৰি সেইসমূহৰ পৰা আঁতৰত থাকি যান-বাৰ চলোৱাত গুৰুত্ব আৰোপ কৰি বক্তব্য আগবঢ়ায়। তেওঁ কয় যে আৰক্ষীৰ লোকেও যদি পথ সুৰক্ষাৰ ক্ষেত্রত যথোপযুক্ত নিয়ম পালন নকৰে তেন্তে তেওঁলোককো জগৰীয়া কৰাৰ প্রয়োজন। প্রয়োজনসাপেক্ষে তেওঁলোকৰ বিৰুদ্ধে তথ্য-প্রমাণসহ অভিযোগ কৰি এক দায়বদ্ধ নাগৰিকৰ দায়িত্ব পালনৰ বাবেও শিক্ষার্থীসকলক আৰক্ষী বিষয়াগৰাকীয়ে আহ্বান জনায়। আনহাতে পথ সুৰক্ষা কর্মী তথা ডিব্রুগড় জিলা পথ সুৰক্ষা সমিতিৰ সদস্য ৰতন হাজৰিকাই কয় যে দেশত যিমান পথ দুর্ঘটনা সংঘটিত হয় তাতকৈ অধিক মানুহ চিৰদিনৰ বাবে ঘুণীয়া হয়। বিগত আঠ বছৰত দেশত ৩২ লাখৰো অধিক লোক পথ দুর্ঘটনাত ঘুণীয়া হৈছে; যাৰ বাবে দেশখন ঘুণীয়া লোকেৰে ভৰি পৰিছে। এয়া দেশৰ বাবে কেতিয়াও ভাল নহয় বুলি উল্লেখ কৰি কয় যে ডিব্রুগড় জিলাখনত বিগত তিনি বছৰত ৭৫ হেজাৰ যান-বাহন পঞ্জীয়ন হৈছে যদিও সেইমতে পথ বহুল হোৱা নাই। সেয়ে যান-বাহন চলাওঁতে সাৱধান হোৱা অত্যন্ত প্রয়োজন। আনহাতে সমগ্র দেশত প্রতি বছৰে দুচকীয়া বাহনৰ পৰাহে অধিক (প্রায় ৪৫ শতাংশ) পথ দুর্ঘটনা সংঘটিত হোৱা বুলিও তেওঁ দোহাৰে। সভাত ডিব্রুগড় আৰ টি অ'ৰ পথ সুৰক্ষা উপদেষ্টা কাবেৰী বৰুৱায়ো পথ সুৰক্ষা সম্পর্কত বক্তব্য আগবঢ়ায়। সভাত শিক্ষা প্রতিষ্ঠানটিৰ ১৫গৰাকীৰো অধিক শিক্ষক-শিক্ষয়িত্রীৰ লগতে প্রথম আৰু তৃতীয় চেমিষ্টাৰৰ দ্বি-শতাধিক শিক্ষার্থী উপস্থিত থাকে।

মাহমৰাৰ লাইচেঙত গীত-মাতেৰে ‘বিয়লিৰ আড্ডা’

দৈনিক অসমৰ প্রতিনিধি
মাহমৰা, ১৪ নৱেম্বৰ ঃ মাহমৰাৰ দিচাং পানী লাইচেং গাঁৱৰ সাংস্কৃতিক কর্মী তুলতুল ফুকনৰ চ'ৰা ঘৰত ১১ নৱেম্বৰত ‘বিয়লিৰ আড্ডা’ শীর্ষক এক গাম্ভীর্যপূর্ণ অনুষ্ঠান সম্পন্ন হৈ যায়। অঞ্চলটোৰ প্রায় একুৰি সাহিত্য, সংস্কৃতি আৰু শিক্ষাৰ সৈতে জড়িত লোকৰ উপস্থিতিত অনুষ্ঠানটিৰ আঁত ধৰে তীর্থ ফুকন স্মৃতি সংৰক্ষণ সমতিৰ সভাপতি তথা কবি ভৰ বৰুৱাই। আড্ডাত ‘অসমীয়া লোককৃষ্টি ঃ অসমীয়া লোককৃষ্টিলৈ তীর্থ ফুকনৰ অৱদান আৰু আমাৰ কৰণীয়’ শীর্ষক বিষয়ত গিৰীণ মহন, নৰেন্দ্র নাথ মহন, বীৰেন বৰুৱা,অজিত ফুকন,কিৰণ ফুকনকে ধৰি অঞ্চলটোৰ বিভিন্ন দিশৰ অভিজ্ঞ ব্যক্তিয়ে মতামত দাঙি ধৰাৰ লগতে তীর্থ ফুকন স্মৃতি সংৰক্ষণ সমিতিয়ে। সাহিত্য অকাডেমি বঁটাপ্রাপক লোকসংস্কৃতিৰ সাধক, গৱেষক তীর্থ ফুকনৰ মৃত্যুৰ দিনটো এই বর্ষৰ পৰা ‘লোককৃষ্টি দিৱস’ৰূপে পালন কৰিবলৈ লোৱা সিদ্ধান্তৰ বাবে স্মৃতি সংৰক্ষণ সমিতিখনৰ শলাগ লয়। আনহাতে উক্ত আড্ডাই প্রয়াত তীর্থ ফুকনৰ সৃষ্টিৰাজিৰ উদ্ধাৰ আৰু প্রচাৰৰ লগতে নিজ নিজ লোককৃষ্টিসমূহ উদ্ধাৰ লগতে প্রচাৰ প্রতিও গুৰুত্ব আৰোপ কৰে। আড্ডাত ললিত বৰুৱাই নাহৰৰ গীত, শোভন ফুকনে ধন-পচতুলা গীত, লোহিত মহন ফুকনে বনগীত, দৌলত ফুকনে চোকৰা নাচৰ গীত, ফুনু মহনে বিহুগীত আৰু ৰোহিণী বৰুৱাৰ নিচুকনি গীত পৰিৰেশন কৰি আড্ডাৰ পৰিৰেশ জীপাল কৰি তোলে।

চাৰিঙত মুকলি ‘কৃষক বজাৰ’

আর্থিক বিকাশৰ পদক্ষেপ



দৈনিক অসমৰ প্রতিনিধি
জাঁজী, ১৪ নৱেম্বৰ ঃ শিৰসাগৰ জিলাৰ গৌৰীসাগৰ থানাৰ অন্তর্গত চাৰিং দুৱৰাপাৰ তিনিআলিত স্থানীয় ৰাইজৰ সুবিধার্থে কালি এখন সাপ্তাহিক ‘কৃষক বজাৰ’ মুকলি কৰা হয়। দুৱৰাপাৰ তিনিআলি ব্যৱসায়ী সন্থাৰ উদ্যোগত ৰাষ্ট্রীয় ঘাইপথৰ কাষত স্থাপন কৰা বজাৰখন স্থানীয় ৰাইজৰ উপস্থিতিত আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। গ্রামাঞ্চলৰ কৃষক, ক্ষুদ্র ব্যৱসায়ী তথা সাধাৰণ ৰাইজৰ আর্থিক আৰু ব্যৱসায়িক উন্নয়নৰ লক্ষ্যৰে এই বজাৰখন আৰম্ভ কৰা হৈছে। বিশেষকৈ অঞ্চলটোৰ কৃষকসকলে নিজৰ বাৰীত উৎপাদন কৰা বিভিন্ন প্রকাৰৰ শাক-পাচলি, কৃষিজাত সামগ্রী আৰু ঘৰুৱাভাৱে প্রস্তুত কৰা সামগ্রীসমূহ সপ্তাহৰ নির্দিষ্ট দিনটোত এই বজাৰত বিক্রী কৰি উপকৃত হ'ব পাৰিব। ইয়াৰ ফলত কৃষকসকলে উৎপাদিত সামগ্রীৰ উচিত বজাৰ লাভ কৰাৰ লগতে স্থানীয়ভাৱে এক সুস্থ ব্যৱসায়িক পৰিৰেশ গঢ় লৈ উঠিব বুলি আশা প্রকাশ কৰা হৈছে। উল্লেখযোগ্য যে অঞ্চলটোৰ পৰা আন বজাৰসমূহৰ দূৰত্ব অধিক হোৱা বাবে দৈনন্দিন বজাৰ-সমাৰ কৰাৰ ক্ষেত্রত স্থানীয় ৰাইজে দীর্ঘদিন ধৰি বিভিন্ন অসুবিধাৰ সন্মুখীন হৈ আহিছিল। বিশেষকৈ মঙলবাৰৰ দিনটোত বৃহত্তৰ গৌৰীসাগৰ অঞ্চলত বজাৰ বহাৰ বাহিৰে আন দিনত বজাৰ কৰাৰ ক্ষেত্রত ৰাইজৰ সুবিধা সীমিত আছিল। এনে অসুবিধাৰ প্রতি লক্ষ্য ৰাখি স্থানীয় ৰাইজৰ সুবিধার্থে এই সাপ্তাহিক বজাৰখন আৰম্ভ কৰাৰ সিদ্ধান্ত গ্রহণ কৰা হয় বুলি বজাৰখনৰ সৈতে জড়িত বিষয়ৱবীয়াসকলে জানিবলৈ দিয়ে। এই বজাৰখনে কেৱল কৃষক আৰু ক্ষুদ্র ব্যৱসায়ীসকলৰ উৎপাদিত সামগ্রী বিক্রীৰ এখন মঞ্চ হিচাপেই নহয়, অঞ্চলটোৰ গ্রাম্য অর্থনীতিৰ বিকাশৰ ক্ষেত্রতো বিশেষ ভূমিকা গ্রহণ কৰিব বুলি স্থানীয় ৰাইজে আশা প্রকাশ কৰিছে।

১৮ নৱেম্বৰত লাহদৈগড়ত আর্যভট্ট বিজ্ঞান কেন্দ্রৰ বার্ষিক সমাৰোহ

দৈনিক অসমৰ প্রতিনিধি
টীয়ক, ১৪ নৱেম্বৰ ঃ আর্যভট্ট বিজ্ঞান কেন্দ্র, মধ্য যোৰহাট খণ্ডৰ উদ্যোগত ১৮ নৱেম্বৰত লাহদৈগড়ৰ শ্রী শংকৰদেৱ মজলীয়া বিদ্যালয়ত বার্ষিক বিজ্ঞান সমাৰোহ অনুষ্ঠিত কৰিবলৈ যো-জা কৰিছে। এই সমাৰোহত ষষ্ঠৰ পৰা দশম শ্রেণীৰ ছাত্র-ছাত্রীৰ মাজত বিজ্ঞান মডেল, আকস্মিক বক্তৃতা, আইডিয়া আৰু পোষ্টাৰ ড্রয়িং প্রতিযোগিতা অনুষ্ঠিত কৰা হ'ব। মধ্য যোৰহাট শিক্ষা খণ্ডৰ অন্তর্গত বিদ্যালয়সমূহৰ ছাত্র-ছাত্রীৰ মাজত হ'বলগীয়া এই প্রতিযোগিতাত অংশগ্রহণৰ বাবে সমন্বয়ক হেমেন কুমাৰ শইকীয়া, ৭৮৯৬৬-৩০১০৮ আৰু সৌৰভ বৰাৰ ৬০০১৫-৯৪১৯৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। আর্যভট্ট বিজ্ঞান কেন্দ্রৰ সভাপতি প্রবীণ বৰুৱাই পুৱা পতাকা উত্তোলন কৰাৰ পাছতে প্রতিযোগিতা উদ্বোধন কৰিব বিদ্যালয়ৰ প্রধান শিক্ষক পৰমেশ্বৰ কৃষ্ণত্রেয়ই। সমাৰোহত মূল বক্তৃতা প্রদান কৰিব বাহনা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা আদিত্য এল-ৰ অভিযানৰ বিজ্ঞানী ডঃ ঐশ্বন্যা শর্মাই। সমাৰোহৰ সামৰণী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে প্রিন্স অব ৰেলছৰ অৱসৰপ্রাপ্ত অধ্যাপক, লেখিকা ডঃ দীপালী খাৰঘৰীয়া কলিতা আৰু আর্যভট্ট বিজ্ঞান কেন্দ্রৰ যোৰহাট জিলাৰ সমন্বয়ক ধীৰেন্দ্র কুমাৰ গগৈয়ে অংশগ্রহণ কৰিব।

লেটেকুপুখুৰীত সদৌ অসম গ্রাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ অধিৱেশনৰ প্রস্তুতি

২-৩ ডিচেম্বৰত বিস্তৃত কার্যসূচী



দৈনিক অসমৰ প্রতিনিধি
নাৰায়ণপুৰ, ১৪ নৱেম্বৰ ঃ ২ আৰু ৩ ডিচেম্বৰত দুদিনীয়া কার্যসূচীৰে নাৰায়ণপুৰৰ মহাপুৰুষ শ্রীশ্রী মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰীত অনুষ্ঠিত হ'ব সদৌ অসম গ্রাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ নৱম কেন্দ্রীয় দ্বি-বার্ষিক অধিৱেশন। কালি নাৰায়ণপুৰ প্রেছক্লাবত কেন্দ্রীয় সমিতি, লখিমপুৰ জিলা সমিতি আৰু উদ্‌যাপন সমিতিয়ে এখন সংবাদমেল সম্বোধন কৰি অধিৱেশন উপলক্ষে প্রকাশ কৰি উলিওৱা কার্যসূচীৰ বিষয়ে অৱগত কৰে। কার্যসূচীৰ প্রথম দিনা প্রতিনিধিৰ নাম পঞ্জীয়ন, প্রতিনিধি শিবিৰ মুকলি, ৰাজ্যিক কার্যনির্বাহক সভা আৰু প্রতিনিধি সভা অনুষ্ঠিত হ'ব। ৰাজ্যৰ ২৭খন জিলাৰ মুঠ ৫০০গৰাকী প্রতিনিধি সভাত উপস্থিত থাকিব। দ্বিতীয় দিনাৰ কার্যসূচী অনুসৰি পুৱা বন্তি প্রজ্বলন,পতাকা উত্তোলন,স্মৃতি তর্পণ, গছপুলি ৰোপণ আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হোৱাৰ পাছতে বিয়লি মূল সভা আৰু সম্বর্দ্ধনা সভাখন অনুষ্ঠিত হ'ব। ৫ হাজাৰ লোকৰ সমাৰেশ ঘটিবলগীয়া মূল সভাখনত উপস্থিত থাকিব স্বাস্থ্য মন্ত্রী অশোক সিংহল, বিত্ত মন্ত্রী জয়ন্তমল্ল বৰুৱা, ঔষধ নিয়ন্ত্রক বিশ্বজিৎ তালুকদাৰৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। সভাত এখন স্মৃতিগ্রন্থ উন্মোচন কৰা হ'ব। সম্বর্দ্ধনা অনুষ্ঠানত কেইবাগৰাকী ব্যক্তিক সম্বর্দ্ধনা জ্ঞাপন কৰিব বুলি জানিবলৈ দিয়ে। ৰাজ্যৰ ভিন্ন প্রান্তৰ পৰা আহিবলগা ৫ হাজাৰ অতিথিক আদৰিবলৈ এখন আদৰণী সমিতিও গঠন কৰা হৈছে।

মৰাণৰ যুৱ লেখক গৌতম চেতিয়াৰ শিশুগ্রন্থ উন্মোচন

দৈনিক অসমৰ প্রতিনিধি
মৰাণ, ১৪ নৱেম্বৰ ঃ শাৰীৰিক বাধাগ্রস্ততাকো নেওচি আর্চাৰী ক্রীড়াৰ জৰিয়তে আন্তঃৰাষ্ট্রীয় পর্যায়ত দেশলৈ সুনাম কঢ়িয়াই অনা শীতল দেৱীৰ কঠোৰ জীৱন সংগ্রামক আধাৰ হিচাপে লৈ মৰাণৰ উদীয়মান লেখক গৌতম চেতিয়াই ৰচনা কৰা এখন শিশুগ্রন্থ কালি উন্মোচন কৰা হয়। ‘ময়ো পাৰিম জগত জিনিব’ শীর্ষক গ্রন্থখন ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্রৰ অধ্যাপক ডঃ মৃণাল কুমাৰ ৰৰুৱাই আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অসম যুৱ-ছাত্র পৰিষদৰ মৰাণ আঞ্চলিক সমিতিৰ কার্যালয়ত অনুষ্ঠিত গ্রন্থ উন্মোচনী সভাত ভাষণ প্রদান কৰি ডঃ ৰৰুৱাই কয় যে গ্রন্থৰ কলেৱৰ অথবা লেখকৰ সুখ্যাতিয়ে এখন গ্রন্থৰ মান নির্দ্ধাৰণ নকৰে। আকাৰত সৰু হ'লেও এগৰাকী শাৰীৰিকভাৱে বাধাগ্রস্ত খেলুৱৈৰ দুৰন্ত সাহস, অধ্যৱসায় আৰু জীৱন সংগ্রামক শিশুৰ উপযোগীকৈ তুলি ধৰা গৌতম চেতিয়াৰ এই গ্রন্থখনে নতুন প্রজন্মক জীৱনত আগবাঢ়ি যাবলৈ অনুপ্রেৰণা যোগাব বুলি তেওঁ আশা প্রকাশ কৰে। সমাজৰ বাস্তৱ ছবিৰে সমৃদ্ধ এনে গ্রন্থই সমাজত ইতিবাচক প্রভাৱ পেলাব পাৰে বুলিও তেওঁ মন্তব্য কৰে। উন্মোচনী সভাত কবি সতীশ চুতীয়া, চিত্রশিল্পী দেৱব্রত মহন্ত, অসম হাস্য-ব্যংগ সম্মিলনৰ সম্পাদক অনন্ত কৃষ্ণ মহন্ত, কবি সঞ্জীৱ কৈৰী, নৱনীতা লেখাৰু, লেখিকা জুৰি ৰাজখোৱা গগৈ, মণ্টু কুমাৰ বৰা, শিক্ষক ৰূপজ্যোতি বৰগোহাঞি আৰু সাংবাদিক অণিমা চেতিয়াকে ধৰি কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্রহণ কৰি লেখকক শুভেচ্ছা জ্ঞাপন কৰে।

গহপুৰত হাইস্কুল শিক্ষক সংস্থাৰ অধিৱেশনৰ প্রস্তুতি

দৈনিক অসমৰ প্রতিনিধি
গহপুৰ, ১৪ নৱেম্বৰ ঃ অসম

জাতি আধাৰিত পিয়লক লৈ ক্ষোভ

এইবাৰ দিল্লী কঁপাবলৈ সাজু দেশৰ অ'বিচি সংগঠন



নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ দেশৰ ৰাজধানী দিল্লীত পুনৰ আৰম্ভ হ'ব বৃহৎ প্ৰতিবাদী কাৰ্যসূচী। এই বাৰ ৰাজনৈতিক দল তথা ককৰোচ জনতা পাৰ্টী (চিজেপি)ৰ পৰিৱৰ্তে প্ৰতিবাদেৰে দিল্লী কঁপোৱাৰ প্ৰস্তুতি চলাইছে অ'বিচি সংগঠনসমূহে। অল ইণ্ডিয়া কাষ্ট চেনছাছ কো-অৰ্ডিনেচন কমিটীয়ে ৰামলীলা ময়দানত অহা ২৮ নৱেম্বৰত বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। দেশৰ অন্যান্য পিছপৰা শ্ৰেণী (অ'বিচি)ৰ সংগঠনসমূহৰ এই ঐক্যমঞ্চই অভিযোগ কৰিছে যে কেন্দ্ৰীয় চৰকাৰে জাতি আধাৰিত পিয়ল ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ চলাইছে। সংগঠনটোৱে ২০২৭ বৰ্ষৰ জাতি আধাৰিত পিয়লৰ বাবে নিৰ্দ্ধাৰণ কৰা প্ৰশ্নসমূহত পৰিৱৰ্তন অনাৰ দাবী জনাইছে। অ'বিচি সংগঠনসমূহৰ মতে, জাতি আধাৰিত পিয়লৰ বাবে যিবোৰ প্ৰশ্ন নিৰ্দ্ধাৰণ কৰা হৈছে তাৰ জৰিয়তে সঠিকভাৱে অন্যান্য পিছপৰা জাতিৰ লোকৰ গণনা নহ'ব। অহা ১ ডিচেম্বৰৰ পৰা দেশত দ্বিতীয় পৰ্যায়ৰ লোকপিলয়ৰ কাম আৰম্ভ হ'ব। তাৰ পূৰ্বে নিজৰ দাবীৰ সমৰ্থনত ৰামলীলা ময়দানত বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণেৰে দিল্লী কঁপাব অ'বিচি সংগঠনসমূহে।

সুৰক্ষিতভাৱে দেশলৈ ঘূৰাই নিয়াৰ দায়িত্ব ল'ব লাগিব বাংলাদেশ সেনাই

হাছিনাৰ প্ৰত্যাৱৰ্তন, বাংলাদেশক দুটা চৰ্ত ভাৰতৰ

নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ শাসনৰ পৰা অপসাৰিত হোৱাৰ পাছত বিগত প্ৰায় দুবছৰে ভাৰততে শৰণ লৈ থকা বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰেখ হাছিনাৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন সন্দৰ্ভত এইবাৰ স্থিতি স্পষ্ট কৰিছে কেন্দ্ৰীয় চৰকাৰে। অলপতে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে স্বভূমি বাংলাদেশলৈ উভতি যাবলৈ ইচ্ছা ব্যক্ত কৰিছে। কিছুদিন পূৰ্বে নেত্ৰীগৰাকীয়ে ডিচেম্বৰত নিজ দেশলৈ উভতিব বুলি ব্যক্ত কৰিছে। ইয়াৰ বাবে পাছপ'ৰ্ট আৰু নাগৰিকৰ পৰিচয়-পত্ৰ বিচাৰি বাংলাদেশৰ দূতাৱাসবে যোগাযোগ কৰিছে শ্ৰেখ হাছিনাৰ প্ৰতিনিধিয়ে। তাৰ মাজতে বিবিচিৰ এখন প্ৰতিবেদনত প্ৰকাশ পোৱা মতে শেহতীয়াকৈ ভাৰত চৰকাৰেও বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক স্বদেশলৈ ওভতাই পঠিয়াব বিচাৰিছে। এইক্ষেত্ৰত বাংলাদেশৰ প্ৰধানমন্ত্ৰী তাৰিক বহমান নেতৃত্বাধীন চৰকাৰৰ ওচৰত ভাৰত চৰকাৰে দুটা বিশেষ চৰ্ত ৰখা বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ চৰ্ত দুটা বাংলাদেশ চৰকাৰে মানি ল'লে শীঘ্ৰে শ্ৰেখ হাছিনা স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিব পাৰে। প্ৰতিবেদনখনত প্ৰকাশ পোৱা মতে ভাৰত চৰকাৰে শ্ৰেখ হাছিনাক স্বদেশলৈ ওভতাই নিয়াৰ বাবে বাংলাদেশ সেনাৰ বিমান প্ৰেৰণ কৰাটো বিচাৰিছে। কিয়নো, নেত্ৰীগৰাকীয়ে ২০২৪ চনৰ ৫ আগষ্টত বাংলাদেশ বায়ুসেনাৰ বিমানেৰে ভাৰতলৈ আহিছিল। এই প্ৰস্তাৱৰ লগতে কেন্দ্ৰীয় চৰকাৰে বাংলাদেশক আৰু দুটা চৰ্ত দিছে। প্ৰথম চৰ্তটো হ'ল, বাংলাদেশৰ সেনাই দেশখনত সৰ্বাধিক সময় শাসনত থকা নেত্ৰী শ্ৰেখ হাছিনাক ওভতাই নিয়াৰ দায়িত্ব ল'ব লাগিব। নেত্ৰীগৰাকীক প্ৰত্যাৱৰ্তনৰ বাবে ব্যৱহাৰ কৰিব লাগিব



সামৰিক বিমান। দ্বিতীয়তে, বাংলাদেশৰ আদালতে দিয়া মৃত্যুদণ্ডৰ ৰায়ক প্ৰত্যাহ্বান জনাবলৈ সুযোগ প্ৰদানৰ নিশ্চয়তা দিব লাগিব দেশখনৰ চৰকাৰে। ২০২৪ চনৰ জুলাইত বাংলাদেশত হোৱা গণবিদ্ৰোহ দমনৰ বাবে চৰকাৰী বাহিনীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা সম্পৰ্কীয় গোচৰত দেশখনৰ এখন বিশেষ আদালতে শ্ৰেখ হাছিনাক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰ ৰায় দিছিল। সেই বছৰৰে ৫ আগষ্টত ভাৰতলৈ পলাই আহি বিগত প্ৰায় দুবছৰ আশ্ৰয় লৈ থকাটো কেন্দ্ৰীয় চৰকাৰৰ বাবে এক অস্বস্তিকৰ বিষয় হৈ পৰিছে। ইয়াৰ ফলত ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক সম্পৰ্কও প্ৰভাৱিত হৈছে। লগতে আন্তঃৰাষ্ট্ৰীয় স্তৰতো বিষয়টোক লৈ আলোচনা-সমালোচনা অব্যাহত আছে। বিবিচিৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে ভাৰতৰ প্ৰথম পছন্দ হৈছে শ্ৰেখ হাছিনাই অন্য কোনো দেশলৈ গৈ আশ্ৰয় লোৱা। কিন্তু সেয়াও সম্ভৱ হৈনুঠাত এতিয়া নেত্ৰীগৰাকীয়ে স্বদেশলৈ ওভতাৰ বাবে লোৱা সিদ্ধান্তত সহমত হৈছে। কিন্তু এইক্ষেত্ৰত শ্ৰেখ হাছিনাৰ সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে বাংলাদেশক দিছে দুটা চৰ্ত।

■ পাকিস্তানৰ সেনাপ্ৰধানৰে কাৰাৰুদ্ধ ইমৰান খানৰ গোপন বুজাবুজিৰ চৰ্চা ■

আছিম মুনীৰৰ নিয়ন্ত্ৰণলৈ যাব পাকিস্তানৰ ৰাজনীতি

ইছলামাবাদ, ১৪ নৱেম্বৰ ঃ এটা খবৰক লৈ তোলপাৰ লাগিছে পাকিস্তানৰ ৰাজনীতিত। সেই খবৰ অনুসৰি পাকিস্তানৰ ৰাজনৈতিক ব্যৱস্থাটো নিজৰ হাতৰ মুঠিত ল'বলৈ প্ৰস্তুতি চলাইছে দেশখনৰ সেনাপ্ৰধান আছিম মুনীৰে। নিজৰ এই লক্ষ্য আহৰণৰ বাবে মুনীৰে সহায় ল'ব কাৰাবন্দী হৈ থকা দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ। আছিম মুনীৰৰে হোৱা বুজাবুজিৰ ভিত্তিত কাৰাগাৰৰ পৰা মুক্ত হ'ব ইমৰান খান। এই খবৰক লৈ পাকিস্তানত ব্যাপক উৎকণ্ঠাৰ সৃষ্টি হৈছে। কিয়নো, দেশখনত সকলো সম্ভৱ। খবৰ অনুসৰি আছিম মুনীৰ আৰু ইমৰান খানৰ মাজত শীঘ্ৰে এক গোপন বুজাবুজি হ'ব। সেই বুজাবুজি অনুসৰি আছিম মুনীৰৰ ২৮ সংখ্যক সংবিধান



সংশোধনৰ প্ৰস্তাৱত ইমৰান খানে সমৰ্থন দিব। এই সংবিধান সংশোধনীৰ জৰিয়তে পাকিস্তানৰ চাৰিটা প্ৰান্তক খণ্ড-বিখণ্ড কৰি ১২টা ভাগত বিভাজন কৰাৰ পথ প্ৰশস্ত হ'ব। লগতে পাকিস্তানত চৰকাৰ চলোৱাৰ সকলো ক্ষমতা প্ৰধানমন্ত্ৰীৰ পৰিৱৰ্তে ৰাষ্ট্ৰপতিৰ অধীনলৈ যাব। যি ১২টা ক্ষুদ্ৰ-প্ৰান্ত গঠন হ'ব তাৰ ক্ষমতাও মুখ্যমন্ত্ৰীৰ পৰিৱৰ্তে মুখ্য প্ৰশাসক বা মেয়ৰৰ হাতত থাকিব। তেওঁলোকে পোনপটীয়াকৈ ৰাষ্ট্ৰপতিক নিজৰ নিজৰ প্ৰান্তৰ তথ্যসমূহ দি থাকিব। ইয়াৰ জৰিয়তে আছিম মুনীৰে পাকিস্তানত ভাৰতৰ দৰে সংসদীয় ব্যৱস্থাৰ অৱসান ঘটাই আমেৰিকাৰ দৰে ৰাষ্ট্ৰপতিপ্ৰধান ব্যৱস্থা কাৰ্যকৰী কৰাৰ পৰিকল্পনা কৰিছে। এই পৰিকল্পনাত সফল হ'বলৈ মুনীৰে দেশৰ সংবিধান সংশোধন কৰিব লাগিব। ইয়াৰ বাবে সংসদত দুই-তৃতীয়াংশ সদস্যৰ সমৰ্থনৰ প্ৰয়োজন হ'ব। কিন্তু ইমৰান খানৰ সহযোগ অবিহনে উদ্দেশ্যত সফল হ'ব নোৱাৰে আছিম মুনীৰ। যাৰ বাবে মুনীৰে ইমৰান খানৰ ফালে বন্ধুত্বৰ হাত আগবঢ়াইছে। খবৰ অনুসৰি ইতিমধ্যে এই সন্দৰ্ভত ইমৰান খানৰ অধিবক্তাসকলৰ সৈতে মুনীৰৰ এখন গোপন বৈঠক সম্পন্ন হৈছে। বৈঠকৰ পাছত মুনীৰৰ বাৰ্তা লৈ অধিবক্তাসকলে আদিয়ালা কাৰাগাৰত বন্দী হৈ থকা ইমৰান খানক সাক্ষাৎ কৰিছে। দুয়ো পক্ষৰ মাজত প্ৰায় চাৰি ঘণ্টা আলোচনা হৈছে। লক্ষণীয়ভাৱে সেই আলোচনাৰ পাছতে কাৰাগাৰত থকা ইমৰান খানৰ দুয়োগৰাকী ভগ্নীক মুকলি কৰি দিয়া হৈছে। পাকিস্তানৰ সংবাদ মাধ্যমেও দাবী কৰিছে যে দেশত শীঘ্ৰে এক বৃহৎ পৰিৱৰ্তন আহিব আৰু তাৰ পটভূমি আদিয়ালা কাৰাগাৰত লিখি থকা হৈছে। ইয়াৰ পাছত দেশখনত আৰম্ভ হৈছে নতুন জল্পনা-কল্পনা।

আমেৰিকাত ৪ ঘণ্টা ধৰি বন্ধ হ'ল বিমানৰ উৰণ



ৰাশ্বিংটন, ১৪ নৱেম্বৰ ঃ আমেৰিকাৰ বিমান পৰিবহণ ব্যৱস্থাত দেখা দিয়া গুৰুতৰ কাৰিকৰী বিজুতিৰ ফলত দেশজুৰি সৃষ্টি হয় অভূতপূৰ্ব পৰিস্থিতিৰ। এই কাৰিকৰী বিজুতিৰ বাবে প্ৰায় ৪ ঘণ্টা ধৰি আমেৰিকাৰ সকলো বিমানৰ উৰণ বন্ধ ৰাখিবলগীয়া হয়। বিমান পৰিচালনাৰ নিয়ন্ত্ৰণ আৰু যোগাযোগ ব্যৱস্থাত সৃষ্টি হৈছিল এই সমস্যাৰ। যাৰ বাবে যাত্ৰীৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকাৰ ফেডাৰেল এভিয়েচন এডমিনিষ্ট্ৰেচনে দেশখনৰ সকলো বিমানবন্দৰৰ পৰা বিমানৰ উৰণ বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে। শুকুৰবাৰে স্থানীয় সময় অনুসৰি বিয়লি প্ৰায় ৩.৫৪ বজাত এই জৰুৰী নিৰ্দেশ জাৰি কৰা হৈছিল। সেই সময়ত আকাশত উৰি আছিল প্ৰায় ৩,৫০০খন বিমান। ইফালে এই নিৰ্দেশনা লাভ কৰাৰ পাছতে বিমানসমূহৰ উৰণ তাৎক্ষণিকভাৱে স্থগিত ৰখা হয়। যাৰ বাবে ১১ হাজাৰ বিমানৰ উৰণৰ সূচীত খেলিমেলি হোৱাৰ লগতে প্ৰায় ৫,০০০ বিমানৰ উৰণ বাতিল কৰিবলগীয়া হয়। উল্লেখ্য যে ৯/১১ আক্ৰমণৰ পাছত প্ৰথমবাৰৰ বাবে এনেদৰে আমেৰিকাত দেশজুৰি বিমানৰ উৰণত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। ইফালে মাৰ্কিন প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি দেশখনৰ পুৰণি বিমান নিয়ন্ত্ৰণ ব্যৱস্থাই হ'ল এই বেমেজালিৰ মূল কাৰণ। দেশখনৰ পুৰণি বিমান নিয়ন্ত্ৰণ ব্যৱস্থাৰ ছুইচ আৰু ৰাউটাৰসমূহত অত্যধিক তথ্যৰ চাপ পৰাৰ ফলত ৰাডাৰ আৰু যোগাযোগ ব্যৱস্থা প্ৰায় অকামিলা হৈ পৰিছিল। যাৰ বাবে বিমানৰ উৰণ বা অৱতৰণৰ ক্ষেত্ৰত সৃষ্টি হৈছিল বেমেজালিৰ। ইফালে এনেদৰে হঠাতে বিমানৰ উৰণ স্থগিত ৰখাৰ ফলত দেশখনত হাজাৰ হাজাৰ যাত্ৰীৰ মাজত সৃষ্টি হয় অবৰ্ণনীয় পৰিস্থিতিৰ। অৱশ্যে ইয়াৰ মাজতে আমেৰিকাৰ গৃহ নিৰাপত্তা সচিব মাৰ্ক অ'ৰেনে স্পষ্ট কৰি দিছে যে এই ঘটনাৰ আঁৰত কোনো চাইবাৰ আক্ৰমণ নাই।

প | ল | ক | তে



৮০ বছৰৰ পাছত একেলগে বিশ্বৰ তিনি শক্তিশালী দেশৰ নেতাৰ বৈঠক

ৰাশ্বিংটন ঃ অহা ১৯ নৱেম্বৰত চীনত এক ত্ৰিপাক্ষিক বৈঠকত মিলিত হ'ব আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ৰুছিয়াৰ ৰাষ্ট্ৰপতি পুটিন আৰু চীনৰ ৰাষ্ট্ৰপতি জিনপিং। চীনত অনুষ্ঠিত হ'বলগীয়া এছিয়া-প্ৰশান্ত মহাসাগৰীয় সহযোগিতা সংস্থাৰ শীৰ্ষ সম্মিলনৰ মাজতে এই বৈঠক অনুষ্ঠিত হ'ব। বৈঠকৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় হ'ব বিশ্বৰ পাৰমাণৰিক অস্ত্ৰভাণ্ডাৰ হ্ৰাস কৰা আৰু পাৰমাণৰিক অস্ত্ৰ নিয়ন্ত্ৰণৰ নতুন ব্যৱস্থা গঢ়ি তোলা। উল্লেখ্য যে বিশ্বৰ ৰাজনীতিত সুদীৰ্ঘ ৮০ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে এনে তিনি শক্তিশালী ৰাষ্ট্ৰনেতা ত্ৰিপাক্ষিক বৈঠকত মিলিত হ'ব।

প্ৰায় চূড়ান্ত হৈছে ভাৰত-মাৰ্কিন বাণিজ্যিক চুক্তি

নতুন দিল্লী ঃ ভাৰত আৰু আমেৰিকাৰ মাজত দীৰ্ঘদিন চলি থকা দ্বিপাক্ষিক বাণিজ্যিক চুক্তি চূড়ান্ত হোৱাৰ দিশে আগবাঢ়িছে। এই কথা শনিবাৰে প্ৰকাশ কৰিছে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে। তেওঁ কয় যে চুক্তিখনৰ যিকেইটা বিষয়ত দুয়োখন দেশৰ মাজত কিছু মতানৈক্য আছিল সেয়া এতিয়া নিষ্পত্তি কৰা হৈছে। এতিয়াও দুই-এটা দিশ আৰু অধিক স্পষ্ট হোৱাৰ প্ৰয়োজন। সেয়ে অতি সোনকালে এই বহুচৰ্চিত দ্বিপাক্ষিক বাণিজ্যিক চুক্তি সম্পাদন হ'ব।

ৰুছিয়াৰ সৈতে বৃহৎ বন্দী বিনিময়ৰ আশা, প্ৰায় ১,৩০০ বন্দীক কৰিব মুকলি

কীভ ঃ ৰুছিয়া আৰু ইউক্ৰেইনৰ মাজত সংঘাত অব্যাহত থাকিলেও তাৰ মাজতে দুয়োখন দেশে যুদ্ধবন্দী বিনিময়ৰ আলোচনা আগবঢ়াই ছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কীয়ে শনিবাৰে এই কথা প্ৰকাশ কৰে। যদিহে যুদ্ধবন্দী বিনিময়ৰ এই আলোচনা সফল হয়, তেন্তে প্ৰায় ১,৩০০ যুদ্ধবন্দীক দুয়োখন দেশে মোকলাই দিব। প্ৰথম অৱস্থাত এহাজাৰজনকৈ বন্দী বিনিময়ৰ প্ৰস্তাৱ উত্থাপন হৈছিল। পৰৱৰ্তী সময়ত এই সংখ্যা ১,৩০০লৈ বৃদ্ধি কৰা হৈছে।

জয়া বচ্চনৰ নামত সম্পত্তি হস্তান্তৰত বাধা আৰোপ ভাতৃ পত্নীৰ

অমিতাভ বচ্চনৰ বাসগৃহ 'জলসা'ক লৈ পৰিয়ালৰ মাজত বিবাদ

মুম্বাই, ১৪ নৱেম্বৰ ঃ বলীউডৰ মেগাষ্টাৰ অমিতাভ বচ্চনৰ জুহুস্থিত বাসগৃহৰ মালিকীস্বস্তক লৈ বিবাদ আৰম্ভ হৈছে। উল্লেখ্য যে এই বঙলাটো অমিতাভ বচ্চনৰ পৰিয়ালৰ অন্যতম পৰিচিত সম্পত্তি। শেহতীয়াকৈ স্থানীয় হাউছিং ছ'চাইটীৰ নথিত এই ঘৰটো অমিতাভৰ পত্নী জয়া বচ্চনৰ নামত থকা বুলি উল্লেখ কৰা হৈছে। ইয়াৰ পাছতে অমিতাভ বচ্চনৰ ভাতৃ অজিতাভ বচ্চনৰ পত্নী ৰামোলা বচ্চনে এই কথাত তীব্ৰ আপত্তি দৰ্শাই প্ৰত্যাহ্বান জনাইছে যে প্ৰকৃততে ঘৰটো আছে তেওঁৰ নামতহে। তেওঁ উল্লেখ কৰিছে যে এই ঘৰটো প্ৰথমে তেওঁৰ নামত পঞ্জীয়ন কৰা হৈছিল



আৰু পৰৱৰ্তী সময়ত ১৯৯৩ চনত এখন দানপত্ৰৰ জৰিয়তে জয়া বচ্চনলৈ স্থানান্তৰ কৰা হৈছিল। তেওঁ কয় যে উক্ত দানপত্ৰখন সাধাৰণ কাগজত প্ৰস্তুত কৰা হৈছিল আৰু তাত প্ৰয়োজনীয় কোনো চৰকাৰী ষ্টাম্প, শুল্ক আদি দিয়া নাছিল। সেয়ে এনে এখন দানপত্ৰৰ ভিত্তিত জয়া বচ্চনৰ নামত এই বঙলাটো কেনেদৰে পঞ্জীয়ন হ'ল তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে অমিতাভৰ ভাতৃপত্নীয়ে। ইফালে একাংশ সংবাদ মাধ্যমে প্ৰকাশ কৰিছে যে মহাৰাষ্ট্ৰ চৰকাৰৰ প্ৰপাটী কাৰ্ডত এতিয়াও ঘৰটো ৰামোলা বচ্চনৰ নামতে আছে। শেহতীয়াকৈ চৰকাৰী নথিৰ পৰা ৰামোলাৰ নাম আঁতৰাই তাত জয়া বচ্চনৰ নাম অন্তৰ্ভুক্ত কৰিব বিচাৰাৰ পাছতে এই বিতৰ্কই পুনৰ মূৰ দাঙি উঠিছে। বিষয়টো ইতিমধ্যে মুম্বাইৰ আন্ধেৰীস্থিত সমবায় সমিতিৰ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত উঠিছেগৈ।

■ ৭০ নাবালিকাক যৌন শোষণৰ শাস্তি ■

ব্ৰিটেইনত ভাৰতীয় মূলৰ ছাত্ৰক ৩০ বছৰৰ কাৰাদণ্ড



লণ্ডন, ১৪ নৱেম্বৰ ঃ ব্ৰিটেইনত ভাৰতীয় মূলৰ এজন ছাত্ৰক কমেও ৭০গৰাকী নাবালিকাক যৌন শোষণ কৰাৰ অপৰাধত ৩০ বছৰৰ কাৰাদণ্ড বিহা হৈছে। চেষ্টাৰ বিশ্ববিদ্যালয়ত অধ্যয়নৰত ২৭ বছৰীয়া ছাত্ৰ বিলাল কাজীৰ বিৰুদ্ধে শুকুৰবাৰে শাস্তিৰ এই ৰায় দিছে ব্ৰিটেইনৰ এখন আদালতে। অভিযুক্ত বিলালে নাবালিকাৰ অশ্লীল ফটো প্ৰস্তুত, ব্লেকমেইল আৰু নাবালিকাক যৌনকাৰ্যৰে জড়িত হ'বলৈ উচটনি দিয়াকে ধৰি ৭টা অভিযোগ স্বীকাৰ কৰিছে। তথ্য অনুসৰি ২০২১ চনৰ আগষ্টৰ পৰা ২০২৫ চনৰ আগষ্টলৈ বিলালে স্নেপছেট, ৱোৱাক্স আৰু উইংকৰ দৰে সামাজিক মাধ্যম আৰু গেমিং প্লেটফৰ্ম ব্যৱহাৰ কৰি ১০ৰ পৰা ১৭ বছৰ বয়সৰ কিশোৰীক জালত পেলাইছিল। সামাজিক মাধ্যমত নিজৰ ভুৱা ফটো ব্যৱহাৰ কৰি বিলালে ১৪ বছৰ বয়সীয়া 'ৱীছ' নামৰ ব্ৰিটিছ কিশোৰ বুলি পৰিচয় দিছিল। অভিযোগ অনুসৰি কোনো কিশোৰী এবাৰ তেওঁৰ সম্পৰ্কলৈ অহাৰ পাছত লাহে লাহে অন্তৰংগ মুহূৰ্তৰ ফটো-ভিডিঅ' বিচাৰিবলৈ ধৰে। এনেদৰে বহু কিশোৰীৰ পৰা বিলালে আপত্তিজনক ফটো আৰু ভিডিঅ' সংগ্ৰহ কৰে। পাছলৈ সেই কিশোৰীসকলৰ পৰা অধিক অশ্লীল ফটো-ভিডিঅ' দাবী কৰিবলৈ লয় বিলালে। দিবলৈ অস্বীকাৰ কৰিলে পূৰ্বে দিয়া ফটো-ভিডিঅ' ৰাজহুৱা কৰাৰ ভাবুকিৰে ব্লেকমেইল কৰে। আনকি একাংশ কিশোৰীৰ ছ'চিয়েল মিডিয়াৰ একাউণ্ট হেক কৰি আপত্তিজনক ফটো সামাজিক মাধ্যমত ৰাজহুৱা কৰাৰো অভিযোগ উঠিছিল বিলালৰ বিৰুদ্ধে। শেষত একাংশ পীড়িত কিশোৰীৰ অভিযোগৰ বাবে আৰক্ষীৰ জালত পৰে বিলাল কাজী নামৰ লম্পটটো।

সামাজিক মাধ্যমত গান্ধী পৰিয়ালক লৈ বিতৰ্কিত মন্তব্য

অভিনেত্ৰী, সাংসদ কংগনা ৰানাৱতৰ বিৰুদ্ধে হিমাচলত গোচৰ

ছিমলা, ১৪ নৱেম্বৰ ঃ সামাজিক মাধ্যমত গান্ধী পৰিয়ালক লৈ বিতৰ্কিত তথা অতি আপত্তিজনক মন্তব্য কৰি গোচৰৰ সন্মুখীন হৈছে বলীউডৰ অভিনেত্ৰী তথা বিজেপি সাংসদ কংগনা ৰানাৱত। উল্লেখ্য যে শেহতীয়াকৈ ছোনিয়া গান্ধীৰ আত্মজীৱনীমূলক গ্ৰন্থখন প্ৰকাশৰ পাছতে কংগনাই ছোনিয়াৰ লগতে গান্ধী পৰিয়ালক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। সামাজিক মাধ্যমত তেওঁ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, তেওঁৰ পুত্ৰ সঞ্জয় গান্ধী আৰু ৰাজীৱ গান্ধীৰ মৃত্যুৰ প্ৰসংগ উত্থাপন কৰাৰ লগতে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীক লৈও আপত্তিজনক মন্তব্য কৰিছিল। ইয়াৰ পাছতে ছিমলাৰ বাসিন্দা, অৱসৰপ্ৰাপ্ত কেপ্টেইন অতুল শৰ্মাই ১২ নৱেম্বৰত এই সন্দৰ্ভত এক অভিযোগ দাখিল কৰে। তেওঁ উল্লেখ কৰে যে কংগনাই নিজৰ পোষ্টত কৰা মন্তব্যই ৰাজনৈতিক সমালোচনাৰ সীমা অতিক্ৰম কৰিছে। এনেধৰণৰ মন্তব্যই সমাজত বিদ্বেষ আৰু উত্তেজনাৰ সৃষ্টি কৰিব পাৰে। অভিযোগৰ ভিত্তিত ছিমলাৰ বয়লগঞ্জ থানাত ভাৰতীয় ন্যায় সংহিতাৰ তিনিটা ধাৰাৰ অধীনত গোচৰটো ৰুজু কৰা হৈছে। ইফালে এই ঘটনাক লৈ বিজেপি আৰু কংগ্ৰেছৰ মাজত সৃষ্টি হৈছে বাক্‌যুদ্ধৰ। হিমাচলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা জয়ৰাম ঠাকুৰে কংগনাৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰটোক লৈ সমালোচনাত মুখৰ হৈ পৰি মন্তব্য কৰিছে যে গণতন্ত্ৰত সকলোৰে মত প্ৰকাশৰ অধিকাৰ আছে। আনহাতে কংগ্ৰেছে মন্তব্য কৰিছে যে সাংসদগৰাকীৰ পৰা অধিক দায়িত্বশীল আচৰণ আশা কৰাটো উচিত।



জৰুৰীভাৱে প্ৰধানমন্ত্ৰী কাৰ্যালয়লৈ তলব টেলিকম সচিবক

উচ্চ ন্যায়ালয়ৰ ভুৱা নিৰ্দেশৰ ভিত্তিত শতাধিক ৱেবছাইট বন্ধ

নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ দুখন ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ নামত ভুৱা নিৰ্দেশ প্ৰস্তুত কৰি তাৰ দ্বাৰা দেশত শতাধিক ৱেবছাইট বন্ধ কৰোৱাৰ দৰে এক আজব ঘটনা সংঘটিত হৈছে ভাৰতত। যাৰ বাবে প্ৰধানমন্ত্ৰী কাৰ্যালয়ে জৰুৰীভাৱে তলব কৰিছে দেশৰ টেলিকম সচিবক। উল্লেখ্য যে যোৱা ২১ জুলাই আৰু ২ ছেপ্টেম্বৰত টেলিকম বিভাগে দেশত চলি থকা ১২৯টা ৱেবছাইট বন্ধ কৰাৰ নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ লগত টেলিকম বিভাগে গাঁঠি দিছিল ৰাজস্থান উচ্চ ন্যায়ালয় আৰু এলাহাবাদ উচ্চ ন্যায়ালয়ৰ দুটা ৰায়। এই ৰায়ৰ ভিত্তিতে টেলিকম বিভাগে এনেদৰে হঠাতে ১২৯টা ৱেবছাইট বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। কিন্তু পৰৱৰ্তী সময়ত এই কথা পোহৰলৈ আহে যে যি দুটা ৰায় টেলিকম বিভাগে নিৰ্দেশৰ সৈতে গাঁঠি দিছিল সেই দুয়োটা ৰায় ভুৱা। অৰ্থাৎ ৰাজস্থান উচ্চ ন্যায়ালয় আৰু এলাহাবাদ উচ্চ ন্যায়ালয়ে এনে কোনো ৰায় প্ৰদান কৰা নাছিল। এই কথা পোহৰলৈ অহাৰ পাছতে টেলিকম বিভাগত হাহাকাৰ লাগে। ইতিমধ্যে টেলিকম বিভাগে ঘটনা সন্দৰ্ভত এক আভ্যন্তৰীণ তদন্ত আৰম্ভ কৰিছে। কোনে এনেদৰে উচ্চ ন্যায়ালয়ৰ দুটাকৈ ভুৱা ৰায় যোগান ধৰি এনে কাৰ্য সংঘটিত কৰিলে সেয়া হৈ পৰিছে এতিয়া চাঞ্চল্যৰ বিষয়। ঘটনাটোৱে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰাৰ সময়তে কেন্দ্ৰীয় টেলিকম দপ্তৰৰ সচিব অমিত আগৰৱালক জৰুৰীকালীনভাৱে প্ৰধানমন্ত্ৰী কাৰ্যালয়ে তলব কৰিছে। বৰ্তমান তেওঁ দিল্লীৰ বাহিৰত আছিল যদিও প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ জৰুৰী তলব লাভ কৰাৰ পাছতে ততাতৈয়াকৈ উভতি আহিছে ৰাজধানীলৈ। শনিবাৰে নিশাৰ ভাগত তেওঁ উপস্থিত হ'ব নতুন দিল্লীস্থ প্ৰধানমন্ত্ৰী কাৰ্যালয়ত।

পাক অধিকৃত কাশ্মীৰত ৮০টা লঞ্চপেড নিৰ্মাণ, ড্ৰোন প্ৰতিৰোধী ব্যৱস্থা সংস্থাপন

আন্তঃৰাষ্ট্ৰীয় সীমান্তৰে ভাৰতলৈ সন্ত্ৰাসবাদীৰ দল প্ৰেৰণৰ প্ৰস্তুতি

নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ শীতকালৰ হিমপাত আৰম্ভ হোৱাৰ লগে লগে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বৃহৎ দলক অনুপ্ৰৱেশ কৰোৱাৰ প্ৰস্তুতি চলাইছে পাকিস্তানে। এনে অপচেষ্টাৰ অংশ হিচাপে পাক অধিকৃত কাশ্মীৰত ইতিমধ্যে নিৰ্মাণ কৰা হৈছে প্ৰায় ৮০টা লঞ্চপেড। ইয়াৰ ৬০টাৰো অধিক লঞ্চপেড জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখা (এল অ' চি)ৰ নিচেই ওচৰতে নিৰ্মাণ কৰা হৈছে। সন্ত্ৰাসবাদীক প্ৰেৰণৰ উদ্দেশ্যে নিৰ্মাণ কৰা ঘাটিসমূহত থাৰ্মেল চেণ্টাৰ আৰু ড্ৰোন প্ৰতিৰোধী ব্যৱস্থাও সংস্থাপন কৰা হৈছে। তথ্য অনুসৰি পাকিস্তানৰ সেনাপ্ৰধান আছিম মুনীৰৰ পৃষ্ঠপোষকতাত দেশখনৰ চোৰাংচোৰা সংস্থা আই এছ আয়ে সন্ত্ৰাসবাদীৰ এই ঘাটিসমূহ পৰিচালনা কৰি আছে। ঘাটিসমূহত ৰখা হৈছে লস্কৰ-ই-তৈয়বা আৰু জৈছ-এ-মহম্মদৰ সন্ত্ৰাসবাদী। সেই সন্ত্ৰাসবাদীসকল

তৃতীয় পৃষ্ঠাৰ পৰা

পুনৰীক্ষণ কৰা হ'ব ৰেচন কার্ডৰ

শ্ৰীমন্ত শংকৰদেৱ নগৰস্থিত জিলা আয়ুক্তৰ কার্যালয়ৰ সভাগৃহত অনুষ্ঠিত এই বৈঠকত সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কর্মচাৰীসকল উপস্থিত থাকে। বৈঠকত বিভাগকেইটাৰ অধীনত চলি থকা বিভিন্ন চৰকাৰী আঁচনি আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয় মন্ত্ৰীগৰাকীয়ে। লগতে সকলো কাম নির্দ্ধাৰিত সময়ৰ ভিতৰত আৰু সঠিক ৰূপত ৰূপায়ণ কৰিবলৈ বিষয়া-কর্মচাৰীসকলক কঠোৰ নির্দেশ দিয়ে মন্ত্ৰীগৰাকীয়ে। বৈঠকৰ পিছত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ নগৰ অঞ্চলসমূহত ষ্ট্ৰীট লাইট সংস্থাপনৰ কাম আৰম্ভ কৰাৰ বিষয়েও গুৰুত্বপূর্ণ মন্তব্য কৰে। আনহাতে, আগন্তুক মার্চ মাহত পৌৰসভাৰ নির্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনাক কেন্দ্ৰ কৰি নির্বাচনৰ পূর্বে স্বচ্ছ ভাৰত অভিযান আৰু পঞ্চদশ वित्त आয়োগৰ অধীনৰ কামসমূহ সম্পূর্ণ কৰাৰ লক্ষ্য নির্দ্ধাৰণ কৰা বুলিও ব্যক্ত কৰে। আনহাতে, ৰেচন কার্ডৰ হিতাধিকাৰীসকলক লৈও গুৰুত্বপূর্ণ মন্তব্য কৰে মন্ত্ৰী কৌশিক ৰায়ে। মন্ত্ৰীগৰাকীৰ ভাষ্য অনুসৰি, ৰাজ্যত পূর্বে বাহনৰ গৰাকী আৰু আয়কৰ প্ৰদানকাৰীকে ধৰি প্ৰায় ৬৫ লাখ হিতাধিকাৰীৰ নাম ৰেচন কার্ডৰ তালিকাৰ পৰা কর্তন কৰা হৈছে। এইবাৰ হোজাই জিলাৰ প্ৰায় ১৯ হাজাৰ ৰেচন কার্ড হিতাধিকাৰীৰ নামৰ এখন তালিকা কেন্দ্ৰৰ পৰা আহিছে। এই তালিকাত থকা লোকসকলৰ তথ্য পুনৰীক্ষণ আৰু পৰীক্ষা কৰা হ'ব। পৰীক্ষণত কোনো লোক চৰকাৰী চাকৰিয়াল অথবা চাৰিচকীয়া বাহনৰ গৰাকী বুলি প্ৰমাণিত হ'লে তেওঁলোকৰ ৰেচন কার্ড কর্তন কৰা হ'ব বুলি স্পষ্ট কৰে মন্ত্ৰীগৰাকীয়ে। লগতে কর্কট ৰোগ, হৃদৰোগ আৰু বৃক্কৰ ৰোগত আক্ৰান্ত ৰোগীসকলৰ বাবেও এক গুৰুত্বপূর্ণ ঘোষণা কৰে মন্ত্ৰীগৰাকীয়ে। এনে ৰোগীসকলে আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত লাভ কৰা পাঁচ লাখ টকাৰ চিকিৎসা সুবিধা লাভৰ ক্ষেত্ৰত যাতে ৰেচন কার্ডৰ অভাৱত সমস্যাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে ৰোগীসকলে ৰেচন কার্ডৰ বাবে আবেদন কৰাৰ ২৪ ঘণ্টাৰ ভিতৰতে কার্ড প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলিও মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। তদুপৰি ৩১ মার্চৰ পিছত নতুনকৈ ৰেচন কার্ড প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলিও সদৰি কৰে মন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে নিশালৈকে চলা পর্যালোচনা বৈঠকৰ পূর্বে মন্ত্ৰী কৌশিক ৰায়ে হোজাইত ধান ক্ৰয় কেন্দ্ৰ উদ্বোধন কৰে। তদুপৰি জিলাখনৰ আন কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ কাম পৰিদর্শন কৰি সংশ্লিষ্ট বিষয়াসকলৰ পৰা কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

দৰিদ্ৰতাৰ সুযোগ লৈ নাবালিকা শিক্ষার্থীক

প্ৰভাৱশালী ব্যক্তিয়ে ধাৰাবাহিকভাৱে যৌন নির্যাতন চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ভুক্তভোগী পৰিয়ালটোৰ চৰম দৰিদ্ৰতা আৰু অসহায় অৱস্থাৰ সুযোগ গ্ৰহণ কৰি এই পাশৱিক কাণ্ড চলাই অহা হৈছিল যদিও শেহতীয়াকৈ সমগ্ৰ ঘটনা পোহৰলৈ অহাৰ পাছতে এতিয়া সমগ্ৰ জিলাখনতে তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, ভুক্তভোগী নাবালিকা কিশোৰীগৰাকীয়ে অষ্টম শ্ৰেণীত অধ্যয়ন কৰি থকাৰ সময়ৰে পৰা এই অমানৱীয় নির্যাতনৰ বলি হৈ আহিছিল। এই জঘন্য অপৰাধৰ লগত চাৰিজন ব্যক্তি পোনপটীয়াভাৱে জড়িত থকাৰ কথা পোহৰলৈ আহিছে। অভিযুক্তসকল হৈছে ৰেছিডেন্সিয়েল ইংৰাজী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন ৰংপি, হামৰেণ লাংছ'মেপী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিদ্যাছিং ইংলেং, শিক্ষা বিভাগৰ সহকাৰী গাণনিক বিষয়া ৰবিৰাম টিছ' আৰু ঠিকাদাৰ জয়ৰাম টিছ'। দীর্ঘদিন ধৰি এই পাশৱিক কাণ্ড চলি থকাৰ পাছতো আৰম্ভণিতে বিষয়টো গাপ দিয়াৰ এক গভীৰ চক্ৰান্ত চলিছিল বুলি অভিযোগ উত্থাপন হৈছে। ঘটনা সন্দর্ভত ভুক্তভোগী কিশোৰীগৰাকীৰ আত্মীয়ই হামৰেণ থানাত যোগাযোগ কৰাত আৰক্ষীৰ ভূমিকা অত্যন্ত বিতর্কিত তথা সন্দেহজনক হৈ পৰিছিল বুলি গুৰুতৰ অভিযোগ উঠিছে। ভুক্তভোগীৰ পৰিয়ালৰ অভিযোগ অনুসৰি, হামৰেণ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীয়ে যোৱা ৪ আৰু ৫ নৱেম্বৰত আত্মীয়সকলক থানাত গোচৰ নলৈ ঘূৰাই পঠিয়ায়। ইয়াৰ পাছতো ৬ নৱেম্বৰত কিশোৰীগৰাকীৰ আত্মীয় পুনৰ থানাত উপস্থিত হোৱাত আৰক্ষী বিষয়াগৰাকীয়ে অভিযুক্তসকলৰ লগত বুজাবুজি কৰি ল'বলৈ জোৰ দিয়াৰ লগতে এখন কাগজত চহী কৰাই লয় বুলি কিশোৰীগৰাকীৰ পিতৃয়ে উদ্বেগ প্ৰকাশ কৰিছে। পাছত বিভিন্ন দল-সংগঠন আৰু সচেতন নাগৰিকৰ তীব্ৰ হেঁচাৰ ফলতহে যোৱা ১০ নৱেম্বৰত হামৰেণ থানাত গোচৰ পঞ্জীয়নভুক্ত হয়। উত্থাপিত অভিযোগ অনুসৰি কার্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ এগৰাকী কার্যবাহী সদস্যৰ আত্মীয় এই ঘটনাৰ সৈতে জড়িত থকাৰ বাবেই আৰক্ষীয়ে প্ৰথম অৱস্থাত সমগ্ৰ বিষয়টো লুকুৱাবলৈ বা গাপ দিবলৈ চেষ্টা চলাইছিল। ইফালে, আৰক্ষীয়ে প্ৰথম অৱস্থাত গুৰুত্ব নিদিলেও গোচৰ ৰুজু হোৱাৰ পাছতে প্ৰশাসনিক পর্যায়ত তৎপৰতা বৃদ্ধি পাইছে। কার্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাথমিক শিক্ষা বিভাগে এক বিশেষ নির্দেশনা জাৰি কৰি দুয়োগৰাকী অভিযুক্ত শিক্ষকক তাৎক্ষণিকভাৱে কার্যকৰী হোৱাকৈ নিলম্বন কৰিছে। নিলম্বিত শিক্ষক দুগৰাকী ক্ৰমে— ৰেচিডেন্সিয়েল ইংৰাজী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন ৰংপি আৰু হামৰেণ লাংছ'মেপী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিদ্যাছিং ইংলেং বুলি স্পষ্ট কৰা হৈছে। শিক্ষা বিভাগে জাৰি কৰা নির্দেশনাত উল্লেখ কৰা হৈছে যে স্পর্শকাতৰ আৰু গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষার্থীগৰাকীৰ সুৰক্ষাক অগ্ৰাধিকাৰ দিয়া হৈছে। তদন্তৰ প্ৰক্ৰিয়া যাতে কোনো পক্ষৰ দ্বাৰা প্ৰভাৱান্বিত নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই নিলম্বনৰ সিদ্ধান্ত লোৱা হৈছে। নিলম্বনৰ এই সময়ছোৱাত সংশ্লিষ্ট শিক্ষক দুগৰাকীয়ে প্ৰতিষ্ঠানটোৰ কর্তৃপক্ষৰ অগ্ৰিম লিখিত অনুমতি অবিহনে বিদ্যালয় চৌহদত প্ৰৱেশ কৰিব নোৱাৰিব বুলি স্পষ্ট নির্দেশনা দিয়া হৈছে। তদুপৰি, ভুক্তভোগী কিশোৰীগৰাকী, তেওঁৰ পৰিয়াল বা গোচৰৰ সৈতে জড়িত কোনো সাক্ষীৰ সৈতেও তেওঁলোকে যোগাযোগ কৰাত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নাবালিকাগৰাকীৰ গোপনীয়তা আৰু মর্যাদা অক্ষুণ্ণ ৰাখি সমগ্ৰ ঘটনাৰ এক সুস্থ আৰু নিৰপেক্ষ তদন্তৰ বাবে পৃথক আদেশৰ জৰিয়তে এটা বিশেষ তদন্তকাৰী দল গঠনৰো পৰামর্শ দিয়া হৈছে। শিক্ষানুষ্ঠানৰ পৰিত্ৰ চৌহদত শিক্ষকৰ দৰে গুৰুত্বপূর্ণ দায়িত্বত থকা ব্যক্তিৰ দ্বাৰা নাবালিকা ছাত্ৰী একেৰাহে দুটা বছৰে যৌন নির্যাতনৰ দৰে জঘন্য ঘটনাৰ বলি হোৱা আৰু তাৰ পাছতো আৰক্ষী প্ৰশাসনৰ একাংশ লোকৰ দ্বাৰা ইয়াক গাপ দিয়াৰ প্ৰচেষ্টা চলোৱাৰ খবৰে পাহাৰীয়া জিলাখনত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰী আৰু শিশুৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰম নিৰাপত্তাহীনতাৰ প্ৰশ্ন উত্থাপন কৰি জিলাখনৰ বিভিন্ন দল-সংগঠন আৰু সচেতন ৰাইজে দোষী শিক্ষক, গাণনিক বিষয়া আৰু ঠিকাদাৰক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ তীব্ৰ দাবী উত্থাপন কৰিছে।

ৰুদ্ৰ বৰুৱাৰ গীতৰ সম্পর্ক আছে অসমৰ

কবি কয়— 'ৰুদ্ৰ বৰুৱাৰ গীতৰ সম্পর্ক আছে অসমৰ মাটিৰ সৈতে। তেওঁৰ গীতত আছে অসমীয়া সমাজ, গ্ৰাম্য সভ্যতা আৰু মানুহৰ দৈনন্দিন জীৱনৰ জীৱন্ত প্ৰতিচ্ছবি। অসমৰ পথাৰ, অৰণ্য, প্ৰাকৃতিক সম্পদৰ সৰস বর্ণনাই এই গীতবোৰ অসমীয়া সংগীতৰ ঐতিহ্য। ৰুদ্ৰ বৰুৱাৰ গীতৰ অলংকাৰে সংগীত ৰসিকক আপ্লুত কৰে।' বিদ্যাসাগৰে 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' গীতটি পৰিৱেশন কৰি শ্ৰোতা-দর্শকক মোহাবিষ্ট কৰে। কবি-লেখক নৰজ্যোতি পাঠকে পৰিচালনা কৰা গাম্ভীর্যপূর্ণ আলোচনা সত্ৰখনত আলোচক হিচাপে উপস্থিত থাকি ডি চি বি কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া শিল্পী ডঃ অঞ্জলি চুতীয়াই ৰুদ্ৰ বৰুৱাৰ সৃষ্টিৰ বিষয়ত আলোকপাত কৰি কয়— 'অসমীয়া সংগীতক সমৃদ্ধ কৰা ৰুদ্ৰ বৰুৱাৰ জীৱন সংগ্ৰামৰ মাজেৰে আৰম্ভ হৈছিল। ৯ বছৰ বয়সতে পিতৃহাৰা হোৱা ৰুদ্ৰ বৰুৱাৰ সৃষ্টিত জীৱনপ্ৰীতি আৰু জীৱনৰ সংঘাত সমানেই পৰিস্ফুট। তদুপৰি শিপিনীৰ পৰা কৃষকলৈ, গৃহিণীৰ পৰা শ্ৰমিকলৈ সকলো সামৰি লৈছে ৰুদ্ৰ বৰুৱাৰ গীতে। অসম প্ৰকাশন পৰিষদে ৰুদ্ৰ বৰুৱাৰ সৃষ্টিক সামৰি এই আলোচনা সত্ৰৰ আয়োজন কৰি নতুন প্ৰজন্মক উপকৃত কৰিছে।' তেওঁ 'কাৰ জানো পৰশত ফুলি উঠে মোৰ! মাধৈ মালতী পাহি' শীর্ষক গীতটি পৰিৱেশন কৰি অনুষ্ঠানটি অনন্য সুন্দৰ কৰি তোলে। আন এগৰাকী আলোচক, অসম মহিলা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ গীতিমণি হাতীমুৰীয়াই কয় যে ৰুদ্ৰ বৰুৱাৰ গীতত আই নাম, বিয়া নামৰ পৰা প্ৰার্থনালৈ সকলো আছে। জীৱনবোধ, সম্প্ৰীতিৰ বাণী, আশাবাদ তেওঁৰ সৃষ্টিৰ মাধুর্যৰ বিশেষত্ব। ইয়াত আলোচক অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট সংগীত শিল্পী জয়ন্ত নাথ। বিষয় প্ৰসংগত তেওঁ এনেদৰে ব্যাখ্যা কৰে— 'ৰুদ্ৰ বৰুৱাৰ গীত মানেই সৰলভাৱে জীৱন নির্বাহ কৰা মানুহৰ হৃদয়ৰ বতৰা। এই বতৰাত আনন্দ আৰু বেদনা দুয়োটাই আছে, লগতে আছে প্ৰকৃতি আৰু মানুহৰ নিভাঁজ প্ৰেমৰ কথা।' নাথে ৰুদ্ৰ বৰুৱাৰ এলানি গীতৰ কলি গুণগুণাই অনুষ্ঠানটি আকর্ষণীয় কৰি তোলে। আন এগৰাকী আলোচক, সংগীত সাধক ৰঞ্জন কুমাৰ দত্তই কয় যে ৰুদ্ৰ বৰুৱাৰ গীতে জনজীৱনক প্ৰতিনিধিত্ব কৰে। তেওঁৰ গীত মানেই জীৱনৰ ছন্দ। দত্তয়ো অনুষ্ঠানত ৰুদ্ৰ বৰুৱাৰ কেবাটিও গীত পৰিৱেশন কৰি অনুষ্ঠানটি উপভোগ্য কৰি তোলে। 'ধ্বনি মিউজিক একাডেমী'ৰ ছাত্ৰ-ছাত্ৰীসকলেও অনুষ্ঠানত ৰুদ্ৰ বৰুৱাৰ গীত পৰিৱেশন কৰে এই অনুষ্ঠানত। আলোচনা সত্ৰখনলৈ সহযোগিতা আগবঢ়ায় যোৰহাট নর্মাল স্কুলে। এই আলোচনা সত্ৰৰ পাছতে গ্ৰন্থমেলাৰ অস্থায়ী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় সাংস্কৃতিক প্ৰতিযোগিতা। প্ৰবোধ দাসে আঁত ধৰা এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে বাল্যভৱন, যোৰহাট, এন্‌কেম ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, দহোটিয়া আৰু যোৰহাট মহাবিদ্যালয়ে।

অবিভক্ত ৰৰপেটা জিলাৰ ১৭১গৰাকী

অভিযোগ উত্থাপন হৈছে। এই ঘটনাই ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ স্বচ্ছতা, শিক্ষানুষ্ঠানসমূহৰ নামভর্তি প্ৰক্ৰিয়া আৰু প্ৰমাণপত্ৰৰ সত্যাসত্যতা নিৰূপণ ব্যৱস্থাক লৈ একাধিক গুৰুত্বপূর্ণ প্ৰশ্নৰ অৱতাৰণা কৰিছে। ইতিমধ্যে প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকাৰ জালিয়াতি সন্দর্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। বিশেষকৈ অবিভক্ত ৰৰপেটা জিলাৰ ৩৩খন শিক্ষানুষ্ঠানত দশম শ্ৰেণী উত্তীর্ণ সন্দেহজনক প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকাৰ জৰিয়তে মুঠ ১৭১ গৰাকী শিক্ষার্থীয়ে একাদশ শ্ৰেণীত নামভর্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। ইয়াৰে ১২৮ গৰাকী শিক্ষার্থীয়ে কাউন্সিল ফৰ দ্য ইণ্ডিয়ান স্কুল চার্টিফিকেট এক্সামিনেচনছৰ নামত প্ৰদান কৰা দশম শ্ৰেণী উত্তীর্ণ প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকা ব্যৱহাৰ কৰাৰ অভিযোগ উঠিছে। আনহাতে, ব'র্ড অব অ'পেন স্কুলিং এণ্ড স্কীল এডুকেচনৰ নামত প্ৰদান কৰা প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকাৰ জৰিয়তে আন ৪৩ গৰাকী শিক্ষার্থীয়ে উচ্চতৰ মাধ্যমিক প্ৰথম বর্ষত নামভর্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰৰপেটা জিলা বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নিৰঞ্জন ওজাই জানিবলৈ দিয়া অনুসৰি, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনিয়মৰ বিষয়টো বিদ্যালয়সমূহৰ পৰিদর্শকৰ দৃষ্টিগোচৰ কৰাৰ পাছতে তদন্ত প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইতিমধ্যে অভিযোগৰ আওতালৈ অহা শিক্ষার্থীসকলৰ বিৰুদ্ধে সংশ্লিষ্ট আৰক্ষী থানাত এজাহাৰ দাখিল কৰিবলৈ শিক্ষানুষ্ঠানসমূহৰ অধ্যক্ষসকলক বিদ্যালয়সমূহৰ পৰিদর্শকে নির্দেশ দিছে। ফলত বিষয়টো কেৱল শিক্ষা বিভাগৰ আভ্যন্তৰীণ তদন্ততে সীমাবদ্ধ নাথাকি আৰক্ষীৰ তদন্তৰ দিশেও অগ্ৰসৰ হোৱাৰ সম্ভাৱনা সৃষ্টি হৈছে। লক্ষণীয় যে দশম শ্ৰেণী উত্তীর্ণ প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকা হৈছে উচ্চতৰ মাধ্যমিক প্ৰথম বর্ষত নামভর্তিৰ অন্যতম মৌলিক নথি। এনে নথিৰ সত্যাসত্য নিশ্চিত নকৰাকৈ শিক্ষার্থীক নামভর্তিৰ সুযোগ দি থাকিলে সমগ্ৰ নামভর্তি ব্যৱস্থাত বিশ্বাসযোগ্যতাই প্ৰশ্নৰ সন্মুখীন হোৱাটো স্বাভাৱিক। সেয়েহে অবিভক্ত ৰৰপেটা জিলাৰ ৩৩খন শিক্ষানুষ্ঠানত ইমানসংখ্যক শিক্ষার্থীয়ে সন্দেহজনক প্ৰমাণপত্ৰৰ জৰিয়তে কেনেদৰে নামভর্তি কৰিবলৈ সক্ষম হ'ল, সেই প্ৰশ্নই বিশেষ তাৎপর্য বহন কৰিছে। নামভর্তিৰ সময়ত সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহে শিক্ষার্থীসকলে দাখিল কৰা প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকাৰ সত্যাসত্যতা যথাযথভাৱে পৰীক্ষা কৰিছিল নে নাই সেই লৈ প্ৰশ্ন উত্থাপন হৈছে। সন্দেহৰ আওতাত থকা প্ৰমাণপত্ৰ আৰু নম্বৰ তালিকাসমূহ ক'ৰ পৰা সংগ্ৰহ কৰা হৈছিল, কোনে এই নথিসমূহ প্ৰস্তুত অথবা যোগান ধৰিছিল আৰু নামভর্তিৰ প্ৰক্ৰিয়াত কোনো মধ্যভোগী জড়িত আছিল নেকি, সেই দিশসমূহৰ অনুসন্ধানে ঘটনাৰ প্ৰকৃত স্বৰূপ উন্মোচন কৰাত সহায় কৰিব পাৰে বুলি সচেতন মহলে মত পোষণ কৰিছে।

গোৰেশ্বৰ-আগিয়াত পথ দুর্ঘটনাত নিহত ২

দৈনিক অসমৰ প্ৰতিনিধি

গোৰেশ্বৰ, ১৪ নৱেম্বৰ ঃ তামুলপুৰ জিলাৰ গোৰেশ্বৰত কালি শেষনিশা সংঘটিত এটা পথ দুর্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে এজন আহত হয়। নিহত যুৱকজন ৰামছা-পদুমনি নিৱাসী অনিল বড়োৰ একমাত্ৰ পুত্ৰ তথা পশুপালন বিভাগৰ কর্মচাৰী কর্ণেশ্বৰ বড়ো (২৪) আৰু আহত যুৱকজন একে গাঁৱৰে লোহিত (ভাইটি) বড়োৰ পুত্ৰ ধনজিত বড়ো (২৩) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে, ৰামছা-পদুমনি গাঁৱত যোৱা নিশা ৰাজহুৱা নামঘৰত কাতিমহীয়া নাম আছিল। কাতিমহীয়া নাম উপভোগ কৰিবলৈ কালি সুদূৰ বিলাসীপাৰাৰ পৰা গোৰেশ্বৰ ৰামছা-পদুমনিৰ ঘৰলৈ আহিছিল কর্ণেশ্বৰ বড়ো। সেইমর্মে যোৱা নিশা তিনি বন্ধু ক্ৰমে— কর্ণেশ্বৰ বড়ো, ধনজিত বড়ো আৰু বৈৰাগীপাৰাৰ বিৰচন বড়ো একেলগে নাম উপভোগ কৰি নিশা প্ৰায় ২ মান বজাত কর্ণেশ্বৰ বড়োৰে নতুনকৈ ক্ৰয় কৰা বাইকেৰে বৈৰাগীপাৰাৰ নিবাসী বিৰচন বড়োক ঘৰত থ'বলৈ আহে। বিৰচন বড়োক ঘৰত থৈ দুইবন্ধু কর্ণেশ্বৰ বড়ো আৰু ধনজিত বড়ো গোৰেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখেৰে তীব্ৰ বেগেৰে আহোঁতে নিয়ন্ত্ৰণ হেৰুৱাই বিদ্যালয়ৰ চৌহদৰ দেৱালত খুন্দা মাৰে আৰু ঘটনাস্থলীতে কর্ণেশ্বৰ বড়ো নিহত হয় আৰু ধনজিত বড়ো গুৰুতৰভাৱে আহত হয়। বর্তমান ধনজিত বড়ো গুৱাহাটীৰ এখন ব্যক্তিগত নার্ছিং হোমত আই চি ইউত চিকিৎসাধীন হৈ আছে। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

গোৱালপাৰাৰ আগিয়াত পথ দুর্ঘটনাত নিহত কিশোৰ

গোৱালপাৰাৰ দৈনিক অসমৰ বিশেষ প্ৰতিনিধি ঃ গোৱালপাৰা জিলাৰ আগিয়াত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুর্ঘটনাত এজন কিশোৰ নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। নিহত কিশোৰজন গোৱালপাৰা চহৰৰ পাইকানৰ সম্ভাট আলী (১৫) বুলি জানিব পৰা গৈছে। আনহাতে, আহতজন একে অঞ্চলৰে আদিল খান (২৬)। প্ৰাপ্ত তথ্য অনুসৰি, ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত মেৰামতিৰ বাবে ৰখাই থোৱা এখন ট্ৰাকৰ পিছফালে এখন তীব্ৰবেগী ডাম্পাৰে খুন্দা মৰাৰ ফলতে এই দুর্ঘটনাটো সংঘটিত হয়। ডাম্পাৰখনৰ খুন্দাত সম্ভাট আলীৰ মৃত্যু হোৱাৰ বিপৰীতে আদিল খান গুৰুতৰভাৱে আহত হয়। দুর্ঘটনাত পতিত ট্ৰাকখনৰ নম্বৰ এন এল- ০১- এ বি-৩৫১২ আৰু ডাম্পাৰখনৰ নম্বৰ এন এল-০৭ এ এ-৭১৭৮ বুলি জানিব পৰা গৈছে। দুর্ঘটনাৰ পিছতে ডাম্পাৰখনৰ চালকজনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। উল্লেখ্য যে ফুৰিবলৈ গৈ উভতি অহাৰ সময়ত নিশা যাতায়াত বাহন নোপোৱাত সম্ভাট আলী আৰু আদিল খানে এখন ট্ৰাকত উঠি আহিছিল। কিন্তু আধাবাটতে ট্ৰাকখন বিকল হৈ পৰাত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ৰখাই মেৰামতি কৰি থকা অৱস্থাতে পিছফালৰ পৰা তীব্ৰবেগী ডাম্পাৰখনে খুন্দা মাৰে। দুর্ঘটনাত আহত আদিল খানক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে। আনহাতে, সম্ভাট আলীৰ মৃতদেহ গোৱালপাৰাৰ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হয়। এই শোকাৱহ ঘটনাই পাইকান অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে।

■ দুই পলাতক আচামীক বিচাৰি হাবাথুৰি আৰক্ষীৰ ■

লক্ষীপুৰ থানাৰ পৰা পলায়ন দুই আচামীৰ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোৱালপাৰা, ১৪ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ লক্ষীপুৰ আৰক্ষী থানাৰ পৰা দুর্দ্ধর্ষ অপৰাধীয়ে পলায়ন কৰা ঘটনাই আৰক্ষী বিভাগৰ প্ৰকৃত স্বৰূপ উদঙাই দিছে। জানিব পৰা মতে, লক্ষীপুৰ নগৰত সঘনাই চুৰি কাণ্ড সংঘটিত হৈ আহিছে। তদুপৰি চহৰখনত ড্ৰাগছৰ সৰবৰাহ বৃদ্ধি পাইছে। বিভিন্ন গোচৰ সংক্ৰান্তত আৰক্ষীয়ে আটক কৰিছিল দুর্দ্ধর্ষ দুই চোৰ জান্নাতুল ফিৰদৌচ ওৰফে ৰাতুল আৰু নবীৰক। যোৱা নিশা এক বজাত নিজ গৃহৰ পৰা আটক কৰিছিল ৰাতুলক। বিভিন্ন গোচৰত অভিযুক্ত আছিল ৰাতুল। আনকি ড্ৰাগছ সংক্ৰান্তীয় কেইবাটাও গোচৰতো অভিযুক্ত আছিল ৰাতুল। এই দুর্দ্ধর্ষ অপৰাধীয়ে লক্ষীপুৰ আৰক্ষী থানাৰ খিৰিকীৰ গ্ৰীল ভাঙি পলায়ন কৰে। অকল ৰাতুলেই নহয় তেওঁৰ লগত থকা নবীৰেও খিৰিকীৰে পলায়ন কৰে। এতিয়া দুই পলাতক আচামীক বিচাৰি হাবাথুৰি খাইছে লক্ষীপুৰ আৰক্ষীয়ে। বাতৰি লিখা পৰলৈকে আৰক্ষীয়ে পলাতক অপৰাধী দুজনক আটক কৰিবলৈ সক্ষম হোৱা নাই বুলি জানিব পৰা গৈছে।

বঙাইগাঁৱৰ স্বাস্থ্য বিষয়াৰ কার্যালয়ত অনিয়মৰ অভিযোগ

কর্মচাৰীৰ গাফিলতিৰ বাবে সমস্যাৰ সন্মুখীন নার্ছ

দৈনিক অসমৰ প্ৰতিনিধি

বঙাইগাঁও, ১৪ নৱেম্বৰ ঃ বঙাইগাঁৱৰ পৰিয়াল কল্যাণ শাখাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কার্যালয়ত দুর্নীতি আৰু অনিয়মৰ অভিযোগ উত্থাপন কৰিছে একাংশ এ এন এমে। এই কার্যালয়ত কোনো এটা কামেই সময়মতে নহয় বুলি অভিযোগ কৰি ভুক্তভোগী এ এন এমসকলে কয় যে প্ৰসূতি ছুটী, আয়কৰ, গৃহ ঋণ, সাধাৰণ ভৰিষ্যনিধি ইত্যাদিৰ কামৰ বাবে কার্যালয়টোৰ এচাম কর্মচাৰীক ভেটী দিব লাগে। বহু এ এন এমে নিজৰ প্ৰাপ্য টাইম স্কেলৰ পৰা বঞ্চিত হৈ আছে একমাত্ৰ কার্যালয়টোৰ কর্মচাৰীৰ গাফিলতিৰ বাবে। উল্লেখ্য যে কার্যালয়টোৰ কর্মচাৰীৰ হেমাহিত টাইম স্কেলৰ কামত খেলি-মেলি হোৱাৰ ফলত মুঠ ১৪ গৰাকী এ এন এমে যোৱা জুন আৰু জুলাই মাহৰ দৰমহা পোৱা নাছিল বুলি এ এন এম দীপালী খাটনিয়াৰে সংবাদ মাধ্যমৰ আগত অভিযোগ কৰে। তেওঁ আৰু কয় যে অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কার্যালয়ৰ অধীনৰ কর্মৰত স্বাস্থ্যকর্মীক ছমাহ আগেয়ে কার্যালয়ৰ ফালৰ পৰা কর্মীজনক অৱসৰ গ্ৰহণৰ বিষয়ে অৱগত কৰোৱাৰ নিয়ম থকা সত্ত্বেও তেনেকুৱা কৰা নহয়। এনেকুৱা গাফিলতিৰ বাবে এগৰাকী নার্ছে তেওঁ নজনাকৈ তেওঁৰ চাকৰি কাল উকলি যোৱাৰ পাছতো অতিৰিক্ত এবছৰ ধৰি কাম কৰি আছিল। এই অনিয়ম পাছত ধৰা পৰাত নার্ছগৰাকীয়ে অজানিতে এবছৰ ধৰি কৰা কর্তব্যৰ বিপৰীতে লাভ কৰা দৰমহা স্বাস্থ্য বিভাগে ওভতাই লোৱাত নার্ছগৰাকীয়ে মানসিক চাপৰ বাবে অসুস্থ হোৱাৰ কথা এ এন এম খাটনিয়াৰে জানিবলৈ দি কয় যে কার্যালয়টোত চলা ব্যাপক দুর্নীতি-অনিয়মৰ বিষয়ে স্বাস্থ্য কর্মীসকলে মানসিক হাৰাশাস্তিৰ ভয়ত প্ৰকাশ নকৰে। ইয়াৰে সুযোগ গ্ৰহণ কৰি এচাম কর্মচাৰীয়ে কার্যালয়টোত দুর্নীতিৰ বজাৰ মেলাৰ অভিযোগ কৰে এ এন এম খাটনিয়াৰে। উল্লেখ্য যে জিলা প্ৰশাসনত স্বাস্থ্য বিভাগৰ কাম-কাজ তদাৰক কৰাৰ বাবে এগৰাকী অতিৰিক্ত আয়ুক্ত দায়িত্বত থাকে যদিও তেওঁৰ নিৰীক্ষণ যে দুর্বল এই

ডিব্রুগড়ত অসম যুৱ ক্রীড়া, গুৱাহাটীত আন্তঃৰাষ্ট্রীয় মাৰাথন

অসম অলিম্পিক সন্থাৰ বাৰ্ষিক সাধাৰণ সভা, কাৰ্যনিৰ্বাহক পৰিষদৰ বৈঠকত সভাপতিত্ব কেন্দ্রীয় মন্ত্রী সোণোৱালৰ



তৃণমূল পর্যায়ৰ ক্রীড়া প্রতিভা বিকাশৰ পৰিকল্পনা

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ অসমৰ ক্রীড়াক্ষেত্রৰ অপৰিসীম সম্ভাৱনাক বাস্তৱ ৰূপ দিয়াৰ লগতে ৰাজ্যখনক উত্তৰ-পূৰ্বাঞ্চলৰ এক আগশাৰীৰ ক্রীড়া উৎকর্ষ কেন্দ্র হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে সুসংহত, পেছাদাৰী আৰু শক্তিশালী ক্রীড়া-ব্যৱস্থা গঢ়ি তোলা সন্দর্ভত গুৰুত্ব আৰোপ কৰিছে অসম অলিম্পিক সন্থাৰ সভাপতি তথা কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱালে। আজি গুৱাহাটীত অনুষ্ঠিত অসম অলিম্পিক সন্থাৰ বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যনিৰ্বাহক পৰিষদৰ বৈঠকত সভাপতিত্ব কৰি সোণোৱালে ৰাজ্যখনৰ ক্রীড়াৰ ভৱিষ্যৎ, খেলুৰৈসকলৰ সুযোগ-সম্ভাৱনা আৰু প্রতিযোগিতামূলক সক্ষমতা বৃদ্ধিৰ বাবে এক বিস্তৃত কৰ্মপন্থা সন্দর্ভত আলোচনা কৰে। বৈঠকত ২০২৭ চনত ডিব্রুগড়ত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ ক্রীড়া আৰু ২০২৭ চনৰ ৭ ফেব্রুৱাৰীত অনুষ্ঠিত হ'বলগীয়া গুৱাহাটী আন্তঃৰাষ্ট্রীয় মাৰাথনৰ প্রস্তুতিৰ বিষয়ে আলোচনা কৰা হয়। একেদৰে ২০২৭ চনত শ্বিলঙত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্রীয় ক্রীড়াত অসমৰ খেলুৰৈসকলৰ উন্নত প্রদর্শন নিশ্চিত কৰাৰ বাবে প্রস্তুতি শক্তিশালী কৰাৰ বিষয়তো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অহা বছৰ ভোগেশ্বৰ বৰুৱা ৰাষ্ট্রীয় ক্রীড়া বঁটা প্রদানৰ বিষয়টোৰেও বৈঠকৰ আলোচনাত স্থান লাভ কৰে। ২০৩০ চনৰ কমনৱেল্থ গেমছক লক্ষ্য হিচাপে লৈ তৃণমূল পর্যায়ত ক্রীড়া প্রতিভা চিনাক্তকৰণ আৰু বিকাশৰ লগতে ক্রীড়া সা-সঁজুলি নির্মাণ, বৈজ্ঞানিক প্রশিক্ষণ, পুষ্টি, ক্রীড়া মনোবিজ্ঞান আৰু উন্নত আন্তঃগাঁথনিৰ সমন্বয়েৰে এক পূর্ণাংগ ক্রীড়া পৰিৱেশ গঢ়ি তোলাৰ প্রয়োজনীয়তা সম্পর্কতো আলোচনা কৰা হয়। অসমৰ ক্রীড়া সম্ভাৱনাৰ কথা উল্লেখ কৰি কেন্দ্রীয় মন্ত্রী সোণোৱালে কয় যে লাভলীনা ৰবগোহাঁই, অস্মিতা চলিহা, পুতুল সোণোৱাল আৰু অন্যান্য উদীয়মান খেলুৰৈসকলৰ সাফল্য ৰাজ্যৰ বাবে গৌৰৱৰ বিষয়। লগতে তীর্থাংক পেগুৰ যুৱ অলিম্পিকত সাঁতোৰত অর্জন কৰা ঐতিহাসিক সাফল্যই অসমৰ ক্রীড়া প্রতিভাৰ নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে বুলি মত প্রকাশ কৰে। তেওঁ লগতে ৰাজ্যিক ক্রীড়া ফেডাৰেচন আৰু জিলা ক্রীড়া সন্থাসমূহক অধিক প্রতিযোগিতামূলক, পেছাদাৰী আৰু গুণগত মানসম্পন্ন দৃষ্টিভংগীৰে কাম কৰিবলৈ আহ্বান জনায়। ক্রীড়াৰ বর্দ্ধিত অর্থনৈতিক সম্ভাৱনাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। বৈঠকত অসম চৰকাৰৰ মন্ত্রী তথা অসম অলিম্পিক সন্থাৰ জ্যেষ্ঠ উপ-সভাপতি জয়ন্ত মল্ল বৰুৱাৰ লগতে সন্থাৰ অন্যান্য বিষয়ববীয়া, সদস্য আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।



জাপান মাষ্টার্ছ বেডমিণ্টন

খিতাপৰ যুঁজত উপনীত লক্ষ্য সেন

টকিঅ', ১৪ নৱেম্বৰ ঃ ভাৰতৰ তাৰকা শ্বাটলাৰ লক্ষ্য সেনে জাপান মাষ্টার্ছ বেডমিণ্টন টুর্নামেণ্টৰ ফাইনেলত প্রৱেশ কৰিছে। আজি অনুষ্ঠিত ছেমি ফাইনেলত ইণ্ডোনেছিয়াৰ আলৰি ফাৰহানক ২১-১২, ১৫-২১, ২১-১১ ব্যৱধানত পৰাস্ত কৰে। এতিয়া খিতাপৰ যুঁজত জাপানৰ কোনি ৰাটানবেৰ বিৰুদ্ধে খেলিব লক্ষ্য সেনে। আনখন ছেমি ফাইনেলত ৰাটানবেই থাইলেণ্ডৰ কুনলাভাট ভিটিডছার্নক পৰাস্ত কৰি চমক দিয়ে। উল্লেখ্য যে লক্ষ্য সেনে প্রথমজন ভাৰতীয় হিচাপে টুর্নামেণ্টখনৰ ফাইনেলত প্রৱেশ কৰে। অষ্টম বাছনিৰ খেলুৰৈজনে হায়লো অ'পেনত জয়ৰ পাছৰে পৰা দুর্দান্ত ফর্মত আছে।

■ মধুৰ প্রতিশোধ ! ১৯ বছৰ অনূর্দ্ধ এছিয়া কাপত চেম্পিয়ন ভাৰত ■

শ্বাসৰুদ্ধকৰ ফাইনেলত পৰাস্ত পাকিস্তান





মাস্কাট, ১৪ নৱেম্বৰ ঃ শ্বাসৰুদ্ধকৰ মেচত জয়ী হ'ল ভাৰত। ১৯ বছৰ অনূর্দ্ধ এছিয়া কাপৰ ফাইনেলত আজি পাকিস্তানৰ বিৰুদ্ধে এক উইকেটত জয়লাভ কৰে ভাৰতে। এটা সময়ত সংকটৰ সন্মুখীন হোৱা ভাৰতৰ যুৱ দলটোক অন্তিম অভাৰত প্রয়োজন হৈছিল ৮ ৰানৰ। হাতত আছিল মাত্র এটা উইকেট। পাকিস্তানৰ আহমেদ হুছেইনে দিয়া অন্তিম অভাৰৰ অন্তিমটো বলত বাউণ্ডেৰী কোবাই মোহিত উলভাই ভাৰতৰ বাবে পৰম আকাংক্ষিত জয় আঁজুৰি আনে। ২৬টা বলত ৪৯ ৰানৰ অপৰাজিত নির্ণায়ক ইনিংছ খেলে মোহিতে। এনেদৰে ভাৰতে নৱমবাৰৰ বাবে জয় কৰে ১৯ বছৰ অনূর্দ্ধ এছিয়া কাপ। পাকিস্তানৰ বিৰুদ্ধে মধুৰ প্রতিশোধো আজি সম্পূর্ণ কৰে লক্ষ্য ৰাইচান্দনি নেতৃত্বাধীন দলটোৱে। এইবাৰ গ্রুপৰ মেচত পাকিস্তানৰ বিৰুদ্ধে পৰাস্ত হৈছিল। তদুপৰি বিগত এছিয়া কাপৰ ফাইনেলতো পাকিস্তানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰত। আজি খিতাপৰ যুঁজত পাকিস্তানে টছত জয়ী হৈ প্রথমে বেটিং কৰে। ৫০ অভাৰত ৯ উইকেটত ৩৩৭ ৰান কৰে দলটোৱে। দলৰ হৈ উছমান খানে ১০৭ ৰান কৰে। আব্দুল কাদিৰে ৮০ আৰু অধিনায়ক ফাৰহান ইউছুফে ৬৩ ৰানৰ গুৰুত্বপূর্ণ ইনিংছ খেলে। ভাৰতৰ হৈ কাব্য পৰেশ পেটেলে চাৰিটা আৰু চি ভি এন বিজয় সুভাষে তিনিটা উইকেট দখল কৰে। ৩৩৮ ৰানৰ লক্ষ্য আগত লৈ ভাৰতে সুন্দৰ আৰম্ভণি কৰে। অ'পেনাৰদ্বয় লক্ষ্য ৰায়চন্দানি আৰু আর্যবীৰ সেৰাগে প্রথম উইকেটত ৯৫ ৰান যোগ দিয়ে। সেৰাগে ৫৮ আৰু লক্ষ্যই ৮০ ৰান কৰে। ৪১.৩ অভাৰত ভাৰতৰ স্ক'ৰ হৈছিলগৈ ৮ উইকেটত ২৫২ ৰান। সেইখিনি সময়ত পাকিস্তানেও জয় প্রায় নিশ্চিত বুলি আশা কৰিছিল। কিন্তু মানল চৌহানে ৪৭ আৰু পাছলৈ মোহিত উলভাই অপৰাজিত ৪৯ ৰানেৰে দলৰ জয়ত নির্ণায়ক ভূমিকা লয়।

নিউজিলেণ্ডৰে টেষ্ট ছিৰিজ

ভাৰতীয় দলত গুৰণুৰ



ৰেলিংটন, ১৪ নৱেম্বৰ ঃ নিউজিলেণ্ডৰ বিৰুদ্ধে সমাগত টেষ্ট ছিৰিজৰ বাবে ভাৰতীয় দলত স্থান পাইছে বেগী বলাৰ গুৰণুৰ ব্রাৰে। আঘাতৰ পৰা উপশম পোৱা উইকেটকীপাৰ বেটাৰ ঋষভ পণ্টকো দলত লোৱা হৈছে। চলিত এদিনীয়া ছিৰিজত সকলোৰে দৃষ্টি আকর্ষণ কৰা ব্রাৰে টেষ্ট ছিৰিজত মূল একাদশতো সুযোগ পোৱাৰ সম্ভাৱনা আছে। ১৯ নৱেম্বৰৰ পৰা ৰেলিংটনত আৰম্ভ হ'ব টেষ্ট ছিৰিজ। ইফালে ঘৰুৱা ক্রিকেট খেলাৰ বাবে স্পীনাৰ কুলদীপ যাদৱক দলৰ পৰা 'ৰিলিজ' কৰি দিয়া হৈছে। ভাৰতৰ টেষ্ট দলৰ নেতৃত্বত আছে শুভমন গীল। সহযোগী হিচাপে আছে কে এল ৰাহুল।

ফাইনেলত মৰাণ ছেভেন ষ্টাৰ

দৈনিক অসমৰ প্রতিনিধি

মৰাণ, ১৪ নৱেম্বৰ ঃ প্রাণৰ শিল্পী জুবিন গার্গৰ ৫৫সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি মৰাণ খটখটী জুবিন গার্গ জন্মদিন উদ্‌যাপন সমিতিৰ উদ্যোগত ৰামচন্দ্র আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত দ্বিতীয় বার্ষিক জুবিন গার্গ সৌৱৰণী আমন্ত্রণমূলক ফুটবল প্রতিযোগিতাৰ ফাইনেলত প্রৱেশ কৰিছে মৰাণ ছেভেন ষ্টাৰ ফুটবল দলে। আজি অনুষ্ঠিত প্রথমখন ছেমি ফাইনেলত মৰাণ ছেভেন ষ্টাৰে ৩-০ গ'লৰ ব্যৱধানত চেপন এফ চিক পৰাস্ত কৰে। ১৮ নৱেম্বৰত অনুষ্ঠিত হ'ব চূড়ান্ত খেলখন। ইফালে কালি অনুষ্ঠিত দুখন নকআউট খেলত আমগুৰি এফ চিয়ে টাইব্রেকাৰত ৩-১ গ'লত মৰাণ খটখটী এফ চিক পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত জঁজলী ব্লু ভিলেজ দলে ২-০ গ'লত ঔফুলীয়া কপ্পা এফ চিক পৰাস্ত কৰি ছেমি ফাইনেলত প্রৱেশ কৰে।

বিহপুৰীয়াত চেলেঞ্জাৰ কাপ ক্রিকেট

দৈনিক অসমৰ প্রতিনিধি

বিহপুৰীয়া, ১৪ নৱেম্বৰ ঃ বিহপুৰীয়াৰ কাৰৈমাৰী গ্রাম্য ক্রীড়া সন্থাৰ খেলপথাৰত আজি চেলেঞ্জাৰ কাপ ক্রিকেট প্রতিযোগিতা উদ্বোধন কৰে বিহপুৰীয়া বিদ্যুৎ উপ-সংমণ্ডল বিষয়া বিতোপন পাঠৰিয়ে। বিহপুৰীয়া ক্রিকেট একাডেমীয়ে বিগত বর্ষৰ দৰে এইবাৰো চেলেঞ্জাৰ কাপ অনুষ্ঠিত কৰি গাঁওসমূহৰ সুপ্ত প্রতিভা জগাই তোলাৰ প্রয়াস কৰিছে। এইবাৰ সাতটাকৈ দলে প্রতিযোগিতাত অংশগ্রহণ কৰিছে।

ছাফ চেম্পিয়নশ্বিপ ফুটবলত দশমটো খিতাপ জয়ৰ লক্ষ্য

ভূটানক হৰুৱাই ফাইনেলত ভাৰত

ঢাকা, ১৪ নৱেম্বৰ ঃ ভূটানক ২-১ গ'লত হৰুৱাই ছাফ চেম্পিয়নশ্বিপৰ ফাইনেলত প্রৱেশ কৰিছে ভাৰতে। এনেদৰে অভিলেখসংখ্যক দশমবাৰৰ বাবে টুর্নামেণ্টখনৰ খিতাপ দখলৰ লক্ষ্যৰে ১৭ নৱেম্বৰত খেলপথাৰত নামিব 'ব্লু টাইগার্ছ'-এ। ভাৰতৰ হৈ বিষ্ণু পি ভি আৰু অধিনায়ক চিংলেছানা সিঙে প্রথমার্দ্ধতে গ'ল দুটা দিয়ে। ভূটানৰ হৈ একমাত্র গ'লটো দিয়ে কিনজাং টাশ্বি টৰভেনে। উল্লেখ্য যে ভিডিও' এছিষ্টেণ্ট ৰেফাৰী, চমুকৈ ভি এ আৰ টুর্নামেণ্টখনত প্রথমবাৰৰে ব্যৱহাৰ কৰা হয়। আৰম্ভণিৰে পৰা ভাৰতে আধিপত্য বিস্তাৰ কৰে যদিও ভূটানে শেষৰফালে খেল নিয়ন্ত্রণলৈ আনে। অৱশ্যে গ'ল কৰাত ব্যর্থ হয়। ১৮ বছৰৰ পাছত ভূটানে ছাফ চেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত উপনীত হৈছিল।



টী-২০ত সর্বকনিষ্ঠ অধিনায়ক

বৈভৱৰ আন এক অনন্য কৃতিত্ব



নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ অভিলেখৰ যেন অন্য নাম বৈভৱ সূর্যবংশী। আই পি এল, আন্তঃৰাষ্ট্রীয় ক্রিকেটত চমক দিয়াৰ পাছত এইবাৰ ঘৰুৱা ক্রিকেটত অনন্য কৃতিত্বৰ অধিকাৰী হৈছে তেওঁ। ছৈয়দ মুস্তাক আলী ট্রফীৰ আজিৰ মেচত সৌৰাষ্ট্রৰ বিৰুদ্ধে বিহাৰক নেতৃত্ব দিয়ে বৈভৱে। এনেদৰে তেওঁ পৰিগণিত হয় টী-২০ ক্রিকেট ইতিহাসৰ কনিষ্ঠতম অধিনায়কৰূপে। ১৫ বছৰ ২৩২ দিন বয়সত বিহাৰক নেতৃত্ব দিয়াৰ গৌৰৱ অর্জন কৰে নৱোদিত তাৰকাজনে। এইক্ষেত্রত বৈভৱে ভংগ কৰে ক্র'ৰেচিয়াৰ জাখ ভুকুছিকৰ নামত থকা অভিলেখ। তেওঁ ১৭ বছৰ ৩১১ দিন বয়সত দলক নেতৃত্ব দিছিল। বৈভৱে আজি বিশ্ব অভিলেখ গঢ়িলেও অৱশ্যে তেওঁৰ ব্যক্তিগত প্রদর্শন সুখকৰ নহ'ল। মাত্র ১৮ ৰান কৰিয়ে তেওঁ আউট হয়। মেচখনত সৌৰাষ্ট্র ৫ উইকেটত জয়ী হয়। বৈভৱে এতিয়া এ চি চি পুৰুষৰ বাইজিং ষ্টার্ছ এছিয়া কাপত ভাৰতীয় 'এ' দলৰ হৈ খেলিব।

ইজিপ্টৰ হৈ সর্বাধিক গ'ল

ছালাহৰ অভিলেখ



কাইৰো, ১৪ নৱেম্বৰ ঃ ইজিপ্টৰ সর্বাধিক গ'লদাতাৰূপে পৰিগণিত হৈছে মহম্মদ ছালাহ। আফ্রিকা কাপ অব নেচন্ছৰ কোৰালিফায়াৰ মেচত মালাৰিৰ বিৰুদ্ধে দুটাকৈ গ'ল কৰে তাৰকা খেলুৰৈজনে। এনেদৰে কেৰিয়াৰত তেওঁ গ'লৰ সংখ্যা ৭০লৈ বৃদ্ধি কৰে। ৩৪ বছৰীয়া ছালাহে দলৰ প্রাক্তন ষ্ট্রাইকাৰ হোছাম হাছানৰ নামত থকা অভিলেখ ভংগ কৰে। ১২৩খন মেচ খেলি এই মাইলৰ খুঁটিত উপনীত হয় ছালাহ। হোছামে ৬৯টা গ'ল কৰিছিল আন্তঃৰাষ্ট্রীয় কেৰিয়াৰত। মহম্মদ ছালাহৰ ২০১১ চনত ছিনিয়ৰ পর্যায়ত অভিষেক ঘটিছিল আৰু তেতিয়াৰে পৰা তেওঁ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে।

■ চেপনত টিফুক স্বর্ণকাপ ফুটবল প্রতিযোগিতা ■

পাটসাঁকো ইউনাইটেড ফুটবল ক্লাব ছেমিত

দৈনিক অসমৰ প্রতিনিধি

চেপন, ১৪ নৱেম্বৰ ঃ চেপনৰ সমীপৰ টিফুক ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত তৃতীয় বার্ষিক টিফুক স্বর্ণকাপ ফুটবল প্রতিযোগিতাৰ খিতাপ দখলৰ যুঁজত উপনীত হৈছে চৰাইদেউৰ পাটসাঁকো ইউনাইটেড ফুটবল ক্লাব। চৰাইদেউ জিলা ক্রীড়া সন্থা আৰু মৰাণহাট ক্রীড়া সন্থাৰ যুটীয়া তত্ত্বাৱধানত অনুষ্ঠিত প্রতিযোগিতাৰ আজি অনুষ্ঠিত প্রথমখন ছেমি ফাইনেলত ইউনাইটেড ফুটবল ক্লাবে জুবিন গার্গ ফেন ক্লাব, চেপন একাদশক ৫-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। তুমুল প্রতিদ্বন্দ্বিতাপূর্ণ খেলখনৰ প্রথমার্দ্ধত ইউনাইটেড ক্লাবৰ হৈ মণ্টু লাচনে দলক অগ্রগতি প্রদান কৰে। আজিৰ খেলত মেন অব দ্য মেচৰ পুৰস্কাৰ লাভ কৰে তিনিটাকৈ গ'ল কৰা পাটসাঁকো ইউনাইটেড ফুটবল ক্লাবৰ মণ্টু লাচনে। কাইলৈৰ দ্বিতীয়খন ছেমি ফাইনেলত চৰাইদেউৰ মৰাণ বটামৰা ফুটবল ক্লাবে শিমলুগুৰিৰ গার্গ ইলেভেনৰ বিৰুদ্ধে মুখামুখি হ'ব।



দিছপুৰ প্রেছ ক্লাবৰ আন্তঃসংবাদ মাধ্যম ফুটছাল

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ১৪ নৱেম্বৰ ঃ কৃতী শিক্ষক প্রয়াত মুকবুল হুছেইনৰ সোঁৱৰণত দিছপুৰ প্রেছ ক্লাবৰ উদ্যোগত আন্তঃসংবাদ মাধ্যম ফুটছাল প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। দিছপুৰ প্রেছক্লাবৰ সভাপতি প্রণয় ৰবদৈলে আৰু সাধাৰণ সম্পাদক কুঞ্জমোহন ৰায়ে জানিবলৈ দিয়া মতে প্রতিযোগিতাখন ২৪ আৰু ২৫ নৱেম্বৰত পাঞ্জাবাৰীৰ বড়বাৰীৰ জিলিকা পথত থকা ষ্ট্রাইড এৰিনাত অনুষ্ঠিত হ'ব। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত হ'বলগীয়া প্রতিযোগিতাখনৰ বিজয়ী দলক নগদ সাত হাজাৰ টকা, মানপত্র আৰু ট্রফী, ৰানার্ছ আপ দলক নগদ তিনি হাজাৰ টকা, মানপত্র আৰু ট্রফী প্রদান কৰাৰ লগতে শ্রেষ্ঠ খেলুৰৈক নগদ এহাজাৰ টকা, মানপত্র আৰু ট্রফী আৰু শ্রেষ্ঠ গ'ল কীপাৰক নগদ এহাজাৰ টকা, মানপত্র আৰু ট্রফী প্রদান কৰা হ'ব। যোগদানৰ বাবে প্রতিটো দলৰ জাৰ্ছী বাধ্যতামূলক। ভর্তি মাচুল এশ টকা। ১৯ নৱেম্বৰৰ ভিতৰত দলসমূহে প্রতিযোগিতাত যোগদান কৰাটো নিশ্চিত কৰিব লাগিব। নক আউট পদ্ধতিত অনুষ্ঠিত হ'বলগীয়া প্রতিযোগিতাখনত যোগদান নিশ্চিত কৰিবলৈ দিছপুৰ প্রেছ ক্লাব নাইবা ৬০০২১-৭৫৯৫৯ নম্বৰত যোগাযোগ কৰিব পাৰিব।



ৰাজ্যিক দললৈ নলবাৰীৰ হিয়ানজিৎ, তৃষ্ণা

দৈনিক অসমৰ ক্রীড়া প্রতিনিধি

নলবাৰী, ১৪ নৱেম্বৰ ঃ অসম চৰকাৰৰ ক্রীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত সৰুসজাইৰ কর্মবীৰ নবীন চন্দ্র ৰবদলৈ ইনড'ৰ ষ্টেডিয়ামত ১৪ আৰু ১৭ বছৰ অনূর্দ্ধৰ (ল'ৰা-ছোৱালী) স্কুল নেচনেল ভলীবল প্রতিযোগিতাত অংশগ্রহণ কৰাৰ উদ্দেশ্যে অসমৰ ল'ৰা আৰু ছোৱালীৰ দল চাৰিটা গঠন কৰিবলৈ বাছনি শিবিৰৰ আয়োজন কৰা হৈছিল। এই শিবিৰত ১৪ বছৰ অনূর্দ্ধৰ ল'ৰাৰ শাখাত ৮৪জন খেলুৰেয়ে অংশগ্রহণ কৰিছিল। ইয়াৰ ভিতৰত নলবাৰীৰ হিয়ানজিৎ ডেকা নির্বাচিত হোৱাৰ লগতে ১৭ বছৰ অনূর্দ্ধৰ ছোৱালীৰ শাখাত ৯০গৰাকীৰ ভিতৰত নলবাৰীৰ তৃষ্ণা তালুকদাৰ নির্বাচিত হৈ জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁলোক দুয়োগৰাকীয়েই বৰ্ত্তমান ভলীবল প্রশিক্ষণ কেন্দ্রত ৰাষ্ট্রীয় ভলীবল ৰেফাৰী দেৱজিৎ ডেকাৰ তত্ত্বাৱধানত প্রশিক্ষণ লাভ কৰি আছে। উল্লেখ্য যে অহা ২৩ নৱেম্বৰৰ পৰা ২৭ নৱেম্বৰলৈ মহাৰাষ্ট্রত অনুষ্ঠিত হ'ব ১৪ বছৰ অনূর্দ্ধৰ ল'ৰা আৰু ছোৱালীৰ স্কুল নেচনেল ভলীবল প্রতিযোগিতা। আনহাতে, ১০ ডিচেম্বৰৰ পৰা ১৬ ডিচেম্বৰলৈ বাজস্থানত অনুষ্ঠিত হ'ব ১৭ বছৰ অনূর্দ্ধৰ ছোৱালীৰ স্কুল নেচনেল ভলীবল প্রতিযোগিতা।

ৰাষ্ট্রীয় স্কুল ভলীবল



বৰভাগত ফুটবল প্রতিযোগিতা

মাধাপুৰৰ জয়

দৈনিক অসমৰ ক্রীড়া প্রতিনিধি

নলবাৰী, ১৪ নৱেম্বৰ ঃ বৰভাগ আঞ্চলিক ক্রীড়া সংঘৰ সৌজন্যত দোকোহা হাইস্কুলৰ খেলপথাৰত অনুষ্ঠিত মণিৰ আলী, আৰাবজান বিবি, ছানিদুল আলী, অমৃত দাস সোঁৱৰণী ফুটবল প্রতিযোগিতাৰ আজিৰ খেলত মাধাপুৰ এফ চিয়ে বামুণবড়ী গোল্ডেন ক্লাবক ২-১ গ'লত পৰাস্ত কৰি পৰৱর্তী ৰাউণ্ডত প্রৱেশ কৰে। গ'ল দুটা দিয়ে মাধাপুৰ এফ চি দলৰ অৰূপ কলিতা আৰু মুন্না আহমেদে। কাইলৈ অন্য এখন খেলত অংশগ্রহণ কৰিব এম এ এম অৰিঅৰ এফ চি বনাম বজ্র এফ চি কালাগে।

দৈনিক অসম প্রাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৰন বৰদলৈৰ দ্বাৰা আর্কন আর্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্রকাশিত আৰু জি এল পাব্লিকেচন্ছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্রিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com

কার্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ

দৈনিক অসম
দেওবৰীয়া
চ'ৰা
দেওবাৰ, ১৫ নৱেম্বৰ, ২০২৬
Sunday, November 15, 2026



মাংস



ডাঃ ভৃংগেশ্বৰ শর্মা

অসমৰ মানুহ বেছিভাগেই আমিষাহাৰী। অর্থাৎ আমি মাছ-মাংস আদি খাওঁ। এই অভ্যাস আমাৰ এতিয়াৰ নহয়। শ শ বছৰ ধৰি অসমৰ মানুহে আমিষ আহাৰ খাই আহিছে। কিন্তু আমোদজনক কথা যে যোৱা কিছু বছৰৰ পৰা মাংস আমাৰ বাবে কেৱল খাদ্য হৈয়েই থকা নাই। মাংস হৈ পৰিছে আমাৰ বাবে ৰাজনীতি।

অসমৰ যোৱাটো বিধানসভা নির্বাচনৰ পূর্বে প্রায় এটা মাহ আমি অসমৰ ৰাইজ ব্যস্ত হৈ আছিলোঁ, বিশেষকৈ মাংসক লৈ। নির্বাচনত উঠা-নুঠা, ৰাজনীতি কৰা-নকৰা সকলো লোক ব্যস্ত। নির্বাচনী প্রচাৰ, সভা-সমিতি, সমদল, বাতৰি কাকত, টিভি, সামাজিক মাধ্যম— সকলোতে আমি ব্যস্ত। কোন প্রার্থীৰ অর্হতা কিমান, দক্ষতা কিমান, সততা কিমান— সেই সকলো পাহৰি আমি ব্যস্ত থাকিলোঁ মাংসক লৈ। আমাৰ সমস্যাবোৰ— বাট-পথ, যোগাযোগ, পৰিবহন, যাতায়াত, উন্নয়ন, নিয়োগ, বান, খোৱাপানী, যান-জঁট, বিদেশী— সকলো পাহৰি আমি ব্যস্ত থাকিলোঁ মাংসক লৈ। আমাৰ যেন নির্বাচনৰ মূল ইছ্যু মাংস, মানে গো মাংস। কোনে গো মাংস খায়, কোনে নাখায়; গো মাংস খোৱাজনক কিয় ভোট দিব লাগে বা কিয় নালাগে— সেইবোৰেই মূল ইছ্যু।

নির্বাচনৰ ফলাফল ওলাল। হয়তো নির্বাচনৰ ফলাফলো বহু পৰিমাণে নির্ণয় কৰিলে গো মাংসই।

আমি ব্যক্তিগতভাৱে ৰাজনীতিৰ পৰা বহু দূৰৈত। সেই কাৰণে গো মাংসৰ কথা সদ্যহতে বাদ দি কেৱল মাংসৰ কথাই অলপ আলোচনা কৰোঁচোন।

মই মাংসভোজী লোক। মাংস খাই ভাল পাওঁ। সৰুৰে পৰাই মাংস খাই আহিছোঁ। অৱশ্যে সকলো মাংস নহয়। অসমত মাংস খোৱাত একো সমস্যা নাই। কিন্তু কেতিয়াবা, অসমৰ বাহিৰৰ কিছুমান ঠাইত বা অসমতে বাহিৰৰ পৰা চাকৰি-বাকৰিৰ সংক্রান্তত অহা কিছুসংখ্যক লোকে মোৰ উপাধি শর্মা আৰু মই মাংস, মাছ আদি খাওঁ বুলি জানিলে প্রথম অৱস্থাত আশ্চর্য প্রকাশ কৰে। ব্রাহ্মণ মানুহে মাছ-মাংস খায়? বুজাবলগীয়া হয় যে অসমীয়া লোকৰ বাবে এয়া এটা স্বাভাৰিক কথা।

সৰুৰে পৰাই খাই অহা মাংসবিধ হ'ল ছাগলীৰ মাংস। এতিয়াও খাওঁ আৰু খাই ভাল পাওঁ। কিন্তু সেইবুলি আমি সৰু থাকোঁতে ছাগলীৰ মাংস বৰ সঘনাই খোৱা হোৱা নাছিল। মাছ প্রায় প্রতিদিনেই খাইছিলোঁ যদিও ছাগলীৰ মাংস মাজে-সময়েহে খাইছিলোঁ। ২ পৃষ্ঠাত চাওক

পোহৰে কন্দুৱায় এন্ধাৰে নিচুকায়



জুবিন জেউতি

দ্বিজেন কুমাৰ দাস

দ্বিধা আৰু শোক, প্রার্থনা আৰু প্রত্যয়ৰ মাজত বিজুলী চমকৰ দৰে জিলিকি উঠা 'এন্ধাৰ' শব্দটো অনন্ত flux ৰ ৰং-ৰস সোঁৱৰাই আমাৰ বুকু ভেদি বৈ যায়। এন্ধাৰেই দি যোৱা এই চমকণিক আমি বহুবাৰ বহু সময়ত এৰাব নোৱাৰা বিষয়ৰ সৈতে যুক্ত কৰিও থমকো। এই ভাবি যে এন্ধাৰ মানেই কি শেষ! এন্ধাৰ মানেই সমাপ্তিৰ ধ্বনি? মার্টিন লুথাৰ কিং জুনিয়ৰৰ এযাৰ বাক্য— darkness can not drive out darkness, only light can do thatৰ দৰে এন্ধাৰে এন্ধাৰক আঁতৰাব নোৱাৰে। পাৰে কেৱল পোহৰে, তেন্তে এই পোহৰৰ উপস্থিতি ক'ত যদিহে এন্ধাৰ নাথাকে। আকৌ এন্ধাৰক আকাংক্ষিত পূর্ণ ৰূপত তুলি ধৰি কবিয়ে কৈছে— may be in dark, I could become someone you love... অসমীয়াত— ব'লা এন্ধাৰতে বহো বুলি কোৱা কথাষাৰে যি ঘনিষ্ঠতা সার্থক ৰূপ ভাস্বৰ কৰোৱাইছিল, একেদৰেই নীলমণি ফুকনে— মই আন্ধৰো নহয় পোহৰো নহয়/, মই প্রজ্বলিত ব্যাকুলতা/— বুলি আন্ধাৰ আৰু পোহৰ— এই দুইৰ প্রতি আঘাতত ফুলা জীৱন শিল্পক দ্বন্দ্বাত্মক ভংগীৰে তুলি আনি থৈছে। আত্মপ্রতিকৃতি, অৱস্থান আনকি নিজ ইমেজৰ সৈতে এন্ধাৰ-পোহৰৰ সম্পর্ক নিশ্চয় আছে। পোহৰকেই যে আমি সুগঢ়ী সত্য চিৰন্তন বুলি মান্যতা দিম কথাটো তেনেকুৱাও নহয়। ৰিল্কেই লিখিছিল— you darkness, that I come from/ I love you more than all the fires



জীৱনৰ চ'ৰা বাটত কবি জিৰাব পৰা নাই, বহিব পৰা নাই অমানৱীয় কাৰুকার্যৰ ঠেলা-হেঁচাত কবিৰ এই ঈশ্বৰ হোৱাৰ আশংকা বাস্তৱত পৰিণত হ'ব নোৱাৰে।

মেটামৰফ'ছিছ জুবিন গার্গ

বিশ্ব শিল্পী কবিতাত জ্যোতিপ্রসাদ আগৰৱালাই লিপিবদ্ধ কৰি গৈছে— 'শিল্পী মই তিনিও কালৰ অতীতৰ বর্তমানৰ আৰু অনাগত ভৱিষ্যতৰ'—দৰাচলতে শিল্পীসকল সমাজ নির্মাতা, পৰিৱর্তন কৰোঁতা আৰু মানুহৰ মন সংশোধন কৰোঁতা সংস্কাৰক আৰু ত্রিকালজ্ঞ। তেওঁলোকৰ হাততে চিত্রিত হয় দানৱ-মানৱ-দৈত্য-দেৱতাৰ চিত্র, মূল্যায়ন হয় গুণ-মানদণ্ড। দেশৰ ভৱিষ্যৎ নির্ণয়ত কবি-শিল্পী-সাহিত্যিকৰ অৱদান অপৰিসীম। শিল্পী- গীতিকাৰ-সুৰকাৰ জুবিন গার্গ আছিল পৰিৱর্তনকামী, দূৰদর্শী বাস্তৱবাদী কবি। আধুনিক যন্ত্রযুগৰ যান্ত্রিকতা, সমাজজীৱন আৰু মানসিকতা, উত্থান-পতন আৰু অৱক্ষয়, পুঁজিবাদ আৰু সাম্যবাদ, নৈৰাশ্য, সমাজ-সংস্কৃতি-মানুহৰ অৱক্ষয়িত ৰূপ, ক্ষণভংগুৰ অস্তিত্বই কবি জুবিন গার্গক বিদ্রোহী কৰি তুলিছিল; সেই চেতনাৰে চেতনাস্রোত প্রতিফলিত হোৱা কবিতা হ'ল— 'মই যদি ঈশ্বৰ হ'লোঁহেঁতেন'। কবিতাটোৰ দর্শন গভীৰ আৰু অনন্য, অগতানুগতিক। গীত কথাৰ দৰেই কবিতাটিৰ প্রতীক, চিত্রকল্প, অভিব্যক্তি, ব্যঞ্জনা, ৰূপক, শব্দ আৰু ভাব-অনুভূতি অর্থপূর্ণ। প্রতিটো ভাবতে মূর্ত হৈছে নান্দনিক চেতনা। ইংগিতময় কথাৰ সংযোজনত শব্দৰ ব্যৱহাৰে কবিতাটো ভাবঘন কৰি তুলিছে।



ডঃ নির্মালি দাস

কবিতাটোৰ মূল সুৰ পৰিৱর্তন। ঈশ্বৰ হোৱাৰ ইচ্ছা যেন এক শক্তিশালী মনৰ গতিহে! বিজ্ঞান-প্রযুক্তিৰ প্রতি থকা আস্থাৰ লগতে মানৱীয় অনুভূতি, জীৱনৰ প্রতিও সচেতন হোৱা যে বাঞ্ছনীয়; সেই কথাৰে আশা-নিৰাশা, সংশয়ৰ মাজেৰে সম্ভাৱনাময় ভৱিষ্যতৰ এখন সুন্দৰ ছবি কল্পনা আৰু বাস্তৱৰ প্রেক্ষাপটত অংকন কৰিবলৈ সক্ষম হৈছে। কবিয়ে যি বাট নির্মাণ কৰিব বিচাৰে সেয়া সুকীয়া আৰু গুৰুত্বপূর্ণ। সমাজজীৱনৰ বিশৃংখল আৰু অৱক্ষয় দেখি কবি জর্জৰিত, ব্যথিত। মানুহৰ স্থিতি, গতি আৰু অস্তিত্বহীনতা দেখি জীৱন অস্তিত্বৰ প্রতি সন্দেহ উপজিছে। মানুহক সৃষ্টি কৰা ঈশ্বৰৰ অস্তিত্বৰ প্রতি অনাস্থা জাগি উঠিছে। কবিয়ে দেখিছে মানুহে ৩ পৃষ্ঠাত চাওক



গীতিকাৰ জুবিন গার্গৰ এন্ধাৰপ্রীতি অসমীয়া সংগীতত অনন্য উপহাৰ এইবাৰেই যে চলি থকা dark sideক আঁতৰাই গীতিকাৰে এন্ধাৰৰ সৈতে খেলিলে, সাঁতুৰিলে, এন্ধাৰ লালন পালনৰ বিষাদবোধেৰে আমাক ওপচাই দিলে। ব্যর্থ সময়ত নিচুকাবলৈ আমাৰ ওচৰলৈ লৈ আনিলে এন্ধাৰ।

গার্গৰ বাবে হী�ৰুদাৰ অনুপ্রেৰণা। হীৰুদাৰ 'আজি মোৰ এন্ধাৰতে টোপনি ভাঙিল'...ৰ দৰে এতিয়া এন্ধাৰে কথা ক'লে...ক ওচৰ চপাব নোৱাৰিলেও ঠিক নিলগাব নোৱাৰি। 'এন্ধাৰে এন্ধাৰে এটি জোনাকী উৰি আহি' হয়তো বেছি ওচৰ চপা। চিত্রভাষাক গীতি, কবিতালৈ ৰূপান্তৰ কৰোঁতে গীতিকাৰ জুবিন গার্গ স্বল্পবাক ব্যঞ্জনাৰে উজলি উঠে। এন্ধাৰত আছে এই তন্ময়তা। অৱশ্যে এন্ধাৰ শব্দৰ উপযুক্ত ব্যৱহাৰ আৰু কৌশলী নির্মাণ প্রসংগৰে হীৰুদা অসমীয়া সাহিত্যত বেছ আগবঢ়া। 'মই এন্ধাৰ সোপানেৰে গৈ আছোঁ গোপনে গোপনে...' নাইবা 'এন্ধাৰৰ কোমল ক্লান্ত গোন্ধে মোক ঢাকি আছে/ ফৰিংফুতা জোনাক এন্ধাৰ কবি তুমি গুচি গ'লা কিমান সহজ সাজে...//' আমাৰ সততে মনলৈ অহা শাৰীবোৰ।

বাইৰনৰ বিখ্যাত কবিতা Darkness কবিতাটোত কেৱল এন্ধাৰৰ বর্ণনা নাছিল। সূর্যৰ পোহৰহীন এখন পৃথিৱীৰ মাজেৰে মানুহৰ সভ্যতা, স্বার্থপৰতা, ভয়, মানৱতাৰ অৱক্ষয় আদিৰ ভয়ংকৰ ছবি দাঙি ধৰা হৈছিল— I had a dream,which was not all a dream/ The bright sun was extinguished and the stars/ Did wander darkling in the eternal space/ Rayless and pathless and the icy earth / Swung blind and blackening in the moonless air..

'মোৰ এটা সপোন আছিল, যিটো সম্পূর্ণ সপোন নাছিল/উজ্জ্বল সূর্যটো নুমাই হৈছিল আৰু তৰাবোৰ/অনন্ত মহাকাশ— অন্ধকাৰে বিচৰণ কৰিছিল/ পোহৰহীন, পথহীন, বৰফেৰে আবৃত পৃথিৱীখন চন্দ্রহীন আকাশৰ মাজত অন্ধভাৰে ঘূৰি ফুৰিছিল...'

Bob Dylanৰ বিখ্যাত গান Not dark yetৰ এটা শাৰী আছিল ...it is not dark yet but it's getting dark...সম্পূর্ণ এন্ধাৰ নহয় কিন্তু লাহে লাহে এন্ধাৰ হ'বলৈ আগবাঢ়িছে বুলি কৈ আশা শেষ হৈও অকণ এতিয়াও বাকী আছে বুলি প্রকাশ কৰিছিল। গানটোত মনৰ অলিন্দত জমা হোৱা অৱসাদ, নিঃসংগতা খুব ইংগিতপূর্ণভাৱে প্রকাশ কৰা হৈছিল।

এন্ধাৰক দৈত্য-দানৱৰ সৈতে তুলনা কৰা, মানৱ সমাজৰ কলঅংগকিত দিশটো বুজাবলৈ সততে এন্ধাৰক ব্যৱহাৰ কৰা পৰম্পৰা বিশ্ব সাহিত্যত প্রভাৱশালী। অসমীয়া সাহিত্যতো ই পুৰণি। এই পৰম্পৰা ভাঙি দিছিল গীতিকাৰ জুবিন গার্গে। 'মেঘৰ বৰণ' শীর্ষক গীতৰ কথাংশত 'এন্ধাৰৰ গান বহু গালোঁ বাট চাওঁতেই শিল হ'লোঁই মনত পেলায় এন্ধাৰবো আছে নিজা ৰং, ৰস, বাস্তুয় নির্জনতা। সততে মই ৰাতিৰ মানুহ বুলি নিজকে কৈ থকা গীতিকাৰ জুবিন গার্গৰি পক্ষে এন্ধাৰ-পোহৰৰ বিপৰীত অৱস্থাটো কেৱল নাছিল। আছিল বাছোৰ lighting flashesৰ দৰে আভৰণ-নিৰাভৰণ প্রত্যয়। প্রেৰণাস্বৰূপ শিল্প।

এন্ধাৰৰ গান জুবিন গার্গৰ সুতীক্ষ্ণ ভাবাৱেগ আৰু স্ব-যুঁজৰ দৈত্যক। এন্ধাৰ নাশি পোহৰমুখী হোৱাৰ কথা কোৱা সুদীর্ঘ পৰম্পৰা ভংগ হৈছে ইয়াতেই।

গীতিকাৰ জুবিন গার্গৰ অন্য এটি সর্বজনপ্রিয় আৰু শ্রেষ্ঠ গান 'এন্ধাৰ হ'ব নোৱাৰোঁ/ মচি দিব নোখোজোঁ/পাখি মেলা অতীতক কিদৰে পাহৰোঁ।—ত নিজেই এন্ধাৰ হৈ জীয়া এফাল মচি দিব নোৱাৰা কথাৰে আৰম্ভ হোৱা গানটোত পাখিমেলা অতীতক পাহৰাৰ উপায় ক'ত বা কিদৰে সম্ভৱ, এই অসহায় অৱস্থাটো ২ পৃষ্ঠাত চাওক



গানে গানে কিমান যে কাহিনী

It just happened by accident— অকপটে কৈছিল ব্রুছ স্প্রিংষ্টিনে। কিংবদন্তি হৈ পৰা আমেৰিকান ৰক ষ্টাৰ স্প্রিংষ্টিনৰ বয়স সম্প্রতি ৭৬ বছৰ। ১৯৪৯ চনত নিউজার্ছীত জন্ম হোৱা স্প্রিংষ্টিনৰ সাম্প্রতিক সময়ত আন এক পৰিচয় হৈছে ড'নাল্ড ট্রাম্প তথা ৰিপাব্লিকান শিবিৰৰ কট্টৰ বিৰোধী ৰূপে। ২০২৪ চনৰ শেষত হোৱা আমেৰিকাৰ ৰাষ্ট্রপতি নির্বাচনত ব্রুছ স্প্রিংষ্টিন আছিল ডেমক্রেটিক অর্থাৎ ট্রাম্পৰ দলৰ বিপৰীত শিবিৰৰ তাৰকা প্রচাৰক। আৰু সৌসিদিনা ট্রাম্পৰ স্বেচ্ছাচাৰী টেৰিফ নীতিৰ বিৰোধিতাৰে তেওঁ হাতত গীটাৰ লৈ ওলাই আহিছিল ৰাশ্বিংটনৰ





সঞ্জীৱ প্রকাশ

ফিলাডেলফিয়াৰ ৰাস্তাত সমাজবর্জিত জীৱন

ৰাজপথলৈ, গান গাই প্রতিবাদ কৰিছিল নিজ দেশৰেই ৰাষ্ট্রপতিৰ বিৰুদ্ধে। যোৱা মার্চ (২০২৬) মাহৰ কথা সেয়া।

কিন্তু আৰম্ভণি যিটো বাক্যৰে এই ৰচনাৰ, accident অর্থাৎ দুর্ঘটনা ক্রমেহে যিটো কাম হোৱা বা কৰা বুলি স্প্রিংষ্টিনে স্বীকাৰ কৰিছিল, সেই কাহিনী ১৯৯৪-৯৫ চনৰ। কাহিনী এটা গানৰ। যিটো গানৰ শিৰোনাম 'ষ্ট্রীটছ অব ফিলাডেলফিয়া'। ১৯৯৪ চনৰ ১১ ফেব্রুৱাৰীত মুক্তি পোৱা যিটো গীতে বহু ব্যর্থতা, বিফলতাৰ পাছত আত্মবিশ্বাস হেৰুৱাই পেলোৱা ব্রুছ স্প্রিংষ্টিনক পুনৰ লৈ গৈছিল সফলতা আৰু জনপ্রিয়তাৰ শীর্ষলৈ। চাৰিটাকৈ শিতানত গ্রেমী সম্মান আৰু গ'ল্ডেন গ্লব'ৰ উপৰি এই গীতে আঁজুৰি আনিছিল বিশ্ব চলচ্চিত্রৰো শীর্ষ সম্মান অস্কাৰ। এটাই গীত, যিটো গীতে লাভ কৰিছিল একাধাৰে সংগীত আৰু চিনেমা উভয় ক্ষেত্রৰে সর্বোচ্চ সম্মান। এয়া জানো ধেমালি কথা! গীতটো ব্রুছ স্প্রিংষ্টিনৰো একক পৰিচয় স্বৰূপ হৈ পৰিছিল। পৰৱর্তী সময়ত য'তেই যেতিয়াই ২ পৃষ্ঠাত চাওক

ব্রুছ স্প্রিংষ্টিনৰ 'ষ্ট্রীটছ অব ফিলাডেলফিয়া'ই এইটো কথাও প্রমাণ কৰি দিলে যে ৰক বা মেটেল সংগীতৰ দৰে চিঞৰ-বাখৰ নোহোৱাকৈও মানুহে তেনেই নিম্ন স্বৰত কথা পতাৰ দৰে বিশেষ সুৰ নোহোৱাকৈ পৰিৱেশন কৰা গানেও যে মানুহৰ অন্তৰ স্পর্শ কৰিব পাৰে, প্রজন্মৰ হৃদয় আলোড়িত কৰিব পাৰে।

এবাটি কলডিল ভাজি



ডাঃ হিৰণ্য সোণোৱাল





ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা অহা সান্ধ্য সমীৰণে সামান্য শীতলতা কঢ়িয়াই আনিছিল দিনটোৰ কৰ্মব্যস্ততাৰ পাছত। সেই মনোৰম সন্ধিয়া পাকঘৰৰ ভিতৰখন আছিল উমাল আৰু আৰামদায়ক— জিৰা ভজা আৰু সৰিয়হৰ তেলৰ সুগন্ধেৰে ভৰি থকা।

মই পাকঘৰৰ টেবুলৰ কাষত থিয় হৈ আছিলোঁ। চল্লিশ বছৰো অধিক সময় ধৰি যি দুখন হাতে প্ৰশাসনিক আদেশত স্বাক্ষৰ কৰি আহিছে আৰু অসংখ্যজনৰ হৃদস্পন্দন ষ্টেথস্কপেৰে শুনি আহিছোঁ। মোৰ সেই হাতত এতিয়া গাঢ় বেঙুনীয়া ৰঙৰ, হৃদয়াকৃতিৰ এক কলডিল।

ড্ৰয়িং ৰুমৰ পৰা টেলিভিছনৰ ক্ষীণ শব্দ ভাহি আহিছিল। মোৰ পত্নী ছোফাত বহি আছিল গাদী অটা সুকোমল গাৰুত ভৰ দি। বিগত কেইসপ্তাহমান অভিশপ্ত স্মৃতিৰ দৰে পাৰ হৈ গৈছিল হাস্পতালৰ নিৰ্মম কৰিড'ৰত। এণ্টিচেপ্টিকৰ তীক্ষ্ণ গোন্ধ আৰু বৃহৎ অস্ত্ৰোপচাৰৰ ফলত স্বাভাৰিকভাৱে আহি পৰা অনিশ্চয় উৎকণ্ঠা। পত্নীৰ স্তন কৰ্কটৰোগৰ অস্ত্ৰোপচাৰ সফল হৈছিল যদিও তাৰ প্ৰভাৱ এতিয়াও তেওঁৰ দেহত স্পষ্টভাৱে পৰিলক্ষিত। সাধাৰণতে দীপ্তিময় মুখখনত এতিয়া অস্ত্ৰোপচাৰ-উত্তৰ ৰক্তাল্পতাৰ ফিকা ক্লান্তিৰ ছাঁ।

এজন জ্যেষ্ঠ চিকিৎসক হিচাপে মোৰ সকলো পৰীক্ষাগাৰৰ সূচক সংখ্যা মুখস্থ। হিম'গ্লবিনৰ মাত্ৰা কিমান হ'ব লাগিব, লোহিত ৰক্তকণিকাৰ সংখ্যা কেনেদৰে বৃদ্ধি কৰিব লাগিব— সকলো মোৰ আঙুলিৰ মূৰত। কিন্তু এজন স্বামী হিচাপে বুজিছিলোঁ যে আৰোগ্য কেৱল পেটৰ অসুবিধা সুষ্ঠি কৰা লৌহ-টেবলেটৰ বটলত নাথাকে। সেয়া আহে মাটিৰ পৰা, পৰম্পৰাৰ পৰা, আৰু ভালপোৱাৰ পৰা।

এনে এক মানসিক অৱস্থাৰে কলডিলৰ টান বেঙুনীয়া খোলাবোৰ এটাৰ পাছত এটাকৈ আঁতৰাই থাকিলোঁ। ভিতৰত শাৰী শাৰীকৈ লুকাই থকা কোমল ফুলবোৰ যেন সৰু সৰু শুই থকা একোজনী চৰাইৰ পোৱালি।

'প্ৰকৃতিৰ শ্ৰেষ্ঠ লৌহভাণ্ডাৰ', নিজৰ মাজতে ক'লোঁ।

অভ্যাসগত নিপুণতাৰে প্ৰতিটো ফুলৰ তিতা গুটি আৰু আঁহ আঁতৰাবলৈ ধৰিলোঁ। কামটো আছিল অধিক ধৈৰ্য আৰু দীঘলীয়া সময়ৰ। কেন্দ্ৰীয় চৰকাৰৰ এটা স্বাস্থ্যকেন্দ্ৰৰ পৰিচালনা আৰু বিভিন্ন স্বাস্থ্য আঁচনিৰ দায়িত্বৰে মোৰ ওৰ নপৰা ব্যস্ততা। যি ব্যস্ততাই ইচ্ছা-দক্ষতা থকাৰ পাছতো ৰান্ধনিশাললৈ পথ মোৰ ৰুদ্ধ কৰে। কিন্তু আজি কটাৰীখনৰ প্ৰতিটো কোব যেন পত্নীৰ সুস্থতাৰ বাবে লিখা এক চিকিৎসাপত্ৰহে; তেনে লাগিল।

কলডিলৰ কোমল অন্তৰ্ভাগ সৰু সৰুকৈ কাটি হালধিৰ সামান্য গুড়ি মিহলোৱা পানীত ডুবাই ৰাখিলোঁ। যাতে ক'লা নপৰে। ৰসত থকা লৌহৰ জাৰণেই তাৰ গুণাগুণৰ নীৰৱ সাক্ষ্য।

'ডাক্তৰ বাবু, ইমান গুৰুত্ব সহকাৰে কি বিশ্লেষণ কৰি আছে?'

পাকঘৰৰ দুৱাৰৰ কাষত থিয় হৈ পত্নীৰ প্ৰশ্ন। অস্ত্ৰোপচাৰৰ পোছাকৰ সলনি এতিয়া কোমল কপাহী শাৰীখনেৰে, দেহৰ দুৰ্বলতা নেওচি যেন তেওঁৰ চকুত আগৰ দৰেই উষ্ণতা।

'আহা, তুমি থিয় হৈ থাকিব নালাগে', চকী এখন আগবঢ়াই দিলোঁ— 'বহা। তোমাৰ প্ৰকৃত চিকিৎসা এতিয়াহে হ'ব।'

পত্নীয়ে কটা কলডিললৈ চাই মৃদু হাঁহি মাৰিলে।

'কলডিল? গাঁৰৰ চাকৰিৰ প্ৰথম দিনবোৰৰ পাছত তুমি এইটো ৰন্ধা মনেই নপৰে।'

'সেয়া মোৰ ভুল আছিল'— ক'লোঁ। লোহাৰ কঢ়াইখনত সামান্য সৰিয়হৰ তেল গৰম কৰিলোঁ। মোৰ চিকিৎসক মনটোৱে যেন লৌহৰ যোগান দুগুণ কৰিবলৈ বিচাৰিছিলোঁ। তেলত মেথিৰ কেইটামান গুটি আৰু এটা চিৰা সেউজীয়া জলকীয়া পেলাই দিলে।

'এজন চিকিৎসক হিচাপে মই কৈছোঁ, তোমাৰ লোহিত ৰক্তকণিকাবোৰক নতুন শক্তি লাগে। অস্থিমজ্জাই নতুন গঠন উপাদান বিচাৰে। আৰু এজন ৰান্ধনী হিচাপে...'

তেওঁ কথা থমকাই ভিজাই থোৱা ক'লা বুট আৰু অলপ আদাৰ বটা দি কলডিলখিনি কঢ়াইত ঢালি দিলে। মই ক'লোঁ, 'তোমাৰ গালত পুনৰ ৰং ঘুৰাই আনিব পৰা বস্তু এয়াই।'

মোৰ এই সন্ধিয়াৰ পাকঘৰটো অসমীয়া আত্মাৰ খাদ্যৰ এই বিশেষ সুগন্ধেৰে ভৰি পৰিল; মাটিৰ দৰে গভীৰ, মৃদু মিঠা আৰু সামান্য তিতা। তেওঁ ধীৰে ধীৰে ভাজিবলৈ ধৰিলে, যাতে নিজৰ ৰসতে সিদ্ধ হৈ কলডিলখিনি কোমল, গাঢ় আৰু সুস্বাদু হৈ উঠে। কিছু সময় পাছত, গৰম জহা চাউলৰ এখনি সৰু বাটিৰ সৈতে তেওঁ ব্যঞ্জনটো পৰিবেশন কৰিলে। দুয়ো একেলগে বহিলোঁ।

'কেনে লাগিল?' সুধিলোঁ। মোৰ দৃষ্টিত এক গাম্ভীৰ্য। যেন কোনো চিকিৎসা মহলৰ এক গুৰুত্বপূৰ্ণ আলোচনাৰ ফলাফললৈহে অপেক্ষা কৰি আছোঁ।

পত্নীয়ে গিলি ল'লে, অলপ সময় চকু মুদি ৰাখিলে, তাৰ পাছত হাঁহি ক'লে, 'হিৰণ্য, তুমি মোক যিমান কেপছুল লিখি দিছা, তাৰ সকলোতকৈ এইটো বেছি ফলপ্ৰসূ।'

দীঘল নিশ্বাস এৰিলোঁ। যেন পত্নীৰ ৰোগ নিৰ্ণয় হোৱা দিনটোৰ পৰা বুকুত সাঁচি ৰখা উদ্বেগ এৰি দিছোঁ। টেবুলৰ ওপৰেৰে হাত আগবঢ়াই পত্নীৰ হাতখন মৃদুভাৱে ধৰি ল'লোঁ।

পৰীক্ষাগাৰৰ সংখ্যাবোৰ সলনি হ'বলৈ হয়তো আৰু সময় লাগিব। কিন্তু সেই মুহূর্তত, নিজৰ ঘৰখনৰ উমাল পোহৰৰ মাজত পত্নীক চাই নিশ্চিত হ'লোঁ যে প্ৰকৃত আৰোগ্যৰ যাত্ৰা এতিয়াহে আৰম্ভ হ'ল মোৰ পাকঘৰৰ খোৱা মেজত সম্পূৰ্ণ অসমীয়া কলডিলৰ ভাজি এবাটিৰে। ■

পোহৰে কন্দুৱায় এন্ধাৰে নিচুকায়



১ পৃষ্ঠাৰ পৰা প্ৰকাশিত হৈছে। সঁচা মিছাৰ ধাৰণা, স্বপ্ন দিঠক, ছায়া-প্ৰশ্চায়া, দুখ-হতাশাৰ মাজত নিজক আৱিষ্কাৰৰ যাত্ৰাটোত সকলো বুজিও কেৱল এন্ধৰৰ ওচৰত নতজানু এইবাৰেই যে এন্ধাৰ হ'ব পাৰিলেই যেন তেওঁৰ বাবে সকলো সহজ আছিল। সহজ আছিল অসীমত লীন হোৱাৰ মানসিক বাসনা। সহজ-সৰল হৈও এই গানৰ মৰ্মত উত্তোলিত হৈছে নৈৰাজ্যৰ ব্যতিক্ৰম চেতন-অৱচেতন ধাৰণা। ক্ষয়ংকৰী বাস্তৱ আৰু সপোন দেখাৰ সক্ৰিয়তাৰ মাজৰ সংযোগে গানৰ কথাক কৰি তুলিছে অতি জীৱনদৃষ্টিসম্পন্ন। এন্ধাৰ হ'ব পৰাটোনো কি? এই প্ৰশ্নৰ উত্তৰ স্পষ্ট ৰূপত দিব পৰা নাযায়। জীৱনত সংঘাত, অভিজ্ঞতা সকলো মূল্যৱান। নিৰুদ্বেগপূৰ্ণভাৱে সকলো 'হেঁতেন'ক মোহাৰি দিব পৰাকৈ এজন মানুহ এন্ধাৰ বা এন্ধাৰ সদৃশ হৈ পৰাটো দৰকাৰী হয়— যিদৰে দৰকাৰী হয় বাস্তৱৰ জ্ঞাত-নিৰজ্ঞাত ফলাফলক আওকাণ কৰি আগবঢ়াটো। সেয়েহে ইমেজিষ্ট এজনৰ চৰিত্ৰ বহন কৰিও গীতিকাৰ জুবিন গাৰ্গে গানলৈ সৰলভাৱে আনিলে মেটানেৰেটিভ। আকৌ তুমি মোৰ মাথোঁ মোৰ চিনেমাৰ 'নীলা নীলা দুচকুত এন্ধাৰে কথা ক'লে/আলফুল দুবাহুত আকৌ জীৱনে উশাহ পালে...'/ত প্ৰেম উন্মোচনৰ শুভ উল্লসিত মুহূর্তত এন্ধাৰে কথা কোৱা দুচকুৰ ভাষাক নান্দনিক ৰূপেৰে তুলি ধৰা হৈছে। 'এন্ধাৰ ৰাতি নাজানো কিয় অসহায় অসহায় লাগে'— পুৰণি অসমীয়া বিন্যাসৰে ৰূপ। শেহতীয়া 'মা' এলবামৰ 'নিচুকণি' শীৰ্ষক গীতত 'এই এন্ধাৰ ক'তেনো এৰি আহো/এই এন্ধাৰ কেনেকৈ সামৰো'ত... নিকট বেয়া সময়খিনিকেই উজাৰ কৰা হৈছে। এৰাব নোৱাৰা প্ৰতিনিয়ত সংগ প্ৰদানকাৰী দুখ দুৱৰস্থাক আঙুলিওৱা হৈছে। 'কেতিয়াবা' শীৰ্ষক গানত কেতিয়াবা সকলো সলনি নাইবা ওলট-পালট হোৱাৰ দৰেই আন্ধাৰ পোহৰলৈ— পোহৰ এন্ধাৰলৈ ৰূপান্তৰিত হোৱাৰ কথা উল্লেখ আছে। এই উল্লেখ পৰম্পৰাগত। তথাপি গীতিকবিতাৰ দৃষ্টিৰে চালে ই এটি অনন্য সৃষ্টি।

গীতিকাৰ জুবিন গাৰ্গৰ এন্ধাৰপ্ৰীতি অসমীয়া সংগীতত অনন্য উপহাৰ এইবাৰেই যে চলি থকা dark sideক আঁতৰাই গীতিকাৰে এন্ধাৰৰ সৈতে খেলিলে, সাঁতুৰিলে, এন্ধাৰ লালন পালনৰ বিষাদবোধেৰে আমাক ওপচাই দিলে। ব্যৰ্থ সময়ত নিচুকাবলৈ আমাৰ ওচৰলৈ লৈ আনিলে এন্ধাৰ। এই 'এন্ধাৰ তন্ময়তা' আমাৰ বাবে কেৱল বিষয়ীৰ বিষ নহৈ হৈ পৰিল 'আলোৰ ঝলকানি'। ■

ফিলাডেলফিয়াৰ ৰাস্তাত সমাজবৰ্জিত জীৱন

১ পৃষ্ঠাৰ পৰা ব্ৰুছ স্প্ৰিংষ্টিনৰ কথা ওলায়, তাতেই অৱতাৰণা ঘটে ষ্ট্ৰীটছ অব ফিলাডেলফিয়াৰ প্ৰসংগ। আচলতে অস্কাৰ লাভ কৰা গীতটোৰ কাহিনীটোৱেই এখন চিনেমাৰ দৰে।

সেয়া আছিল নব্বেৰ দশকৰ আৰম্ভণি। আঃ নব্বেৰ দশক! এই শব্দ দুটাতেই যেন অনামী শিহৰণ আছে, মাদকতা আছে আমাৰ প্ৰজন্মটোৰ বাবে। আমাৰ বাবে সেয়া আছিল ফ্ৰয়েডৰ ভাষাত ঠিক বয়ঃসন্ধি কাল শেষ হোৱাৰ সময়। পৃথিৱীখন ৰঙীন দেখাৰ, মন-মগজু অন্তহীন জিজ্ঞাসাৰে পৰিপূৰ্ণ হোৱাৰ সময়। ব্ৰুছ স্প্ৰিংষ্টিনে কিন্তু তেতিয়ালৈ তেওঁৰ জীৱনৰ সেই সোণালী সময় পাৰ হৈ আহিছে। তেতিয়া তেওঁৰ বয়সে দুকুৰি অতিক্ৰম কৰিছে। ৰকষ্টাৰ ৰূপে সমাদৃত বিশ্বত। বৰ্ন টু ৰান (১৯৭৫), ডাৰ্কাৰ আমেৰিকা (১৯৭৮), দ্য ৰিভাৰ (১৯৮০), বৰ্ন ইন দ্য ইউ এছ এ (১৯৮৪-৮৫) আদি গীত-এলবামৰ জৰিয়তে তেওঁ বিশ্বজুৰি জনপ্ৰিয় হৈ পৰিছে, সুখ্যাতি অৰ্জন কৰিছে। সেই সময়তে স্প্ৰিংষ্টিনৰ পৰা এটা গীত বিচাৰিলে চলচ্চিত্ৰ পৰিচালক জনাথন ডেমেই (ছাইলেন্স অব লেম্ব্ চিনেমাখনৰ বাবে তেওঁ অস্কাৰ লাভ কৰিছিল)। সেয়া ১৯৯৩ চনৰ কথা। সেই সময়ত ডেমেই ফিলাডেলফিয়া নামৰ এখন চিনেমা নিৰ্মাণ কৰি আছিল আৰু কাম প্ৰায় শেষ হৈ আহিছিল। সেই চিনেমাখনৰ বিষয়বস্তু আছিল এইচ আই ভি আৰু এইডছ ৰোগ। চিনেমাখনৰ কেন্দ্ৰীয় চৰিত্ৰটো এজন এইড্ছ ৰোগত আক্ৰান্ত ডেকা আইনজ্ঞ। তেওঁ সমকামী। চৰিত্ৰটোত অভিনয় কৰা অভিনেতাজন আছিল টম হাংকছ। এইড্ছ আক্ৰান্ত সেই আইনজ্ঞজন চাকৰিৰ পৰা বৰ্খাস্ত হয় আৰু সামাজিকভাৱেও নিঃসংগ হৈ পৰে। এইড্ছ আক্ৰান্ত মানুহক কোনেও সহজে বা সামাজিকভাৱে গ্ৰহণ নকৰে। তাৰ ফলত সেই মানুহজনৰ নিঃসংগতাক লৈ যি যন্ত্ৰণা, সেই কাহিনীৰেই ফিলাডেলফিয়া চিনেমাখন। এইড্ছ ৰোগৰ ভয়াৱহতাক বিষয় ৰূপে লৈ নিৰ্মাণ কৰা এইখনেই প্ৰথম পূৰ্ণ দৈর্ঘ্যৰ আৰু বহুল সমাদৃত চিনেমা বুলি বহু চলচ্চিত্ৰ ৰসিকে ক'ব খোজে। অৱশ্যে কথাটোক লৈ মতানৈক্যও আছে।

যি কি নহওক, পৰিচালক জনাথন ডেমেই ব্ৰুছ স্প্ৰিংষ্টিনক ক'লে যে তেওঁক এটা গীত লাগে। লগতে গীতটোৰ বাবে অনুৰোধ জনাই স্প্ৰিংষ্টিনক এইবুলি কৈছিল— I want it to play in the Malls. হয় মলসমূহত বজাব পৰা এটা গীত বিচাৰি স্প্ৰিংষ্টিনক অনুৰোধ জনাইছিল ফিলাডেলফিয়া চিনেমাৰ পৰিচালক জনাথন ডেমেই। আচলতে ফিলাডেলফিয়া চিনেমাখনৰ বাবে ইতিমধ্যেই ফিলাডেলফিয়া শীৰ্ষক এটা গীত ৰচনা কৰিছিল নেইল য়ঙে (Neil young)। সেইটো গীতৰ আৰম্ভণি এনেদৰে—

Sometimes I think that I know what love's all about, And when I see the light, I know I'll be all right। নেইল য়ঙে গীতটোৰ ৰচনা আৰু সুৰ-সংগীতৰ কাম শেষ কৰাৰ পাছত গীতটো শুনি জনাথন ডেমেই ইমানেই ভাল পালে যে তেওঁ সেইটো গীত চিনেমাখনত লৈয়েই পেলালে। কিন্তু তাৰ পাছতো তেওঁৰ চিনেমাখনৰ বাবে আৰু এটা গীতৰ প্ৰয়োজন অনুভৱ হৈছিল। আৰু সেই দ্বিতীয় গীতটোৰ বাবেই তেওঁ অনুৰোধ জনাইছিল ব্ৰুছ স্প্ৰিংষ্টিনক। গীতটোৰ ভাষা হ'ব লাগিব সামাজিক। সুৰ সংগীত হ'ব লাগিব গীটাৰৰ প্ৰাধান্য থকা। কিন্তু স্প্ৰিংষ্টিন সেই সময়ত খুবেই ভাগৰুৱা। কেইবাখনো দেশ সামৰি এক দীঘলীয়া কনচাৰ্ট ট্যুৰৰ অন্তত অলপ জিৰণি লোৱাৰ মানসেৰে তেওঁ ঘৰতে আছিল। জনাথন ডেমেৰ অনুৰোধটোৰ উত্তৰত তেওঁ এটা কথাই কৈছিল— যিমান পাৰে তেওঁ চেষ্টা কৰিব। কিন্তু হ'লেই বা সেয়া জিৰণিৰ সময়, এজন সৃষ্টিশীল মানুহে জানো কেৱল শুই-বহি সময় কটাব পাৰে! ডেমেই বিচৰা গীতটো সৃষ্টিৰ প্ৰচেষ্টা আৰম্ভ হৈ গৈছিল। কিন্তু সময়ত দেখা গ'ল যে যি এটা গীতৰ সৃষ্টি হ'ল, সেইটো ৰক সংগীতৰ শ্ৰেণীত নপৰেগৈ। ঘৰতে এটা সৰু চিন্থেছইজাৰ আৰু ড্ৰাম মেচিন ব্যৱহাৰ কৰি স্প্ৰিংষ্টিনে যিটো গীত ৰচনা কৰি উলিয়ালে সেইটো এটা বিষাদ বোধৰ গানহে হ'লগৈ। গীতটোৰ আৰম্ভণি এনেদৰে— I was bruised and battered I couldn't tell what I felt... অৰ্থাৎ মই গভীৰ আঘাতত ক্ষত-বিক্ষত হৈ পৰিছিলোঁ, কিন্তু সেই সময়ত মোৰ অনুভৱ কেনে আছিল সেয়া মই নিজেই বুজিব পৰা নাছিলোঁ। তাৰ পিছৰ কথাংশ এনেকুৱা— I was unrecognizable to myself, Saw my reflection in a window... অৰ্থাৎ মই নিজেই নিজৰ বাবে অচিনাকি হৈ পৰিছিলোঁ, খিৰিকীৰ আইনাত স্পষ্ট হৈছিল মোৰ প্ৰতিবিম্ব। কিন্তু সেই মুখ মোৰেইনে? নাই, সেই মুখ মই চিনিব পৰা নাছিলোঁ। আৰু তাৰ পাছৰ কথাংশ গীতটোৰ— Oh brother are you gonna leave me wastin' away. On the streets of Philadelphia?... মোক জহি-খহি শেষ হৈ যাবলৈ এনেদৰে ফিলাডেলফিয়াৰ ৰাস্তাতে এৰি থৈ যাবানে ভাই?

গীতটোৰ কথাংশত আৰম্ভণিৰ পৰাই পূৰ্ণ প্ৰতিফলন এজন এইচ আই ভি আক্ৰান্ত মানুহৰ একাকিত্ব আৰু জীৱন যন্ত্ৰণাৰ ভয়াৱহ কাহিনীৰ। গীতটোৰ ডেম' বা পৰীক্ষামূলক ৰেকৰ্ড কৰি যেতিয়া স্প্ৰিংষ্টিনে জনাথন ডেমেক শুনালে, তেতিয়া সেই ডেম' ভাৰ্ছনটো শুনিয়েই পত্নীৰ লগত একেলগে হুকহুকাই কান্দি দিছিল ডেমেই। ইমানেই হৃদয়স্পৰ্শী আছিল গীতটোৰ ভাষা।

এইড্ছ ৰোগক বিষয়বস্তু ৰূপে লৈ নিৰ্মাণ কৰা ফিলাডেলফিয়া চিনেমাখনৰ কেন্দ্ৰীয় চৰিত্ৰত অভিনয় কৰা টম হাংকছৰ বিপৰীতে অভিনয় কৰিছিল ডেঞ্জেল ৰাশ্বিংটনে। আৰু যেতিয়া চিনেমাখনৰ নেইম কাষ্টিং আৰম্ভ হয়, তেতিয়াই বাজি উঠে ব্ৰুছ স্প্ৰিংষ্টিনৰ গানটো। অৰ্থাৎ সেইটো গানেৰেই চিনেমাখনৰ আৰম্ভণি। যাক টাইটেল ট্ৰেক বুলি কোৱা হয়। আৰু গানটো যেতিয়া শেষ হয়, তেতিয়াই আৰম্ভণি চিনেমাখনৰ কাহিনীৰ। সেই ভিডিঅ'ত অৱশ্যে দেখা নাযায় স্প্ৰিংষ্টিনক। কিন্তু চিনেমাখনৰ পৰা পৃথক কৰি 'ষ্ট্ৰীটছ অব ফিলাডেলফিয়া'ৰ যিটো সুকীয়া মিউজিক ভিডিঅ', তাত আদিৰ পৰা অন্তলৈকে দেখা গৈছে স্প্ৰিংষ্টিনক। বৰং ক'ব পাৰি তেওঁক কেন্দ্ৰ কৰিয়েই সেই মিউজিক ভিডিঅ' নিৰ্মাণ কৰা হৈছে। গীতটোৰ অন্তিম অংশ আৰম্ভ হোৱাৰ সময়ত এবাৰ দেখা যায় চিনেমাখনত এণ্ড্ৰিউ বেকেট নামৰ কেন্দ্ৰীয় চৰিত্ৰটোত অভিনয় কৰা টম হাংকছক। তেওঁ ৰাস্তাটোৰ এটা মূৰৰ পৰা ব্ৰুছ স্প্ৰিংষ্টিনৰ ফালে চাই থকা দৃশ্যটোত এনে লাগে যেন দুয়োজনেই ৰোগাক্ৰান্ত। দুয়োজনেই যেন সমাজবৰ্জিত নিঃসংগ, উপেক্ষিত মানুহৰ প্ৰতীক। আপুনি ইউটিউবত ষ্ট্ৰীটছ অব ফিলাডেলফিয়া গানটোৰ ভিডিঅ' চাৰ্চ কৰিলে দেখিব ভিডিঅ'টোৰ আদিৰ পৰা অন্তলৈকে স্প্ৰিংষ্টিনে গানটো গাই গাই ফিলাডেলফিয়াৰ ৰাস্তাৰে খোজকাঢ়ি ঘুৰি ফুৰাৰ দৃশ্য। তেওঁ পদব্ৰজে গৈ থকা ৰাস্তাটোৰ দুয়োকাষে পুৱাৰ পৰা সন্ধিয়ালৈ চহৰীয়া মানুহৰ দৈনন্দিন ব্যস্ততাৰ যেন এক কলাজ। গীতটোৰ সেই দৃশ্যবোৰে স্পষ্ট ৰূপত প্ৰতিফলিত কৰে জনজীৱনৰ ব্যস্ততাৰ মাজতো একাকিত্বৰ দুৰ্বিষহ বিষাদ আৰু যন্ত্ৰণাৰ জীয়া ছবিখনেই। গীতটোৰ সামৰণি অৰ্থাৎ একেবাৰে শেষৰ কথাখিনিয়েই আটাইতকৈ বেদনা দায়ক—

The night has fallen, I'm lyin' awake
I can feel myself fading away
So receive me brother with your faithless kiss
Or will we leave each other alone like this
On the streets of Philadelphia? অৰ্থাৎ ৰোগাক্ৰান্ত হৈ ক্ৰমাৎ মৃত্যুৰ মুখলৈ আগবঢ়া মানুহজনক সমাজেও অৱহেলা কৰিবলৈ লৈছে। নিজৰ ভাতৃৰ স্থানত থকাজনেও কৰিছে প্ৰতাৰণা। শেষ অনুৰোধ তেওঁৰ—



গঠন উপাদান বিচাৰে। আৰু এজন ৰান্ধনী হিচাপে...'

তেওঁ কথা থমকাই ভিজাই থোৱা ক'লা বুট আৰু অলপ আদাৰ বটা দি কলডিলখিনি কঢ়াইত ঢালি দিলে। মই ক'লোঁ, 'তোমাৰ গালত পুনৰ ৰং ঘুৰাই আনিব পৰা বস্তু এয়াই।'

মোৰ এই সন্ধিয়াৰ পাকঘৰটো অসমীয়া আত্মাৰ খাদ্যৰ এই বিশেষ সুগন্ধেৰে ভৰি পৰিল; মাটিৰ দৰে গভীৰ, মৃদু মিঠা আৰু সামান্য তিতা। তেওঁ ধীৰে ধীৰে ভাজিবলৈ ধৰিলে, যাতে নিজৰ ৰসতে সিদ্ধ হৈ কলডিলখিনি কোমল, গাঢ় আৰু সুস্বাদু হৈ উঠে। কিছু সময় পাছত, গৰম জহা চাউলৰ এখনি সৰু বাটিৰ সৈতে তেওঁ ব্যঞ্জনটো পৰিবেশন কৰিলে। দুয়ো একেলগে বহিলোঁ।

'কেনে লাগিল?' সুধিলোঁ। মোৰ দৃষ্টিত এক গাম্ভীৰ্য। যেন কোনো চিকিৎসা মহলৰ এক গুৰুত্বপূৰ্ণ আলোচনাৰ ফলাফললৈহে অপেক্ষা কৰি আছোঁ।

পত্নীয়ে গিলি ল'লে, অলপ সময় চকু মুদি ৰাখিলে, তাৰ পাছত হাঁহি ক'লে, 'হিৰণ্য, তুমি মোক যিমান কেপছুল লিখি দিছা, তাৰ সকলোতকৈ এইটো বেছি ফলপ্ৰসূ।'

দীঘল নিশ্বাস এৰিলোঁ। যেন পত্নীৰ ৰোগ নিৰ্ণয় হোৱা দিনটোৰ পৰা বুকুত সাঁচি ৰখা উদ্বেগ এৰি দিছোঁ। টেবুলৰ ওপৰেৰে হাত আগবঢ়াই পত্নীৰ হাতখন মৃদুভাৱে ধৰি ল'লোঁ।

পৰীক্ষাগাৰৰ সংখ্যাবোৰ সলনি হ'বলৈ হয়তো আৰু সময় লাগিব। কিন্তু সেই মুহূর্তত, নিজৰ ঘৰখনৰ উমাল পোহৰৰ মাজত পত্নীক চাই নিশ্চিত হ'লোঁ যে প্ৰকৃত আৰোগ্যৰ যাত্ৰা এতিয়াহে আৰম্ভ হ'ল মোৰ পাকঘৰৰ খোৱা মেজত সম্পূৰ্ণ অসমীয়া কলডিলৰ ভাজি এবাটিৰে। ■

মাংস

১ পৃষ্ঠাৰ পৰা সঘনাই মাংস কিনি খাব পৰাকৈ সামৰ্থ্যও নাছিল আৰু হয়তো এতিয়াৰ দৰে তেতিয়া মন গ'লেই কিনি আনিব পৰাকৈ উদ্ভেদীও নাছিল। এয়া প্ৰায় ৫০ বছৰ আগৰ কথা।

মায়ে মাংস ৰান্ধিছিল। এতিয়াৰ দৰে তেতিয়া কুকাৰত সিজোৱা হোৱা নাছিল। খৰিৰ জুইত, লোহাৰ কেৰাহীত ৰান্ধিছিল। কিন্তু ধুনীয়াকৈ সিজিছিল। আজিকালিৰ দৰে সেই সময়ত মাংসৰ বিভিন্ন ধৰণৰ ৰেচিপি নাছিল। মাইঁতৰ হাতত এবিধেই ৰেচিপি আছিল— মাংসৰ আঞ্জা বা মাংসৰ জোল। মাংসৰ পনীয়া জোল। সিদিনা বেলেগে দালি নাৰান্ধিছিল। মাংসৰ আঞ্জা মানে তাত ডাঙৰ ডাঙৰ আলুৰ টুকুৰা অপৰিহাৰ্য। মাংস যেনে সোৱাদ, আলুৰ টুকুৰাও সমানেই সোৱাদ। ৰান্ধি থাকোঁতেই মাংসৰ আঞ্জাৰ গোন্ধ চাৰিওফালে মলমলাই যায়। চৌকাত, খৰিৰ জুইৰ ওপৰত উতলি বক্বকাই থকা আঞ্জাখনত পটাত বটি অনা থুপথুপীয়া জিৰা-জালুকৰ মিশ্ৰণখিনি যেতিয়া পেলাই দিয়ে, আঞ্জাখনৰ গোন্ধেই বেলেগ হৈ পৰে। সেই সময়ত পিঁয়াজ আদিৰ ব্যৱহাৰ বোধকৰোঁ সিমান নাছিল। যি হওক, গোন্ধতেই জিভাৰ পানী পৰে। সেইদিনা সোনকালে ভোক লাগে। পঢ়াত মন নবহে। বাৰে বাৰে পাকঘৰত পাক মাৰোঁ। কেনেবাকৈ সেইদিনা জহা চাউলৰ ভাত থাকিলে সোণত সুৰগা চৰে। ওচৰ-পাঁজৰৰ মানুহে গম পাই যায়— মাংস আৰু জহা চাউলৰ ভাত ৰান্ধিছে বুলি।

ভাত খাৱৰ সময়ত মায়ে বাটিত মাংসৰ আঞ্জা দিয়ে। মাংসৰ টুকুৰা কেইটামান, আলুৰ টুকুৰা, জোল। সেইদিনা ভাত অলপ বেছিকৈ খোৱা হয়। গাঁৱত কেতিয়াবা কাৰোবাৰ ঘৰত পঠা ছাগলী মাৰিছিল। আমাৰ ঘৰতো ছাগলী পুহিছিলোঁ। কেতিয়াবা পঠা ছাগলী মাৰি গাঁৱত মাংসৰ ভাগ বিলোৱা হৈছিল।

সৰু আছিলোঁ বাবেই নে কেতিয়াবাহে মাংসৰ আঞ্জা খাইছিলোঁ বাবে নে সঁচাকৈয়ে মাই ভাল ৰান্ধিছিল নাজানো, মাৰ হাতৰ সেই পনীয়া মাংসৰ জোলখনৰ সোৱাদ এতিয়াও জিভাত লাগি আছে।

পাছলৈ মেডিকেল পঢ়িবলৈ গৈ প্ৰায় দহ বছৰ হোষ্টেলত থাকিলোঁ। হোষ্টেলত সপ্তাহত বোধকৰোঁ দুসাঁজ ছাগলী মাংস দিছিল। এদিন ৰাতিৰ সাঁজত। কিন্তু দেওবাৰে দুপৰীয়াৰ সাঁজত মাংস বাধ্যতামূলক আছিল। একেই মাংসৰ জোল। কোনে কেতিয়া এই নিয়মটো উলিয়াইছিল নাজানো, কিন্তু দেওবাৰে দুপৰীয়া মাংসৰ আঞ্জাৰ লগতে অমিতাৰ খাৰ এখনো বাধ্যতামূলক আছিল। হোষ্টেলৰ ৰান্ধনিবোৰ আছিল একো একোজন এক্সপাৰ্ট। মাংসৰ আঞ্জা অনা বাল্টিটোৰ তললৈ হেতাখন যিমানেই ভৰাই নিদিলেও উঠাই আনোতে সেই হিচাপৰ টুকুৰাকেইটাহে উঠি আহিছিল। এটুকুৰাও বেছি অহা নাছিল। জোল অৱশ্যে খুজিলেই দিছিল। তাকেই বৰ তৃপ্তিৰে খাইছিলোঁ। কেতিয়াবা কোনোবাজন ৰুমমেট নাথাকিলে বা ঘৰলৈ গ'লে মিছাকৈয়ে কৈছিলোঁ— ৰুমমেট আহি পাওঁতে পলম হ'ব। এথাল ভাত ৰুমত থৈ দিবলৈ কৈছে। ৰুমত এথাল ভাত থৈ যায়। আবেলি সেই মাংসখিনি খাইছিলোঁ।

ছাগলী মাংসৰ পাছতেই সৰুৰে পৰা খোৱা আনবিধ মাংস হ'ল পাৰৰ মাংস। অসমৰ বাহিৰৰ বহু ঠাইত পাৰ মাংস খোৱাটো একপ্ৰকাৰৰ বৰ্বৰ কাম বুলি ভাবে যদিও পাৰৰ মাংস অসমীয়া মানুহৰ প্ৰিয় খাদ্য।

সেই সময়ত বেছিভাগ লোকেই পাৰ পুহিছিল। আমাৰ ঘৰতো পাৰ পুহিছিলোঁ আৰু কেইবাটাও পাৰৰ বাহ আছিল। গতিকে পাৰৰ মাংস সঘনাই খাইছিলোঁ। পাৰৰ মাংস অতি সোৱাদ।

এতিয়া ভাবিলে অত্যন্ত দুখ লাগে যে আমাৰ ঘৰত পাৰৰ পোৱালিবোৰ প্ৰায়েই মই মুচৰি মাৰিছিলোঁ। সেই সময়ত মাংস খোৱাৰ লোভটোহে ডাঙৰ আছিল। নিমাখিত পাৰৰ পোৱালিবোৰৰ ঠেং আৰু ডেউকা দুখনত জপটিয়াই ধৰি ডিঙিটো মুচৰি ধৰা দৃশ্যটো ভাবিলে, চকু দুটা লাহে লাহে মুদ খাই অহাৰ দৃশ্যটো চকুৰ আগত ভাহি উঠিলে এতিয়া নিজকে পাপী যেন লাগে। পাৰৰ পোৱালিবোৰ দেখিলে ইমান নিষ্পাপ যেন লাগে যে এতিয়া বহু বছৰ ঘৰলৈ পাৰ বা পাৰৰ মাংস অনা নাই। খোৱাও নাই। কিন্তু আমি সৰু থাকোঁতে পাৰৰ মাংস খোৱাটো এটা সাধাৰণ কথা আছিল। কাৰোবাৰ ঘৰলৈ আল



‘পবিতৰা’ আলোচনীৰ সেউজ যাত্ৰা

১৯৬২ চনত আমেৰিকাৰ সামুদ্ৰিক জীৱবিজ্ঞানী ৰাচেল কাৰ্ছনে এখন কিতাপ লিখিছিল ঃ ‘Silent Spring’। কিতাপখনত DDT কীটনাশকৰ অন্ধ ব্যৱহাৰে কেনেকৈ চৰাইৰ কণ্ঠ ৰুদ্ধ কৰি বসন্তক নীৰৱ কৰি তুলিছে বৈজ্ঞানীক দৃষ্টিভংগীৰে তাৰেই সতৰ্কবাণী দিয়া হৈছিল। আমেৰিকাৰ ৰাসায়নিক কোম্পানীবোৰে তেওঁক উপলুঙা কৰিছিল। কিন্তু সেই এখন কিতাপেই আমেৰিকাত পৰিৱেশ আন্দোলনৰ জন্ম দিলে, DDT নিষিদ্ধ হ'ল আৰু পৃথিৱীয়ে প্ৰথমবাৰৰ বাবে বুজিলে যে উন্নয়নৰ নামত প্ৰকৃতিৰ ওপৰত চলা আক্ৰমণৰ মূল্য মানুহেই শেষত ভৰিব লাগিব।

১৯৭৩ চনৰ পৰা ৫ জুনত বিশ্বত পৰিৱেশ দিৱস পালন কৰি অহা হৈছে। অসমতো প্ৰতিবছৰে এই দিনটোত চৰকাৰী-বেচৰকাৰী অনুষ্ঠানে গছপুলি বোৰে, ভাষণ দিয়ে। কিন্তু এই আনুষ্ঠানিকতাৰ মাজতেই মৰিগাঁও জিলাৰ পৰা ৰাচেল কাৰ্ছনৰ দৰেই এক নীৰৱ অথচ জেদী প্ৰয়াস চলি আছে ‘পবিতৰা’ নামৰ আলোচনী এখনৰ জৰিয়তে। ১৯৯৭ চনত পঞ্জীয়নভুক্ত হোৱা প্ৰাগজ্যোতি কমিউনিকেচনছ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰে ২০১০ চনৰ পৰা পবিতৰা অভয়াৰণ্য আৰু সমীপৰ মায়ং অঞ্চলত বিশ্ব পৰিৱেশ দিৱস অনুষ্ঠিত কৰিবলৈ লয়। তাৰেই লগত সংগতি ৰাখি ২০১২ চনৰ পৰা প্ৰকাশ হৈ অহা অসমীয়া-ইংৰাজী দ্বিভাষিক ‘পবিতৰা’ নামৰ আলোচনীখন বিশিষ্ট গ্ৰন্থ-আলোচনী সম্পাদক দীপাংক হাজৰিকাই সম্পাদনা কৰি আহিছে। ২০২৬ চনলৈ আলোচনীখনৰ ১০টা খণ্ড প্ৰকাশ হৈছে। প্ৰতিটো খণ্ডই পৰিৱেশ যাত্ৰাৰ একো একোটি দস্তাবেজ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিছে। ইয়েই প্ৰমাণ কৰে যে ‘পবিতৰা’ একক আৰু অনন্য। এই আটাইকেইটা সংখ্যা একেলগে পৰ্যালোচনাৰ আওতালৈ আনিলে আলোচনীখনৰ পৰিৱেশ যাত্ৰাক তিনিটা পৰ্যায়ত ভগাব পৰা যায়।

প্ৰথম পৰ্যায় ঃ কাৰ্ছনৰ দৰে সতৰ্কবাণী (২০১২-১৪)

কাৰ্ছনে যেনেকৈ সুধিছিল— ‘বসন্ত কিয় নীৰৱ হ'ল?’, তেনেদৰেই পবিতৰাই ২০১২ত সুধিলে, ‘জৈৱ-বৈচিত্ৰ্য কি?’, ‘দীপৰ বিল কিয় মৰিছে?’ এই প্ৰথম সংখ্যাটো আৰম্ভ হৈছিল ব্ৰাজিলৰ Earth Summitৰ পটভূমিত। ডঃ ভূপেন হাজৰিকা (দুটাকৈ লেখা), ডঃ দীনেশ চন্দ্ৰ গোস্বামী, ডঃ অৱনী ভাগৱতীৰ লেখাই এই সংখ্যাটিক সমৃদ্ধ কৰিছিল; পৰিৱেশ বিজ্ঞানক সহজ ভাষাত উত্থাপন কৰিছিল। ‘২০৩০ চনলৈ মানুহক প্ৰয়োজন হ'ব দুখন পৃথিৱীৰ’ বুলি এটি সুন্দৰ মননশীল বিষয় সাঙুৰি আলোচনীখনে এক গভীৰ সংকটৰ দিশে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল।

২০১৩ চনৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয় আছিল Think.Eat.Save– যিটো পবিতৰাৰ ২০১৩ সংখ্যাৰ কেন্দ্ৰবিন্দু আছিল। খাদ্যৰ অপচয় আৰু পানীৰ সংকটৰ কথা কাৰ্ছনৰ লেখাৰো অভিন্ন দিশ আছিল যে আমি কি খাইছোঁ, কেনেকৈ খাইছোঁ, সিয়েই পৰিৱেশ নিৰ্দ্ধাৰণ কৰে।

২০১৪ত যেতিয়া অসমত গঁড় হত্যা তুংগত, তেতিয়া পবিতৰাই ‘গঁড় হত্যা ঃ জাতীয় দুৰ্যোগ’ শীৰ্ষক সাহসী সম্পাদকীয় লিখিছিল। কাৰ্ছনে কৈছিল যে বিজ্ঞানীৰ কাম কেৱল গৱেষণা কৰাই নহয়, প্ৰতিৰোধো। পবিতৰাই সেই প্ৰতিৰোধৰ ভূমিকাই পালন কৰিবলৈ ল'লে। যাদৰ পায়েঙৰ অনবদ্য সৃষ্টি মোলাই-কাঠনি হাবিক বিস্তাৰিতভাৱে পটুৱেসকলৰ মাজলৈ অনা হ'ল। জৈৱ-বৈচিত্ৰ্যক লৈ আলোচনীখনৰ পাতত বৈজ্ঞানীক দৃষ্টিভংগীৰে চিন্তা-চৰ্চা আৰম্ভ হ'ল।

দ্বিতীয় পৰ্যায় ঃ অৰ্থনীতি আৰু পৰিৱেশ (২০১৫-২০১৯) ঃ কাৰ্ছনৰ মূল যুঁজ আছিল ৰাসায়নিক দ্ৰব্যৰ অপপ্ৰয়োগৰ বিৰুদ্ধে। তেনে দ্ৰব্যৰ ব্যৱহাৰে উৎপাদন বঢ়াই মানুহৰ চাহিদাসমূহ পূৰণ কৰিব বুলি ধাৰণা কৰা হৈছিল। কিন্তু তাৰ ফলত পৰিস্থিতিতন্ত্ৰলৈ নামি অহা সংকটৰ কথা ভাবিবলৈ যেন কাৰো আহৰি নাছিল। ২০১৫ চনত পবিতৰাই পৰিস্থিতিতন্ত্ৰৰ ওপৰত গুৰুত্ব দিলে। জলাশয়, আৰ্দ্ৰভূমি, শিহু, চৰাই— এইবোৰ সামৰি ডঃ কুলেন্দু পাঠক, অনুৰাধা শৰ্মা পূজাৰী, ডাঃ মিৰিন্দা দত্ত আদি চিন্তাবিদৰ লেখাৰে সমৃদ্ধ হ'ল সেই বছৰৰ পবিতৰা।

Silent Springত কাৰ্ছনে লিখিছিল যে পখীৰ সংখ্যা হ্ৰাস পোৱাৰ আঁৰত আছে ভোগবাদী অৰ্থনীতি। ২০১৬ৰ পৰা ‘পবিতৰা’য়ো তেনে অৰ্থনীতিৰ কথাকে ক'বলৈ ল'লে। সেই বছৰ পৰিৱেশ দিৱসৰ বিষয় আছিল 'Go Wild for Life'। তাৰেই লগত সংগতি ৰাখি সেই সংখ্যাত প্ৰকাশ পোৱা কেইটিমান গুৰুত্বপূৰ্ণ লেখা আছিল— ডঃ দীনেশ চন্দ্ৰ গোস্বামীৰ ‘মানুহে সৃষ্টি কৰা সৰু-বৰ বননি’, ডঃ গোবিন্দ ডেকাৰ ‘সেউজ বেংকিং আৰু পৰিৱেশ সুৰক্ষাত ইয়াৰ ভূমিকা’। লগতে প্ৰকাশ হৈছিল ডঃ বিপুলজ্যোতি শইকীয়াৰ ‘ভাৰতৰ বায়ু প্ৰদূষণ’, অনুৰাধা শৰ্মা পূজাৰীৰ ‘পুৱাতেই এজাক ধনেশ’, মৃগাংক কৃষ্ণ গগৈৰ ‘শগুনৰ সংকট’কে ধৰি কেইবাটাও মননশীল লেখা। বুজা গ'ল যে গুৱাহাটীত গধুৰ ধাতু প্ৰদূষণ, বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ আদিবোৰ হ'ল আমাৰ নগৰীয়া ‘নীৰৱ বসন্ত’ৰ বিভিন্ন ৰূপ।

২০১৭ৰ পৰিৱেশ দিৱসৰ মূল বিষয়বস্তু আছিল— Connecting People to Nature। কাৰ্ছনৰ আটাইতকৈ ডাঙৰ অৱদান আছিল মানুহক প্ৰকৃতিৰ লগত পুনৰ সংযোগ কৰা। পবিতৰাৰ পাতত সেই বছৰত প্ৰকাশ পোৱা প্ৰবন্ধ ‘অসমৰ জলাশয়বোৰে কেতিয়া স্বীকৃতি পাব’, ‘সেউজ সংকট আৰু আমাৰ কৰণীয়’, ‘সংকটৰ গৰাহত অসমৰ আৰ্দ্ৰভূমি’ আদিবোৰে প্ৰমাণ কৰে অসমৰ জলাশয়বোৰ কেনেকৈ নীৰৱ হৈ পৰিছে। লগতে সেই সংখ্যাটোতে দুটিকৈ নতুন শিতান— ‘পৰিৱেশ সংবাদ’ আৰু ‘ভাল খবৰ’ সংযোজন কৰা দেখা গ'ল।

আকৌ ২০১৮ চনত Beat Plastic Pollutionক পৰিৱেশ দিৱসৰ মূল লক্ষ্য হিচাপে লোৱা হৈছিল। পবিতৰাই প্লাষ্টিকৰ বিৰুদ্ধে কলমেৰে যুঁজ আৰম্ভ কৰিলে। ‘প্লাষ্টিকে কঢ়িয়াই অনা ভাবুকি’, ‘প্লাষ্টিক ভক্ষণকাৰী কৃমিৰ উদ্ভাৱন’, ‘প্লাষ্টিক প্ৰদূষণ নিঃশেষ কৰোঁ আহক’ৰ দৰে লেখাই প্লাষ্টিক প্ৰদূষণৰ সৈতে ন-প্ৰযুক্তিৰে কেনেদৰে মোকাবিলা কৰিব পাৰে তাকেই আলচ কৰিলে। ইয়াতেই ‘বিশ্ব উষ্ণায়ন, এল নিনো আৰু লা নিনা’, ‘ধ্বংসৰ গৰাহত অসমৰ আপুৰুগীয়া কৃষি জৈৱ-বৈচিত্ৰ্য’ৰ লগতে ‘থলুৱা ধানৰ সংৰক্ষণ’ৰ কথাও আহিল।

২০১৯ চনৰ পবিতৰাৰ লেখাসমূহ আৰম্ভ হৈছে স্থানীয় সমস্যাৰে। যেনে মলয় বৰুৱাৰ ‘কেনেকৈ অন্তৰ্হিত হ'ল গুৱাহাটীৰ ৰত্ন ভাণ্ডাৰ বনাঞ্চলসমূহ’ প্ৰকাশ হৈছিল আৰু ইয়াক বিশ্বৰ সমস্যা যেনে Global Dimming, বায়ু প্ৰদূষণৰ লগত সংযোগ কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে বহন ক্ষমতা বুজিবলৈ এই স্থানীয়-গোলকীয় সংযোগৰ কথাটো জনাটো অতি দৰকাৰী। ইছমাইল হোছেইনৰ লেখা ‘শংকৰদেৱৰ প্ৰকৃতি আৰু পৰিৱেশ চিন্তা’ আৰু মৃগাংক কৃষ্ণ গগৈৰ ‘মুগা, ঐতিহ্য আৰু পৰিৱেশ সংকট’— এই দুটা প্ৰবন্ধই প্ৰমাণ কৰে যে অসমীয়া সংস্কৃতি পৰিৱেশমুখী। উদাহৰণ স্বৰূপে মাজুলীৰ মুখাশিল্পৰ য'ত সংস্কৃতি আৰু প্ৰকৃতিৰ পৰা পোৱা বাঁহ, খেৰ, বেত আৰু মাটি একেলগে জড়িত। তদুপৰি আছিল ডাঃ হীৰেন্দ্ৰ কুমাৰ ভাগৱতীৰ ‘বায়ু প্ৰদূষণ আৰু জনস্বাস্থ্য’, বিতোপন বৰাৰ ‘ভাৰতৰ ২১ চহৰত জল সংকট’, ভুবনজ্যোতি সন্দিকৈৰ ‘পানীদিহিং পক্ষী অভয়াৰণ্যৰ সংৰক্ষণ’। এই লেখাবোৰ তথ্যভিত্তিক, কিন্তু সকলোৱে বুজিব পৰাকৈ সহজ-সৰলকৈ লিখা হৈছে।

তৃতীয় পৰ্যায় ঃ সংস্কৃতি আৰু সমাধান (২০২৫-২৬)

Silent Springৰ শেষ অধ্যায়ত কাৰ্ছনে পৰিৱেশ সমস্যাৰ সমাধানৰ বাবে চিমুলেচনৰ ওপৰত ভিত্তি কৰি এক বিকল্প পথ দেখু�ৱাইছিল। পবিতৰাৰ শেহতীয়া সংখ্যা দুটাৰ পাতত সমাধানৰ পথকে বিচৰা দেখা গৈছে।

২০২৫ৰ সংখ্যাত স্থানীয় সংকটৰ কথা পোনপটীয়াকৈ আহিল। যেনে নীৰেন্দ্ৰ প্ৰসাদ ৰাভাৰ ‘সুলভ যন্ত্ৰৰ অবৈধ ব্যৱহাৰে কলহী, বাথা নদীলৈ কঢ়িয়াই



ডঃ বন্দনা খাটনিয়াৰ

আনিছে ভয়ানক বিপদ’, লাচিত বৰ্মনৰ ‘হাতীৰ অহা-যোৱা পথ বন্ধ কৰি চলোৱা নিৰ্মাণকাৰ্যই মাতিছে বিপদ— গভীৰ সংকটৰ সম্মুখীন ৰাজ্যৰ ১০ হস্তীদণ্ডি’, ডঃ অৰ্ণৱ জন ডেকাৰ ‘ব্ৰহ্মপুত্ৰত চীনৰ নদীবান্ধৰ পাৰিপাৰ্শ্বিক প্ৰভাৱ আৰু অসমীয়াৰ বিপন্ন ভৱিষ্যৎ’। লগতে সমাধান হিচাপে প্ৰকাশ হ'ল ৰাজীৱ চাংকাকতিৰ ‘Bamboo to Bio-Ethanol project-The game changer for North eastern region’ তথা ডঃ দেৱাঞ্জল দুৱৰাৰ ‘Gurdians of Green. Assam’s NGOs mobilization for a sustainable future’।

আনহাতে, ২০২৬ৰ ১০ম সংখ্যাই এক নতুন দিগন্ত খুলি দিয়া দেখা গ'ল। পৰিৱেশ সংৰক্ষণৰ বাবে সংস্কৃতৰ সৈতে নতুন প্ৰযুক্তিৰ প্ৰয়োগৰ সমান্তৰাল প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হ'ল। ইয়াত সন্নিৱিষ্ট হ'ল পৰিৱেশ চিন্তাৰ শিতানত অভিজিত শৰ্মা বৰুৱাৰ লেখা ‘প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত, জলবায়ুৰ বাবে, আমাৰ ভৱিষ্যতৰ বাবে’। লগতে সন্নিৱিষ্ট হ'ল “শ্ৰীশ্ৰীশংকদেৱৰ ‘হৰমোহন’ত উল্লিখিত গছ, ফুল”, ‘পৰিৱেশপ্ৰেমী ভূপেনদা’, ‘কেশৰ মহন্তৰ গীতত প্ৰকৃতি চিত্ৰণ’, ‘বিজ্ঞান আৰু প্ৰকৃতিৰ সৈতে শংকৰদেৱ’ আদি। বহু পৰিৱেশ বিজ্ঞানীয়ে কৈ আহিছে যে প্ৰকৃতিৰ প্ৰতি প্ৰেম সংস্কৃতিৰ পৰাই আহে। যদি বিহুত প্ৰকৃতিক সেৱা কৰা নহয়, গছক পূজা কৰা নহয়, তেন্তে পৰিৱেশ বহনক্ষম হোৱা সম্ভৱ নহয়। সমাধান বিচাৰি লেখা হ'ল— ‘বাঁহভিত্তিক ইলেক্ট্ৰনিকছ ঃ এক সেউজ বহনক্ষম প্ৰযুক্তি’, ‘পৰিৱেশ অনুকূল গৱেন-অৰ্ণৱ টেকন'লজী ঃ অসমত পৰিৱেশ বান্ধৱ প্ৰযুক্তি উদ্ভাৱনত বিদেশী সহযোগ’, আদি। ইয়াৰ লগতে আছে জলবায়ুৰ গভীৰ বিজ্ঞানৰ কথা ঃ ‘এল নিনোৰ আৱিৰ্ভাৱ আৰু জলবায়ুৰ গোলকীয় বিপৰ্যয়’, ‘জলবায়ু আৰু ইক'ছিষ্টেম’, ‘জলবায়ু পৰিৱৰ্তনৰ প্ৰেক্ষাপটত অসমত জলাশয়ৰ ভূমিকা’, ‘অসমৰ জলবায়ু পৰিৱৰ্তন ঃ এক গভীৰ সংকেত’; আৰু প্ৰযুক্তিগত লেখা ঃ ‘বায়ুভিত্তিক ইলেক্ট্ৰনিকছ ঃ এক সেউজ বহনক্ষম প্ৰযুক্তি’, ‘নৱীকৰণযোগ্য শক্তি আৰু পৰিৱেশ সংৰক্ষণ’, ‘আৱৰ্জনাৰ মাধুৰ্য ঃ আৱৰ্জনাক সম্পদলৈ কেনেকৈ ৰূপান্তৰ কৰিব পাৰি— ‘Circular Economy’ আদি।

পবিতৰাৰ এই সংখ্যাটিৰ জৰিয়তে ডঃ কুলেন্দু পাঠক, ডঃ দীনেশ চন্দ্ৰ গোস্বামী, ডঃ অৱনী কুমাৰ ভাগৱতী, ডঃ অমৰজ্যোতি চৌধুৰী, ডঃ পৰিমল চন্দ্ৰ ভট্টাচাৰ্যৰ দৰে বিজ্ঞানীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। পবিতৰাৰ বেটুপাত, গঁড়-হাতীৰ ৰঙীন ফটো উচ্চ মানৰ। দুৰ্বলতা কিছুও নোহোৱা নহয়, যেনে প্ৰুফৰ কিছু খুঁত আৰু সীমিত প্ৰচাৰ। কিন্তু ১৯৬২ত লিখা এখন কিতাপে যদি বিশ্ব সলনি কৰিব পাৰে, ২০১০ৰ পৰা মায়ঙৰ পৰা ওলোৱা এখন আলোচনীয়ে অসমক সলনি কৰিব নোৱাৰিব কিয়? আমাৰ ধাৰণাত এই গ্ৰন্থখনৰ আটাইতকৈ শক্তিশালী দিশ হ'ল যে ইয়াত বিজ্ঞানী, গৱেষক, ডাক্তৰ, অধ্যাপক, সাংবাদিক আৰু পৰিৱেশকৰ্মী সকলোৱে একেলগে লিখিছে। অসমীয়া ভাষাত, লগতে ইংৰাজী ভাষাৰ লেখাবোৰো সন্নিৱিষ্ট কৰি পৰিৱেশৰ ওপৰত প্ৰকাশ হোৱা এনে সামগ্ৰিক গ্ৰন্থ খুবেই তাকৰ। আশা কৰোঁ অনাগত দিনত ‘পবিতৰা’ অসমৰ পৰিৱেশ যাত্ৰাৰ এখন উল্লেখযোগ্য জাৰ্নেলৰূপে পৰিগণিত হ'ব। ■

ফোন ঃ ৯৮৬৪০৫৫৭৬০



জীয়াই থকাৰ কৌশল



দেৱপ্ৰসাদ তালুকদাৰ

নানাৰঙী কথা ফুলাৰ হাবিয়াসত মনে কথাৰ বাগিচা এখন বুকুতে আলচি আছিল। আইৰ মুখৰ ভাষাটো নিভাঁজ মনৰ কৰণিত আলফুলে সৰা দিনৰ কথা ভাবি। সপোনত কথাৰ আঙুলিত ধৰি শূন্যতে আঁক-বাঁক কৰি পিৰালিত বহি তন্ময় হৈ জগত ভ্ৰমি ফুৰিছিলোঁ। ক'ৰ নোৱাৰিছিলোঁ কোনখন পৃথিৱীত আছিলোঁ। এতিয়া সময়ে বাগৰ সলালে। সময়ে কত কথাৰ বাট কাটিলে, সময়ে সামৰি থ'লে কত কথা এটা সময়ত। শূন্যৰ বাঁওফালে কল্পনাৰ নেদেখা ৰেখা এডাল টানি ভাবনাবোৰ চহাই-মৈয়াই মাটিৰ দৰে ফুৰফুৰিয়া কৰি থৈছিলোঁ। যি কথা পাঠ্যপুথিত নাছিল ঘঁহি-পিহি বাখৰ বৰণীয়া কৰি লওঁতে লওঁতে লুইতৰ বুকুৰেদি বহু পানী বাগৰিল। এইদৰে ভবা কথাবোৰ আশাৰ কৰণিত তিয়াই থৈ এখোজ দি দুখোজ পিছুৰাই ভয়ে মেৰিয়াই থোৱা নিৰাশাৰ চোতাল পাৰ হৈছিলোঁ। দিন বাগৰি বাগৰি ভবা ধৰণে দিন আহিব বুলি কথাৰ ফুলনিত কথা ফুলিব বুলি সময়ত মৌসৰা দি কথা সৰাৰ আশাত আৰু ভাল লগা কথাৰ সুহৰিত কথা বঢ়াৰ আশাত প্ৰতিটো দিন, প্ৰতিটো ৰাতি বাট চাইছিলোঁ। সেইদিন আৰু নাহিল। মানুহৰ কথা মানুহে ভবাৰ আহৰি নোহোৱা হ'ল। কোনোধৰণৰ মুনাফা নাথাকিলে মানুহে মানুহৰ স'তে কথা পাতিবলৈ টান পোৱা হ'ল। সৰহসংখ্যক মানুহৰে ব্যৱহাৰপাতি মুখত মিঠা, ভিতৰত তিতা। যিমান দিন অতিবাহিত হৈ গৈ আছে সময়ৰ লগে লগে চিন্তা-ভাবনা সৰহসংখ্যক মানুহৰ সলনি হৈ গৈ আছে, লগে লগে প্ৰকৃতিৰ ৰূপ ব্যপকতাত বাঢ়কৈয়ে প্ৰভাৱ পৰিছে।

মানুহৰ নিষ্ঠুৰতাই প্ৰতি পদে পদে প্ৰকৃতিৰ বুকুত আঁচোৰ মাৰে আৰু পৰিৱেশ বিনষ্ট হয়। সময়ে সময়ে দেখা দিয়ে শুকান শুকান ৰস নোহোৱা যেন কৃত্ৰিম সেউজীয়া। ডালে ডালে ফুলাৰ স্বাৰ্থত ফুলি থাকে ফুলিব লাগে বাবে, ভিতৰৰ শূন্যতা সামৰি ডাল ভৰি ভৰি। বতৰৰ শাক-পাচলি, ধনিয়া আগতে ওলোৱাৰ লগে লগে গোন্ধ পোৱা গৈছিল, এতিয়া নাই। গছ-লতা, ঘাঁহনি-বননি সকলোতে অত্যাচাৰ। নুশুনি পখীৰ মাত। কোলাহলে বুৰাই ৰখা পৰিৱেশত সাৰ পাই উঠে শুৱাই থ'ব খোজা এইবোৰ কথাই। আহি থকা নাহিব লগা দিনৰ খোজৰ ভৰত। ঘাঁহ নগজা পথাৰবোৰ। শীতত নিয়ৰ নসৰা পুৱা-গধূলিবোৰ। আহিব লগা সময়ত শীত আহি নোপোৱাটো, জানি-বুজিও এইবোৰ চাবলৈ বৈ আছোঁ আমি। নিৰুপায়। আগলৈ আৰু আগলৈ আমাক আদৰিবলৈ মুকলিকৈ উশাহ সলোৱাৰ আঁৰত যিসকল আছিল গঢ়ি তুলিবলৈ আমাক তেওঁলোকক কিমানলৈ উভতি চাইছোঁ আৰু আমি কিমানলৈ ভাবিছোঁ আহি থকাসকলৰ কথা। এই যে আহি থকা নেদেখা দিন শুনিবলৈ বাট চাই থকা নুশুনা কথা। আহিব লগা দিনৰ নেদেখা-নুশুনাকৈ এদিন আমি গুচি যাম। চকু দুটা মুদিলে এদিন নেদেখা শেতেলিত। যিদৰে নেদেখিলে-নুশুনিলে আমি দেখা দিনবোৰ আমাক এৰি থৈ যোৱাসকলে। আমাৰ এই যাত্ৰা উশাহৰ বাবে উশাহ সলাই জীয়াই থাকিবলৈ নে সনাতন সময়ৰ পদূলিত পোন হৈ থিয় দি থাকিবলৈ, ভাবোঁ মই তাকে বাৰে বাৰে।

মানুহে মানুহৰ কথা কিমান চিন্তা কৰে, বিশেষকৈ অৱস্থাপন্ন মানুহে সাধাৰণ খাটি খোৱা মানুহৰ কথা। অলপ চিন্তা কৰা হ'লে মানুহে ইমান দুখ-যন্ত্ৰণা ভুগিব নালাগিলহেঁতেন। উঠি অহা চামৰ মাজতো মিলা-প্ৰীতিৰ অভাৱ দেখা যায়। বিশেষকৈ লাহ-বিলাসত ডাঙৰ হোৱা বেছিভাগ ল'ৰা-ছোৱালীয়ে অভাৱ-অনাটনত দিন অতিবাহিত কৰা ল'ৰা ছোৱালীৰ প্ৰতি নমনীয়তা নাথাকে। হেয় ভাবে ঘেৰি ৰাখে ওচৰৰ বাতাৱৰণ। এনেধৰণৰ কথা-কাণ্ডবোৰ প্ৰায়ে দেখি থাকোঁ। এটা কাহিনীৰে এই লেখাটো সামৰিব বিচাৰিছোঁ। খিৰিকীৰ সিপাৰে সৰু পিটনি। কলমৌ, কচুপাতে ঢাকি পেলোৱা চপচপীয়া পানী ভাগৰিও ভাগৰি নপৰা সেই ফুল কুমলীয়া ল'ৰাটোৰে অতি কৌশলেৰে বৰশীৰ টোপ পেলাইছিল। তাৰ টাপলি মৰা পেণ্ট আৰু ফটা চোলাটো পঢ়িব জানিলে বুজি পাব সৰু ল'ৰাটোৰ ধৈর্য আৰু যন্ত্ৰণাৰে যুঁজিব পৰাৰ সাহস। কিমান অভাৱত দিন কটাইছে। কম বয়সতে সংসাৰৰ বোজা কঢ়িয়াব লগা হৈছে। প্ৰখৰ ৰ'দে পুৰি পেলোৱা তাৰ ক'লা দেহা। টোপ গিলিলে মাছে উজলি উঠিছিল এন্ধাৰ ক'লা পৰি থকা মুখখন— মাছৰ লোভত নহয়, সি উৎফুল্লিত হৈছিল এই কথা ভাবি যে সন্ধিয়া পৰত মাছ বিক্ৰী কৰি বিনিময়ত পোৱা পইচাকেইটা মনত পেলায়।

চাওঁতে চাওঁতে সময় বাগৰি, অলপ অলপকৈ প্ৰখৰ ৰ'দৰ উত্তাপ সামৰি বেলি দেৰিকৈ আহি সোনকালে যোৱা হ'ল। গোমা আকাশৰ ছাঁত উদং পথাৰখনে জিৰাইছে। এতিয়া তাৰ ভৰসাতে উশাহ লৈছে ঘৰখনে। উদঙীয়া ডেকাকেইজনমানৰ চকু পৰিল পিটনিৰ মাছত। অভাৱত নহয় মনৰ চখত। বৰশীবাই ঘৰ চলাই থকা ল'ৰাটোৰ কথা এবাৰ নাভাবি— এদিন সিঁচি পেলালে পিটনি, ভোজভাতৰ আয়োজনেৰে। সি নিলগৰ পৰাই চাই ৰৈছিল সকলো দৃশ্য। ক'ৰ নোৱাৰাকৈ তাৰ দুধাৰি চকুলৌ বৈ আহিছিল— মাছৰ লোভত নহয় তাৰ ৰুগীয়া বাপেকৰ কথা ভাবি। আৰ-তাৰ ঘৰত কাম কৰিও জোৰা মাৰিব নোৱাৰা মাকজনী আৰু ভনীয়েকৰ তালৈ বহুত আশাৰে বাট চাই থকা মুখ দুখনিলৈ মনত পেলায়।

সি আকাশলৈ চাই ৰৈছিল এজাক আবতৰীয়া বৰষুণৰ কামনাৰে... ■

ফোন ঃ ৭০৮৬২৯৬৭২৪

মেটামৰফ'ছিছ

জুবিন গার্গ



ইয়াতে আধুনিক যুগৰ অনিশ্চিত শংকা, সন্দেহ আদি বৈশিষ্ট্যৰে কবিতাটো সমুজ্জ্বল হৈ পৰিছে। সভ্য সমাজ গঢ়াৰ অন্বেষণ উপলব্ধি বাস্তৱৰ কঠিনতাই ভেটা দিছে। জীৱনৰ ৰহস্যময় সন্ধিক্ষণত কবিৰ সময় ৰুদ্ধ, সীমাবদ্ধ। মৃত্যু মনৰ, দেশৰ, পৰিৱেশৰ গন্ধ শুঙিব পৰা। সামাজিক বাতাৱৰণৰ ভয়াৱহতাই কবিক ঈশ্বৰ হ'বলৈ বাধ্য কৰাইছে আৰু মানৱীয় দুৰ্যোগ নাশ কৰিবলৈ, মানৱীয় সভ্যতাৰ শূন্যতা পূৰণ কৰিবলৈ, মানৱীয় মূল্যবোধক ঘূৰাই আনিবলৈ, অমানৱীয়তা আৰু মিথ্যাচাৰ ভেদিব পৰাকৈ এখন মুখ, এটা ডিঙি; যাৰ শব্দই নমাই আনিব স্বয়ং ব্ৰহ্মাক। তেওঁ নতুনকৈ সৃষ্টি কৰা মানুহক দিব বিচাৰিছে সকলো ভুল আৰু দুষ্কৃতি আঁজুৰি আনিবলৈ এহেজাৰ ভীমৰ শকতিৰে এযোৱ বাহু, কপটতাহীন সাগৰ আৰু আকাশৰ দৰে বিশাল উদাৰ হেজাৰ মানুহৰ সুখ-দুখৰ আশ্ৰয়স্থলীৰ একোখনকৈ বুকু। দিবলৈ বিচাৰিছে এনেকুৱা এটা পেট; যিটোৰেই কেৱল আত্মস্যাৎ নকৰি আনলৈও অকণমান ৰাহি কৰিব পাৰে।

কবিয়ে এইবোৰৰ উপৰি এনে এক যৌনাংগ দিব বিচাৰিছে, য'ত কিলবিলাই থাকিব সহস্ৰ জ্ঞানী বুদ্ধৰ বীর্য। সংযোগ কৰিব বিচাৰিছে দুখন ভৰি; যি দুখন ভৰি সুন্দৰ বসন্তলৈ ধাৱমান হ'ব, অলেখ অযুত সপোন উদিত ৰঙীন সূর্যৰ আভাৰ সৈতে বিলীন হ'ব।

কিন্তু কবিৰ ঈশ্বৰ হোৱাৰ সম্ভাৱনা নাই! নোৱাৰে, কবিৰ সময় সীমাবদ্ধ, তাকৰ সময়ৰ মাজত কবি আবদ্ধ, জীৱনৰ দীনতাৰ মাজত বন্দী। কবিয়ে ঈশ্বৰ হ'বলৈ আশা কৰিছিল, মানুহ সলনি কৰিবলৈয়ে ‘মই যদি ঈশ্বৰ হ'লোঁহেঁতেন’ বুলি হাবিয়াস কৰিছিল; সেই হাবিয়াস পূৰণ নহ'ব বুলিও কবি বিশ্বাসী। এয়া যেন বাস্তৱৰ কঠোৰ হাতোৰাত জীৱনৰ অন্তহীন যাত্ৰাৰ বিফলতা! জীৱনৰ চ'ৰা বাটত কবি জিৰাব পৰা নাই, বহিব পৰা নাই অমানৱীয় কাৰ্যকাৰ্যৰ ঠেলা-হেঁচাত কবিৰ এই ঈশ্বৰ হোৱাৰ আশংকা বাস্তৱত পৰিণত হ'ব নোৱাৰে।

কবিতা

সপোন-সত্য

অনুৰূপা চৌধুৰী

এনেকুৱা লাগে
ৰাতিটো যেন আৰু
দীঘলীয়া হওক
সপোনটোৱে ভ্ৰমি ফুৰক
নিৰৱধি

সপোনতহে তেওঁক পাওঁ

চকু মেলিলেই
মানুহ আৰু মানুহ
সকলো যান্ত্ৰিক অৱয়ব

গছৰ নিম্নমুখী ঘনত্বত
মানুহৰ ঘনত্ব ঊৰ্দ্ধমুখী

একেই হাত ভৰি থকা মানুহ
চকু কাণ নাক ওঁঠ চুলিৰে
মুখ আৰু মুখ
ইমানবোৰ মুখৰ মাজতো
নেদেখোঁ তেওঁৰ মুখ



চকু মুদিলেহে
ধৰা দিয়ে তেওঁ
সপোনৰ নাটশালাত

জীৱনৰ নাটশালাত
প্ৰতি মুখেই কুশীলৱ

মুখৰ বাহিৰত থকা মুখা
একো একোটি চৰিত্ৰ
কেতিয়াবা সফল
কেতিয়াবা বিফল
উদ্দেশ্য এটাই
মাথোঁ নিজৰ বাবে আহৰণ
নাৰ্চিছাছ একোজন

ধৰণী ধুনীয়া হৈ
থাককেই বা নাথাকক

সেয়ে সপোনেই ভাল
পোহৰ অৱধি
ৰাতিটো দীঘলীয়া হওক।

তুমি আমাৰ গান

বিৰিখ ক্ষত্ৰিয়

তুমি আমাৰ শৈশৱ
তুমি আমাৰ কৈশোৰ
তুমি আমাৰ যৌৱনৰ উৎসৱ
তুমি আমাৰ নিদ্ৰা
তুমি আমাৰ কামনা
তুমি আমাৰ ধেমালি
তুমি আমাৰ ফ�ৰকাল মধুজাৰ,
বৰষুণৰ গান!

তুমি যান্ত্ৰিক পৃথিৱীৰ
এক আশাভৰা স্বপ্ন
সূর্য উঠা দেশৰ
তুমি এটি মুক্ত বিহংগ
ন বিৰিখৰ আঁৰত
ৰিঙিয়াই গোৱা এটি মধুৰাগ তুমি
কলুষিত বতাহৰ অভিশাপত
অসুখী তোমাৰ মাতৃ
সেই যুঁজৰ
তুমি প্ৰধান সেনাপতি
উপর্যুপৰি আক্ৰমণত
ক্ষত-বিক্ষত তোমাৰ সেউজীয়া শৰীৰ
তাতেই যেন তুমি নৰোদিত অৰণ্যৰ
এটি সেউজীয়া গান।

ক'লা মেঘৰ আঁৰত তুমিয়েই
ভাস্কৰ
তিমিৰৰ কোলাত
তোমাৰ গানেই পোহৰ
আমাৰ প্ৰথম চিঞৰ তুমি
তোমাতেই এটা যুগ সমাহিত
তুমি জগত পোহৰ কৰোঁতা
আমাৰ শক্তি, অমোঘ অস্ত্ৰ
তুমি জুবিন গার্গ, হিয়াৰ আমঠু!



লগ পোৱা মানুহ



কিশোৰ বৰুৱা

পাণ্ডবাণী

মহাকাব্যৰ মৌখিক পৰিৱেশন পৰম্পৰা



স্থানীয় জনশ্রুতি মতে বিশ্বাস কৰা হয় যে পাণ্ডৱসকলে নিজেই তেওঁলোকৰ ভ্রমণৰ সময়ত এইবোৰ ঠাইত জিৰণি লৈছিল।

পাণ্ডবাণী মধ্য ভাৰতৰ চত্তিছগড়ৰ লোক-পৰিৱেশন পৰম্পৰা। পাণ্ডবাণীয়ে এক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি পোৱাৰ বহু আগতে চত্তিছগড় তথা ওচৰ-চুবুৰীয়া আদিবাসী এলেকাসমূহত গাঁৱে-ভূঁয়ে প্ৰচলিত মৌখিক লোককথাৰ ৰূপত জীয়াই আছিল। কোৱা হয় মহাভাৰত কিতাপ আকাৰত ছপা হোৱাৰ বা চহৰৰ প্ৰেক্ষাগৃহত মঞ্চস্থ হোৱাৰ বহু আগৰে পৰাই মধ্য ভাৰতৰ বনাঞ্চল আৰু গাঁৱে গাঁৱে ঘূৰি ফুৰা নিম্ন জাতৰ চাৰণ সম্প্ৰদায়ৰ লোকসকলে ৰাতিৰ পিছত ৰাতি পাণ্ডবাণী গাই আহিছিল। পাণ্ডবাণী আক্ষৰিক অৰ্থত 'পাণ্ডৱসকলৰ কণ্ঠস্বৰ', এক একক সাংগীতিক কাহিনী-কথন পৰম্পৰা। কলাৰ ইতিহাসত যিবোৰ সম্প্ৰদায়ৰ পৰম্পৰাগত শিল্পয়ে কলা হিচাপে মান্যতা লাভ কৰা নাছিল, তেনে এক সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকৰ দৃষ্টিভংগীৰে মহাকাব্যখনক বৰ্ণনা কৰা এটা পৰম্পৰা হ'ল পাণ্ডবাণী।

আজি পাণ্ডবাণীক মহাভাৰতৰ বিভিন্ন পৰ্বৰ সাংগীতিক উপস্থাপন হিচাপে জনা যায় যদিও সংস্কৃত মহাকাব্যখনৰ সৈতে ইয়াৰ প্ৰকৃত সম্পৰ্ক জনসাধাৰণৰ প্ৰচলিত ধাৰণাতকৈ জটিল। এতিয়াৰ মধ্যভাৰতৰ চত্তিছগড়, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু ওড়িশাৰ কিছু কিছু অংশক এসময়ত গোণ্ডৱানা বুলি জনা গৈছিল। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰা এই অঞ্চলক দক্ষিণ কোশল বুলিও জনা গৈছিল। স্থানীয় জনশ্রুতি মতে বিশ্বাস কৰা হয় যে পাণ্ডৱসকলে নিজেই তেওঁলোকৰ ভ্রমণৰ সময়ত এইবোৰ ঠাইত জিৰণি লৈছিল। চত্তিছগড়ৰ কেইবাটাও আদিবাসী সম্প্ৰদায় যেনে- ভীমা, পাণ্ডো আৰু কোৱৰাইসকলে নিজৰ বংশৰ আৰম্ভণি যথাক্ৰমে ভীম, পাণ্ডৱ আৰু কৌৰৱৰ পৰা হোৱা বুলি বিশ্বাস কৰে আৰু তেওঁলোকে মহাকাব্যখনক সাহিত্য বুলি নহয়, নিজৰ পূৰ্বপুৰুষৰ ইতিহাস হিচাপে গণ্য কৰে। এই কাহিনীবোৰ টেলী, দেৱাৰ, পাৰ্ধান গোণ্ড, নিষাদ, পাৰ্ধী আৰু বাসুদেৱ আদি বিভিন্ন সম্প্ৰদায়ে দৈনন্দিন জীৱনৰ ভিন্ন গুৰুত্বপূৰ্ণ কামৰ সময়ত গাইছিল। উচ্চ জাতৰ সংস্কৃত পৰম্পৰাই মহাভাৰতৰ চৰিত্ৰসমূহক মহিমামণ্ডিত কৰাৰ দৰে পাণ্ডৱানীত এই চৰিত্ৰসমূহক হাঁহিয়াতৰ পাত্ৰ কৰিহে উপস্থাপন কৰা হয়। ভীমক মন্দৰ বাদ্যযন্ত্ৰৰ সৈতে জড়িত এজন আদিবাসী ৰক্ষগুণ-আনোতা দেৱতা হিচাপে বিশ্বাস কৰে, তেনেদৰে পাণ্ডৱসকলৰ বিবাহৰ কাহিনীবোৰতো ভীম প্ৰায়েই কেন্দ্ৰবিন্দু হৈ আহিছে।

পাণ্ডবাণীৰ মূল সংৰক্ষকসকল আছিল পাৰধান গোণ্ড সম্প্ৰদায়—দ্ৰাবিড়ীয় বংশোদ্ভৱৰ এক আদিবাসী জনগোষ্ঠী। এই লোকসকলে গোণ্ড ৰজাঘৰীয়া পৰিয়ালসমূহৰ বংশানুক্ৰমিক চাৰণ আৰু বংশাৱলী-ৰক্ষক হিচাপে কাম কৰিছিল, আৰু শেষত কৃষিকৰ্মকে নিজৰ মুখ্য জীৱিকা হিচাপে গ্ৰহণ কৰিছিল। গোণ্ডসকলৰ লগতে এই পৰম্পৰা বহন কৰি অহা ভীমাসকলে বাঁহ আৰু লাউৰে বনোৱা এক সৰল বাদ্যযন্ত্ৰ তুম্বুৰা বজাইছিল, আনহাতে পাৰধানসকলে বহু-তাঁৰযুক্ত কিংৰী বাদ্যযন্ত্ৰ বজাই গীতবোৰ পৰিৱেশন কৰিছিল। পিছলৈ দেৱাৰ সম্প্ৰদায়েও পাণ্ডবাণী গাবলৈ লৈছিল। এইবোৰ আছিল সম্প্ৰদায় কিছুমানৰ পৰম্পৰাগত কথা, কিন্তু এই পাণ্ডবাণী পেছাদাৰী, মঞ্চ-কেন্দ্ৰিক কলালৈ ৰূপান্তৰিত হোৱা আৰু বিশ্বমঞ্চলৈ যোৱাৰ যাত্ৰাত কেইজনমান অসাধাৰণ শিল্পীৰ অৰিহণা আছে।

তাৰ ভিতৰত সৰ্বাধিক উল্লেখযোগ্য হৈছে জাধুৰাম দেৱাংগন, যিয়ে পাণ্ডবাণীক পাঠ্য-শৃংখলা প্ৰদান কৰিছিল, আৰু তীজন বাই, যাৰ কণ্ঠ আৰু মঞ্চৰ পৰিৱেশনে পাণ্ডবাণীক চত্তীছগড়ৰ পৰা উলিয়াই আনি ভাৰতবৰ্ষত আৰু পাছলৈ বিশ্ব মঞ্চত প্ৰতিষ্ঠিত কৰে। জনশ্রুতিত পাণ্ডবাণীক পৰিৱেশন-কলা সদৃশ কিবা এটাৰ ওচৰলৈ লৈ যোৱা প্ৰথম শিল্পী হিচাপে স্মৰণ কৰা হয় নাৰায়ণ লাল বৰ্মা আৰু তেওঁৰ ভাগিনিয়েক ৰাগীক। এওঁলোক 'মামা-ভাগিনৰ' যুগল হিচাপে বিখ্যাত। এই যুগলে কোনো মাইক বা মঞ্চ নোহোৱাকৈয়ে গোটেই ৰাতি গীত গাইছিল। কোৱা হয় তেওঁলোকৰ গীতত শ্ৰোতা এনেদৰে মুগ্ধ হৈছিল যে গোটেই ৰাতি গীত শুনি বহি থাকিছিল। এনে সময়ত কেতিয়াবা চোৰে সুযোগ লৈ গাঁওবোৰ এফালৰ পৰা খালী কৰি গৈছিল। এইবোৰ বিশৃংখলাত হতবুদ্ধি হৈ স্থানীয় আৰক্ষীয়ে এবাৰ এই মামা-ভাগিনক জেলত ভৰাইছিল, কিন্তু কোৱা হয় তেওঁলোকে জে'লতো গান গোৱা অব্যাহত ৰাখিছিল। প্ৰায় ১৯৪০ চনৰ আশে-পাশে এক নিৰ্ণায়ক পৰিৱৰ্তন হয়। জাধুৰাম দেৱাংগন (১৯২৭-২০০২) নামৰ এজন যুৱ শিপিনীয়ে এখন শাৰীৰ মজুৰি হিচাপে নগদ টকাৰ সলনি চবল সিং চৌহানৰ পৰা হিন্দী ভাষাৰ মহাভাৰতৰ এখন প্ৰতিলিপি পাইছিল। এই গ্ৰন্থখনে তেওঁক মুগ্ধ কৰিছিল; তেওঁ মাকো চলাওঁতে চলাওঁতে ইয়াক কণ্ঠস্থ কৰিবলৈ লয়। ইতৰাৰী সাহু নামৰ আন এজন গায়কে মৌখিক লোককথা ভিত্তিত পাণ্ডবাণী পৰিৱেশন কৰা শুনি, দেৱাংগনে ইয়াক অশুদ্ধ আৰু শাস্ত্ৰ-বহির্ভূত বুলি কৈ তেওঁক প্ৰকাশ্যে প্ৰতিদ্বন্দ্বিতাৰ বাবে আহ্বান জনায়। নতুনকৈ আয়ত্ত কৰা পাঠগত জ্ঞানৰ বলত সেই প্ৰতিযোগিতা জাধুৰাম দেৱাংগনে জয়লাভ কৰে। এইখিনিতেই পাণ্ডবাণীত সংস্কৃতিকৰণৰ চাপ পৰা দেখা যায়। এটা সম্প্ৰদায়ৰ মালিকানাধীন মৌখিকভাৰে প্ৰচলিত লোককথাৰ পৰা লিখিত, মহাভাৰতৰ পাঠ্য-নিৰ্ভৰ আবৃতিলৈ পৰিৱৰ্তন হয়। দেৱাংগনৰ যুক্তি আছিল যে অঞ্চলটোৰ মৌখিক কাহিনীৰ কোনো শাস্ত্ৰীয় স্বীকৃতি নাই আৰু সেয়া হ'ব লাগে।

১৯৮০ৰ দশকৰ আশে-পাশে পাণ্ডবাণীক লৈ জনসাধাৰণৰ মাজত দুটা ৰীতি গঢ় লৈ উঠে— কাপালিক (অৰ্থাৎ কল্পনাপ্ৰসূত, লোককথা-উদ্ভূত) আৰু বেদমতী (পাঠ্য-নিৰ্ভৰ, শাস্ত্ৰ-স্বীকৃত) গায়নৰীতি। প্ৰথমটোৱে লাহে লাহে কলংকৰ ৰূপ ধাৰণ কৰিছিল; শিল্পীসকলে ইয়াৰ সৈতে নিজৰ পৰিচয় দিয়াত অনিচ্ছুকতা প্ৰকাশ কৰিছিল, যদিও কেইবাদশক আগতেই এইটোৱেই পাণ্ডবাণীৰ মূল আছিল। উল্লেখযোগ্যভাৱে এই পৰিৱৰ্তন এক তথাকথিত নিম্ন জাতিৰ সম্প্ৰদায়ৰ ভিতৰৰ পৰাই চলোৱা হৈছিল— দেৱাংগন নিজেই এজন দেৱাংগন শিপিনী আছিল। যিয়ে একপ্ৰকাৰে স্বাধীনতাৰ পিছৰ কালত অঞ্চলটোত সাক্ষৰতা



তথা থলুৱা শিল্পক ৰাষ্ট্ৰীয় মৰ্যাদা দিবলৈ যি এক সজ্ঞানতা মানুহৰ মাজলৈ আহিছিল, সেই সালসলনিক প্ৰতিফলিত কৰে। স্বাধীনতাৰ পাছত ৰাষ্ট্ৰীয় সংবাদ মাধ্যম আৰু সাংস্কৃতিক প্ৰতিষ্ঠানৰ উত্থানে এই পৰিৱৰ্তনক অধিক শক্তিশালী কৰিছিল, কিয়নো ৰেডিঅ' আৰু টেলিভিছনে আনুষ্ঠানিক পৰিৱেশনৰ বাবে 'পৰম্পৰাগত', ৰীতিবদ্ধ কিছুমান কলাকহে স্থান দিবলৈ লৈছিল। পাণ্ডবাণীৰ উৎসস্বৰূপ এসময়ৰ মৌখিক, সম্প্ৰদায়-কেন্দ্ৰিক লোকপৰম্পৰাই ইয়াক অধিক টেলিভিছ্না আৰু ৰেডিঅ'ৰ পৰা প্ৰাপ্তীয় কলা কৰি পেলাইছিল। ■ **আগলৈ**

এডিনবৰাত ধুমুহা



ৰতৰ বিজ্ঞান বিভাগে যেতিয়া ধুমুহাটোৰ নাম 'বোৱেলো' (Boelo) ৰাখিলে, তেতিয়া এডিনবৰা বিশ্ববিদ্যালয়ৰ এগৰাকী শিক্ষাৰ্থীয়ে ৰতৰৰ সতৰ্কবাণী লাভ কৰাৰ পাছত যি কৰে, ময়ো ঠিক তাকেই কৰিলোঁ— প্ৰথমে বন্ধুবৰ্গৰ গ্ৰুপ-চাটবোৰ চালোঁ, তাৰ পাছতহে ৰতৰৰ আগজাননীলৈ চকু দিলোঁ। শুকুৰবাৰলৈকে সমগ্ৰ নগৰখনক সতৰ্ক কৰি দিয়া হৈছিল। ঘণ্টাত সত্তৰ মাইল বেগেৰে অহা প্ৰচণ্ড বতাহে সপ্তাহৰ সামৰণিত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত কৰাৰ আশংকা দেখা দিছিল। কিন্তু মোৰ কৰিবলগীয়া কামৰ তালিকাখনে যেন আন কিবা পৰিকল্পনাহে কৰি থৈছিল। পঢ়া-শুনাৰ বাবে নিৰ্দ্ধাৰিত সেই সপ্তাহটো ফলপ্ৰসূভাৱে অতিবাহিত কৰাৰ কথা আছিল; তদুপৰি দুটাকৈ গৱেষণামূলক কামৰ সময়সীমা আছিল, যিবোৰৰ বাবে ৰতৰৰ প্ৰতিকূলতাৰ কোনো অজুহাতেই গ্ৰহণযোগ্য নাছিল।

শনিবাৰটো আছিল ধুমুহাৰ আগমুহূৰ্তৰ সেই সাময়িক নীৰৱতা। কান্ধত লেপটপৰ বেগটো লৈ মই 'মেড'জ'ৰ (ঘাঁহনি) মাজেৰে খোজ কাঢ়ি বিশ্ববিদ্যালয়ৰ মূল গ্ৰন্থাগাৰলৈ গ'লোঁ। মনত দৃঢ় বিশ্বাস— গোটেই দিনটো একাগ্ৰতাৰে পঢ়া-শুনা কৰিব পাৰিম। কিন্তু গ্ৰন্থাগাৰটোত ভৰি দিয়েই দেখিলোঁ, ঠাইখন শিক্ষাৰ্থীৰে ঠাহ খাই আছে। সকলোৰে উদ্দেশ্য একেটাই— ধুমুহাই বাহিৰলৈ ওলোৱাটো বিপজ্জনক কৰি তোলাৰ আগতেই নিজৰ কামখিনি সামৰি লোৱা। আমি সকলোৱে নিজৰ চিনাকি আসনবোৰত বহি বিদ্যুৎ সংযোগৰ ছকেটবোৰ দখল কৰাৰ এক নীৰৱ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'লোঁ। ইফালে প্ৰতিটো ঘণ্টাৰ লগে লগে খিৰিকীৰ কাচবোৰ কঁপি উঠিবলৈ ধৰিলে।

দেওবাৰলৈ ধুমুহাই প্ৰকৃত ৰূপ ধাৰণ কৰিলে। মই ঘৰৰ ভিতৰতে থাকিলোঁ, চাহ বনালোঁ আৰু খিৰিকীত প্ৰচণ্ড বতাহৰ আঘাতৰ মাজতে স্বাভাৱিক পঢ়া-শুনা অব্যাহত ৰাখিবলৈ চেষ্টা কৰিলোঁ। মোৰ ফ্লেটৰ সহবাসীসকলৰ সৈতে অৱশেষত পাকঘৰতে একেলগে বহি কাম কৰিবলৈ ধৰিলোঁ— যিটো আমাৰ ক্ষেত্ৰত প্ৰায় কেতিয়াও নঘটে। কোনোবাই বক্তৃতাৰ ৰেকৰ্ড শুনি পঢ়া সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিছিল, কোনোবাই কম্পিউটাৰ প্ৰগ্ৰেমিঙৰ কামত ব্যস্ত আছিল আৰু মই মোৰ বিদ্যায়তনিক অধ্যয়ন সম্পৰ্কীয় নিৰ্দ্ধাৰিত কৰ্মসমূহতে আবদ্ধ হৈ থাকিলোঁ। বিদ্যুৎ সংযোগ তৃতীয়বাৰৰ বাবে এবাৰ জ্বলি এবাৰ নুমাবলৈ ধৰাৰ পাছত অৱশেষত আমি নিজৰ আহাৰ ৰন্ধাৰ কাৰ্য ইয়াতে এৰিলোঁ আৰু তাৰ পৰিৱৰ্তে বাহিৰৰ পৰা খাদ্য অৰ্ডাৰ দিলোঁ। সেই মুহূৰ্তত মোৰ মনত পৰি গ'ল অসমৰ বাৰিষাৰ দিনবোৰলৈ— যেতিয়া ৰৱষুণৰ প্ৰকোপত পৰিয়ালৰ সকলোৱে একেটা কোঠাতে গোট খাইছিলোঁ আৰু ৰৱষুণজাক শাম কটালৈ অপেক্ষা কৰিছিলোঁ। আকৌ মনলৈ আহে শাওণৰ পথাৰত হালবোৱা অভিজ্ঞতাৰ কথা। প্ৰতিটো গ্ৰীষ্ম ৰন্ধত গাঁৱৰ ঘৰলৈ যোৱাটো পৰম্পৰাগত প্ৰথা আছিল। তেনেই কম বয়সত মই আৰু মোৰ ভাইটি পথাৰত খুৰাহঁতৰ লগত হাল বাই, মৈ মাৰি বোকাৰে লুতুৰি-পুতুৰি হৈ যেতিয়া ঘৰলৈ আহোঁ, তেতিয়া মা আৰু আইতাৰ মৰম সনা খং আৰু সেই দৃশ্য মাৰ ম'বাইলৰ জৰিয়তে প্ৰত্যক্ষ কৰি দেউতাৰ মন্তব্য 'গ্ৰেট' সদায় মনত পৰে। ইয়াত বতৰ বেলেগ, কিন্তু মানুহৰ প্ৰবৃত্তি একেই— আকাশ যেতিয়া গৰজি উঠে, তেতিয়া আপোন মানুহৰ কাষ চাপি থকাটোৱেই যেন জীৱনৰ স্বাভাৱিক আহ্বান।

সোমবাৰৰ পুৱাটো আছিল শিক্ষাৰ্থীসকলৰ সহনশীলতাৰ প্ৰকৃত পৰীক্ষা। জৰ্জ স্কোৱেৰৰ ওচৰৰ বাট-পথবোৰত গছৰ ডাল-পাত সিঁচৰতি হৈ পৰি আছিল। প্ৰথমটো বক্তৃতাত উপস্থিত হ'বলৈ কৰা যাত্ৰাটো যেন এক বাধা অতিক্ৰমৰ অভিযানহে আছিল। শ্ৰেণীৰ আধাসংখ্যক শিক্ষাৰ্থীয়েই পলমকৈ আহি উপস্থিত হ'ল— বতাহত বিধ্বস্ত, চুলিবোৰ খেলিমেলি আৰু মুখত সামান্য নাটকীয় অভিব্যক্তি। আমাৰ অধ্যাপকে মিচিকিয়াই হাঁহি ক'লে যে আমি অন্ততঃ শ্ৰেণীলৈ আহি পাব পাৰিছোঁ, সেয়াই সৌভাগ্যৰ কথা। কোনেও তেওঁৰ কথাৰ প্ৰতিবাদ নকৰিলে। কাৰণ, আমি সকলোৱে একেটা কঠিন সপ্তাহৰ সামৰণি সময় অতিক্ৰম কৰি আহিছিলোঁ। আৰু সেইদিনা বহুদিনৰ মূৰত 'সপ্তাহৰ শেষ সময় কেনে গ'ল?'— এই সাধাৰণ প্ৰশ্নটোৰ উত্তৰত সকলোৱে সঁচা কথাখিনিহে ক'লে। এডিনবৰাৰ দৰে এখন নগৰত বিশ্ববিদ্যালয়ৰ জীৱন-যাপনৰ মাজত বতৰৰো এক বিশেষ ভূমিকা আছে। ইয়াত থাকি আপুনি শিকি যায়— মজবুত ছাতি লগত লৈ ফুৰিবলৈ, অথবা ছাতিৰ ওপৰত নিৰ্ভৰ কৰাৰ অভ্যাস একেবাৰেই ত্যাগ কৰিবলৈ। ইয়াত 'অলপ বতাহহে বলিছে' বুলি কোৱা কথাষাৰে কেতিয়াবা পাতল জেকেট পিন্ধাৰ প্ৰয়োজন বুজায়, আন কেতিয়াবা



সমৰ্থ মাহাত্তা

আকৌ ব্ৰিজেছৰ ওপৰেৰে খোজকাঢ়ি যোৱাটোৱেই শৰীৰৰ সমগ্ৰ শক্তি প্ৰয়োগ কৰিবলগীয়া এক সংগ্ৰামত পৰিণত হয়। আপুনি এয়াও বুজি পায় যে ধুমুহাই সময়সীমা পিছু�ৰাই নিদিয়ে; কিন্তু মানুহে মানুহৰ বাবে নিজৰ কঠোৰতা কিছু শিথিল কৰিব পাৰে, ইজনে সিজনৰ প্ৰতি অলপ অধিক সহানুভূতিশীল হ'ব পাৰে। বোৱেলোৰ পৰা মই যদি কিবা শিক্ষা গ্ৰহণ কৰিছোঁ, সেয়া ৰৱ ডাঙৰ একো নহয়— ৰৱং সৰু অথচ জীৱনোপযোগী কেইটামান কথা। আগতীয়াকৈ পৰিকল্পনা কৰক, নিজৰ বৈদ্যুতিন সঁজুলিবোৰ চার্জ কৰি ৰাখক আৰু আপোনাৰ কাষত ভাল মানুহকেইজনক ৰাখক।

শৈক্ষিক পঠ্যক্ৰমৰ অন্তৰ্গত যিটো বিষয় লিখিবলৈ মই ইমান সময় ধৰি সংগ্ৰাম কৰি আছিলোঁ, সেইটো অৱশেষত মঙ্গলবাৰে সম্পূৰ্ণ কৰিলোঁ— এইবাৰ মনটোও আছিল নিৰ্মল, আৰু ক্ৰমাগতভাৱে এডিনবৰাৰ ৰতৰো হৈ উঠিছিল আগতকৈ বহু বেছি সুন্দৰ। ■





কিতাপ পঢ়াৰ প্ৰতি অনীহা



কমলেশ বৈশ্য

২০২৬ বৰ্ষৰ আগষ্ট মাহৰ ১৯ তাৰিখত এখন জনপ্ৰিয় দৈনিক কাকতত এটি সৰু বাতৰি প্ৰকাশ পাইছিল। বাতৰিটো সৰু যদিও বাতৰিটোৰ তাৎপৰ্য বিশাল। বাতৰিটোত ১১০ বছৰ বয়সীয়া কেথৰিন হেজেছ নামৰ এগৰাকী মহিলাৰ কথা উল্লেখ কৰা হৈছে। কেথৰিন ১১০ বছৰ বয়সতো সক্ৰিয় আৰু সপ্ৰতিভ। কেনেকৈ কেথৰিন নামৰ মহিলাগৰাকী এশ বছৰ পাছতো ইমান সপ্ৰতিভ হৈ থাকিব পাৰে? এয়া স্বাস্থ্য বিশেষজ্ঞসকলৰ বাবে গৱেষণাৰ বিষয় হৈ পৰে। প্ৰকাশিত বাতৰিটোত উল্লেখ কৰা অনুসৰি, কেথৰিনে নিয়মীয়াকৈ বাতৰি কাকত পঢ়ে। তেওঁ বাতৰি কাকত পঢ়ি বিশ্বৰ বিভিন্ন প্ৰান্তৰ খবৰ ৰাখে আৰু নিজকে সক্ৰিয় কৰি ৰাখে। কোনো এটা সাক্ষাৎকাৰত তেওঁ নিজেই কৈছে যে বাতৰি কাকতৰ পৃষ্ঠাত দিনটো ব্যস্ত থাকি তেওঁ বিশ্বৰ বিভিন্ন প্ৰান্তত ভুমুকি মৰাৰ সুবিধা লাভ কৰে আৰু ইয়েই তেওঁক প্ৰতিদিনে নৱজীৱন প্ৰদান কৰে। এই ঘটনাই প্ৰমাণ কৰে যে বাতৰি কাকত পঢ়াৰ অভ্যাসে মানুহক সদায় জ্ঞানৰ সৈতে সংযুক্ত কৰি ৰখাৰ লগতে জীয়াই থকাৰ প্ৰেৰণাও প্ৰদান কৰে। ওপৰত উল্লিখিত উদাহৰণটো অকল বাতৰি কাকত পঢ়াৰ ক্ষেত্ৰতে নহয়, অন্যান্য আলোচনী অথবা গ্ৰন্থৰ ক্ষেত্ৰতো প্ৰযোজ্য।

শেহতীয়া তথ্য অনুসৰি, সমগ্ৰ বিশ্বতে গ্ৰন্থ বা কিতাপ পঢ়াৰ অভ্যাস দ্ৰুত গতিত হ্ৰাস পাইছে। বিভিন্ন সমীক্ষা অনুসৰি, যোৱা ২০ বছৰত কিতাপ পঢ়া মানুহৰ সংখ্যা প্ৰায় ৪০ শতাংশ পৰ্যন্ত হ্ৰাস পাইছে। এই হ্ৰাস পোৱাৰ প্ৰৱণতা ইমানেই বেছি যে প্ৰতি বছৰত পঢ়ুৱৈৰ সংখ্যা ৩ শতাংশকৈ হ্ৰাস পায়। নেচনেল কাউন্সিল অব এপ্লাইড ইক'নমিক ৰিছাৰ্চ (NCAER)ৰ প্ৰতিবেদন অনুসৰি, আমাৰ দেশ ভাৰতত ২০১৯ বৰ্ষৰ পৰা ২০২৪ বৰ্ষলৈকে পাঁচ বছৰৰ ভিতৰত ভাৰতত অৱসৰ বিনোদনৰ বাবে কিতাপ পঢ়া লোকৰ সংখ্যা ৫.৪ শতাংশৰ পৰা হ্ৰাস পাই ৪ শতাংশ হৈছেগৈ। আন এটা সমীক্ষাৰ তথ্য অনুসৰি, ২০০৪ চনত গ্ৰন্থ পঢ়াৰ হাৰ ২৮ শতাংশ আছিল। এই সংখ্যা হ্ৰাস পাই ২০২৩-২৪ চনত ১৬ শতাংশ হৈছে। 'নেচনেল লিটাৰেচী ট্ৰাষ্ট' (National Literacy Trust)ৰ তথ্য অনুসৰি, ছাত্ৰ-ছাত্ৰী আৰু শিশুসকলৰ মাজত স্ব-ইচ্ছাৰে কিতাপ পঢ়াৰ আনন্দ আৰু অভ্যাস যোৱা দুই দশকত আটাইতকৈ নিম্ন স্তৰলৈ নামি আহিছে। ভাৰতৰ ৮ৰ পৰা ১৮ বছৰীয়া শিশুৰ ভিতৰত মাত্ৰ ৩৪.৬ শিশুৱেহে আজৰি সময়ত পঢ়ি ভাল পায়। সৰু সৰু চহৰত থকা গ্ৰন্থৰ বিপণীসমূহতো খা-খবৰ ল'লে বুজিব পাৰি যে অতি দুখলগাকৈ কিতাপ পঢ়া মানুহৰ সংখ্যা কমিছে। ৰৱপেটা চহৰৰ কবি বন্ধু পিংকুজিৎ দাসে দুবছৰ পূৰ্বে পূৰ্ণিমাপ্ৰভা নামেৰে এখন গ্ৰন্থ বিপণী খুলি ব্যৱসায় এটা আৰম্ভ কৰিছে। পিংকুজিতে নিজাকৈ ব্যৱসায় আৰম্ভ কৰাৰ পূৰ্বেই চহৰখনৰ আন এখন প্ৰতিষ্ঠিত বাতৰি কাকত এজেন্সী আৰু কিতাপৰ দোকান জয়ন্তী ষ্টোৰ্ছত কাম কৰিছিল। কিন্তু পিংকুজিতৰ এই সুদীৰ্ঘ কৰ্মজীৱনৰ অভিজ্ঞতা অত্যন্ত হতাশাজনক। এদিন পিংকুজিতে ক'লে, ৰৱপেটাত লিখা-মিলাৰ লগতে সংবাদ ক্ষেত্ৰখনতো জড়িত বহু ব্যক্তি আছে। কিন্তু দুই-এজনেহে আলোচনী অথবা অন্যান্য কিতাপ বিচাৰি আহে। পিংকুজিতৰ মতে, কিতাপৰ স্থানীয় গ্ৰাহকৰ সংখ্যা একপ্ৰকাৰ দুই-চাৰিজনৰ মাজতে সীমাবদ্ধ হৈ গৈছে।

বৰ্তমান সময়ত বিশেষকৈ শিশু বা যুৱকসকলৰ মাজত কিতাপ পঢ়াৰ প্ৰৱণতা যিদৰে হ্ৰাস পাইছে, তাকে লৈ বহুতে গ্ৰন্থৰ ভৱিষ্যতক লৈ উদ্বেগ প্ৰকাশ কৰা দেখা যায়। কিন্তু গ্ৰন্থৰ ভৱিষ্যতক লৈ উদ্বিগ্ন হোৱাৰ পূৰ্বে আমি কেতবোৰ কথাক লৈহে চিন্তিত হোৱা উচিত। নিয়মীয়াকৈ কিতাপ পঢ়াৰ অভ্যাস নকৰিলে কেনেধৰণৰ ক্ষতি হ'ব পাৰে। বিভিন্ন বিশেষজ্ঞৰ মতে, নিয়মীয়াকৈ কিতাপ নপঢ়াৰ ফলত মগজুৰ কাৰ্যক্ষমতা হ্ৰাস পাব পাৰে। কিতাপ নপঢ়িলে মগজুৰ সুস্থ চিন্তা আৰু স্মৃতিশক্তি দুৰ্বল হৈ পৰে। কিতাপ নপঢ়াৰ অভ্যাসে নতুন চিন্তা তথা কল্পনা কৰাৰ ক্ষমতা হ্ৰাস কৰি সৃষ্টিশীল ধাৰণা জন্ম হোৱাত বাধাৰ সৃষ্টি কৰিব পাৰে। কিতাপ নপঢ়াৰ অভ্যাসৰ ফলতে যিকোনো বিষয় বা তথ্যক গভীৰভাৱে বিশ্লেষণ কৰা বা সমালোচনামূলক দৃষ্টিভংগীৰে ভাবি চোৰাৰ মানসিকতা হ্ৰাস পায়।

আধুনিক তথ্য-প্ৰযুক্তিয়ে প্ৰভাৱ বিস্তাৰ কৰা বৰ্তমান সময়তো কিতাপ পঢ়াৰ গুৰুত্ব কমা নাই। বিপৰীতে বৃদ্ধিহে পাইছে। কিন্তু উদ্বেগৰ বিষয় যে এই গুৰুত্বক আমি উপলব্ধি কৰিব নোৱাৰাটো। জ্ঞানৰ বিকাশৰ লগতে আমাৰ চিন্তন শক্তি উন্নত কৰাৰ ক্ষেত্ৰত নিয়মীয়াকৈ কিতাপ পঢ়া কাৰ্যই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেনেহ'লে কিতাপ পঢ়া কাৰ্য লাভদায়ক হোৱাৰ পাছতো আজিৰ কিশোৰ-কিশোৰী বা যুৱপ্ৰজন্মৰ মাজত কিতাপ পঢ়াৰ প্ৰতি কিয় অনীহা বৃদ্ধি পাইছে। ইয়াকো বিশ্লেষণ কৰাৰ প্ৰয়োজনীয়তা নিশ্চয় আছে। বিভিন্ন অধ্যয়নৰ জৰিয়তে এটা কথা প্ৰতিপন্ন হৈছে যে আধুনিক প্ৰযুক্তি আৰু ছ'চিয়েল মিডিয়াৰ প্ৰভাৱে মন মগজুক গ্ৰাস কৰাৰ ফলতে নৱপ্ৰজন্মৰ মাজত কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ ক্ৰমান্বয়ে কমি আহিছে। ছ'চিয়েল মিডিয়াৰ প্ৰভাৱে মানুহৰ তথ্য গ্ৰহণৰ ধৰণ সলনি কৰাৰ লগতে মনোযোগৰ পৰিসৰো হ্ৰাস কৰিছে। ফেচবুক আদিকে ধৰি বিভিন্ন সামাজিক মাধ্যমত বিয়পি থকা চুটি চুটি ৰীলসমূহত অনবৰত দৃষ্টি নিবদ্ধ কৰাৰ ক্ষেত্ৰত মানুহ ইমান অভ্যস্ত হৈ পৰিছে যে মানুহৰ বাবে স্থিৰ হৈ গভীৰ মনযোগেৰে কিতাপ পঢ়াটো একপ্ৰকাৰ কঠিন কাৰ্য হৈ পৰিছে। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাক কেৱল বিদ্যালয়ৰ পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ কৰি ৰখাটো পৰিলক্ষিত হয়।

তথ্য আৰু প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন হৈছে। এতিয়া বেছিভাগ মানুহেই যিকোনো কথা দ্ৰুত গতিত জানিব খোজে। কম সময়ৰ ভিতৰত কেৱল তথ্য আহৰণ কৰাৰ এই মানসিকতা গঢ়ি উঠাৰ লগে লগে কিতাপ পঢ়া সংস্কৃতিটোও বিলুপ্ত হোৱাৰ দিশে আগবাঢ়িছে। বৰ্তমান সময়ত অধিকসংখ্যক লোকেই নিজৰ স্মাৰ্ট ম'বাইল ফোনটোক বিনোদনৰ বাবে আশ্ৰয় কৰি লৈছে। কিতাপ পঢ়া কামটোৱে আচলতে আমাৰ বোধ শক্তি বৃদ্ধি কৰাৰ লগতে অনুভূতিপ্ৰৱণ কৰি তোলে। যিকোনো কথাক যুক্তিৰে ফঁহিয়াই চোৰাৰ ক্ষমতাও বৃদ্ধি কৰে কিতাপ পঢ়া কাৰ্যই।

এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে কিতাপে সভ্যতাৰ বিকাশৰ ধাৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কিতাপ কেৱল কাগজৰ পৃষ্ঠা আৰু ছপা আখৰৰ সমষ্টি নহয়, কিতাপ হৈছে মানৱ জাতিয়ে যুগ যুগ ধৰি আহৰণ কৰি অহা অভিজ্ঞতা, চিন্তা-চৰ্চা, জ্ঞান আৰু অনুভৱৰ এক সজীৱ সংগ্ৰহ। কিতাপ পঢ়াৰ কথা ওলালেই বহুতে প্ৰশ্ন কৰে— আমি কিয় পঢ়িব লাগে? কিতাপ পঢ়াৰ দ্বাৰা আমাৰ মনৰ দিগন্ত প্ৰসাৰিত হয়। নিজৰ চৌপাশৰ সীমাবদ্ধ জগতখনৰ পৰা আঁতৰি বিশ্বব্ৰহ্মাণ্ডৰ অসীম জ্ঞানৰ ভাণ্ডাৰত প্ৰৱেশ কৰাৰ একমাত্ৰ দু